# দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ১৭২তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৮ চ'ত ১৪২৭ ভাস্কৰাব্দ ১ এপ্ৰিল ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 1 April 2021 মূল্য ঃ ৭.০০ টকা





● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



উচ্চাকাংক্ষা অবিহনে কোনেও একো আৰম্ভ কৰিব নোৱাৰে। কৰ্ম অবিহনে কোনেও একো সমাপ্ত কৰিব নোৱাৰে। পুৰস্কাৰ আপোনালৈ প্ৰেৰণ কৰা নহয়, তাক জয় কৰিব লাগিব।

ৰাল্ফ ৱালড' এমাৰছন
*আমেৰিকাৰ নিবন্ধকাৰ*

www.dainikagradoot.in

৭ কৰ'নাৰ দ্বিতীয় ঢৌত প্ৰভাৱিত অঞ্চলত তিনিগুণ সংক্ৰমণ
১৩ ৰাষ্ট্ৰীয় চাইক্লিঙত অসমৰ চয়নিকাৰ অভিলেখ
৪ নিৰ্বাচন সমাপ্ত নৌহওতেই দলসমূহৰ বিজয় ঘোষণা



## ৰাজ্যত ব্যাপক হাৰত উলংঘা নিৰ্বাচনী বিধি

### ৯০৮টা অভিযোগ সত্য প্ৰমাণিত

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩১ মাৰ্চ ঃ** ৰাজ্যত ব্যাপক হাৰত উলংঘা হৈছে নিৰ্বাচনী আচৰণ বিধি। নিৰ্বাচন আয়োগৰ শেণদৃষ্টিকো ভেঙুচালি কৰি একাংশ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে নিয়মীয়াকৈ ভংগ কৰি আহিছে নীতি-নিয়মসমূহ। ৰাজ্যিক নিৰ্বাচন বিভাগৰ তথ্যতে সেই কথা স্পষ্ট হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া নীতিন খাড়ে আজি সদৰী কৰে যে যোৱা ৩০ মাৰ্চলৈ অসমত ১,২৭২টা আচৰণ *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ১৮° |
| ডিব্ৰুগড় | ২৯° | ১৭° |
| দিল্লী | ৩৬° | ১৮° |
| কলকাতা | ৩৮° | ২৮° |
| মুম্বাই | ৩৩° | ২৬° |
| চেন্নাই | ৩৭° | ২৬° |
| বাংগালুৰু | ৩৩° | ২১° |
| শ্বিলং | ২০° | ১৩° |

*৩১ মাৰ্চ, ২০২১*

■ মোদীৰ সিদ্ধান্তই ক্ষুদ্ৰ-মজলীয়া ব্যৱসায়ীক ৰামটাঙোন শোধালে ঃ বৰক্ষেত্ৰী-ছয়গাঁৱত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ ৰাহুল গান্ধীৰ ■ এইবাৰ মহাজোঁটে এশ আসন পাব ঃ বৰা

# কংগ্ৰেছৰ গেৰাণ্টীত শংকিত বিজেপি



### নিৰ্বাচনী সভাত নেতৃত্বৰ দাবী

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**নলবাৰী/বৰভাগ/মুকালমুৱা/ছয়গাঁও/বকো/পলাশবাৰী, ৩১ মাৰ্চ ঃ** 'কংগ্ৰেছে যি পাঁচটা গেৰাণ্টী লৈ আহিছে, তাকে লৈ বিজেপিয়ে ভয় খাইছে। কিয়নো আঢ়ৈ বছৰৰ পূৰ্বে ছত্তিছগড়ৰ নিৰ্বাচনৰ আগে আগে কংগ্ৰেছৰ মজিয়াৰ পৰা এই ধৰণৰ গেৰাণ্টী দিয়া হৈছিল। সেই গেৰাণ্টী চৰকাৰ গঠনৰ ১০ দিনৰ পাছতে পালন কৰাৰ কথা আছিল যদিও চৰকাৰৰ শপত গ্ৰহণৰ ছঘণ্টাৰ পাছতে আটাইকেইটা গেৰাণ্টী কৰি দেখুৱাইছে। আমি যি গেৰাণ্টী দিছো এয়া আমাৰ প্ৰতিশ্ৰুতি নহয়, বৰঞ্চ সঁচা অৰ্থত গেৰাণ্টী।' এই দাবী কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীৰ। আজি কংগ্ৰেছৰ শীৰ্ষ নেতাজনে বৰক্ষেত্ৰী আৰু ছয়গাঁৱৰ দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নলবাৰী জিলাৰ লোহাৰকাঠাত বৰক্ষেত্ৰীৰ কংগ্ৰেছ প্ৰাৰ্থী দিগন্ত বৰ্মন তথা বনগাঁও ব্লকৰ অন্তৰ্গত প্ৰীতিপুৰ ৰাজহুৱা খেলপথাৰত ছয়গাঁৱৰ প্ৰাৰ্থী বিধায়ক ৰেকিবুদ্দিন আহমেদ আৰু বকোৰ প্ৰাৰ্থী বিধায়িকা নন্দিতা দাসক ভোট দিয়াৰ বাবে গান্ধীয়ে ৰাইজক আহ্বান জনায়। বৰক্ষেত্ৰীত আয়োজিত জনসভাত গান্ধীয়ে কয় যে এইবাৰ অসমৰ বাবে যি গেৰাণ্টী দিয়া হৈছে, *১০ পৃষ্ঠাত চাওক*

■ সোণোৱালৰ নেতৃত্বত অসমৰ উন্নয়ন যথেষ্ট হৈছে ঃ নিৰ্বাচনী প্ৰচাৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী

## অসমত বিজেপি-অগপৰ স'তে আজমল নেতৃত্বাধীন কংগ্ৰেছৰ যুঁজ হৈছে ঃ শ্বাহ

### কংগ্ৰেছ আহিলে অসম বিদেশীৰ চৰণীয়া পথাৰ হ'ব

অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা
**বঙাইগাঁও/কাজলগাঁও/হাজো/সোণাপুৰ, ৩১ মাৰ্চ ঃ** 'অসমৰ উন্নয়ন কৰিম বুলি কৈছিলো, সেয়া আমি কৰিলো বিগত সময়ত। আন্দোলনমুক্ত অসম গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিছিলো বাবে সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত আমি সম্ভৱ কৰি তুলিলো সৰু সৰু স্বায়ত্বশাসিত পৰিষদ দি। সকলো জাতি-জনগোষ্ঠীৰ উন্নয়ন কৰিছো আমি। বিগত সময়ৰ কংগ্ৰেছ চৰকাৰৰ দিনত অসমৰ উন্নয়ন স্থবিৰ হৈ পৰিছিল। কিন্তু সৰ্বানন্দ সোণোৱালৰ *১০ পৃষ্ঠাত চাওক*



■ কে'বাজনো হেভিৱেইট প্ৰাৰ্থীৰে আজি নিৰ্বাচন ঃ ভাগ্য নিৰ্ণয় হ'ব ৩৪৫গৰাকী প্ৰাৰ্থীৰ

## দ্বিতীয় পৰ্যায় বিজেপি মিত্ৰজোঁটৰ অগ্নিপৰীক্ষা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩১ মাৰ্চ ঃ** চৰকাৰ গঠনৰ ক্ষেত্ৰত বিজেপি আৰু কংগ্ৰেছৰ বাবে অগ্নিপৰীক্ষা হৈ কাইলৈ ৰাজ্যত অনুষ্ঠিত হ'ব দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন। ৩৯ টা সমষ্টিৰ বাবে অনুষ্ঠিত হ'বলগীয়া এই নিৰ্বাচনৰ জৰিয়তে ৭৩,৪৪,৬৩১ গৰাকী ভোটাৰে ৩৪৫ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। তেওঁলোকৰ ভিতৰৰ ২৬ গৰাকী হ'ল মহিলা প্ৰাৰ্থী। অৱশ্যে তেনে অগ্নিপৰীক্ষাক নাকচ কৰি আজি ড° হিমন্ত বিশ্ব শৰ্মাই দাবী কৰে যে প্ৰথম আৰু দ্বিতীয় পৰ্যায় মিলিয়েই বিজেপি-অগপ-ইউপিপিএল মিত্ৰজোঁটে ৰাজ্যত পুনৰ চৰকাৰ গঠনৰ শক্তি আহৰণ কৰিব। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত তেওঁলোকে যিকেইটা সমষ্টি দখল কৰিব সেয়া হ'ব ব'নাছ। ইয়াৰ বিপৰীতে কংগ্ৰেছেও দ্বিতীয় পৰ্যায়তো তেওঁলোকৰ সফলতাৰ ধাৰা অব্যাহত ৰাখিব বুলি আজি দাবী কৰে। অৱশ্যে সংখ্যা সদৰী কৰাৰ পৰা দলটো বিৰত থাকে। চৰ্চা অনুসৰি বিজেপিৰ বাবে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন চৰকাৰ গঠনৰ ক্ষেত্ৰত অগ্নিপৰীক্ষা হ'ব কিয়নো তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া সমষ্টিবোৰৰ বেছি ভাগক লৈয়ে দলীয় নেতৃবৃন্দ প্ৰথম দুটা পৰ্যায়ৰ দৰে আত্মবিশ্বাসী নহয়। তৃতীয় পৰ্যায়ৰ সমষ্টিবোৰৰ অধিকাংশত কংগ্ৰেছ-এআইইউডিএফ মিত্ৰজোঁটৰে প্ৰভাৱ বেছি বুলি ৰাজনৈতিক মহলত চৰ্চা চলি আহিছে। সেই *১০ পৃষ্ঠাত চাওক*

## বিজেপি চৰকাৰত সুৰক্ষিত সংখ্যাগুৰু-সংখ্যালঘু

পশ্চিম অসমৰ সাতটা সমষ্টিত ভোট বিচাৰি তৃতীয় পৰ্যায়ৰ বাবে মুখ্যমন্ত্ৰীৰ মাৰাথন প্ৰচাৰ

অগ্ৰদূত ব্যুৰ'/ বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**বঙাইগাঁও/বিলাসীপাৰা/আগমনী/গৌৰীপুৰ/বক্সিৰহাট/চাপৰ কাজলগাঁও/মুছলপুৰ, ৩১ মাৰ্চ ঃ** অহা ছয় এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সাতখন নিৰ্বাচনী সভাত বিজেপি আৰু মিত্ৰদলৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। প্ৰচাৰ চলোৱা সমষ্টিকেইটা হ'ল ধুবুৰী, গোলকগঞ্জ, গৌৰীপুৰ, পূব বিলাসীপাৰা, পশ্চিম বিলাসীপাৰা, চিদলী আৰু চাপাগুৰি। মুখ্যমন্ত্ৰীয়ে আজি ধুবুৰীত বিজেপি প্ৰাৰ্থী ডাঃ দেৱময় সান্যালৰ হৈ প্ৰচাৰ চলায় কংগ্ৰেছক সমালোচনা কৰি কয় যে দলটোৱে ৬০ বছৰ ৰাজত্ব চলালে যদিও ধুবুৰীৰ উন্নয়নত গুৰুত্ব প্ৰদান নকৰিলে। অথচ ইংৰাজৰ দিনত *ন পৃষ্ঠাত চাওক*



## নেতাৰ মুখ বহুৰূপী মাত



### *মিছা কথাৰ সভা*



বৰক্ষেত্ৰী আৰু ছয়গাঁৱত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভাত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কটাক্ষ কৰি সাংসদ ৰাহুল গান্ধীয়ে কয়, 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চূড়ান্ত মিছলীয়া। ২৪ ঘণ্টাই তেওঁ মিছা কথাই কয়। প্ৰতিখন সভাতে তেওঁ মিছা কথাৰ ফুলজাৰি মাৰিছে। যদি মিছা কথা শুনিবলৈ মন আছে, তেন্তে নৰেন্দ্ৰ মোদীৰ সভালৈ যাওক।'

### নিলাজে চিপিএমক ভোট দিয়ে



ৰাজ্যিক বিজেপি সভাপতি ৰঞ্জিৎ দাসে আজি সৰভোগত এক নিৰ্বাচনী সভাত ৰাইজক উদ্দেশ্যি কয়, 'সৰভোগৰ নিলাজ মানুহখিনিয়ে চি পি এমক ভোট দিব। জ্ঞান থকা মানুহে চি পি এমক ভোট নিদিয়ে। স্বাভিমান থকা মানুহে চি পি এমক ভোট নিদিয়ে।'

### *ইউপিপিএলত বিজেপিৰ পেট্ৰ'ল*



চাপাগুৰি সমষ্টিত ইউপিপিএল প্ৰাৰ্থী উৰ্খাও গৌৰা ব্ৰহ্মৰ হৈ ভাষণ দি মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়, 'ট্ৰেক্টৰ মানে পদুম, পদুম মানে ট্ৰেক্টৰ। ট্ৰেক্টৰ যাব দিছপুৰলৈ। বিটিচিত এতিয়া উন্নয়নৰ ট্ৰেক্টৰ চলিব। ইউপিপিএলৰ ট্ৰেক্টৰ ডিজেল-পেট্ৰ'ল ভৰাই দিয়াৰ দায়িত্ব বিজেপিৰ। হাগ্ৰামাৰ ফুটবলত এতিয়া পাম্প নাই। হাগ্ৰামা মহিলাৰী বদৰুদ্দিন আজমলৰ নিয়ন্ত্ৰণত আছে।'

## ইনশ্বাল্লাহ অসমত পুনৰ হ'ব বিজেপি মিত্ৰজোঁটৰ চৰকাৰ

সৰভোগৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত ৰঞ্জিত দাস



অগ্ৰদূত বাৰ্তা
**শালবাৰী, ৩১ মাৰ্চ ঃ** ইনশ্বাল্লাহ অসমত পুনৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰ হ'ব। আজি সৰভোগ সমষ্টিৰ সংখ্যালঘু অধ্যুষিত অঞ্চল বগৰীগুৰীত এক নিৰ্বাচনী সভাত বিজেপি সভাপতি ৰঞ্জিত দাসে এইদৰে কয়। সমষ্টিটোৰ দলীয় প্ৰাৰ্থী শংকৰ দাসৰ হৈ আজি হেলিকপ্টাৰেৰে আহি সভাত অংশগ্ৰহণ কৰে ৰাজ্যিক সভাপতিজনে। ভাষণত তেওঁ *১০ পৃষ্ঠাত চাওক*

## জাতীয়তাবাদৰ ঢৌত-ভাহি যাব বিজেপিৰ মিথ্যাচাৰ

হাজোত অজাপৰ নিৰ্বাচনী পদযাত্ৰা লুৰীণজ্যোতিৰ



অগ্ৰদূত বাৰ্তা
**হাজো, ৩১ মাৰ্চ ঃ** 'অসমত জাতীয়তাবাদৰ চৰকাৰ হোৱাটো নিশ্চিত। কিয়নো জাতীয়তাবাদৰ ঢৌত উটি-ভাহি যাব ওলাইছে বিজেপিৰ মিথ্যাচাৰ, কুশাসন আৰু প্ৰলোভন।' এই মন্তব্য অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ। আজি হাজো বিধানসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী দুলু আহমেদৰ সমৰ্থনত উলিওৱা এক পদযাত্ৰাত *১০ পৃষ্ঠাত চাওক*

## নগাঁও চহৰৰ বিভিন্ন স্থানত ৰূপক শৰ্মাৰ বিৰুদ্ধে প'ষ্টাৰিং

### ৰাইজে গম পাইছে এয়া কংগ্ৰেছৰ কাণ্ড

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩১ মাৰ্চ ঃ** নগাঁও সদৰ সমষ্টিৰ বিধায়ক তথা বিজেপি প্ৰাৰ্থী ৰূপক শৰ্মাৰ বিৰুদ্ধে চহৰখনত বিভিন্ন স্থানত ব্যাপক প'ষ্টাৰিং হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যোৱা নিশা ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোকৰ ফটো ব্যৱহাৰ কৰি ফটোৰ ওপৰত 'মুছলমানৰ ভোট নালাগে' বুলি এটা বাক্য *১০ পৃষ্ঠাত চাওক*

দুদিনে সন্ধানহীন তামুলপুৰৰ ৰংজা খুংগুৰ বসুমতাৰীক লৈ তোলপাৰ

## নিৰ্বাচনী প্ৰচাৰ এৰি বিপিএফ প্ৰাৰ্থীৰ ইউপিপিএলত যোগদানক লৈ চৰ্চা



মহানগৰীৰ হোটেল লিলিত বাহৰ পাতিছে!

ষ্টাফ ৰিপৰ্টাৰ/অগ্ৰদূত বাৰ্তা
**গুৱাহাটী/তামুলপুৰ, ৩১ মাৰ্চ ঃ** অহা ছয় এপ্ৰিলৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ আগমুহূৰ্তত তামুলপুৰ সমষ্টিত সংঘটিত হৈছে আজৱ ঘটনা। নিৰ্বাচনী প্ৰচাৰ তুংগত থকাৰ মাজতে সমষ্টিটোৰ কংগ্ৰেছ মহাজোঁটৰ অংশীদাৰ বিপিএফৰ প্ৰাৰ্থী ৰংজা খুংগুৰ বসুমতাৰী ওৰফে ৰামদাস বসুমতাৰী কালিৰ পৰা সন্ধানহীন হয়। কোনেও তেওঁৰ সন্ধান *১০ পৃষ্ঠাত চাওক*

মঙলদৈ আৰক্ষী ছাউনিত উত্তপ্ত পৰিস্থিতি

## প্ৰাপ্য মজুৰি বিচৰা গৃহৰক্ষী জোৱানৰ ওপৰত লাঠিচালনা

অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা
**মঙলদৈ, ৩১ মাৰ্চ ঃ** কাইলৈ দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনত নিৰ্বাচনী দায়িত্ব পালন কৰিব অহা শতাধিক গৃহৰক্ষী বাহিনীৰ জোৱানৰ ওপৰত মঙলদৈ আৰক্ষী ছাউনিত *১০ পৃষ্ঠাত চাওক*

## প্ৰথম পৰ্যায়ত মহাজোঁটে ১৯-২০ খন আসন লাভৰ দাবী ভূঞাৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩১ মাৰ্চ ঃ** অধিকাংশ নিৰ্বাচনী সভাত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমত কংগ্ৰেছ মহাজোঁটৰ নামত *১০ পৃষ্ঠাত চাওক*

বৰপেটা-সৰ্থেবাৰী-ভৱানীপুৰ-ছাপাগুৰি-তামুলপুৰত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ

## পদুমেই হাতী আৰু হাতীয়েই পদুম ঃ শৰ্মা



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**বৰপেটা/সৰ্থেবাৰী/সৰুপেটা/ভৱানীপুৰ/শালবাৰী/জালাহ/তামুলপুৰ, ৩১ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি মিত্ৰজোঁট বিজেপি, অগপ, ইউপিপিএল প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় নেডাৰ আহ্বায়ক তথা অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বৰপেটা সদৰ সমষ্টিৰ লগতে জিলাখনৰ সৰুক্ষেত্ৰী সমষ্টিত মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বিপৰীতে নৱগঠিত বজালী জিলাৰ ভৱানীপুৰত *১০ পৃষ্ঠাত চাওক*

### চেঙা তেল





*এতিয়া আৰু গণ-দেৱতাৰ কাম নাই...! যাওক.... বিশ্ৰাম লওক গৈ!*

## তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ বাংলা ছবিৰ অভিনেত্ৰী শতাব্দী ৰায়ৰ



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩১ মাৰ্চ ঃ** বিগত পাঁচ বছৰত অসমৰ বিজেপি মিত্ৰজোঁট চৰকাৰে ৰাজ্যৰ ঔদ্যোগিক ক্ষেত্ৰখনৰ সৰ্বদিশেৰে মাধমাৰ শোধোৱা বুলি *৯ পৃষ্ঠাত চাওক*

## পাঁচ বছৰত অসমত ৫১ শতাংশ হ্ৰাস উদ্যোগৰ সংখ্যা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৩১ মাৰ্চ ঃ** বিগত পাঁচ বছৰত অসমৰ বিজেপি মিত্ৰজোঁট চৰকাৰে ৰাজ্যৰ ঔদ্যোগিক ক্ষেত্ৰখনৰ সৰ্বদিশেৰে মাধমাৰ শোধোৱা বুলি আজি সৰৱ হয় ৰাজস্থানৰ মুখ্যমন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা অশোক গেহলট। ইয়াৰ ৰাজীৱ ভৱনত আয়োজিত এক সংবাদমেলত গেহলটে কংগ্ৰেছ মহাজোঁটে চৰকাৰ গঠন কৰিলে পুনৰ পূৰ্বৰ ঔদ্যোগিক বিকাশৰ পথলৈ ৰাজ্যখনক লৈ যাব বুলি আশ্বাস দিয়ে। সমান্তৰালভাৱে





কংগ্ৰেছে যি পাঁচটা গেৰাণ্টী ঘোষণা কৰিছে তাকো ক্ষিপ্ৰতাৰে চৰকাৰে ৰূপায়ণ কৰিব বুলি তেওঁ কয়। গেহলটে কয়, 'বিজনেছ ৰিফৰ্ম একছন প্লেণ্ট ৰিজাল্ট ২০১৬ৰ তথ্য মতে, ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত অসমৰ স্থান দেশৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলবোৰৰ তালিকাত ২০ নম্বৰলৈ অৱনমিত হৈছে। যোৱা পাঁচ বছৰত অসমৰ লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ প্ৰতিষ্ঠানৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাইছে। কংগ্ৰেছে শাসন হেৰুওৱাৰ সময়ত অৰ্থাৎ *৯ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ১৮ চ'ত ১৪২৭ভাস্কৰাব্দ ১ এপ্ৰিল ২০২১

# আলোচনাত অচলাৱস্থা

দুটা দশকৰো অধিক কাল ধৰি নগা বিদ্ৰোহী সংগঠন এন এছ চি এন (আই-এম) আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত চলা শান্তি আলোচনাৰ সফল সমাপ্তি তথা চূড়ান্ত এক শান্তি চুক্তিৰ অপেক্ষাৰ অন্ত পৰিব কেতিয়া— এনে এক প্ৰশ্নৰ উত্তৰ বিচাৰিছে নগালেণ্ড তথা সমগ্ৰ উত্তৰ-পূৰ্বৰ ৰাজ্যবাসীয়ে; কিন্তু কেন্দ্ৰীয় চৰকাৰ নাইবা এন এছ চি এন (আই-এম)ৰ নেতৃবৃন্দৰ কোনেও এই প্ৰশ্নৰ স্পষ্ট উত্তৰ দিব পৰা নাই। শেহতীয়াভাৱে কেন্দ্ৰ আৰু এন এছ চি এন (আই-এম) এই দুয়োৱে পৰস্পৰে পৰস্পৰৰ ওপৰত দোষ জাপি দিয়া দেখা গৈছে। উল্লেখ্য যে যোৱা ২০১৫ৰ তিনি আগষ্টত ভাৰত চৰকাৰ আৰু এন এছ চি এন (আই-এম)ৰ মাজত গুৰুত্বপূৰ্ণ এক চুক্তি স্বাক্ষৰিত হৈছিল, যি চুক্তি 'ফ্ৰেমৱৰ্ক চুক্তি' হিচাপে ইতিমধ্যে পৰিচিত হৈছে। ফ্ৰেমৱৰ্ক চুক্তিৰ ওপৰত ভিত্তি কৰিয়ে অন্তিম পৰ্যায়ৰ আলোচনা আৰু শান্তি চুক্তি স্বাক্ষৰিত হ'ব বুলি সকলো পক্ষই আশা আৰু অপেক্ষা কৰি আছে; কিন্তু ফ্ৰেমৱৰ্ক চুক্তি স্বাক্ষৰিত হোৱা ছবছৰ হ'ল, শান্তি চুক্তি আজিও নহ'ল। আলোচনাত এতিয়া অচলাৱস্থাই দেখা দিছে আৰু সেয়ে শান্তি চুক্তিও অনিশ্চয়তাৰ দিশলৈ গতি কৰিছে। আনকি ২০১৫ৰ ফ্ৰেমৱৰ্ক চুক্তিক লৈ এতিয়া চৰকাৰ আৰু নগা নেতাসকলৰ মাজত বিবাদৰহে সূত্ৰপাত হৈছে। যি ফ্ৰেমৱৰ্ক চুক্তিৰ যোগেদি দীৰ্ঘকালৰ বিবাদৰ অৱসান ঘটিব বুলি আশা কৰা হৈছিল, সেই চুক্তিয়েই এতিয়া দুয়োপক্ষৰ মাজত নতুন বিবাদৰহে সৃষ্টি কৰিছে। নগা বিদ্ৰোহী সংগঠনৰ অভিযোগ, চৰকাৰে ফ্ৰেমৱৰ্ক চুক্তিৰ গুৰুত্বপূৰ্ণ দফাৰ পৰা আঁতৰি গৈছে; কিন্তু চৰকাৰৰ ভাষ্য, বিশেষকৈ আলোচনাত মধ্যস্থতাকাৰীৰ দায়িত্বত থকা ৰাজ্যখনৰ ৰাজ্যপাল আৰ এন ৰৱিৰ ভাষ্য হ'ল 'চৰকাৰে ফ্ৰেমৱৰ্ক চুক্তি উলংঘা কৰা নাই। এই বহু চৰ্চিত চুক্তিখনৰ ক'তো চামিলকৰণৰ কথা উল্লেখ কৰা নাই। নাগাসকল এক পৃথক সত্তা বুলিও ক'তো উল্লেখ কৰা নাই। অৱশ্যে চৰকাৰে নগাসকলৰ অদ্বিতীয় ইতিহাসক স্বীকৃতি প্ৰদান কৰিছে। সাম্প্ৰতিক বাস্তৱতাৰ প্ৰতি সন্মান জনাই ক্ষমতাৰ ভাগ-বাটোৱাৰাৰ যোগেদি নগা ৰাজনৈতিক সমস্যাসমূহ সমাধান কৰিবৰ বাবে ফ্ৰেমৱৰ্ক চুক্তি দায়বদ্ধ।' বিদ্ৰোহী নেতা থুইংগালেং মুইভাৰ নেতৃত্বাধীন এন এছ চি এন (আই-এম)এ 'এই চুক্তিখনত নথকা কিছুমান কথা কল্পনা কৰি লৈছে আৰু ই জনসাধাৰণক বিভ্ৰান্ত কৰিছে' বুলি ৰাজ্যপাল তথা মধ্যস্থতাকাৰী আৰ এন ৰৱিয়ে অভিযোগ কৰিছে 'নগালেণ্ড প'ষ্ট'ত প্ৰকাশ পোৱা এক সাক্ষাৎকাৰত; কিন্তু এন এছ চি এন (আই-এম)ৰ পক্ষই দৃঢ়তাৰে কৈছে যে ২০১৫ৰ তিনি আগষ্টৰ চুক্তিত সাৰ্বভৌমত্বৰ অংশীদাৰ হৈ সমস্যাৰ সন্মানজনক সমাধান কৰাৰ কথা আছে। নগা বিদ্ৰোহী নেতৃবৃন্দই ভাৰত আৰু নগাসকলৰ দুই পৃথক সত্তাৰ মাজত শান্তিপূৰ্ণ অৱস্থানৰ নতুন দীৰ্ঘম্যাদী সম্পৰ্কৰ কথা ফ্ৰেমৱৰ্ক চুক্তিত থকা বুলি দাবী কৰিছে।

শেহতীয়াভাৱে এন এছ চি এন (আই-এম)ৰ নেতৃবৃন্দই দাবী কৰিছে যে ফ্ৰেমৱৰ্ক চুক্তিৰ পৰা আঁতৰি আহি কোনো প্ৰস্তাৱ গ্ৰহণ কৰা নহ'ব। এই চুক্তিতনো প্ৰকৃততে কি আছে, সেই বিষয়ে কোনো এটা পক্ষই ৰাজহুৱা কৰা নাই। যোৱা ২০১৫তেই স্বাক্ষৰিত এই চুক্তিক আজিও চৰকাৰে আৰু নগা নেতাসকলে গোপন কৰি ৰাখিছে। সেয়ে এন এছ চি এন (আই-এম) এ এই চুক্তিৰ পৰা চৰকাৰে আঁতৰি অহা বুলি অভিযোগ কৰিছে যদিও আৰু চৰকাৰে সেই অভিযোগ অস্বীকাৰ কৰিছে যদিও প্ৰকৃততেনো কাৰ কথা সত্য, তাক জনাৰ কোনো উপায় নাই। চুক্তিখন গোপন কৰি নাৰাখি ৰাজহুৱা কৰা হ'লেহে প্ৰকৃততে কোন সঁচা, কোন মিছা ৰাইজে জানিলেহেঁতেন। এতিয়া চৰকাৰ আৰু এন এছ চি এন (আই-এম)ৰ মাজতে বিতৰ্ক আৰু বিবাদ চলি থাকিব অনিৰ্দিষ্ট কালৰ বাবে। প্ৰকৃততে চুক্তিখন গোপন কৰি ৰখাৰ ফলতে আজি দুয়ো পক্ষৰ মাজত বিবাদৰ সূত্ৰপাত হৈছে। আনহাতে, চুক্তিখন গোপন কৰি ৰখাৰ আঁৰতো কিবা ৰহস্য থাকিব পাৰে। বিশেষকৈ উত্তৰ-পূৰ্বৰ ৰাজ্যসমূহৰ সকলো বাসিন্দাৰ বাবে এই চুক্তি গুৰুত্বপূৰ্ণ। মণিপুৰ, অৰুণাচল প্ৰদেশ আৰু অসমৰ বৃহৎ অঞ্চল চামিল কৰি বৃহত্তৰ নগালেণ্ড (নাগালিম) গঠনৰ দাবীটোও বিদ্ৰোহী নগা সংগঠনে অন্যতম প্ৰধান দাবী হিচাপে উত্থাপন কৰি আহিছে। অসম, মণিপুৰ আৰু অৰুণাচল প্ৰদেশৰ ভূমি নগালেণ্ডৰ স'তে চামিল কৰা দাবীৰ তীব্ৰ বিৰোধিতা কৰি আহিছে এই তিনি ৰাজ্যৰ ৰাইজ তথা চৰকাৰে। কেন্দ্ৰীয় চৰকাৰে ভৌগোলিক অখণ্ডতা ৰক্ষা কৰাৰ কোনো প্ৰতিশ্ৰুতি ৰাজহুৱাভাৱে বা আনুষ্ঠানিকভাৱে ঘোষণা কৰা নাই। এই তিনি ৰাজ্যৰ সীমামূৰীয়া অঞ্চলবিলাক— নগালেণ্ডৰ মানচিত্ৰত অন্তৰ্ভুক্ত নহ'লেও নগালেণ্ড চৰকাৰৰ প্ৰভুত্ব তথা ক্ষমতা এইবিলাক অঞ্চলত দেখিবলৈ পোৱা যাব বুলি শংকিত হৈছে তিনি ৰাজ্যৰ ৰাইজ। তাৎপৰ্যপূৰ্ণ এয়ে যে বৃহত্তৰ নগালেণ্ডৰ দাবীৰ বিষয়ত ফ্ৰেমৱৰ্ক চুক্তিত কি আছে সেই সন্দৰ্ভত চৰকাৰ বা নগা নেতৃবৃন্দ— কোনো এটা পক্ষই একো কোৱা নাই। সীমামূৰীয়া অঞ্চলবিলাকক লৈ আপোচ কৰিলে তিনি ৰাজ্যত কেনে পৰিস্থিতিৰ সৃষ্টি হ'ব, ক'ব নোৱাৰি। সেই ৰাজ্যকেইখনত ৰাইজ যে মৌন হৈ নাথাকিব তাত কোনো সন্দেহ নাই। দেশৰ সাৰ্বভৌমত্বৰ বিষয়ত চৰকাৰে আপোচ কৰিব নোৱাৰে। আনকি পৃথক পতাকাৰ দাবীও মানি ল'ব নোৱাৰে। এনে পৰিস্থিতিত শান্তি আলোচনা সফল হ'ব যদিহে দুয়োপক্ষই এৰা-ধৰা নীতি মানি লয়। উত্তৰ-পূৰ্বৰ ৰাইজে সোনকালে অচলাৱস্থাৰ অন্ত পৰাটো বিচাৰে। সেয়ে আকোৰগোজ স্থিতি পৰিহাৰ কৰাটো অত্যন্ত জৰুৰী।

## খোলা মঞ্চ

# আপুনি এইবাৰ কেনে ধৰণৰ চৰকাৰ বিচাৰে?



**সাধাৰণ** দৃষ্টিত এখন নিকা ভাৱমূৰ্তিৰ চৰকাৰ সকলোৰে কাম্য। ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ। বাক্যষাৰ শুনিলেই দেহ-মন ভাল লাগি যায়। সঁচাকৈয়ে ৰাইজৰ বাবেহে চৰকাৰখন। ৰাইজেও এক গভীৰ আস্থাত একোটা দলক জিকাই চৰকাৰ গঠন কৰিবলৈ দিয়ে। তাৰ পাছত সেইখন চৰকাৰে জনসাধাৰণৰ বাবে কিমান কাম কৰিব পাৰে সেইটোহে আচল কথা। এটা কথা ঠিক ৰাইজে যিমান বিচাৰে কোনো চৰকাৰে সিমান দিব নোৱাৰে। চৰকাৰৰো সমস্যা আছে; কিন্তু সেই বুলি চৰকাৰ এখনে দেশৰ জনসাধাৰণক তেওঁলোকে বিচৰা ৬০ শতাংশৰ ওপৰত দিব পাৰিলেও ৰাইজ সন্তুষ্ট হয়। সেইখিনিও যদি চৰকাৰখনে নকৰে বা কৰিব নোৱাৰে, তেনেহ'লে সেইখন চৰকাৰে ৰাইজৰ আস্থা হেৰুৱাবই। দ্বিতীয়তে চৰকাৰ এখনে যিটো কাম আগতে কৰিলে ৰাইজৰ উপকাৰ হয় সেইটো কাম আগে কৰিব লাগে। যদি নকৰে তেতিয়া বুজা যায় যে চৰকাৰখনে ৰাইজৰ আৱেগ অনুভূতি বুজিয়ে নাপায়। যিখন চৰকাৰে ৰাইজৰ আৱেগ অনুভূতি বুজি নাপায়, সেইখন চৰকাৰৰ প্ৰয়োজনেইবা কি? বাৰিষা অহাৰ আগে আগে ৰাস্তা বান্ধিবলৈ আৰম্ভ কৰা, বানপানী অহালৈকে মথাউৰি মেৰামতি কৰিবলৈ ৰৈ থকা, মেলেৰিয়া মহামাৰীত মানুহ মৰাৰ পাছত ডি ডি টি ছটিওৱা, এইবোৰ প্ৰত্যকখন চৰকাৰৰে নিয়মত পৰিণত হৈছে। যাৰ বাবে ৰাইজ অতিষ্ঠ হৈ পৰিছে। খুব বেছি প্ৰতিশ্ৰুতি দিয়া চৰকাৰ আমাক নালাগে। এইবাৰ দুই-তিনিটা নতুন দল গঠন হৈছে। তেওঁলোকে দেশৰ সমস্যাৰ বুজ লৈছে। কথা দিছে। কিন্তু তাৰ লগে লগে তেওঁলোকে মহাজোঁট বন্ধন গঠন কৰি কৈ আছে বৰ্তমানৰ চৰকাৰখনক হৰুৱাবলৈ এই মহাজোঁট বন্ধন। আমি বিচাৰিছিলো দেশৰ উন্নয়নৰ বাবেহে মহাজোঁট বন্ধন হওক। এতিয়াও কওঁ এই খোৱা কামোৱাবিলাক এৰক। এইখন চৰকাৰে তাৰে মাজতে দুখীয়াৰ মুখত ভাত দিছে, নিবনুৱা সমস্যাতো হাত দিছে। আপোনালোকে মহাজোঁট বান্ধক এইখন চৰকাৰে কৰিব নোৱাৰাখিনি কৰাৰ প্ৰতিশ্ৰুতিৰে, এইখন চৰকাৰক হৰুৱাৰ প্ৰতিশ্ৰুতিৰে নহয়। ৰাইজক ভেল্কীবাজি দি চৰকাৰ গঠন নকৰিব।

**নিতান্তই আমি দেশক ভাল পোৱা, দেশৰ বাবে ত্যাগ স্বীকাৰ কৰিব পৰা চৰকাৰেই বিচাৰো।**

এতিয়া প্ৰশ্নটো হৈছে আমি এইবাৰ কেনে ধৰণৰ চৰকাৰ বিচাৰো। নিতান্তই আমি দেশক ভাল পোৱা, দেশৰ বাবে ত্যাগ স্বীকাৰ কৰিব পৰা চৰকাৰেই বিচাৰো। যিখন চৰকাৰেই ৰাইজৰ দুখ, যন্ত্ৰণা বুজি পায়। যিখন চৰকাৰে দেশৰ উন্নয়ন সাধনত গুৰুত্ব দিয়ে তেনেকুৱা চৰকাৰে আমি বিচাৰো।

**অঞ্জলিকা চক্ৰৱৰ্তী,** *লেখিকা*

*ফোন ঃ ৯১০১৭৯৯৫৯৫*

## অসম বিধানসভাৰ নিৰ্বাচন-২০২১

# নিৰ্বাচন সমাপ্ত নৌহওতেই দলসমূহৰ বিজয় ঘোষণা

## ধনতন্ত্ৰ-গণতন্ত্ৰৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে



**সোঁতৰ বিপৰীতে চিন্তা**

**প্ৰবীণ চৌধুৰী**

আজি এক এপ্ৰিল, ২০২১ত অসমত দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ আৰম্ভ হৈছে। আজিৰ এই ভোটগ্ৰহণ অসম বিধানসভাৰ ১২৬ খন আসনৰ ভিতৰত ৩৯ খন আসনৰ বাবে। ইতিমধ্যে যোৱা ২৭ মাৰ্চত প্ৰথম পৰ্যায়ৰ ৪৭ খন আসনৰ বাবে ভোটগ্ৰহণ হৈ গৈছে। অহা ছয় এপ্ৰিলত বাকী ৪০ খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। তিনিটা পৰ্যায়ৰে ভোট গণনা দুই মে'ত অনুষ্ঠিত হ'ব। সিদিনা সন্ধিয়ালৈ হয়তো চূড়ান্ত ফলাফল জনা যাব। অহা ছয় এপ্ৰিললৈ 'কাক ভোট দিম' এই প্ৰশ্নই আৰু তাৰ পাছত দুই মে'ত নিৰ্বাচনী ফলাফল নোলোৱালৈকে চিন্তা-চৰ্চাৰ কেন্দ্ৰবিন্দু হ'ব জল্পনা-কল্পনা, আলোচনা-বিলোচনা, সমীক্ষা ইত্যাদি।

নিৰ্বাচন আয়োগে নিৰ্বাচনৰ জাননী দিয়াৰ বহু আগৰে পৰা ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে দাবী কৰি আহিছে যে এইবাৰ তেওঁলোকেই অসমত চৰকাৰ গঠন কৰিব। শাসনাধিষ্ঠ বিজেপি দলে দুবছৰ আগতেই 'মিছন-১০০'ৰ কথা ঘোষণা কৰি ২০২১ৰ নিৰ্বচানত এশৰো অধিক আসনত জয়লাভ কৰি চৰকাৰ গঠন কৰিব বুলি ঘোষণা কৰিছিল। পাছলৈ কংগ্ৰেছেও এশৰ ওপৰ আসনত জয়লাভ কৰিব বুলি কোৱা হ'ল। ইতিমধ্যে দলটোৱে এ আই ইউ ডি এফৰ লগত মিত্ৰতা কৰিবলৈ উত্ৰাৱল হৈ পৰিল। অৱশেষত এ আই ইউ ডি এফৰ লগতে তিনিটা বাওঁপন্থী দল আৰু এটা নতুন আঞ্চলিক দলৰ সহযোগেৰে ছয় দলীয় মহাজোঁটবন্ধন গঠন কৰিলে। উদ্দেশ্য বিজেপি নেতৃত্বাধীন চৰকাৰক ক্ষমতাচ্যুত কৰা। পাছলৈ বিপিএফ আৰু আৰ জে ডি দলেও মহাজোঁটবন্ধনত যোগদান কৰিলে। আনহাতে, নতুন আঞ্চলিক দলদ্বয় অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেও বিজেপিক উৎখাত কৰাৰ লক্ষ্যৰে মিত্ৰজোঁট গঠন কৰি জাতীয়তাবাদী চৰকাৰ গঠন কৰিব বুলিও ঘোষণা কৰিলে। তেওঁলোকে যেনিবা এশখন আসনত জয়লাভ কৰিব বুলি দাবী কৰা নাই। কেৱল চৰকাৰ গঠন কৰিব বুলিহে কৈছে; কিন্তু ইতিমধ্যে আঞ্চলিক মিত্ৰজোঁট ফুটুকাৰ ফেন হ'ল। মিত্ৰতা এৰি দুয়োটা দলে নিজৰ মাজতেই প্ৰতিদ্বন্দ্বিতাত নামিল। ৰাইজৰ দলে নিৰ্বাচনী প্ৰতীক নাপাই নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচন খেলিবলগীয়া হ'ল। চৰকাৰ গঠন কৰিব নোৱাৰে বুলি জানি দলটোৰ সভাপতি অখিল গগৈয়ে নিজৰ দলৰ বিজয়ৰ কথা নকৈ এতিয়া যেনেতেনে কেৱল বিজেপিক পৰাজিত কৰাৰ কথা কোৱা হৈছে। অসম জাতীয় দলে কিমানখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব, সেই কথা কোনেও নাজানে। সংবাদ মাধ্যমো এই ক্ষেত্ৰত নীৰৱ হৈ আছে। দুয়োটা দলৰ মাজত হোৱা মিত্ৰতা ভংগৰ পাছত জাতীয় পৰিষদে চৰকাৰ গঠন কৰাৰ সুযোগ পালে ৰাইজৰ দলৰ সমৰ্থন ল'ব নে নাই,

**এইবাৰৰ নিৰ্বাচনৰ কেইটামান চকুত লগা কথা হৈছে প্ৰচাৰত চমক দিয়াৰ প্ৰচেষ্টা, প্ৰতিশ্ৰুতিৰ বন্যা, নিজৰ দলৰ গুণ-গান, বিপক্ষ দলৰ নিন্দা আৰু শীৰ্ষ নেতাসকলৰ মুখত বিপক্ষ দলৰ নেতাৰ প্ৰতি কৰা টুলুঙা মন্তব্য**

ৰাইজৰ দলে সমৰ্থন দিব নে নাই আদি প্ৰশ্নবোৰ আলোচনাৰ আওতালৈ অহা নাই। যি হওক, ৰাজনৈতিক দলবোৰে এশখন আসনৰ ওপৰত জয়লাভ কৰিম, চৰকাৰ গঠন কৰিম আদি যিবোৰ লম্ফ-জম্ফ কৰি আছে, প্ৰকৃততে সেইবোৰৰ কোনো ভিত্তি নাই। নিৰ্বাচনত যি ফলাফল লাভ কৰা হ'লে তেওঁলোকে ভাল পালেহেঁতেন, সেইটোকে হ'ব বুলি তেওঁলোকে দাবী কৰি আছে। কোন কোন সমষ্টিত তেওঁলোকৰ জয় নিশ্চিত, সেই কথা তেওঁলোকৰ কোনেও কোৱা নাই। জালুকবাৰী সমষ্টিত ড° হিমন্ত বিশ্ব শৰ্মাৰ জয় নিশ্চিত বুলি যেনেদৰে আশা কৰা যায়, তেনেদৰে যিকোনো দলে যদি ৫০ খন আসনত জয়লাভ কৰাৰ উজ্জ্বল সম্ভাৱনা থকা সমষ্টিৰ তালিকা এখন উলিয়াই দিলেহেঁতেন, তেন্তে কথাটো কিছু বিশ্বাসযোগ্য হ'লহেঁতেন। কোন ভোটদাতাৰ মনত কি খেলি আছে, শেষ মুহূৰ্তত ভোটদাতাই কি চিন্তা কৰি কাক ভোট দিব, সেই কথা জনাৰ কোনো উপায় নাই। ভোট বেংকসমূহো এতিয়া আগৰ দৰে নিৰ্ভৰযোগ্য হৈ থকা নাই। গতিকে ৰাজনৈতিক দলৰ মুৰব্বীসকলে আসনৰ সংখ্যাৰ উল্লেখেৰে জিকিম বুলি কোৱাৰ লগতে এনে কথাবোৰ কৈ থকাৰ কোনো ভিত্তি নাই।

২৭ মাৰ্চত প্ৰথম পৰ্যায়ত ৪৭ খন আসনৰ বাবে ভোটগ্ৰহণ সমাপ্ত হোৱাৰ লগে লগে ৰাজনৈতিক দলসমূহে জয়-পৰাজয়ৰ হিচাপ কৰিলেই। মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনৰ মতে বিজেপি মিত্ৰজোঁটে ৪৭ খন আসনৰ ভিতৰত ৪২ খনত জয়লাভ কৰিব। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৪৩ খন আসনত জয়ী হ'ব বুলি কৈছে। কিছুদিন আগতে মন্ত্ৰী ড° শৰ্মাই ৪৭ খনৰ ভিতৰত ৪৬ খনত জয়লাভ কৰিব বুলি ঘোষণা কৰিছিল। এই ৪৭টা সমষ্টিৰ ১০টাত অগপৰ প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। অগপৰ সভাপতি অতুল বৰাৰ মতে তেওঁলোকৰ ফলাফল যথেষ্ট ভাল হ'ব আৰু মিত্ৰজোঁটে ভৱাতকৈ বেছি ভাল ফলাফল লাভ কৰিব। দলটোৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ মতে তিনিওটা পৰ্যায়ত দলটোৱে ২০ খন আসনত জয়লাভ কৰিব। ২০১৬ৰ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে এই ৪৭টা সমষ্টিৰ ৩৫টা বিজয়প্ৰাপ্ত কৰিছিল। আনহাতে, ৰাজ্যিক কংগ্ৰেছ সভাপতি ৰিপুণ বৰাই সংখ্যাৰ উল্লেখ নকৰাকৈ প্ৰথম পৰ্যায়ৰ সমষ্টিবোৰৰ গৰিষ্ঠ সংখ্যক কংগ্ৰেছ আৰু মহাজোঁটে জয়লাভ কৰাটো নিশ্চিত বুলি ঘোষণা কৰিছে। তেওঁৰ মতে ৰাইজে বিপুল হাৰত ভোটদান কৰাটোৱে প্ৰতিষ্ঠান বিৰোধী ঢৌৰ শক্তি স্পষ্ট কৰিছে। লগতে তেওঁ কৈছে যে কংগ্ৰেছৰ বিৰুদ্ধে প্ৰতিষ্ঠান বিৰোধী ঢৌ বলিবলৈ ১৫ বছৰ লাগিছিল; কিন্তু বিজেপিৰ বিৰুদ্ধে পাঁচ বছৰতে সেই ঢৌ তীব্ৰতৰ হৈছে। চামগুৰি সমষ্টিৰ চাৰিটা কাৰ্যকালৰ বিধায়ক প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনে দাবী কৰে যে এইবাৰ মহাজোঁটে চৰকাৰ গঠন কৰাটো নিশ্চিত। কংগ্ৰেছৰ সাংসদ আৰু প্ৰচাৰ সমিতিৰ অধ্যক্ষ প্ৰদ্যুৎ বৰদলৈৰ মতে প্ৰথম পৰ্যায়ত দলটোৱে ৫০ শতাংশ আসনত জয়লাভ কৰিব। আনহাতে, কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ প্ৰফেছৰ গৌৰৱ বল্লভে দাবী কৰিছে যে কংগ্ৰেছ মহাজোঁটে প্ৰথম পৰ্যায়ত ৩৬ খন আসনত জয়লাভ কৰিব। উল্লেখ্য, প্ৰথম পৰ্যায়ত কংগ্ৰেছে ৪৩ খন আৰু আৰ জে ডি, আঞ্চলিক গণ মৰ্চা, এ আই ইউ ডি এফ আৰু চি পি আই এম এল দলৰ প্ৰত্যেকে এখনকৈ আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। ২০১৬ৰ নিৰ্বাচনত এই দলসমূহৰ দখলত ১২টা সমষ্টিহে আছিল। তেনেদৰে সংখ্যাৰ উল্লেখ নকৰাকৈ অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে দাবী কৰিছে যে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত অধিকাংশ আসনত জাতীয় পৰিষদে জয়লাভ কৰিব। তেওঁৰ মতে অসমৰ জনতা যে জাতীয়তাবাদৰ পক্ষত আছে, সেই কথা দুই মে'ত সকলোৱে বুজি পাব। লক্ষ্যণীয়ভাৱে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে এই বিষয়ে কোনো ধৰণৰ মন্তব্য আগবঢ়োৱা নাই। বোধহয় নিজ দলৰ দুৰ্বল স্থিতিৰ উমান পাই তেওঁ দলটোৰ বিজয় সম্বন্ধে মতামত দিয়াৰ পৰা বিৰত থাকে।

যি হওক, অসমত ইমানবোৰ জাতি-জনগোষ্ঠী আছে, তাৰ মাজৰ কেৱল চাহ জনগোষ্ঠীয়ে এইবাৰ নিৰ্বাচনত অধিক প্ৰাধান্য লাভ কৰিছে। চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিক হৈ কংগ্ৰেছ আৰু বিজেপিৰ মাজত টনা-আঁজোৰা লাগিছে। কংগ্ৰেছৰ এসময়ৰ 'আলি-কুলী'ৰ ৰাজনীতিৰ দুৰ্গত খহনীয়া হৈ এতিয়া আৰু সেইবোৰ কংগ্ৰেছৰ আছুতীয়া দুৰ্গ হৈ থকা নাই। 'আলি'ৰ বুজন অংশ গৈছে এ আই ইউ ডি এফৰ হাতলৈ আৰু 'কুলী'ক লৈ বিজেপি আৰু কংগ্ৰেছৰ মাজত টনাটনি লাগিছে।

চাহ শ্ৰমিকৰ মজুৰি কিয় ৩৬৫ টকা হ'ব লাগে? কিয় পাঁচশ বা ছশ টকা হ'ব নালাগে? আন শ্ৰমিকৰ মজুৰি কিমান? চৰকাৰৰ ন্যূনতম মজুৰি আইনে কি কয়? শ্ৰমিকৰ বৰ্ধিত মজুৰি চাহ বাগিচাসমূহে বহন কৰিব পাৰিব নে নাই? এই কথাবোৰ চিন্তা নকৰাকৈ কেৱল গাৰ জোৰেৰে ভোট আদায় কৰাৰ মানসেৰে শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ প্ৰতিশ্ৰুতি দিয়াটো সমীচীন হৈছেনে? কিমান নীচ চিন্তাধাৰা আৰু মানসিকতাৰে বিয়াগোম বিয়াগোম ৰাজনৈতিক দলবোৰে ৰাজনীতি কৰে ভাবিলে আচৰিত লাগে। এই দুটা দলক কেৱল চাহ শ্ৰমিকৰ ভোটেই লাগে নে? আন শ্ৰমিক বা আন জাতি-জনগোষ্ঠীৰ লোকৰ ভোট এওঁলোকক নালাগে নেকি বাৰু?

যি হওক, এইবাৰৰ নিৰ্বাচনৰ কেইটামান চকুত লগা কথা হৈছে প্ৰচাৰত চমক দিয়াৰ প্ৰচেষ্টা, প্ৰতিশ্ৰুতিৰ বন্যা, নিজৰ দলৰ গুণ-গান, বিপক্ষ দলৰ নিন্দা আৰু শীৰ্ষ নেতাসকলৰ মুখত বিপক্ষ দলৰ নেতাৰ প্ৰতি কৰা টুলুঙা মন্তব্য। মনোনয়ন পত্ৰ জমা দিয়াৰ বাবে ঢোলে-ডগৰে প্ৰশাসনৰ কাৰ্যালয়লৈ যোৱাৰ পৰা আৰম্ভ কৰি নিৰ্বাচনী প্ৰচাৰৰ বাবে আয়োজন কৰা মটৰ চাইকেল ৰেলী, বাইচাইকেল ৰেলী, নাচি-বাগি কৰা পদযাত্ৰা, হেলিকপ্টাৰৰ ব্যৱহাৰ আদিয়ে এই নিৰ্বাচনক এক মহোৎসৱলৈ পৰ্যবসিত কৰিছে। নিৰ্বাচন মহোৎসৱত ৰাজনৈতিক দলসমূহ আৰু প্ৰাৰ্থীসকলে কৰা বৃহৎ পৰিমাণৰ ব্যয়ৰ প্ৰতি লক্ষ্য কৰিলে বুজা যায় যে দুখীয়া বা সাধাৰণ শ্ৰেণীৰ লোকৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱাটো এতিয়া অসম্ভৱ হৈ পৰিছে। সমাজত ধনিক শ্ৰেণীৰ লোকৰ সংখ্যা বৃদ্ধি আৰু ধনিক শ্ৰেণীৰ লোকৰ প্ৰতিপত্তিৰ বৃদ্ধিৰ বীজ এই ৰাজনৈতিক কাৰ্যকলাপতে ৰোপিত হৈ আছে। লগতে সংপৃক্ত হৈ আছে কৰ্প'ৰেট খণ্ডৰ উত্থানৰ প্ৰয়োজনীয়তা। অন্যথা ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী ব্যয়ৰ যোগান ধৰিব কোনে? আৰু কৰ্প'ৰেট ব্যৱসায়িক খণ্ডই নিৰ্বাচনত বিনিয়োগ কৰা পুঁজি সুদে-মূলে আদায় কৰিব নালাগিব জানো? তেন্তে ধনতন্ত্ৰ-গণতন্ত্ৰৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে নেকি? আনহাতে, বিজ্ঞানৰ অৱদান ব্যৱহাৰ কৰি মানুহৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবেও কৰ্প'ৰেট খণ্ড সমানেই অপৰিহাৰ্য। কৰ্প'ৰেট খণ্ড অবিহনে মটৰ গাড়ী, উৰাজাহাজ, ম'বাইল ফোন, কম্পিউটাৰ, ৰেফ্ৰিজাৰেটৰ, এয়াৰ কণ্ডিছনাৰ, তীখা, লোহা, চিমেন্ট, পেট্ৰ'ল, ডিজেল আদিৰ নিৰ্মাণ আৰু প্ৰস্তুতকৰণ সম্ভৱ জানো? অৰ্থনৈতিক উন্নয়ন অবিহনে মানৱ সভ্যতা আগুৱাই নিয়া অসম্ভৱ আৰু কৰ্প'ৰেট খণ্ড অবিহনে অৰ্থনৈতিক উন্নয়ন অসম্ভৱ। সেয়েহে বোধহয় সমাজবাদে লাহে লাহে ধনতন্ত্ৰক আদৰি ল'বলৈ ধৰিছে; কিন্তু কৰ্প'ৰেট খণ্ড মানেই ব্যক্তিগত খণ্ড নহয়। ভাৰতৰ প্ৰধান আৰু আগশাৰীৰ উদ্যোগসমূহ ৰাজহুৱা কৰ্প'ৰেট খণ্ডৰ নিয়ন্ত্ৰণত আছে। অৱশ্যে নিৰ্বাচনী ব্যয়ৰ সিংহভাগ ব্যক্তিগত খণ্ডৰ পৰাই আহে। ব্যৱসায়ীয়ে নিৰ্বাচনত বিনিয়োগ কৰা ধন সুতে-মূলে আদায় কৰাৰ দৰে প্ৰাৰ্থীয়েও নিজাববীয়াকৈ ব্যয় কৰা ধন সুতে-মূলে আদায় কৰিব খোজে। আৰু তাৰ বাবে তেওঁলোকে অসৎ উপায় অৱলম্বন কৰিবলগীয়া হয়। অনেকেই এই লক্ষ্যৰেই ৰাজনীতিত নামে। তেন্তে ভ্ৰষ্টাচাৰ গণতন্ত্ৰত হৈ আছে নেকি? নিৰ্বাচন আয়োগে প্ৰতিটো লোকসভা সমষ্টিৰ বাবে বৃহৎ ৰাজ্যত ৭০ লাখ আৰু আন ৰাজ্যত ৫৪ লাখ টকা নিৰ্বাচনী ব্যয়ৰ সীমা নিৰ্ধাৰণ কৰি দিছে। বিধানসভা সমষ্টিৰ বাবে ধাৰ্য কৰা ব্যয়ৰ সীমা ২৮ লাখ আৰু মিজোৰাম আদি সৰু ৰাজ্যৰ বাবে ২০ লাখ টকা; কিন্তু ৰাজনৈতিক দলসমূহৰ প্ৰচাৰৰ ধুম আৰু ধৰণ দেখিলেই অনুমান কৰিব পাৰি যে নিৰ্বাচন আয়োগে বান্ধি দিয়া সীমা সকলোৱে অতিক্ৰম কৰে। গতিকে দেখা যায় যে গণতান্ত্ৰিক ব্যৱস্থাত অসৎ উপায়েৰে অৰ্জন কৰা ক'লা ধনৰ ব্যয় অঘোষিত বিধিৰ অন্তৰ্গত। অৰ্থাৎ গণতান্ত্ৰিক দেশ এখনৰ পৰা দুৰ্নীতি নিৰ্মূল কৰাটো অসম্ভৱ কথা। নেতাসকলে বিপক্ষ দল আৰু বিপক্ষ দলৰ নেতাসকলৰ প্ৰতি কৰা অশালীন আৰু অপমানজনক মন্তব্যও একপ্ৰকাৰৰ দুৰ্নীতিয়েই। সভ্য সমাজৰ কাৰণে এনে কটু মন্তব্য অবাঞ্ছনীয় আৰু বৰ্জনীয়।



*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

# এয়া ৰাজনীতি নে দুষ্কৃতিৰ যুঁজ?

## বৰ্তমান উগ্ৰ মানসিকতাৰ নিৰ্বাচনমুখী প্ৰচাৰৰ পৰিৱেশে মানুহৰ মাজত আস্থাৰ সলনি উদ্বিগ্নতাৰহে সৃষ্টি কৰিছে



**অৱলোকন**

**চাইৰা ইছলাম বড়া**

**ইতিহাস** প্ৰসিদ্ধ শিৱসাগৰৰ এগৰাকী সচেতন শিৱসাগৰীয়া হিচাপে যোৱা ২৭ মাৰ্চত অনুষ্ঠিত হোৱা প্ৰথম পৰ্যায়ৰ ভোটদান প্ৰক্ৰিয়াৰ ভোটাধিকাৰ সাব্যস্ত কৰিলো। প্ৰতিগৰাকী ভোটাৰে অন্তঃকৰণে আশা কৰে নিজা পছন্দৰ প্ৰাৰ্থীজনে বিপুল ভোটত নিৰ্বাচনী বৈতৰণী পাৰ হোৱাটো। সেয়ে বিশেষ দিনটোত ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি সকলোৱে নৈতিক দায়িত্ব পালন কৰাৰ উপৰি আত্মসন্তুষ্টি লাভ কৰে। পূৰ্বৰ তুলনাত এইবাৰ নিৰ্বাচনী প্ৰচাৰসমূহত আচহুৱা, উচ্ছৃংখল পৰিৱেশ দেখি সন্দেহ হৈছিল ভোটদানৰ দিনটোত কিবা বেমেজালিৰ সৃষ্টি হ'ব; কিন্তু সকলোৰে সহযোগিতাত যথেষ্ট সংখ্যক ভোটাৰৰ অংশগ্ৰহণেৰে অতি সুকলমে প্ৰথম পৰ্যায়ৰ বিশেষ দিনটো পাৰ হৈ যোৱাত শিৱসাগৰবাসীয়ে গৌৰৱ অনুভৱ কৰাৰ লগতে স্বস্তিৰ নিঃশ্বাস পেলাইছে। শেহতীয়াকৈ ঠায়ে ঠায়ে বিক্ষিপ্ত ঘটনাৰ অৱতাৰণা হৈছে যদিও ৰাইজৰ সজাগতাৰ বাবে দুষ্কৃতিকাৰীয়ে পৰিস্থিতি বিঘ্নিত কৰিবলৈ সুবিধা ল'ব পৰা নাই। গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি স্বতঃস্ফূৰ্তভাৱে ৰাইজ ওলাই আহে ভোটদানৰ বাবে। বিশেষকৈ এইবাৰ যুৱচামৰ মাজত ভোটদান প্ৰক্ৰিয়াৰ প্ৰতি অভূতপূৰ্ব আকৰ্ষণ বৃদ্ধি পোৱাটো এক শুভ লক্ষণ। কাৰণ যুৱ প্ৰজন্মৰ হাততেই দেশৰ ভৱিষৎ নিৰ্ভৰ কৰে। আজিৰ যুৱ প্ৰজন্ম ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সকলো ক্ষেত্ৰতে সজাগ, সচেতন আৰু আগৰণুৱা। প্ৰথম পৰ্যায়ৰ ভোটদানত যথেষ্ট সংখ্যক যুৱ প্ৰজন্মৰ লগতে মহিলা ভোটাৰসকলৰ অভূতপূৰ্ব সঁহাৰিয়ে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ ইংগিত বহন কৰিছে। দেশ এখন উন্নতিৰ পথত আগুৱাই যাবলৈ নবীন-প্ৰবীণ সকলো শ্ৰেণীৰ লোকৰ যৌথ প্ৰচেষ্টাতহে সম্ভৱ হৈ উঠে। ৰজা ভঙা-পতাৰ খেলখনত সৰ্বসাধাৰণ সকলো ৰাইজৰেই সহযোগিতা অৱশ্যম্ভাৱী। ৰাজনীতি সামাজিক জীৱনৰে এক অবিচ্ছেদ্য অংগ, সেই বাবেই ইচ্ছাৰ বিৰুদ্ধেও প্ৰাপ্তবয়স্ক সকলো লোকেই ৰাজনীতিৰ স'তে জড়িত হ'বলগীয়া হয়। দেশ এখনত সুশাসকৰ হাতত শাসনভাৰ থাকিলেহে জনসাধাৰণৰ মাজত শান্তি-শৃংখলা বিৰাজমান হ'ব। দেশখন শৃংখলিতভাৱে চলোৱাৰ লগতে প্ৰতিটো দিশত নাগৰিকৰ নিৰাপত্তাৰ কথা চিন্তা কৰাটো শাসনৰ বাঘজৰী লোৱাসকলৰ মুখ্য কৰ্তব্য। ব্যক্তিগত স্বাৰ্থতকৈ ৰাইজৰ বিপদ-আপদত সমভাগী হৈ সহায়ৰ হাত আগবঢ়োৱা নেতাসকলৰ জনপ্ৰিয়তা সদায়েই শীৰ্ষত। ৰাইজৰ অভাৱ-অভিযোগৰ প্ৰতি নিঃস্বাৰ্থভাৱে সদিচ্ছা আগবঢ়োৱা নেতাসকললৈ ভোটাধিকাৰ সাব্যস্ত কৰি পুনৰবাৰ শাসনৰ গাদীত বহুৱাবলৈ সকলোৱে যৎপৰোনাস্তি চেষ্টা কৰে। সত্যৰ সদায়েই জয়। চকুৰ সন্মুখতে ৰাজনীতিৰ বহু উত্থান-পতন দেখি সময়ৰ চাকনৈয়াত ৰাজনৈতিক পৰিপক্কতা লাভ কৰা জনসাধাৰণৰ মনত সঁচা-মিছাৰ পাৰ্থক্যখিনি বাৰুকৈয়ে উপলব্ধ হৈছে। কেৱল মাত্ৰ ভোট আদায় কৰাৰ মানসেৰে নেতাৰ মুখৰ ছলাহী কথাত সৰ্বসাধাৰণ ৰাইজ আজি আৰু পতিয়ন নাযায়। আত্মসন্মান থকা কোনো লোকে কাৰোবাৰ মিছা প্ৰলোভনত ভোল গৈ নিজৰ বিবেকক বিক্ৰী কৰিব নোৱাৰে, সেইদৰে আনৰ গণতান্ত্ৰিক অধিকাৰৰ ওপৰতো দমননীতিৰে হস্তক্ষেপ কৰাৰ অধিকাৰ কাৰোৱেই নাই। সহজ-সৰল মানুহক প্ৰলোভন দি ঠগ-প্ৰৱঞ্চনাৰে ভোট কিনাৰ দিন উকলিল। টেঙা আম বাৰে বাৰে বিক্ৰী নহয়। সজাগ-সচেতন ৰাইজে নীৰৱে থাকি সময়ত গণতান্ত্ৰিক অধিকাৰৰ জৰিয়তে উচিত প্ৰত্যুত্তৰ দিব ভালদৰেই জানে। নিৰ্বাচনৰ ফলাফলৰ সময়ত এই কথা সকলোৱে স্পষ্টভাৱে উপলব্ধি কৰিব নিশ্চয় পাৰিব।

বৰ্তমান প্ৰচলিত উগ্ৰ মানসিকতাৰ নিৰ্বাচনমুখী প্ৰচাৰৰ পৰিৱেশে মানুহৰ মাজত আস্থাৰ সলনি উদ্বিগ্নতাৰহে সৃষ্টি কৰিছে। জনসাধাৰণৰ সকলো সমস্যালৈ পিঠি দি প্ৰায়সংখ্যক নেতাই দিন-ৰাতি একাকাৰ কৰি ব্যস্ত হৈ পৰি নিৰ্বাচনী প্ৰচাৰত। সমগ্ৰ অসমতে দৃষ্টিকটুভাৱে বাক স্বাধীনতাৰ অপপ্ৰয়োগৰ হুলস্থূলীয়া পৰিৱেশে ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰি দৈনন্দিন কাৰ্যসূচীত আউল লগাইছে। অসমীয়া সভ্যতা-সংস্কৃতিৰ ন্যূনতমো শিষ্টাচাৰ প্ৰদৰ্শন নকৰি অতি আক্ৰণাত্মকভাৱে ওফৰি পৰা উভয় পক্ষৰ বাক্যবাণে ৰাইজক সন্দেহাতীত কৰি তুলিছে প্ৰকৃততে এয়া কি হ'বলৈ গৈ আছে? অতি সঘনাই বাহিৰৰ পৰা অসমলৈ বাট বোলা ৰথী-মহাৰথীসকলৰ আগমনেও ৰাইজক অস্বস্তিত পেলাইছে। কেৱল মাত্ৰ ভোট ভিক্ষাৰ বাবেই নিৰ্বাচনী প্ৰচাৰৰ নামত নেতাৰ মুখত আখৈ ফুটাদি ফুটা কিছুমান শব্দৰ বাৰম্বাৰ পুনৰাবৃত্তিয়ে সৰ্বসাধাৰণৰ মন-মগজুত বাৰুকৈয়ে তিক্ত প্ৰভাৱ পেলাইছে, ভোটাৰৰ ক্ষেত্ৰত সেই প্ৰভাৱ কিমান ফলপ্ৰসূ হ'ব সময়ে নিশ্চয় প্ৰত্যুত্তৰ দিব। টেলিভিছন মাধ্যমৰ বাতৰিসমূহতো কোনো নতুনত্ব নাই, বেছিভাগ ঠাইত সংঘটিত হোৱা নিৰ্বাচনৰ উচ্ছৃংখল দৃশ্যৰাজিয়ে দৰ্শকৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰিছে। এই কথাও নিশ্চয় সকলোৱে বোধগম্য যে অনাহকত হৈ হাল্লাৰে পৰিৱেশ বিনষ্ট কৰাতকৈ মাৰ্জিত কথা-বতৰাইয়ো ভোটাৰৰ মন আকৰ্ষণ কৰিব পাৰে, তেনেস্থলত এই ধৰণৰ অসহিষ্ণু মনোভাৱৰ আক্ৰমণাত্মক পৰিস্থিতি সভ্য সমাজৰ বাবে কিমানদূৰ গ্ৰহণযোগ্য। শালীনতাৰ সীমা অতিক্ৰম কৰি কোনোবাই ফুলজাৰি মৰা কথাৰে স্বইচ্ছাই নিজকে ৰজাৰ আসনত বহুৱাবলৈ বিচৰাটো বাতুলামি মাত্ৰ। ঠাই ভেদে ভয়ানক ৰূপত সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই ধৰ্মীয় বিভাজনৰ নামত প্ৰৰোচিত মন্তব্য কৰি যুদ্ধংদেহী মনোভাৱেৰে ভোটাৰক আকৃষ্ট কৰাৰ প্ৰচেষ্টাও অতি নিন্দনীয় ৰূপত প্ৰকাশ পাইছে। মিছাতে লম্ফ-জম্ফ, চিঞৰ-বাখৰ কৰি ৰণ জিকাৰ সময় উকলিল। উগ্ৰ বাক্যবাণেৰে বিপৰীত পক্ষক আক্ৰমণ কৰাৰ অশোভনীয় দৃশ্যবোৰে অসহিষ্ণু মানসিকতাৰহে পৰিচয় দাঙি ধৰে। নিৰ্বাচনী উন্মাদনাৰ নামত লাখটকীয়া মঞ্চত উঠি অথবা কোনোবা ব্যক্তিগত টেলিভিছন চেনেলত শীত-তাপ নিয়ন্ত্ৰিত কোঠাত প্ৰেক্ষাপট অনুষ্ঠানত অংশগ্ৰহণ কৰি উভয় পক্ষৰ ৰাজনৈতিক নেতাই হাতৰ আঙুলি টোঁৱাই ধমকনি মৰাৰ দৃশ্যই কেনে ধৰণৰ নিৰ্বাচনী প্ৰচাৰৰ ইংগিত বহন কৰিছে সৰ্বসাধাৰণ দৰ্শকৰ বুজিবলৈ বাকী নাথাকিল। খাটিখোৱা প্ৰতিজন স্বাভিমানী অসমীয়া লোকে এনেবোৰ অশোভনীয় দৃশ্যৰ প্ৰত্যক্ষদৰ্শী হ'বলৈ কোনোকালে নিবিচাৰে।



সময়ৰ সুযোগ বুজি নিৰ্বাচনী টোপ গিলাত সিদ্ধহস্তসকলে এইবাৰ যেন সুবৰ্ণ সুযোগ লাভ কৰিলে। সৰ্বসাধাৰণ ৰাইজৰ মাজত এতিয়া মাত্ৰ এটাই মূল্যৱান প্ৰশ্ন, নিৰ্বাচনী প্ৰচাৰত দিয়া প্ৰতিশ্ৰুতিবোৰ শাসনভাৰ লোৱাসকলে সঁচা অৰ্থত পূৰণ কৰিবলৈ সদিচ্ছা দেখুৱাবনে? মিছা প্ৰলোভনেৰে বাৰে বাৰে জনতাক ঠগাৰ মানসিকতা থাকিলে সান্দহ খোৱা বালি এদিন সকলোৰে তল যাব। আজিৰ জনতাই নেতাৰ মুখৰ কথাত ভোল নগৈ অতি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰে প্ৰকৃততে কোন সঁচা, কোন মিছা। কেৱল ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ বাবেই প্ৰতাৰণাৰ জাল গোঁঠা নেতাসকলৰ মাজত উচিত সময়ত সুবুদ্ধি উদয় নহ'লে লোকচক্ষুৰ ওচৰত জনপ্ৰিয়তা হেৰুৱাই সৰ্বস্বান্ত হোৱাৰ কাললৈ নজিৰ থাকি যাব। মতলবী নেতাই নিশাটোৰ ভিতৰতে দল আৰু আদৰ্শ সলনি কৰাৰ দৰে সচেতন নাগৰিকে বিবেক ভোট সলনি কৰিব নোৱাৰে। আৱেগৰ বশৱৰ্তী নহৈ বিবেকক বিক্ৰী নকৰাকৈ সুস্থিৰ গণতন্ত্ৰৰ স্বাৰ্থত এইবাৰ সকলো লোকেই নিশ্চয় ভোটাধিকাৰ সাব্যস্ত কৰাৰ গুৰুতৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে সময় অনুসৰি ৰথী-মহাৰথীসকলৰ লগতে বহুজন নতুন প্ৰাৰ্থীৰ ভাগ্য বন্দী হৈ ৰ'ব ই ভি এম মেচিনসমূহত। এইবাৰ বহু হাই প্ৰফাইল নেতাৰ লগতে সততেই সংবাদ মাধ্যমত দুৰ্নীতি আৰু অনিয়মৰ বিৰুদ্ধে সংবাদ শিৰোনাম দখল কৰা ৰাজনীতিকসকলৰ ভাগ্য নিৰ্ণায়ক হোৱা বিশেষ দিনটোলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিব সচেতন মহলে। হিলদল ভাঙি ওলাই অহা জনতাৰ ৰায় কোন দিশে গতি কৰিছে, জানিবলৈ আমিও অপেক্ষা কৰিম মে'ৰ দুই তাৰিখলৈ।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

# ৰাজ্যৰ আত্মঘাতী সুৰাৰ বেহা কাৰ স্বাৰ্থত?

**অভিমত**

**বৰ্তমান** সময়ত লক্ষ্য কৰিলে দেখিব যে নৱ প্ৰজন্মৰ বেছিভাগেই সুৰাপানৰ পৰা আৰম্ভ কৰি আন আন নিচাযুক্ত দ্ৰব্য সেৱনৰ প্ৰতি ভয়ানক ৰূপত ধাৱমান হ'বলৈ লৈছে, যাৰ ফলত সমাজত নানান অপৰাধমূলক কাৰ্য সংঘটিত হোৱাৰ লগতে ইয়াৰ সংখ্যাও বৃদ্ধি হ'বলৈ লৈছে। সম্প্ৰতি ৰাজ্যত বিভিন্ন ধৰণৰ অপৰাধ, হিংসাত্মক ঘটনা, হত্যাকাণ্ড, নাৰীৰ ওপৰত বলাৎকাৰ, নিৰ্যাতন ইত্যাদি বৃদ্ধি পোৱাৰ মূল কাৰণ হিচাপে সুৰাপান তথা নিচাযুক্ত দ্ৰব্য সেৱন। ৰাজ্যত বৰ্তমান যিমানেই সুৰাসক্তৰ সংখ্যা বৃদ্ধি পাইছে, সেই অনুপাতে অপৰাধৰ সংখ্যাও ভাবিব নোৱাৰা ধৰণে বৃদ্ধি পাইছে তাত কোনো সন্দেহ নাই। আমি সাধাৰণতে দেখিবলৈ পাওঁ যে যিকোনো এটা বিশেষ উৎসৱ-পাৰ্বণ, নৈশ সাংস্কৃতিক অনুষ্ঠান, বনভোজ, বিবাহ আদিত আজিৰ তাৰিখত চাবলৈ গ'লে ভদ্ৰলোকসকলৰ ক্ষেত্ৰত সততে সৃষ্টি হয় নিৰাপত্তাহীন পৰিৱেশৰ। কিয়নো বৰ্তমান কোনো এটা বিশেষ অনুষ্ঠান আয়োজন কৰিলে এচাম লোকে কেৱল সুৰাপান কৰি পৰিস্থিতিৰ সুযোগ সুবিধা গ্ৰহণ কৰাত ব্যস্ত হৈ পৰে আৰু যাৰ ফলত সমাজত এটা বেয়া বাৰ্তাই আবৰি ধৰে। আমি বহুতেই সংবাদ মাধ্যমত কেতিয়াবা খবৰ লাভ কৰো যে সুৰাপান কৰি মাজনিশা বন্ধবৰ্গৰ মাজত সংঘটিত হোৱা কন্দলত কোনো ব্যক্তিয়ে প্ৰাণ হেৰুৱাব লগা হৈছে। বিশেষকৈ এই সুৰাপান কৰা লোকসকলে আমাৰ মহিলাসকলক বেছি টাৰ্গেট কৰি লয় যেন অনুভৱ হয়। সমাজত জঘন্য কাণ্ড যেনে ধৰ্ষণ কৰি হত্যা, শিশু নিৰ্যাতন, সুৰাসক্ত স্বামীৰ দ্বাৰা পত্নীক মানসিক নিৰ্যাতন আৰু পাছত হত্যা ইত্যাদি দুখ লগা তথা শুনিলেই সহ্য সীমা অতিক্ৰম হোৱা ঘটনা প্ৰতিদিনেই বৃদ্ধি পায়েই আছে। বলাৎকাৰৰ দৰে ঘটনাত আৰক্ষীৰ অনুসন্ধানৰ পাছত কেতিয়াবা পোহৰলৈ আহি পৰে যে সুৰাপান কৰি ধৰ্ষণ কাণ্ড সংঘটিত কৰিছে; কিন্তু কিমান দিন এইবোৰ ঘটনা সংঘটিত হৈয়েই থাকিব আৰু আৰক্ষীয়ে অনুসন্ধান কৰি গৈয়েই থাকিব? কেতিয়া ইয়াৰ কুপ্ৰভাৱ সমাজত ম্লান পৰিব? কেতিয়া ৰাজ্য চৰকাৰে সুৰাৰ বেহা নিষিদ্ধ কৰিব? ৰাজ্যত দ্ৰুতগতিত বৃদ্ধি হোৱা এনেবোৰ অপ্ৰীতিকৰ ঘটনা শুনাৰ পাছতো ৰাজ্য চৰকাৰে অসমত সুৰাৰ প্ৰচলন তথা ব্যৱসায়ৰ ওপৰত নাকি লগোৱা নাই কিয়? এতিয়া সঠিক সময় আহি পৰিছে ৰাজ্যত ভয়াবহ ৰূপত বৃদ্ধি হোৱা সুৰাৰ ব্যৱসায়ৰ ওপৰত নিষিদ্ধ কৰিবৰ বাবে, কিয়নো ইয়াৰ অত্যাধিক আসক্তিয়ে আমাৰ সমাজত জঘন্য কাণ্ডৰ বৃদ্ধি হোৱাত আগভাগ লৈছে। গতিকে, ৰাজ্য চৰকাৰে অসমত সুৰা নিষিদ্ধ কৰি নাকি লগোৱাটো জৰুৰী।

**চন্দন কুমাৰ নাথ,** সৰভোগ, ফোন ঃ ৯১৩২৮৪৯৭২৬

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১ এপ্ৰিল বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫

# মানুহ কেৱল মানুহ

## এক শ্ৰেণীৰ মানুহে কম সময়ৰ ভিতৰতে ধনী হ'ব বিচাৰে

ড° জগদীন্দ্ৰ ৰায়চৌধুৰী



**পৃথিৱীৰ** সৃষ্টিৰ পাছত ধীৰে ধীৰে প্ৰকৃতিৰ বুকুত বিভিন্ন জীৱ-জন্তুৰ আৱিৰ্ভাৱ হ'বলৈ ধৰিলে আৰু সময়ত গৈ মানৱ জাতিৰ সৃষ্টি হ'ল। প্ৰাথমিক অৱস্থাত মানুহে প্ৰকৃতিৰ বুকুতে খোৱা, থকা কৰি সময় আগবঢ়াই নিবলৈ ধৰিলে। মানুহৰ বিভিন্ন কৰ্মৰাজিয়ে এটা কথা স্পষ্ট কৰিলে যে আনবোৰ প্ৰাণীৰ তুলনাত মানুহৰ মগজু অধিক উন্নত। বিভিন্ন ভাব-ভংগীৰ পশ্চাৎ ভাষাৰ প্ৰয়োগ হ'ব ধৰিলে আৰু স্থান অনুসৰি সেই ভাষা প্ৰয়োগ কৰি এজনে আনজনৰ স'তে মত-বিনিময় কৰাৰ দিশে আগবাঢ়িল। যিহেতু এয়া সকলো বিদিত যে মানুহৰ মগজু এক উচ্চ স্তৰৰ মগজু, সেয়ে এয়া প্ৰয়োগ কৰি বিভিন্ন উদ্ভাৱন, কাৰিকৰী দিশৰ প্ৰগতিকে আৰম্ভ কৰি প্ৰায় সকলো দিশতে আগবঢ়াই নিবলৈ সক্ষম হ'ল।

শিক্ষা জীৱনৰ আদিপাঠ আৰম্ভ হোৱাৰ পাছত সময়ৰ লগে লগে ই দোপতদোপে আগবাঢ়ি যাবলৈ ধৰিলে আৰু পুথিগত শিক্ষাৰ পৰা বিভিন্ন দিশত প্ৰসাৰ হ'বলৈ ধৰিলে। মানুহৰ মগজু প্ৰখৰৰ পৰা প্ৰখৰতম হ'বলৈ ধৰিলে। বুদ্ধিৰ মাত্ৰাও বৃদ্ধি পাব ধৰিলে আৰু কথাৰ মাজেৰে ছলনা কৰিব শিকিলে। সময় যিমানেই আগবাঢ়ি যাব ধৰিলে মানুহৰ মনত নানান কৌশল, নানান কুবুদ্ধি উদ্ভৱ হোৱাৰ লগতে দুৰ্বুদ্ধিও বৃদ্ধি পাবলৈ ধৰিলে। চল-চাতুৰী কৰি এজনে আনজনক ঠগোৱা ব্যৱস্থা গঢ়ি উঠিল। মানুহে মানুহৰ বৈৰী হৈও দেখা দিলে।

এক শ্ৰেণীৰ মানুহ আছে, যিসকলে নিজৰ কৰ্তব্যৰ প্ৰতি গাফিলতি কৰি, নানান কথাৰ ফুলজাৰি মাৰি নিজকে শুদ্ধ বুলি ক'বলৈ বা বুজাবলৈ চেষ্টা কৰে। জীৱনৰ প্ৰায় আধাতকৈ বেছি সময় এইদৰেই অতিবাহিত কৰে। সোঁতৰ বিপৰীতে কথা কৈ নিজকে বুদ্ধিদীপ্ত বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰে। নিজৰ স্থিতিৰ কিছু পৰিৱৰ্তন বা পাকে-প্ৰকাৰে উচ্চ আসনত অধিষ্ঠিত হোৱাৰ পাছত পদে পদে আনৰ দোষ বা সমালোচনা কৰাত ব্যস্ত থাকে। অকল মুখেৰে সমালোচনা কৰাত ক্ষান্ত নাথাকি লিখিত আকাৰলৈ ৰূপান্তৰিত কৰে। প্ৰতিটো কথাৰ দোষ বিচৰা, সমাজৰ, দেশৰ সকলো কথাৰ বেয়া ৰূপ দাঙি ধৰাত উদ্যত হয়; কিন্তু ভাল ৰূপবোৰ চকুত নপৰে। যাৱতীয় সকলো সা-সুবিধা সময়মতে আদায় লৈ, নিজৰ প্ৰতিটো পদক্ষেপ সুৰক্ষিত ৰাখি সকলো কথায়ে বেয়া বুলি সাব্যস্ত কৰিব বিচাৰে। দুখীয়াৰ বাবে উচুপনি তোলাৰ ভাও জুৰে; কিন্তু কোনো কথাত সহায়ৰ হাত আগবঢ়োৱাৰ পৰা দূৰত থাকে। কোনোবাই কিবা সহায় বিচাৰিলেও অগ্নিশৰ্মা হৈ তাণ্ডৱ নৃত্যহে প্ৰদৰ্শন কৰে। তেওঁলোকৰ কথা বা কামত কেতিয়াও ইতিবাচক গুণ দেখা নাযায়। সমাজত এক ব্যতিক্ৰমীৰূপে প্ৰতিষ্ঠিত কৰাত সদায় ব্যস্ত থাকে। এনে ব্যক্তিয়ে কেনেবাকৈ উচ্চ আসনত অধিষ্ঠিত হ'ব পাৰিলে দুৰ্নীতিৰ পাহাৰ গঢ়াত অধিক আগ্ৰহী হৈ উঠে। যিগৰাকীয়ে সদায়ে দুৰ্নীতিৰ বিষয়ে সকলোকে অৱগত কৰি বহু কাল কটাইছিল, হঠাৎ পোৱা সুবিধাৰ বাবে নিজৰ স্বৰূপ প্ৰকাশ কৰাত অলপো কৃপণালি নকৰে। এয়া জনা মানুহ সকলোৱেই জানে; কিন্তু নিজকে ভাল তুলসীৰ পাত বুলি গণ্য কৰে। এনেবোৰ মানুহে সমাজখনক হিত নকৰিব, বৰঞ্চ এখন ৰাজ্য বা দেশখনো ক্ষতি কৰে। নিজৰ আৰ্থসামাজিক কাৰ্যৰ সকলো সা-সুবিধা হস্তগত কৰি দুখীয়া, দৰিদ্ৰৰ বাবে হা-হুমুনিয়াহ কাঢ়ে। প্ৰকৃততে সহায় কৰিবলৈ কিঞ্চিৎ ইচ্ছা নকৰে, কিঞ্চিৎ কিবা সহায় কৰিলেও ভিতৰত কিবা স্বাৰ্থ লুকাই থাকে। মানুহৰ চৰিত্ৰ এনেকুৱা এক নমুনাহে।

বৰ্তমান সময়ত মানুহে নিজে বুজিবলৈ চেষ্টা নকৰে যে তেওঁলোকৰ আৱশ্যকতা কিমান? নিজৰ পৰিয়ালটোৰ বাবে যি আৱশ্যক, সেয়া কেতিয়াবাই পূৰণ কৰিব পাৰে বিভিন্ন পদ্ধতিৰ দ্বাৰা; কিন্তু ইয়াৰ পাছতো ক্ষান্ত নাথাকে। এটা প্ৰাপ্তিৰ পাছত আন এটালৈ চকু মেলে আৰু নিজৰ সুখ-শান্তিৰ কথা পাহৰি পুনৰ সম্পত্তি গোটোৱাত একাগ্ৰচিত্তভাৱে আগুৱাই থাকে। তেওঁলোকৰ নিজৰ সা-সম্পত্তিভাৱে কি কৰিব সেয়াৰে ভ্ৰান্তক পৰিকল্পনা নকৰে বা কেতিয়াও নিজৰ কৰ্মপন্থাৰ পৰ্যালোচনা নকৰে। তেনে ব্যক্তিয়ে হয়তো কাহানিবাই যৌথ পৰিয়ালৰ পৰা আঁতৰি আহিছে, এতেকে পৰিয়ালৰ আন সদস্য বা আত্মীয়ৰ ওচৰৰ পৰাও দূৰত্ব বজাই ৰাখে। এনে মানুহৰ বাবে এটা বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ লোকৰ মাজত।

এক শ্ৰেণীৰ মানুহ এইদৰে আগবাঢ়ি আহিছে যে কম সময়ৰ ভিতৰত অধিক অৰ্থ উপাৰ্জন কৰিব বিচাৰে। যিটো কাম প্ৰকৃততে ইমান সহজ নহয়। এই শ্ৰেণীৰ মানুহে বিভিন্ন পদ্ধতি অৱলম্বন কৰি লগতে নানান ছল, কৌশল কৰি মিছাৰ ওপৰত নিৰ্ভৰ কৰি কম সময়ৰ ভিতৰত নিজে ভবাৰ দৰে উপাৰ্জন; কিন্তু পৰিয়ালক বা নিজক ফাঁকি দিবলৈ নেলাগে কুণ্ঠাবোধ নকৰে। এনে ব্যক্তিসকলৰ কিছুমানৰ স্থিতিৰ থাকে; কিন্তু বেছিভাগৰে সকলো কষ্ট ছিন্নমূল হৈ যায়। অধিক আগৰণুৱাসকলে হয়তো ৰঙাঘৰৰ ভাত খাবলগীয়া হয়। সমাজত সেই শ্ৰেণীৰ লোকে নিৰ্লজ্জভাৱে জীয়াই থাকে। পৰিয়ালৰ লোকৰ বা নিজৰ সতি-সন্ততিৰ কিবা ক্ষতি হ'ব বুলি কেতিয়াও নাভাবে, বৰঞ্চ নিজকে নিৰ্দোষী বুলি ক'বলৈ কুণ্ঠাবোধ নকৰে। তেওঁ যে ন ষড়যন্ত্ৰৰহে বলি হৈছে এনে ভাব প্ৰকট কৰে।

বৰ্তমানে আকৌ আন এক শ্ৰেণীৰ লোকৰ আৱিৰ্ভাৱ হৈছে, যিসকলে কোনো নিজ কৰ্মৰে আগুৱাই নগৈ আনৰ ওপৰত নিৰ্ভৰ কৰাৰ লগতে ছলে-বলে-কৌশলে কোন কাম কৰাই অৰ্থ উপাৰ্জনৰ পথ মুকলি কৰে। এয়া অৱশ্যে সম্পূৰ্ণভাৱে ক্ষণস্থায়ী তথাপি সেই শ্ৰেণীৰ মানুহে এইদৰে জীৱন নিৰ্বাহ কৰাৰ সপোন দেখে।

এক শ্ৰেণীৰ লোক ওলাল যিসকলে মনৰ প্ৰবল ইচ্ছাতেই হওক বা কাৰোবাৰ প্ৰৰোচনাতে হওক কোনো এটা উগ্ৰপন্থী দলত যোগদান কৰি জীৱনৰ কিছু সময় কটাই এটা পৰ্যায়ত চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰি সাধাৰণ জীৱন আৰম্ভ কৰিব বিচাৰে। ৰাজ্যৰ বা দেশৰ বিকাশৰ বাবে যি কষ্টকৰ জীৱন আঁকোৱালি লৈছিল, সেয়া ন্যূনতম পৰিপূৰণ নকৰি বৰঞ্চ নিজে অৰ্থ উপাৰ্জন কৰাৰ বাবে বিভিন্ন পন্থা উপলব্ধ কৰিব ধৰিলে, য'ত হয়তো প্ৰকৃতিৰ বা সমাজৰো অন্যায় সাব্যস্ত হৈছে বা হ'বলৈ ধৰিলে। কিছুমান ঠাইত তেওঁলোক যেন একো একোজন নায়ক। সৰ্বসাধাৰণ লোকে তেওঁলোকক মূৰ তুলি চাবলৈকেও যেন ভয় খাই থাকে; কিয়নো তেওঁলোকৰ হাতত থাকে অৰ্থৰ বিশাল ভাণ্ডাৰ আৰু মাৰণাস্ত্ৰ। উচ্চ পৰ্যায়ৰ ব্যৱসায়, বাণিজ্য কৰি এক আৰামদায়ক জীৱন অতিবাহিত কৰে।

পূৰ্বতে এক শ্ৰেণীৰ মানুহ আছিল, যিসকলে মনে-প্ৰাণে সমাজৰ হৈ কাম কৰিব বিচাৰিছিল আৰু এই পৰিক্ৰমাৰে আগবাঢ়ি ৰাইজৰ ইচ্ছা বা আগ্ৰহৰ বাবে ৰাজনীতিত যোগদান কৰি অধিক সমাজক দিবলৈ চেষ্টা অব্যাহত ৰাখিছিল। পৰৱৰ্তী সময়ত ৰাজনীতিৰ পথাৰত হাৰকেই বা জিককেই নিজ ঠাইখনৰ ভেটি কেতিয়াও এৰি নিদিছিল। তেওঁলোক সমাজৰ এক নমস্য ব্যক্তি হৈ চিৰদিন ৰৈ গৈছিল। পিছে, এই ৰাজনীতিৰ পথাৰ যথেষ্ট সাল-সলনি হ'বলৈ ধৰিলে। আঞ্চলিক দলকে আৰম্ভ কৰি ৰাষ্ট্ৰীয় দললৈ যিবোৰ ব্যক্তি আগুৱাই আহিল, ইয়াৰ মাজৰ সৰহ সংখ্যকে দেশ সেৱাৰ নামত নিজৰ সা-সম্পত্তি গঢ়াতহে ব্যস্ত হৈ পৰা দেখা যায়। এনে নেতাসকলে ৰাইজৰ কাষৰ পৰা আঁতৰি নিজস্ব ভাব-ভংগীত জীয়াই থাকিব বিচাৰে; কিন্তু পাঁচ বছৰ পাছত নতুন বস্ত্ৰ পৰিধান কৰি পুনৰ ৰাইজৰ কাষ চপাৰ যত্নৰ ত্ৰুটি নকৰে। অতি নগণ্য সংখ্যক নেতাৰ আৱিৰ্ভাৱ হয় যিসকলে নিঃস্বাৰ্থভাৱে দেশ সেৱাত ব্ৰতী হৈ থাকে। কিছুমান নেতাই আকৌ চিৰদিন এটা অঞ্চলৰ প্ৰতিনিধিত্ব কৰি থাকিব বিচাৰে। তেওঁলোকৰ যেন বিশ্ৰাম ল'বৰ আৱশ্যক নাই। নিজকে জুখি চাবলৈ আহৰি নাই। বৰ্তমানে যুৱ চামৰ মাজত ৰাজনীতিত অংশগ্ৰহণ কৰা মানে অৰ্থ উপাৰ্জন কৰা। চৰকাৰৰ পক্ষত থাকি সকলো সা-সুবিধা গ্ৰহণ কৰি সম্পত্তিৰ জখলাৰে আগবঢ়াৰ একমাত্ৰ ইচ্ছা। ৰাজনীতিৰ স'তে জড়িত থাকি যেতিয়া অৰ্থ উপাৰ্জনৰ পথ মুকলি কৰে, তেতিয়া বহু কাম অতি সহজতে আগবাঢ়ি যায়, সেয়েহে শাসকীয় দলৰ লগত থাকিব বিচাৰে। এয়া হ'ল সময়ৰ পৰিৱৰ্তন।

দুই-এগৰাকী মানুহৰ বাহিৰে সাধাৰণ শ্ৰেণীৰ মানুহৰ কোনো উচ্চ আকাংক্ষা নাথাকে। তেওঁলোকে জীৱন নিৰ্বাহ কৰাটোৱে আৱশ্যক বুলি ভাবে আৰু নিজ নিজ কৰ্মৰ মাজতে ব্যস্ত থাকি সময় আগবঢ়াই লৈ যায়। সমাজৰ কথা লৈ খুব এক আগ্ৰহ প্ৰকাশ নকৰে; কিন্তু কিছু সংখ্যকে ধৰ্মৰ খাটিৰত কিছু পদক্ষেপ লয়। এনে চাম মানুহৰ মাজত অতি কম সংখ্যকে অধিক অত্যুৎসাহী হৈ জীৱনৰ পথ বক্ৰৰেখাৰে আঁকোৱালি লৈ কিছু সা-সম্পত্তি গোটাই আড়ম্বৰ জীৱন কটাবলৈ আগবাঢ়ে। এচামৰ দীৰ্ঘস্থায়ী হ'লেও বেছি ভাগৰে জীৱন পৰিক্ৰমা ক্ষণস্থায়ী হয়।

এচাম মানুহে সদায় নিলিপ্ত হৈ জীৱন কটাব বিচাৰে। নিজৰ কৰ্ম, পৰিয়ালক লৈ ব্যস্ত থাকে আৰু সমাজত কি ঘটনা ঘটি আছে, তালৈ কোনো খবৰ নৰকাকৈ নীৰৱে জীৱন নিৰ্বাহ কৰে। কেতিয়াবা কোনো কথাৰ সম্ভেদ পালেও তাক প্ৰকাশ্যভাৱে ব্যক্ত নকৰাকৈ থাকি যায়, মনতে হয়তো ভয় ভাব থাকে ক'ৰবাত কিজানিবা অসুবিধাত পৰে। এনে মানুহৰ আকালো নাথাকে ভঁৰালো নাথাকে। যি সুখ-দুখ থাকে সেয়া নিজৰ বা পৰিয়ালৰ মাজতে আৱদ্ধ হৈ জীৱনৰ সময়চোৱা পাৰ কৰাব বিচাৰে।

এয়া প্ৰকৃততে সামান্য কেইটামান উদাহৰণহে দাঙি ধৰা হ'ল। ইয়াৰ উপৰি অসংখ্য লোক আছে যিসকলৰ স্বভাৱ, কৰ্মপন্থা বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে, ইয়াৰ লেখ-জোখ ল'বলৈ বহু চৰিত্ৰৰ উদাহৰণ দাঙি ধৰিব লগা হ'ব পাৰে। এতিয়া কথা হ'ল, সমাজত কেনে ধৰণৰ মানুহ হ'লে সমাজখন কিছু পৰিমাণে হ'লেও সুস্থিৰ হ'ব পাৰিব। এই বিষয়ে আলোচনা মুকলি কৰিলে ইয়াৰ সীমা-সংখ্যা নাথাকিব; কিন্তু বিষয়টো যিহেতু উত্থাপন কৰিলো, ইয়াৰ দুই-এটা উদাহৰণ নিশ্চয় দাঙি ধৰিব লাগিব।

এগৰাকী মানুহে জীৱন আৰম্ভ কৰাৰ সময়ত প্ৰথমতে নিজক এটা পৰ্যায়লৈকে আগুৱাই নিব লাগিব, সৎ পথেৰে যাতে তেওঁৰ প্ৰতিটো বাক্যৰ মূল্য থাকে। প্ৰথমতে নিজৰ জীৱনটো গঢ় দিয়াৰ পৰা আৰম্ভ কৰি জীৱন ৰথত আগুৱাই নিবলৈ এক সুস্থিৰ পৰিকল্পনা লাগিব যিয়ে আনৰ বাবে এক উদাহৰণ স্বৰূপে ৰৈ যায়। নিজ কৰ্ম নিয়মিতভাৱে আগুৱাই নিব লাগিব যাতে কোনেও দোষ ধৰিব নোৱাৰিব। সদায় মন কৰিব লাগিব যাতে আনে বেয়া নাপায়। নিজৰ পৰিয়ালৰ প্ৰতিজন সদস্যৰ মাজত সদ্‌ভাৱ ৰাখি, সতি-সন্ততিকো শুদ্ধ পথেৰে আগুৱাই নি ভৱিষ্যতৰ সমাজত এটি সূক্ষ্ম চিহ্ন হিচাপে পৰিগণিত কৰিবলৈ অহৰহ চেষ্টা চলাব লাগিব। প্ৰকৃতিৰ উপাদানসমূহ অটুট ৰখাৰ বাবে চেষ্টা চলাব লাগিব লগতে আনকো তেনে আদৰ্শৰে আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰিব লাগিব। নিজে বসবাস কৰা ঠাইৰ ওচৰ চুবুৰীয়া বা ইয়াতকৈ অধিক আগুৱাই সমাজৰ কিছু কামত সহায়-সহযোগ আগবঢ়াই এক নিদৰ্শন দাঙি ধৰিব লাগিব। সমাজক এটা সুস্থিৰ পৰিৱেশলৈ ৰূপান্তৰিত কৰাৰ বাবে কলা-সংস্কৃতি, সাহিত্য, বিজ্ঞান ইত্যাদি সকলো দিশতে আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা যোগাব লাগিব। জীৱন কালত এনে কিছু কৰ্মৰাজি আগবঢ়াই যাব লাগিব, যাৰ চিহ্ন ভৱিষ্যতৰ বাবে ৰৈ যাব আৰু আনক প্ৰেৰণা যোগাব।

সকলো ধনী, দুখীয়া পৰিয়ালে যাতে নিজৰ মনত সুখ বা গৌৰৱেৰে জীয়াই থাকিব পাৰে, তাৰ চেষ্টা অব্যাহত ৰাখিব পাৰিলে কিছু পৰিমাণে সমাজ সুস্থিৰ হৈ থাকিব।

ফোন ঃ ৮৮১২০১১০১২

---

আনক সন্মান কৰিব নজনা নেতাৰ পৰা কি ভাল ফল আশা কৰিব পাৰি?

# কথাবোৰ বুজি পোৱাত আমাৰ অসুবিধা হৈছে

চিন্তাৰ বুৰবুৰণি



ডাঃ টঙ্কেশ্বৰ ভূঞা

**কিছু** বিশেষ কাৰণত কে'বামাহ ধৰি হাতত কলম তুলি লোৱা নাছিলো। আজি বহুদিনৰ অন্তত কলমটো হাতত লওতেই মনলৈ আহিছে যে আজি-কালি বহুত কথাকেই, বহুত কাণ্ড-কাৰখানাকেই বুজিবলৈ কষ্ট পোৱা হৈছো। ব্যক্তিগত খণ্ডৰ টিভি চেনেলৰ বা-বাতৰিবোৰে দুই-দোমোজাত পেলোৱা হ'ল আজিকালি। সংবাদ পৰিৱেশন কৰা সাংবাদিকে তেওঁলোক সম্পূৰ্ণ নিৰপেক্ষ বুলি জহাই থাকে; কিন্তু কাৰ্যক্ষেত্ৰত দেখোন সেই নিৰপেক্ষতাৰ দৃশ্য উজলি নুঠে। বাস্তৱত ছবিখন বেলেগ পিছে। আনহাতে আজিকালি কিছুমান বিশেষ বিশিষ্ট লেখক, বিশেষজ্ঞ, বুদ্ধিজীৱী, লেখকৰ লেখাবোৰ পঢ়িলে এনে লাগে যেন এগৰাকী বিশেষ ব্যক্তিৰ ভুল উলিয়াই অথবা তেওঁৰ প্ৰতিটো কথা বা কাৰ্যকেই নেতিবাচক দৃষ্টিৰে পৰ্যালোচনা, সমালোচনা কৰি থাকিলেই এটা লেখা যেন সুন্দৰ বা উচ্চ মানৰ হয়, ঠিক তেনে মনোভাৱেৰে লেখা সেইবোৰ। অৰ্থাৎ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বক্তব্য বা কামবোৰৰ প্ৰতিক্ষেত্ৰতে ভুল উলিয়াই সমালোচনা কৰি মাজে মাজে অশালীন বা অসাংবিধানিক শব্দ প্ৰয়োগেৰে সমালোচনা কৰি লিখিলেই এটা লেখা বাৰ্তাবাহী লেখা হৈ যায় বুলিয়েই যেন ধাৰণা তেওঁলোকৰ। এনে ধৰণৰ লেখা আজিকালি বেছি হোৱা পৰিলক্ষিত হৈ আহিছে। যেন প্ৰধানমন্ত্ৰীজনক নেতিবাচক দৃষ্টিৰে সমালোচনা নকৰিলে ভাল লেখা হ'বই নোৱাৰে— তেনে প্ৰকাৰৰ লেখাক ব্যক্তিগতভাৱে গুৰুত্ব দিবলৈ এৰি দিছো। কাৰোবাক সমালোচনা কৰিলে ইতিবাচক দিশটোৰ ওপৰতো দৃষ্টি দিয়াটো কৰ্তব্য। প্ৰথমে নিজকেই সুধি চাব লাগে— 'মই নিজে প্ৰকৃততে দেশখনৰ প্ৰতি কি অৱদান দিছো বা কি ত্যাগ স্বীকাৰ কৰিছো? অকল সমালোচনাহে কৰি আছো দেখোন।' বৰ্তমান সময়ত প্ৰধানমন্ত্ৰী মোদীক সমালোচনা কৰিয়েই বিশিষ্ট লেখক হোৱাৰ এটা প্ৰৱণতা বাঢ়ি যোৱা যেন পৰিলক্ষিত হৈছে অনেকজন লেখকৰ ক্ষেত্ৰত। আৰু আমি কথাবোৰ বুজি নোপোৱা হৈছো সেয়ে।

বুজি নোপোৱা হৈছো এটা কথা যে সদৌ অসম ছাত্ৰ সন্থা (আছু) এটা অৰাজনৈতিক সংগঠন বুলিয়েই জানিছিলো বহু বছৰৰ পৰা। ৬০-৭০ দশকত ছাত্ৰাৱস্থাত ব্যক্তিগতভাৱে বিশেষভাৱে জড়িত হৈছিলো। সেইবোৰ এতিয়া অতীত। বৰ্তমান এই ছাত্ৰ সন্থাৰ নেতাকেইজনে প্ৰশ্ন কৰি থাকে যে কেন্দ্ৰীয় চৰকাৰে অসমৰ জনতাক নোসোধাকৈ সিদ্ধান্ত গ্ৰহণ কৰে কিয়? আৰু এই ছাত্ৰ সন্থাকো নোসোধাকৈ সিদ্ধান্ত গ্ৰহণ কৰে কিয়? পিছে আমি বুজি নোপোৱা কথাটো হ'ল যে বিদেশী চিনাক্তকৰণ আৰু বিদেশী বহিষ্কাৰ আন্দোলনৰ প্ৰাৰম্ভতে গ্ৰহণ কৰা ১৯৫১ৰ স্থিতি ১৯৭১ কৰিবৰ সময়ত আছু অৰ্থাৎ সদৌ অসম ছাত্ৰ সন্থাই ১৯৮৫ত অসমৰ জনতাক এবাৰ হ'লেও সোধাটো দূৰৰ কথা, ঘুণাক্ষৰেও জানিবলৈকে দিছিলনে? সকলোৱে আজি সোঁৱৰাই থাকে তেওঁলোকক যে শ শ ছহিদৰ তেজেৰে ৰাঙলী হোৱা আন্দোলনটো আৰম্ভ হৈছিল বিদেশী চিনাক্তকৰণ, বিতাড়নৰ দিন ১৯৫১ৰ দাবীৰে; কিন্তু বাস্তৱত নিজ স্বাৰ্থপূৰণৰ বাবে ১৯৭১ কৰি এটা বৃহৎ সমস্যাৰ সৃষ্টি কৰিলে এই আছুৱেই। ১৯৫১ হোৱাহেঁতেন আজি অসমবাসী, অসমীয়াৰ এনে দুৰৱস্থা নহ'লহেঁতেন। এই ভুল সিদ্ধান্তৰ বাবেই আজি অসমীয়াই যি সন্দেহযুক্ত বিদেশী নাগৰিকক বহিষ্কাৰৰ বাবেই আন্দোলনত নামিছিল, আজি সেই সন্দেহযুক্ত বিদেশীৰ হাততেই নিজৰ সত্তা বিক্ৰী কৰিবলৈ কুণ্ঠাবোধ নকৰা ছাত্ৰনেতাৰ আৱিৰ্ভাৱ হ'ল ১৯৭১ বুলি এখন অসাংবিধানিক চুক্তিত স্বাক্ষৰ কৰিছিল! কোনজন অসমীয়াৰ অনুমতি লৈ আছুৱে ১৯৫১ৰ পৰা ১৯৭১ৰ ভিতৰত অহা অবৈধ বিদেশী নাগৰিকক এখন মাত্ৰ চুক্তিৰ নামত নাগৰিকত্ব প্ৰদান কৰিছিল? ভাৰতীয় সংবিধানে ইতিমধ্যে সমগ্ৰ ভাৰতৰ বাবে ১৯৫১টো নিৰ্দিষ্ট কৰি থৈছেই তেনেক্ষেত্ৰত এখন ৰাষ্ট্ৰত এখন ৰাজ্যৰ বাবে এটা বেলেগ মহীয়া নাগৰিকত্বৰ তাৰিখ জাপি দিব কেনেকৈ? এইটো সম্পূৰ্ণ অসাংবিধানিক নহ'লনে? অসমৰ জনতাই গমেই নাপালে মাজনিশা দিল্লীত কি ঘটিল। অসমৰ জনতাক আঁভুৱা ভাঁৰি চুক্তিখন কৰি কিছুদিন দিল্লীতে লুকাই আছিল, সেই সময়ৰ আছুৰ নেতা আৰু দুজনমানক ৰাইজৰ পৰিস্থিতিয়ে বাধ্য কৰালে বুলি বুজাবলৈ পঠাই দিছিল। যেতিয়া হোজা অসমীয়াক ভুল ব্যাখ্যাৰে বুজায় সৈমান কৰাব পাৰিলে তেতিয়াহে নেতাকেইজন দিল্লীৰ পৰা আহি বিমানকোঠত ফুলৰ মালা, গামোচাৰে আদৰণি গ্ৰহণ কৰি ৰাজনৈতিক নেতা হ'বলৈ যো-জা চলাই কৃতকাৰ্যতা লাভ কৰিলে। তথাপি অসমবাসীয়ে ভাবিছিল বিদেশী বিতাড়ন হ'ব; কিন্তু কি হ'ল বাস্তৱত?

আৰু আজিৰ সময়ত সেই অসাংবিধানিক, অসমৰ জনতাৰ অনুমতি অবিহনে স্বাক্ষৰ কৰা চুক্তিখনকেই মূলধন হিচাপে লৈ এই ছাত্ৰ সন্থাটোৱে বছৰ বছৰ ধৰি আন্দোলন কৰি আহি আছে। শেষত অৰাজনৈতিক সংগঠনটোৱে ৰাজনৈতিক ৰূপ ধাৰণ কৰিলে। বৰ্তমান আছুৰ নেতা এজনে কৈয়ে দিলে যে আছুৰ ৰাজনৈতিক চৰিত্ৰ থাকিব পাৰে; কিয়নো প্ৰায়বোৰ সদস্যই ১৮ বছৰৰ ওপৰত ভোটৰ অধিকাৰ থকা। পিছে ৰাইজৰ প্ৰতিবাদ দেখি ২৪ ঘণ্টাতে কথাৰ সুৰ বদলালে নেতাজনে। তেওঁলোকৰ বৰ্তমানৰ ভাষ্য অৰাজনৈতিক চৰিত্ৰ বজাই ৰাখি ৰাজনৈতিক দলক সমৰ্থন দিব পাৰি (আৰু প্ৰয়োজনত দলো খুলিব পাৰি?) এগৰাকী ৰসিক বন্ধুৱে ক'লে, 'আপুনি বাৰু নিৰামিষভোজী মানুহে মুৰ্গী, ছাগলী মাংস কাটি বিক্ৰী কৰা দেখিছেনে? আমি আমিষভোজী মানুহেহে এই বৃত্তি কৰি আছে বুলি জানো। পিছে ছাত্ৰ সন্থাটোৰ যুক্তি শুনি বিপাঙতো পৰিছো। কিয়নো ৰাজনৈতিক সংগঠনেহে ৰাজনীতি কৰে, অৰাজনৈতিক সংগঠনে আকৌ কেনেকৈ ৰাজনীতিত জড়িত হ'ব পাৰি।' সেয়ে কথাবোৰ বুজি নোপোৱা হৈছো আজি-কালি।

> এখন আইন বাতিল কৰিব পাৰে অকল উচ্চতম ন্যায়ালয়েহে আৰু তাতো আছে এটা চৰ্ত অৰ্থাৎ আইনখনে ভাৰতৰ সংবিধান উলংঘা কৰিব লাগিব তেতিয়াহে উচ্চতম ন্যায়ালয়ে হস্তক্ষেপ কৰিব পাৰিব। অন্যথা ন্যায়ালয়ে নাকচ কৰাৰ ক্ষমতা নাই।

এখন আইন ভাৰতত সংবিধানমতে দুয়োখন সদনত পাছ হোৱাৰ পাছত, ৰাষ্ট্ৰপতিয়ে স্বাক্ষৰ কৰাৰ পাছত সেই আইনখন সকলো ৰাজ্যই মানি ল'বলৈ সাংবিধানিকভাৱে বাধ্য। কিয়নো ৰাইজে গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত কৰি পঠিওৱা প্ৰতিনিধিয়েই সন্মতি প্ৰদান কৰি সদনত গ্ৰহণ কৰোৱাই লৈছে। এখন আইন বাতিল কৰিব পাৰে অকল উচ্চতম ন্যায়ালয়েহে আৰু তাতো আছে এটা চৰ্ত অৰ্থাৎ আইনখনে ভাৰতৰ সংবিধান উলংঘা কৰিব লাগিব তেতিয়াহে উচ্চতম ন্যায়ালয়ে হস্তক্ষেপ কৰিব পাৰিব। অন্যথা ন্যায়ালয়ে নাকচ কৰাৰ ক্ষমতা নাই। এতিয়া এই নিৰ্বাচনৰ সময়ত অনবৰত শুনি আছো এইবুলি যে কংগ্ৰেছ আৰু আঞ্চলিকতাবাদী দলসমূহ ক্ষমতালৈ আহিলে 'কা' আইনখন হেনো বাতিল কৰিব। প্ৰশ্ন হ'ল, কি ক্ষমতাৰে বাতিল কৰিব তেওঁলোকে? ভাৰতৰ সংবিধানেতো তেনে ক্ষমতা ৰাজ্য চৰকাৰ এখনক দিয়া নাই। এনে ভুৱা প্ৰতিশ্ৰুতি কিয় দি আছে আমি সাধাৰণ মগজুৰ মানুহে বুজিবই নোৱৰা হৈছো। ন্যায়ালয়, সংবিধানে অনুমতি নিদিয়া কাম এটা জোৰ কৰি কৰিব নোৱাৰি।

ভাৰতৰ প্ৰধানমন্ত্ৰীজন এজন অকল ব্যক্তি নহয়। তেওঁ প্ৰধানমন্ত্ৰী পদত আছে ভাৰতৰ জনতাই গণতান্ত্ৰিকভাৱে নিৰ্বাচন কৰি সেই পদত অধিষ্ঠিত কৰাৰ বাবে। ব্যক্তিগতভাৱে অশালীন ভাষাৰে প্ৰধানমন্ত্ৰীক অপমান কৰাটো কোনো সভ্য ব্যক্তিৰ পৰিচয় নহয়। নৰেন্দ্ৰ মোদীক অশালীন ভাষাৰে অপমান কৰি থাকে কংগ্ৰেছৰ যুৱৰাজ ৰাহুল গান্ধীয়ে, তৃণমূল কংগ্ৰেছৰ মমতা বেনাৰ্জী আদিয়ে। আমাৰ প্ৰশ্ন হ'ল, যিবোৰ নেতাই প্ৰধানমন্ত্ৰীৰ আসনখনক যথোচিত সন্মান প্ৰদৰ্শন কৰিব নোৱাৰে বা নোখোজে তেনে নেতাৰ পৰা এখন দেশে কি সুশাসন, মৰ্যাদা আশা কৰিব পাৰে বাৰু? এনে নেতাই যেন সুসংস্কাৰৰ পৰিৱেশৰে নিজে ডাঙৰ-দীঘলেই হোৱা নাছিল এনে এটা মনোভাবহে মনলৈ আহে। ৰাজনীতিৰ নামত অভদ্ৰামি, অসভ্যালি হোৱাটো উচিত নহয়। নৱ প্ৰজন্মৰ আদৰ্শ হ'ব পৰা ৰাজনীতিকহে আমি আদৰণি জনাওঁ বা জনোৱাটো উচিত। যিকোনো বহুত নেতায়েই প্ৰধানমন্ত্ৰীৰ আসনখনক সন্মান দিব নজনা হৈছে আজিৰ সময়ত।

এজন ব্যক্তিৰ নিজ ধৰ্মৰ ওপৰত থকা বিশ্বাসৰ আধাৰত তেওঁৰ নিজ ধৰ্মৰ বিষয়ে কোৱাটো বা চিন্তা কৰাটো জন্মগত অধিকাৰ। আন ধৰ্মক ঘৃণা কৰাটো সনাতন হিন্দু ধৰ্মৰ নিয়ম বা সংস্কাৰৰ বাহিৰত। অথচ বাস্তৱত দেখা গৈছে যে হিন্দু ব্যক্তি এগৰাকীয়ে নিজৰ ধৰ্মৰ বিষয়ে এটা শব্দ উচ্চাৰণ কৰিলেই সাম্প্ৰদায়িক আখ্যা পায়; কিন্তু অন্য এটা ধৰ্মৰ মানুহে হিন্দু ধৰ্মৰ দেৱ-দেৱীক লৈ অপমান কৰি থাকে, ঘৃণনীয় বাক্য প্ৰয়োগ কৰি থাকে, ঘৃণনীয় ছবি আঁকে তথাপি সেই ধৰ্মৰ লোকসকল সাম্প্ৰদায়িক নহয়। সেইটো হেনো তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ। অথচ তেওঁলোকৰ ধৰ্মীয় গুৰুৰ বিপক্ষে এটা শব্দ উচ্চাৰণ কৰিলেই শিৰশ্ছেদ কৰাৰ ঘটনা হৈ আছে, হঠাতে মিছা বাতৰি প্ৰচাৰৰ গয়না লৈ ৰাজ্যৰ, ৰাষ্ট্ৰৰ সম্পদ ক্ষন্তেকতে ধ্বংস কৰা ঘটনা পৰিলক্ষিত হৈ আছে। তথাপি তেওঁলোক ধৰ্মনিৰপেক্ষ হেনো। অসমৰ মগজু আখ্যা পোৱা ব্যক্তিৰ যুক্তি হিন্দু ধৰ্মক অপমান কৰাটো সেইবোৰ মানুহৰ গণতান্ত্ৰিক অধিকাৰ। বাক্ স্বাধীনতা। বাঃ কি সুন্দৰ যুক্তি। ধন্য হ'লো হে বিশিষ্ট চিন্তাবিদ আপোনাসবৰ যুক্তি শুনি। আমি ধন্য হ'লো। ধৰ্মনিৰপেক্ষতাৰ যুক্তি অকাট্য। সেয়ে আজি-কালি কথাবোৰ বুজি নোপোৱা হৈছো। মাত্ৰ তুষ্টিকৰণহে।

আগতেই উল্লেখ কৰিছো টিভি চেনেলৰ বাতৰিৰ নিৰপেক্ষতাৰ বিষয়ে। কেইজনমান আমাৰ অসমৰ সাংবাদিকৰ ভূমিকা ৰহস্যজনক। নিজকে ধোৱা তুলসীৰ পাত সজাই মিচমিচিয়া হৈ অনুষ্ঠান পৰিৱেশন, পৰিচালনা কৰিব; কিন্তু বাস্তৱত নিৰপেক্ষতাৰ ছবিখন প্ৰকাশ নহয় দেখোন। এটা উদাহৰণ মনলৈ আহিছে। অলপতে পঞ্জাৱৰ পৌৰসভা নিৰ্বাচনত ভাৰতীয় জনতা দল ধৰাশায়ী হ'ল একমাত্ৰ কৃষি আইন বাতিলৰ আন্দোলনৰ বাবে বুলি বাতৰি পৰিৱেশন হ'ল। ঠিকেই আছে, তাত কাৰো ক'ব লগা নাই। পিছে পাছত গুজৰাটৰ পৌৰসভা নিৰ্বাচনত ভাজপাই অভূতপূৰ্ব ৰিজাল্ট কৰিলে আৰু কংগ্ৰেছ ধৰাশায়ীয়েই নহয়, কোনো কোনো ঠাইত নিশ্চিহ্ন হৈ গ'ল। পিছে এই বাতৰিটোৱে কিন্তু আমাৰ সেই কিছু চেনেলত একেবাৰে প্ৰাধান্য নাপালে।

এদিন এখন দোকানত বজাৰ কৰি থাকোতে দোকানখনৰ মালিকৰ এজন ডেকা ল'ৰাই বৰ কঠোৰ ভাষাৰে কিবা কিছুমান কৈ থকা শুনিলো আমি গ্ৰাহকসকলে। (কৰ'না কালত মাজে মাজে দোকান-পোহাৰ খুলি দিয়াৰ সময়ৰ কথা)। ডেকা ল'ৰাজন যোৱাৰ পাছত এজন গ্ৰাহকে মালিকজনক সুধিলে কি হৈছিল ঘটনাটো? মালিকজনে অতি চিন্তিতভাৱে ক'লে, 'নক'ব বুজিছে ব্যৱসায় কৰাই টান হৈছে। এইবোৰ আপোনালোকে জানিনো কি কৰিব।' মানুহজনে সুধিলে ল'ৰাজন কোন আছিল। কওঁ নকওঁকৈ মালিকে ক'লে, ল'ৰাজন সাংবাদিক আছিল। গ্ৰাহকজনে ক'লে, 'ইমান টান টানকৈ আপোনাক কথাবোৰ কৈছে, ব্যৱহাৰ কৰিছে, তেওঁ আচলতে সাংবাদিক নে সাংঘাতিক ধৰিবই নোৱাৰিলো। দোকানত থকা গ্ৰাহকখিনিয়ে মাথোঁ হাঁহিলে লগৰ গ্ৰাহকজনৰ কথাটো শুনি। অৱশ্যে আজিৰ সময়ত কিছুমান সাংবাদিক সাংঘাতিক হৈ নুঠা নহয়। সাংবাদিকতাৰ সুযোগ লৈ নকৰিব লগা কাম দুই-এজনে কৰি থকাৰ কথা শুনা যায়। অৱশ্যে সকলো সাংবাদিকেই তেনে নহয়। এনে ধৰণৰ সাংবাদিকৰ বাবেই সংবাদ জগতখনত বদনাম হৈছে কিছু ক্ষেত্ৰত। ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন আহি পৰিছে; কিন্তু সেয়ে আজি-কালি কথাবোৰ বুজি নোপোৱা হৈছো।

ফোন ঃ ৯৪৩৫০৩০৪৬৪

---

চৰকাৰী চাকৰিৰে ৰাজ্যৰ বৰ্ধিত নিবনুৱা সমস্যা কোনো চৰকাৰে সমাধান কৰিব নোৱাৰে

# আকৌ এবাৰ বিজেপি চৰকাৰ

আলোকপাত



প্ৰমোদ কাকতি

**এইবেলি** অসম বিধানসভা নিৰ্বাচনৰ ৰেহ-ৰূপ আন কালতকৈ কিছু অগতানুগতিক। কংগ্ৰেছ দলে আগৰ নিৰ্বাচনলৈকে অকলে প্ৰতিদ্বন্দ্বিতা কৰিছিল। কিন্তু ২০১৪ ৰ লোকসভা নিৰ্বাচনে কংগ্ৰেছৰ কঁকাল ভাঙি পেলালে। বিজেপিৰ উত্থান আৰু মোদী টৌৰ কবলত পৰি কংগ্ৰেছ দিশহাৰা হ'ল। কংগ্ৰেছ দলে দেশৰ শাসন হেৰুৱালে। অকল সিয়েই নহয়, তেতিয়াৰে পৰা কংগ্ৰেছৰ ভিতৰ চ'ৰাত নেতৃত্বৰ সংকট ঘনীভূত হ'ল। কংগ্ৰেছত থকা লবীকেন্দ্ৰিক ৰাজনীতি মূৰ দাঙি উঠিল। ক্ষমতাৰ খঁকত অনেক দল এৰি আনদলত বৰপীৰা পাৰি বহিল। তাৰ মাজতো অসম কংগ্ৰেছে নিজৰ গাদী ৰক্ষাৰ অৰ্থে ২০১৬ ৰ বিধানসভা নিৰ্বাচনত অকলে যুঁজত অৱতীৰ্ণ হৈ শোচনীয় পৰাজয় বৰণ কৰিলে। কংগ্ৰেছৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ অপশাসন আৰু অৰাজকতাকে মূল ইছ্যু হিচাপে লৈ বিজেপিয়ে ভোট যুদ্ধত জয়ী হোৱাৰ অৰ্থে অগপ আৰু বিপিএফক সৌঁহাত আৰু বাওঁহাতে সাবটি ধৰি ৰাভা, মিচিং, তিৱা, কাৰবি আদি জনগোষ্ঠীয়ে দল-সংগঠনক আস্থা আৰু বিশ্বাসত লৈ নিৰ্বাচনত অতি কৌশলেৰে অৱতীৰ্ণ হৈ জয়লাভ কৰি শাসনৰ গাদীত বহিল। কংগ্ৰেছ হাৰিল আৰু গাদীচ্যুত হ'ল। সেই নিৰ্বাচনে অসম কংগ্ৰেছক দুখ লগাকৈ নিশকটীয়া কৰি পেলালে আৰু পৰৱৰ্তী কালত হোৱা পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনতো এই দলটিয়ে বাৰুকৈ মুখথেকেচা খালে।



হিচাপ-নিকাচ কৰি ভালেমান দিশ বিবেচনা কৰি বিজেপিক অকলে প্ৰতিৰোধ কৰিব নোৱাৰিব বুলি ভাবি আগতে 'হু ইজ বদৰুদ্দিন' বুলি দম্ভালি মৰা কংগ্ৰেছে নিজৰ নীতি আৰু আদৰ্শৰ কথা জলাঞ্জলি দি ইউ ডি এফ, চিপি এম, চি পি আই, চি পি এম এল, বি পি এফ আৰু গণমঞ্চৰ স'তে মহাজোঁট বন্ধন কৰিলে। সাপে-নেউলে লগ লাগি একে ঘাটত পানী খাব খোজা জোৰা-টাপলি মৰা এই ব্যৱস্থাটোক অসমৰ মূলসুঁতিৰ জনসাধাৰণে সহজভাৱে ল'ব নোৱাৰিলে। উজনিৰ ৰাইজে প্ৰকাশ্যে আপত্তিও দৰ্শালে। এই মহাজোঁট বন্ধনৰ বিৰোধিতা কৰি জনপ্ৰতিনিধিকে ধৰি কংগ্ৰেছৰ ভালেসংখ্যক নেতাকৰ্মীয়ে দল ত্যাগো কৰিলে। তথাকথিত ছেকুলাৰবাদী বামপন্থী আৰু দেখ দেখকৈ সাম্প্ৰদায়িক ৰাজনীতি কৰা এ আই ইউ ডি এফৰ স'তে জোঁট বন্ধন কৰি খিচিৰি চৰকাৰ গঠন কৰিব খোজা কংগ্ৰেছৰ অভিপ্ৰায় বুজিবলৈ ভোটদাতা ৰাইজৰ অকণো সময় নালাগিল। ইয়াৰ প্ৰতিফলন নামনিৰ সংখ্যালঘু প্ৰধান অঞ্চলত কিছু যোগাত্মক হ'লেও উত্তৰ, মধ্য আৰু উজনি অসমত স্বাভাৱিকতে ঋণাত্মক হ'ব বুলি ধাৰণা কৰা হৈছে। এই কথা ৰাইজৰ মনোভাৱ আৰু বক্তব্যত ফুটি উঠিছে।

বহু বছৰৰ পৰা বিভিন্ন বিষয় লৈ হকে-বিহকে আন্দোলন কৰি পথ বন্ধ, বাহন বন্ধ, ৰেল বন্ধ, জুমুঠি দাহ, টায়াৰ দাহ, ৰাজহুৱা সম্পত্তি দাহ আদি দৃষ্টিকটু কাৰ্যসূচী ৰূপায়ণ কৰি ৰাইজক হাৰাশাস্তি খুওৱাই নহয় বৃহৎ উদ্যোগ নিৰ্মাণত বাধা প্ৰদান আনকি উদ্যোগ-বাণিজ্যিক চুক্তি সম্পন্ন কৰাৰ বাবে জাপানৰ প্ৰধানমন্ত্ৰী আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীৰ আগমনকো বাধা প্ৰদান কৰা, ক'লা পতাকা প্ৰদৰ্শন কৰি উন্নয়নৰ গতি স্তব্ধ কৰিব খোজা, আন্দোলনৰ মাধ্যমেৰে ৰাতিটোৰ ভিতৰতে ৰাজনৈতিক দল গঠন কৰি ৰাজপাটত বহিবলৈ দুঃসাহস কৰা ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদে মিত্ৰজোঁট বান্ধি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। কৰ্মসংস্কৃতি বিসৰ্জন দি ছান্দা তুলি ৰাজপথত আন্দোলন কৰি টিভিৰ পৰ্দাত আখৈ ফুটা ভাষণ দিয়া আৰু তৃণমূল পৰ্যায়ত সংগঠন গঢ়ি নোতোলাকৈয়ে, আন দলত সুবিধা কৰিব নোৱাৰি এই নতুন ৰাজনৈতিক দলত যোগদান কৰা নেতাক প্ৰাৰ্থিত্ব দি নিৰ্বাচনত জয়লাভ কৰি চৰকাৰ গঠন কৰিব খোজাটো ইমান সহজ কথা নহয়। 'কা' বিৰোধিতা কৰি ইয়াৰ আগতে অনুষ্ঠিত পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনত কোনেও সফল হ'ব পৰা নাই। গতিকে ৰাজনৈতিকভাৱে তেনেই অপৰিপক্ক, সাংগঠনিক ভোট নথকা বা 'কা'ত বাহিৰে অন্য কোনো সবল যুক্তিসংগত কাৰ্যসূচীবিহীন এই নতুন ৰাজনৈতিক দলসমূহে নিৰ্বাচনত কেনেকৈ জয়লাভ কৰিব পাৰিব? এয়া পৰ্বতত কাছৰ কণী বিচৰাৰ দৰে একেবাৰে অসম্ভৱ কথা বুলিও ভোটদাতা ৰাইজৰ ধাৰণা।

কেন্দ্ৰত জনপ্ৰিয় প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে দেশত সুশাসন প্ৰৱৰ্তন কৰিছে। দেশৰ প্ৰতিৰক্ষা বিভাগ শক্তিশালী হৈছে। বৈদেশিক নীতিৰ যোগেদি বিশ্বৰ উন্নত দেশৰ স'তে সু-সম্পৰ্ক গঢ়ি উঠিছে। কৃষি আৰু উদ্যোগীক ক্ষেত্ৰত যথেষ্ট উন্নতি হৈছে। নিম্ন আৰু মধ্যবিত্তসকলৰ সৰ্বাংগীন উন্নয়নৰ অৰ্থে ভালেমান উপাদেয় আঁচনি ৰূপায়ণ কৰা হৈছে। সকলো লোকৰ বাবে বিকাশ আৰু বিশ্বাসৰ গংগা প্ৰবাহিত হৈছে। কেন্দ্ৰৰ সুৰতে সুৰ মিলাই অসমৰ বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰেও উন্নয়নৰ বোঁৱতী লুইত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম সামৰি বোৱাই দিবলৈ নিষ্ঠা আৰু সততাৰে যত্ন কৰিছে। ৰাজ্যখনত দুৰ্নীতি হ্ৰাস পাইছে। নিযুক্তি প্ৰক্ৰিয়া নিকা আৰু স্বচ্ছ হৈছে। গড় আৰু অন্য বন্য জীৱ-জন্তু হত্যা বন্ধ আৰু গছ-বিৰিখৰ সুৰক্ষাৰ ব্যৱস্থা হাতত লৈছে। সত্ৰ হৈছে বনাঞ্চলৰ বেদখলত থকা ভূমি উদ্ধাৰ কৰা হৈছে আৰু এই কাৰ্যসূচী অব্যাহত আছে। স্বাস্থ্য, শিক্ষা আৰু লোকনিৰ্মাণ বিভাগত যথেষ্ট কাম হৈছে। বিত্তীয় সংস্কাৰে অৰ্থনৈতিক স্থিৰতা অনাত সকাহ দিছে। চাহ বাগিচাকে ধৰি অৰ্থনৈতিকভাৱে অনগ্ৰসৰ লোকৰ বাবে কে'বাটিও ৰাজ সাহায্যমূলক আঁচনি ৰূপায়ণৰ যোগেদি জনসাধাৰণক উৎসাহিত কৰা হৈছে। ভূমিহীন লোকক ভূমি-পট্টা প্ৰদান কাৰ্যসূচী অব্যাহতভাৱে ৰূপায়ণ কৰি থকা হৈছে।

অসমৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে ভালেমান মনোগ্ৰাহী উন্নয়নমূলক কাম কৰি জনসাধাৰণৰ আস্থাভাজন হৈছে আৰু প্ৰতিষ্ঠান বিৰোধী টৌৱে নিৰ্বাচনী যুদ্ধত তেনেকৈ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। তাৰ মাজতো হাতৰ আঙুলি সমান নহয়। শাসকীয় পক্ষ আৰু বিৰোধী পক্ষক কিছু অকৰ্মণ্য বিধায়ক-জনপ্ৰতিনিধিৰ বাবে কোনো কোনো অঞ্চলত উন্নয়নৰ গতি স্তিমিত হৈ পৰাটো স্বাভাৱিক। এই চৰকাৰখনে প্ৰতি বছৰে বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰি দিশহাৰা হোৱা নৈপৰীয়া ৰাইজৰ মুখলৈ হাঁহি বিৰিঙিওৱাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। চৰকাৰী নিযুক্তিৰে বৰ্ধিত নিবনুৱা সমস্যা কোনো চৰকাৰে সমাধান কৰিব নোৱাৰে। কৃষি, উদ্যোগ আৰু বাণিজ্যিক ক্ষেত্ৰত গতিশীল নীতি গ্ৰহণ কৰিব লাগিব। এই খণ্ডসমূহত, উৎপাদন আৰু বিনিয়োগৰ খণ্ডত নিবনুৱা যুৱক-যুৱতীক সংস্থান দিব লাগিব। তেনেকৈ ব্যক্তিগত খণ্ডতো কৃষি-উদ্যোগ আৰু ব্যৱসায়িক কেন্দ্ৰ গঢ়াৰ বাবে ডেকাশক্তিক উৎসাহিত কৰিব লাগিব। আন এটি স্পৰ্শকাতৰ বিষয় হ'ল 'কা'। এই আইন সৰ্বভাৰতীয় পটভূমিত হয়তো প্ৰযোজ্য। কিন্তু অসমৰ কথা সুকীয়া। অসমে ইতিমধ্যে লক্ষ লক্ষ বংগমূলীয় বিদেশীৰ বোজা মূৰ পাতি ল'ব লগা হৈছে।

এইবেলিৰ অসম বিধানসভাৰ নিৰ্বাচনত মূলতঃ তিনিকোণীয়া প্ৰতিদ্বন্দ্বিতা হ'ব বুলি আশা কৰা হৈছিল। তৃতীয় পক্ষ অৰ্থাৎ নৱগঠিত ৰাজনৈতিক দল দুটাই প্ৰস্তুতি হাতত নোলোৱাকৈ আৰু কাৰ্যকৰী হোৱাকৈ মিত্ৰতা গঢ়ি তোলাত ব্যৰ্থ হোৱা বাবে ৰাইজক আকৰ্ষিত কৰিব পৰা নাই। বহু সমষ্টিৰ নিৰ্বাচনী সভাত ৰাইজৰ উপস্থিতিও সেৰেঙা হোৱা দেখা গৈছে। সেয়ে নিৰ্বাচনী যুদ্ধত এওঁলোক কিমান সফল হ'ব সেয়া সন্দেহৰ আৱৰ্তত। আনহাতে, কংগ্ৰেছৰ নেতৃত্বত হোৱা মহাজোঁট বন্ধনেও অসমৰ মূলসুঁতিৰ ভোটদান ৰাইজৰ মাজত আশাপ্ৰদ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। নামনিতো জোঁটবন্ধনৰ মাজত প্ৰাৰ্থিত্ব কেন্দ্ৰিক সংঘাত আৰু ভালেমান সমষ্টিতে দুই প্ৰধান দলে প্ৰাৰ্থিত্ব প্ৰদান কৰাত শেষ মুহূৰ্তত কোন দলৰ প্ৰাৰ্থীয়ে বিজয়ৰ হাঁহি মাৰিব পাৰে তাৰ নিশ্চয়তা জানিব পৰা হোৱা নাই। শেহতীয়া নিৰ্বাচনী সমীক্ষা মতেও অসম বিধানসভাত বিজেপি নেতৃত্বাধীন এন ডি এ সৰ্বাধিক আসনত বিজয়ী হৈ সুস্থিৰ চৰকাৰ গঠন কৰিব বুলি আগজাননী দিছে। ৰাজ্যখনৰ চুক-কোণ সামৰি চৌদিশে গৰম কৰি তোলা নিৰ্বাচনী প্ৰচাৰতো দেখ দেখকৈ বিজেপি-অগপ- ইউ পি পি এল মিত্ৰজোঁটে আগবাঢ়ি থকা পৰিলক্ষিত হৈছে। আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰাৰ্থে সচেতন মহলে মিত্ৰজোঁটৰ চৰকাৰ দ্বিতীয়বাৰৰ বাবে প্ৰতিষ্ঠা হোৱাটোকে কামনা কৰে। সেয়ে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাৰ্থে আকৌ বিজেপিৰ নেতৃত্বত চৰকাৰ গঠন নহ'বনে?

ফোন ঃ ৯৪৩৫৫৫৮০১৩

# দৰঙত ৮,৩৮,৯৫৮ ভোটাৰে নিৰ্ণয় কৰিব ৩২ প্ৰাৰ্থীৰ ভাগ্য



অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ৩১ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ত হ'বলগীয়া ভোটদান প্ৰক্ৰিয়াত দৰং জিলাৰ চাৰিটা বিধানসভা সমষ্টিৰ ৩২গৰাকী প্ৰাৰ্থীৰ কাইলৈ হ'ব ভাগ্য পৰীক্ষা। জিলাখনৰ ৬৭ নম্বৰ মঙলদৈত অৱতীৰ্ণ সৰ্বনিম্ন চাৰি প্ৰাৰ্থী হ'ল বিজেপিৰ গুৰুজ্যোতি দাস, কংগ্ৰেছৰ বসন্ত দাস, অজাপৰ গকুল বৰুৱা আৰু ভি পি আইৰ জিতেন্দ্ৰ সৰকাৰ। মঙলদৈত মূল যুঁজখন কংগ্ৰেছৰ বসন্ত দাস আৰু বিজেপিৰ গুৰুজ্যোতি দাসৰ মাজত হোৱাৰ সম্ভাৱনা আছে। ইউ ডি এফৰ প্ৰাৰ্থী নথকা সমষ্টিটোত বিজেপিৰ গুৰুজ্যোতিয়ে বৈতৰণী পাৰ হ'বলৈ যিদৰে সংখ্যালঘু ভোটাৰক আকৰ্ষণ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছে সেইদৰে কংগ্ৰেছৰ বসন্তই সংখ্যাগুৰুৰ মাজত ভেটি সবল কৰিবলৈ চেষ্টা কৰাত যুঁজখন মহাৰণলৈ উত্তৰণ ঘটিছে। মাজতে নিৰ্ণায়কৰ ভূমিকা ল'ব বৃহত্তৰ ভকতপাৰা, মুদৈবৰী অঞ্চলৰ ১৭ হেজাৰ বড়ো জনগোষ্ঠীৰ ভোটাৰে। ৬৫ নম্বৰ কলাইগাঁৱত সৰ্বাধিক ১৪ প্ৰাৰ্থী বিজেপিৰ মধুৰাম ডেকা, বি পি এফৰ দুৰ্গা দাস বড়ো, অজাপৰ যাদৱ শইকীয়া, ইউ পি পি এলৰ কামাল আজাদ, বিজিপিৰ সুধেন্দু মোহন তালুকদাৰ, ভি পি আইৰ ভগৱান ডেকা, এছ ইউ চি আই (কমি)ৰ জিতেন্দ্ৰ চলিহা, জনতা দল (ইউ)ৰ ৰাধেশ্যাম চৌহান, নিৰ্দলীয় গৌস্বৌৰ মুছাহাৰী, কানুৰাম শইকীয়া, দুলাল কুমাৰ বৰুৱা, ৰাকেশ বড়ো, পংকজ অসমীয়া আৰু কমল চৌধুৰী। কলাইগাঁৱতো মূল ৰণত অৱতীৰ্ণ হৈছে বি পি এফৰ দুৰ্গা দাস বড়ো আৰু বিজেপিৰ মধুৰাম ডেকা। মধুৰামৰ সপক্ষে বিজেপিৰ ঢৌ থকাৰ বিপৰীতে প্ৰাৰ্থীগৰাকী অস্থানীয় আৰু কে'বাটাও গুৰুতৰ অপৰাধত অভিযুক্ত হৈ থকাৰ তথ্যই পৰিৱেশ ধূসৰ কৰিছে।' দুৰ্গা দাসৰো সপক্ষে আৰৰু বিপক্ষে বলিছে পছোৱা বতাহ। কলাইগাঁৱত বিবেক ভোট আৰু আঞ্চলিকতাবাদ ভাৱধাৰাই ক্ৰিয়া কৰাৰ সম্ভাৱনা আছে। জিলাখনৰ অন্যতম আকৰ্ষণীয় যুঁজ লগা সমষ্টি হৈছে ৬৬ নম্বৰ ছিপাঝাৰ সমষ্টি। সমষ্টিটোৰ নগৰাকী প্ৰাৰ্থী হ'ল বিজেপিৰ পৰমানন্দ ৰাজবংশী, কংগ্ৰেছৰ কুলদীপ বৰুৱা, অজাপৰ গীতিকা কাকতি, ভি পি আইৰ হৰেশ্বৰ ডেকা, এছ ইউ চি আইৰ পাহেশ্বৰী বৰুৱা, নিৰ্দলীয় অৰুণ বৰুৱা, আছিফুন নেছা, অমিয় কুমাৰ ডেকা আৰু ছাহনুৰ আলী। খিলঞ্জীয়া লোকৰ বসতিপ্ৰধান ছিপাঝাৰত বিজেপিৰ পৰমানন্দ শক্তিশালী যদিও নানান বিতৰ্কই তেওঁৰ পথ ধূলিময় কৰি তুলিছে। তাৰ বিপৰীতে দলীয় ভেটি দুৰ্বল হ'লেও কংগ্ৰেছৰ কুলদীপে নিকা ভাবমূৰ্তিৰে ভোটাৰক আকৰ্ষণ কৰা পৰিলক্ষিত হৈছে। নিৰ্বাচনী ৰণত দুয়োগৰাকী নৱাগত হ'লেও দুয়ো এঘড়ী যুঁজ দিয়াৰ সম্ভাৱনা আছে। ছিপাঝাৰত বিবেক ভোটে যে পৰমানন্দ আৰু কুলদীপৰ ভাগ্য নিয়ন্তা হ'ব সেয়া নিশ্চিত। আনহাতে, ৬৮ নম্বৰ দলগাঁৱৰ প্ৰাৰ্থী হ'ল কংগ্ৰেছৰ ইলিয়াছ আলী, অগপৰ হবিবুৰ ৰহমান, এ আই ইউ ডি এফৰ মজিবুৰ ৰহমান, ভি পি আইৰ ছাইফুল হক আৰু ৰাইজৰ দলৰ আৰব আলী। মূল যুঁজ কংগ্ৰেছৰ ইলিয়াছ আৰু ইউ ডি এফৰ মজিবুৰৰ মাজতে সীমাবদ্ধ থকাৰ সম্ভাৱনা প্ৰকট হৈছে। সংখ্যালঘু ভোটাৰ প্ৰধান দলগাঁৱত এইবাৰো হিন্দু ভোটাৰে ল'ব নিৰ্ণায়ক ভূমিকা। উল্লেখ্য যে দৰং জিলাৰ মুঠ ৮,৩৮,৯৬৮গৰাকী ভোটাৰৰ ভিতৰত ২২১ গৰাকী শতবৰ্ষৰ আশে-পাশে আৰু ১১,৪৪৭গৰাকী নবীন ভোটাৰ। জিলাখনৰ সৰ্বাধিক ২,৪৬,৬৮৪ ভোটাৰেৰে সমৃদ্ধ দলগাঁৱত যোৱা লোকসভা নিৰ্বাচনৰ তুলনাত ভোটাৰ বৃদ্ধি পাইছে ২৪ হেজাৰ। ১,৭৭,৭৮২গৰাকী ভোটাৰেৰে পৰিবেষ্টিত ছিপাঝাৰত বৃদ্ধি পাইছে সৰ্বনিম্ন চাৰি হেজাৰ ভোটাৰ। ২০১৯ৰ লোকসভা নিৰ্বাচনৰ তুলনাত কলাইগাঁৱত ১২ হেজাৰ বৃদ্ধি হৈ এতিয়া মুঠ ভোটাৰ হৈছে ১,৮৩,৫০৭ গৰাকী আৰু মঙলদৈত ১৬ হেজাৰ নতুনকৈ যোগ হৈ মুঠ হৈছে ২,৩৬,৯৮৫গৰাকী। ২০১৬ৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ আছিল কলাইগাঁৱত ৮৫.৭৮ শতাংশ, ছিপাঝাৰত ৮৬.২৬ শতাংশ, মঙলদৈত ৮৮.৭৩ শতাংশ আৰু দলগাঁৱত সৰ্বাধিক ৯১.৪৮ শতাংশ। এইবেলি বলা পচোৱাৰ প্ৰকোপত চাৰিওটাতে ভোটদানৰ হাৰ চমকপ্ৰদভাৱে বৃদ্ধি পোৱাৰ লগতে মঙলদৈ আৰু দলগাঁৱত ৯৫ শতাংশ পৰ্যন্ত স্পৰ্শ কৰাৰ সম্ভাৱনা আছে। সামগ্ৰিকভাৱে এনে শ্বাসৰুদ্ধকাৰী পৰিৱেশ সৃষ্টি হ'লেও অন্তহীন উৎকণ্ঠাৰে সকলোৱে অপেক্ষা কৰিব দুই মে'ৰ ভোটগণনাৰ দিনটোলৈ।

## সোঁতৰ বিপৰীতে




# আজি ওদালগুৰি জিলাৰ তিনি সমষ্টিত ১৭ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব



বিশেষ সংবাদদাতা

**ওদালগুৰি, ৩১ মাৰ্চ ঃ** কাইলৈ ৰাজ্যত অনুষ্ঠিত হ'ব বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ। ৰাজ্যখনৰ মুঠ ৩৯ টা সমষ্টিক সামৰি অনুষ্ঠিত হ'বলগীয়া এই দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ওদালগুৰি জিলাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে পানেৰী, ওদালগুৰি আৰু মাজবাটতো অনুষ্ঠিত হ'ব ভোটগ্ৰহণ প্ৰক্ৰিয়া। জিলাখনৰ উক্ত তিনিওটা বিধানসভা সমষ্টিৰে নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালিত হ'ব ওদালগুৰি জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰা। যাৰ বাবে আজি এক উদুলি মুদুলি পৰিৱেশৰ সূচনা হয় উপায়ুক্ত কাৰ্যালয় চৌহদত। উল্লেখ্য যে সমগ্ৰ জিলাখনৰ তিনিটা বিধানসভা সমষ্টিৰ বাবে এইবাৰৰ নিৰ্বাচনী প্ৰক্ৰিয়াত ৩,৩১৬ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলে আজি পুৱা ওদালগুৰি জিলা উপায়ুক্ত কাৰ্যালয়লৈ আহি নিজৰ নিজৰ ভোটগ্ৰহণ কেন্দ্ৰৰ সবিশেষ তথ্য লাভ কৰি যাৱতীয় কাম-কাজ সম্পন্ন কৰি বিয়লি নিজৰ নিজৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হয়। পূৰ্বৰ তুলনাত এইবাৰ জিলাখনৰ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৬৯১ টালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰে ভিতৰত বিগত লোকসভা নিৰ্বাচনত ৯০ শতাংশতকৈ অধিক ভোটদান হোৱা জিলাখনৰ ২৯ টা ভোটগ্ৰহণ কেন্দ্ৰক জটিলৰূপে চিনাক্ত কৰি উক্ত কেন্দ্ৰসমূহত চিচিটিভিৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, জিলাখনৰ তিনিটা সমষ্টিৰ ভিতৰত প্ৰতিটো সমষ্টিৰ ২০ টাকৈ মুঠ ৬০ টা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। সমগ্ৰ জিলাখনত মুঠ ভোটাৰৰ সংখ্যা হৈছে ৪,৬৬,৯৬৫ গৰাকী। ইয়াৰে ভিতৰত ২,৩৬,০৫৯ পুৰুষ, ২,৩০,৯০১ গৰাকী মহিলা আৰু পাঁচগৰাকী তৃতীয় লিংগৰ ভোটাৰ। সেই অনুসৰি, পানেৰী বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা ১,৫৩,৪৪১ গৰাকী, ওদালগুৰি বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা ১,৫৬,০৭৫ গৰাকী আৰু মাজবাট বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হ'ল ১,৫৭,৪৪৯ গৰাকী। জিলাখনত প্ৰতি এহেজাৰ পুৰুষ ভোটাৰৰ বিপৰীতে মহিলা ভোটাৰৰ অনুপাত হৈছে ৯৭৮ গৰাকী। ইফালে ওদালগুৰি জিলখনৰ তিনিটা বিধানসভা সমষ্টিৰ এইবাৰ মুঠ প্ৰাৰ্থীৰ সংখ্যা হৈছে ১৭ গৰাকী। সেই অনুসৰি পানেৰীত ছগৰাকী, ওদালগুৰিত দুগৰাকী আৰু মাজবাটত প্ৰাৰ্থীৰ সংখ্যা হৈছে ন গৰাকী। আনহাতে, নিৰাপত্তাৰ ক্ষেত্ৰতো গ্ৰহণ কৰা হৈছে বিশেষ ব্যৱস্থা। ইতিমধ্যে জিলাখনলৈ অনা হৈছে ২০ টাতকৈ অধিক নিৰাপত্তাৰক্ষীৰ কোম্পানী। ইয়াৰ উপৰি জিলাখনৰ ভিন্ন প্ৰান্তত আৰক্ষী-নিৰাপত্তাৰক্ষীৰ তালাচীৰ লগতে ম'বাইল পেট্ৰ'লিঙৰ ব্যৱস্থা কৰা হৈছে। সমান্তৰালভাৱে স্পৰ্শকাতৰ কেন্দ্ৰসমূহত পৰ্যাপ্ত নিৰাপত্তাৰক্ষীৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত নিৰ্বাচনৰ বাবে সকলো দিশতে সাজু থকাৰ কথা উল্লেখ কৰি সকলো ৰাইজক শান্তি-শৃংখলা বজাই গণতন্ত্ৰৰ উৎসৱত অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছে জিলা ৰিটাৰ্ণিং বিষয়া তথা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া আৰু নিৰ্বাচনী বিষয়া দেৱাশীষ বৰঠাকুৰসহ জিলা প্ৰশাসনে।

# হোজাই জিলাত প্ৰশাসনৰ ভূমিকাত ক্ষোভ বিষয়া-কৰ্মীৰ

অগ্ৰদূত বাৰ্তা

**লংকা/হোজাই, ৩১ মাৰ্চ ঃ** হোজাই জিলাত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভাৰ হোজাই, লামডিং আৰু যমুনামুখ সমষ্টিৰ নিৰ্বাচনৰ বাবে হোজাই জিলা প্ৰশাসনে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। তিনিওটা সমষ্টিত শান্তিপূৰ্ণ, সুৰক্ষিত আৰু নিৰপেক্ষ ভোটদানৰ বাবে জিলা সাধাৰণ প্ৰশাসন, আৰক্ষী প্ৰশাসনে ব্যাপক তৎপৰতা গঢ়ি তুলিছে। ভোট গ্ৰহণত জড়িত বিষয়া-কৰ্মচাৰীসকলক প্ৰশিক্ষণ, ষ্ট্ৰং ৰূমৰ নিৰাপত্তা, ভোট কেন্দ্ৰৰ নিৰাপত্তাকে ধৰি ভোট গ্ৰহণৰ বাবে যাবলগীয়া বিষয়া-কৰ্মচাৰীৰ বাবে ইতিমধ্যে বাহন আদিৰ অধিগ্ৰহণ সম্পূৰ্ণ কৰি তুলিছে হোজাই জিলা প্ৰশাসনে। দিন-ৰাতি একাকাৰ কৰি হোজাই জিলা প্ৰশাসনে এই ব্যৱস্থা গঢ়ি তুলিছে। বিশেষকৈ জিলাখনৰ উপায়ুক্ত ড° সদনেক সিঙৰ তত্বাৱধানত আৰু নিৰ্বাচন আয়োগে মনোনীত পৰ্যবেক্ষকসকলে হোজাইত বাহৰ পাতি সমগ্ৰ পৰিস্থিতি নিৰীক্ষণ কৰিছে। জিলাখনত ভোটগ্ৰহণ প্ৰক্ৰিয়া সুস্থ আৰু শুদ্ধ ৰূপত গ্ৰহণ কৰিবলৈ হোজাই জিলা প্ৰশাসনে নিৰ্বাচনী কামত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ এক বৃহৎ গোটক কে'বা খলপীয়া ব্যৱস্থাৰে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। ইভিএম মেচিন কেনেকৈ সংস্থাপিত কৰিব, কেনেকৈ ভোট ল'ব, ভোটাৰ শ্লিপ কেনেকৈ দিয়া হ'ব, ক'ভিড বিধি মানি কেনেকৈ ভোটগ্ৰহণ কৰিব আদি বিষয়সমূহৰ স'তে জড়িত প্ৰিজাইডিং বিষয়া, প্ৰথম প'লিং, দ্বিতীয় প'লিং আৰু তৃতীয় প'লিঙৰ স'তে জড়িত বিষয়াসকলক প্ৰশিক্ষণ দিয়া হয়। মাষ্টাৰ ট্ৰেইনাৰৰ জৰিয়তে এইসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। ডবকা হাজী আনফৰ আলী কলেজ, শংকৰদেৱ নগৰ জুনিয়ৰ কলেজ, লংকা হাইস্কুল আদিকে ধৰি বিভিন্ন স্থানত এইসকল বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণত অংশ লোৱা বিষয়া-কৰ্মচাৰীৰ বৃহৎ দলক জিলা প্ৰশাসনৰ ফালৰ পৰা যোগান ধৰা আৰু তদাৰক কৰা ৰিফ্ৰেশ্বমেন্ট চেলৰ জৰিয়তে কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ খাদ্য, চাহ-পানীৰ যোগান ধৰা ব্যৱস্থা কৰে যদিও নিম্নমানৰ খাদ্য যোগান ধৰা বাবে এইবাৰ কৰ্মচাৰীসকলে অসন্তুষ্টি প্ৰকাশ কৰিছে। আনহাতে, এইবাৰ হোজাই জিলাৰ উপায়ুক্তই কোনো দিনে কোনো কালে নোহোৱা জিলা জনসংযোগ বিভাগৰ লগতে উপায়ুক্ত কাৰ্যালয়ৰ সকলো কৰ্মচাৰীক প'লিং, প্ৰিজাইডিঙৰ দায়িত্বত দিয়া কাণ্ডই সকলোকে চকু কপালত তুলিছে। মুঠতে হোজাই জিলাত সুস্থ নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে সকলো ধৰণৰ ব্যৱস্থা গঢ়ি তোলাৰ চেষ্টা চলাই যদিও উপায়ুক্তই চলোৱা কৰ্মকাণ্ডত জিলাখনৰ অধিক সংখ্যক বিষয়া অসন্তুষ্টি প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। আনহাতে, নিৰ্বাচনী কাম-কাজত সামগ্ৰী যোগান ধৰা নিবিদা ক্ষেত্ৰতো বৃহত খেলি-মেলি অভিযোগ উঠিছে। জিলাখনৰ ভোটদান নিশ্চিত কৰিবলৈ হোজাই নিৰ্বাচনী বিভাগে পেৰাচাইক্লিষ্ট তথা নিৰ্বাচনী আইন ৰাকেশ বণিকৰ জৰিয়তে বিভিন্ন স্থনীয় বন্ধৰ ঘোষণা কৰে হোজাই জিলা প্ৰশাসনে। জিলা উপায়ুক্ত ড° সদনেক সিঙে এক আদেশযোগে পহিলা এপ্ৰিলৰ ভোট গ্ৰহণৰ দিনা এন আই আইন ১৮৮১ৰ অধীনত ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰিছে।

## অৱসৰপ্ৰাপ্ত অধ্যাপক মৃণাল কান্তি ভৌমিকৰ মৃত্যু

**হাউলী, ৩১ মাৰ্চ ঃ** হাউলী বিএইচ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সমাজকৰ্মী মৃণাল কান্তি ভৌমিক (৬১)ৰ আজি মৃত্যু হয়। তেওঁ কলগাছিয়াত নৱজ্যোতি কলেজত প্ৰথমে কৰ্মজীৱন আৰম্ভ কৰিছিল যদিও সেই চাকৰি ত্যাগ কৰি হাউলীৰ বিএইচ কলেজত বিজ্ঞান শাখাৰ প্ৰতিষ্ঠা কৰে। ২৫ বছৰ বিনা বেতনেৰে কৰ্ম কৰি অৱশেষত চাকৰি প্ৰাদেশিকীকৰণ হয় যদিও ২০১৯ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। ভৌমিক মৃত্যুৰ সময়লৈকে হাউলীৰ 'হোলী চাইল্ড ইংলিছ একাডেমী' নামৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ লগত জড়িত হৈ আছিল। সমাজৰ বিভিন্ন কামৰ লগতে তেওঁ ছবছৰীয়া অসম আন্দোলনত ছাত্ৰ সন্থাৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। ইয়াৰ উপৰি তেওঁ হাউলী ৰাস মহোৎসৱৰ উদ্‌যাপন সমিতি, সদৌ হাউলী ৰঙালী বিহু উদ্‌যাপন সমিতি, হাউলী ক্ৰীড়া সন্থাৰ লগতে অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ, এগৰাকী কন্যা ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত হাউলী ৰাস মহোৎসৱৰ উদ্‌যাপন সমিতি, হাউলী ৰঙালী বিহু উদ্‌যাপন সমিতি, হাউলী সাংবাদিক সন্থা, হাউলী আঞ্চলিক ছাত্ৰ সন্থা, হাউলী ক্ৰীড়া সন্থা, বৃহত্তৰ হাউলী উন্নয়ন পৰিষদ, হাউলী সাহিত্য সভা, হাউলী নগৰ উন্নয়ন পৰিষদ, বৰপেটা জিলা সাংবাদিক সন্থা, অসম প্ৰদেশ সাংবাদিক সন্থা বৰপেটা জিলা সমিতি, হাউলী কাৰবাৰী সন্থা, হাউলী মাষ্টৰ স্প'ৰ্ট এণ্ড ফিজিকেল ফিটনেছ সন্থা, ৰূপান্তৰ বে-চৰকাৰী সংস্থাৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# ধৰ্মপুৰত জটিল হৈ পৰিছে নিৰ্বাচনী অংক

অগ্ৰদূত বাৰ্তা

**চামতা, ৩১ মাৰ্চ ঃ** নলবাৰী জিলাৰ অতিকৈ গুৰুত্বপূৰ্ণ ধৰ্মপুৰ বিধানসভা সমষ্টিত বিজেপিৰ মিত্ৰজোঁট, কংগ্ৰেছ মহাজোঁট, অসম জাতীয় পৰিষদ আদি ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত হৈছে। সমষ্টিটোৰ পৰা এইবেলি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী চন্দ্ৰমোহন পাটোৱাৰী, কংগ্ৰেছ মহাজোঁটৰ প্ৰাৰ্থী ৰাতুল পাটোৱাৰী, অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী ড° শিখৰ কুমাৰ শৰ্মা, এছ ইউ চি আইৰ প্ৰাৰ্থী প্ৰমোদ চন্দ্ৰ ভাগৱতী আৰু নিৰ্দলীয় প্ৰাৰ্থী জ্যোতিৰ্ময় শৰ্মাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ধৰ্মপুৰৰ ভিন্ন ঠাইত ইতিমধ্যে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰাৰ উপৰি মটৰ চাইকেল সমদল, প্ৰচাৰ সভা আদি সম্পন্ন কৰি নিজৰ নিজৰ পছন্দৰ প্ৰাৰ্থীক জয়ী কৰাৰ লক্ষ্যৰে তুংগত তুলিছে নিৰ্বাচনী প্ৰচাৰ অভিযান। শাসনাধিষ্ঠিত বিজেপি, কংগ্ৰেছ, অজাপ আদি দলৰ প্ৰক্ষেপিত প্ৰাৰ্থীসকলে সমষ্টিটোৰ সাধাৰণ ভোটাৰ ৰাইজক আকৰ্ষিত কৰিবলৈ শেহতীয়াকৈ গ্ৰহণ কৰা দেখা গৈছে ন ন ৰণ-কৌশল। প্ৰদান কৰিছে নানা গেৰাণ্টি, প্ৰতিশ্ৰুতি, প্ৰলোভন। অৱশ্যে, ৰাজনৈতিক দলবোৰৰ সমান্তৰালকৈ ধৰ্মপুৰৰ ভোটাৰ ৰাইজৰ মাজতো সমাগত নিৰ্বাচনক লৈ আৰম্ভ হৈছে ভিন্ন জল্পনা-কল্পনা, নতুন চিন্তা, নতুন সমীকৰণ। ক্ৰমান্বয়ে সমষ্টিটোত অধিক আকৰ্ষণীয় হৈ পৰিছে নিৰ্বাচনী যুঁজৰ ছবি। ধৰ্মপুৰত এইবেলি মুঠ ভোটাৰৰ সংখ্যা হৈছেগৈ ১,৪০,৪৮৭ জন। উল্লেখ্য যে ১৯৮৫তে প্ৰথমবাৰ ধৰ্মপুৰক প্ৰতিনিধিত্ব কৰা সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে সমষ্টিটো এইবাৰো নিজৰ দখলত ৰাখিবলৈ আপ্ৰাণ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিজেপি প্ৰাৰ্থীজনে সমষ্টিটোৰ ঠায়ে-ঠায়ে দিনে-নিশাই প্ৰচাৰ অভিযান চলাই ভোটাৰৰ মন জয় কৰিবলৈ উঠি পৰি লাগিছে। প্ৰচাৰৰ নামত বহুবল, ধনবলে প্ৰাধান্য লাভ কৰাও পৰিলক্ষিত হৈছে। অৱশ্যে, এই ক্ষেত্ৰত তীব্ৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে কংগ্ৰেছ মহাজোঁটৰ প্ৰাৰ্থী ৰাতুল পাটোৱাৰীয়ে। সমষ্টিটোত শেহতীয়াকৈ আৰম্ভ হোৱা প্ৰতিষ্ঠান বিৰোধী ঢৌৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ অধিক তৎপৰ হোৱা দেখা হৈছে কংগ্ৰেছ তথা মহাজোঁটৰ অংশীদাৰ চিপিআই(এম)ৰ নেতা-কৰ্মীসকল। অসম প্ৰদেশ যুৱ-কংগ্ৰেছৰ উপ-সভাপতি, অধিবক্তা, যুৱনেতা ৰাতুল পাটোৱাৰীৰ সমৰ্থনত শেহতীয়াকৈ সমষ্টিটোৰ যুৱ শক্তিৰ লগতে গৰিষ্ঠ সংখ্যক সচেতন নাগৰিকে সঁহাৰি আগবঢ়োৱা পৰিলক্ষিত হৈছে। প্ৰাৰ্থী হিচাপে এখন নতুন অথচ সমষ্টিবাসীৰ মাজত সুপৰিচিত মুখ এই জুনিয়ৰ পাটোৱাৰীয়ে এতিয়া কাৰ্যত ছিনিয়ৰ পাটোৱাৰীৰ নিদ্ৰাহৰণ কৰা বুলিও চৰ্চা হৈছে। মহাজোঁটৰ প্ৰাৰ্থী ৰাতুল পাটোৱাৰীয়ে বিভিন্ন অঞ্চলত মটৰ চাইকেল উলিওৱাৰ লগতে দল-মত নিৰ্বিশেষে ধৰ্মপুৰৰ জ্যেষ্ঠ নাগৰিকসকলৰ আশীৰ্বাদ বিচাৰি পদযাত্ৰাৰে ঘৰে ঘৰে উপস্থিত হৈছে। ইফালে, অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী অধ্যাপক ড° শিখৰ কুমাৰ শৰ্মাই সমষ্টিটোৰ বিভিন্ন ঠাইত মটৰ চাইকেল সদমল, পদযাত্ৰা কৰি ঘৰে ঘৰে গৈ ভোটাৰ ৰাইজক সাক্ষাৎ কৰি ব্যাপক নিৰ্বাচনী প্ৰচাৰ কাৰ্য অব্যাহত ৰাখিছে। জাতীয়তাবাদী শিবিৰৰ একালৰ দূৰ্গ স্বৰূপ ধৰ্মপুৰত অজাপৰ প্ৰাৰ্থী ড° শৰ্মাই বিশেষকৈ আঞ্চলিকাবাদী ধ্যান-ধাৰণাৰে ভোটাৰ ৰাইজক আকৰ্ষণ কৰাও পৰিলক্ষিত হৈছে। বিজেপি-কংগ্ৰেছৰ ভ্ৰাষ্টাচাৰৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে এইবেলি ধৰ্মপুৰীয়া ৰাইজে বিকল্প হিচাপে ড° শৰ্মাক আঁকোৱালি লোৱাত ধৰ্মপুৰৰ ৰাজনৈতিক যুঁজখনে আকৰ্ষণীয় ৰূপ লৈছে। তদুপৰি আৰএছএছৰ মৌলিক আদৰ্শৰে উদ্বুদ্ধ বিজেপিৰ টিকট প্ৰত্যাশী সমাজসেৱী জ্যোতিৰ্ময় শৰ্মাই সমষ্টিটোৰ পৰা একমাত্ৰ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ধৰ্মপুৰ বিকাশ মঞ্চৰ সভাপতি তথা এইবেলি বিজেপিৰ টিকট বঞ্চিত শৰ্মাক অলপতে দলে বিজেপিৰ পৰা অপসাৰিত কৰিছে যদিও শৰ্মাই বহুসংখ্যক সমৰ্থকক লগত লৈ নিতৌ সমষ্টিটোৰ ভিন্ন প্ৰান্তৰ ভোটাৰ ৰাইজৰ ঘৰে ঘৰে উপস্থিত হৈ স্থানীয় বিধায়ক তথা বিজেপি প্ৰাৰ্থী চন্দ্ৰমোহন পাটোৱাৰীক তীব্ৰ বাক্যবাণেৰে সমালোচনা কৰি নিজৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰাত বিজেপিৰ প্ৰাৰ্থীজন স্বাভাৱিকভাৱে এক নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইফালে, সমষ্টিটোৰ এছইউচিআইৰ প্ৰাৰ্থী প্ৰমোদ চন্দ্ৰ ভাগৱতীয়ে সমষ্টিটোত প্ৰচাৰ কাৰ্য চলোৱাৰ কোনো তথ্য অদ্যাপি পোহৰলৈ অহা নাই। তথ্য অনুযায়ী, ২০১৬ৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ৭০,৫০৩ টা ভোট লাভ কৰি ধৰ্মপুৰৰ পৰা নিৰ্বাচিত হৈছিল। ইয়াৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ প্ৰাৰ্থী, প্ৰাক্তন মন্ত্ৰী নীলমণি সেন ডেকাই লাভ কৰিছিল ৩৬,৫৬০ টা ভোট। তাহানিৰ আঞ্চলিক জাতীয়তবাদী শিবিৰৰ অন্যতম নেতা তথা বৰ্তমানৰ বিজেপি নেতা পাটোৱাৰীয়ে সমষ্টিটোৰ পৰা ইতিপূৰ্বে অগপ, নিৰ্দলীয় আৰু মূৰকত ২০১৬ত বিজেপিৰ প্ৰাৰ্থী হিচাপে অসম বিধানসভালৈ মুঠ পাঁচবাৰকৈ নিৰ্বাচিত হৈ সামগ্ৰিকভাৱে ২৫ বছৰ কাল ধৰ্মপুৰ নিজৰ দখলত ৰাখে।

## বঙাইগাঁও জিলাত ড্ৰাই ডে ঘোষণা

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ৩১ মাৰ্চ ঃ** অহা ছয় এপ্ৰিলত ৩২ নম্বৰ বঙাইগাঁও বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ সাধাৰণ নিৰ্বাচনক কেন্দ্ৰ কৰি জিলাখনত আবকাৰী আইনৰ অধীনত অহা চাৰি এপ্ৰিলৰ সন্ধিয়া ছয় বজাৰ পৰা ছয় এপ্ৰিললৈ আৰু দুই মে'ত ভোটগণনা কাৰ্য সমাপ্ত নোহোৱা পৰ্যন্ত বঙাইগাঁও জিলা দণ্ডাধীশ ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই জিলাখনত ড্ৰাই ডে ঘোষণা কৰিছে। তেওঁ খুচুৰা-পাইকাৰীকে ধৰি সকলো সুৰাৰ দোকান, বাৰ আদি বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়ে।



*নগাঁৱত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা নিৰ্বাচনী বিষয়া-কৰ্মচাৰীৰ, বুধবাৰে।*

# হোজাইত ৬,৯০,৩০৭ভোটাৰে নিৰ্ণয় কৰিব ২৬ প্ৰাৰ্থীৰ ভাগ্য

অগ্ৰদূত বাৰ্তা

**হোজাই, ৩১ মাৰ্চ ঃ** হোজাই জিলাৰ তিনিটা সমষ্টিত কাইলৈ ভাটগ্ৰহণ অনুষ্ঠিত হ'ব। হোজাইৰ তিনি সমষ্টিত মুঠ ২৬জনৰ ভাগ্য আজি নিৰূপিত হ'ব। আজি ভোটগ্ৰহণ অনুষ্ঠিত হ'ব লগা হোজাইৰ তিনি সমষ্টিত ৬,৯০,৩০৭গৰাকী ভোটাৰে তিনি সমষ্টিৰ পৰা তিনি জনপ্ৰতিনিধি নিৰ্বাচিত কৰিব। জিলাখনত তিনি সমষ্টিত মুঠ ভোটকেন্দ্ৰৰ সংখ্যা ৯৯২টা। জিলাখনত প্ৰকৃততে ৭৯৩টা ভোটকেন্দ্ৰ আছিল যদিও ক'ভিডৰ বাবে নিৰ্বাচন আয়োগে ধাৰ্য কৰা নিয়ম মৰ্মে এহেজাৰতকৈ বেছি ভোটাৰ থকা ভোটকেন্দ্ৰ ভাঙি নতুনকৈ ১৯৯টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। জিলাখনৰ ৯০ নম্বৰ যমুনামুখ সমষ্টিৰ পূৰ্বৰ ২৪০টা ভোটকেন্দ্ৰৰ লগত ৭৮টা কেন্দ্ৰ নতুনকৈ গঠন কৰা হয়। ৯১ নম্বৰ হোজাই সমষ্টিৰ পূৰ্বৰ ৩০১টা ভোটকেন্দ্ৰৰ লগত নতুনকৈ গঠন কৰা ৭২টা ভোটকেন্দ্ৰ বাঢ়ি এইবাৰ ৩৭৩টা হৈছে। ঠিক তেনেদৰে ৯২ নম্বৰ লামডিং সমষ্টিৰ পূৰ্বৰ ২৫২টা ভোটকেন্দ্ৰৰ লগত ৪৯টা সংযোগ কৰি মুঠ ভোটকেন্দ্ৰ হয়গৈ ২০১। জিলাখনৰ ৫০২টা ভৱনত এই ভোটগ্ৰহণ কেন্দ্ৰকেইটা স্থাপন কৰা হৈছে। জিলাখনৰ তিনিটা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা ৬,৯০,৩০৭জন। ইয়াৰে ৯০ নম্বৰ যমুনামুখ সমষ্টিৰ ১,১৩,৩১৪জন পুৰুষ, ১,০৫,৫৯৯গৰাকী মহিলা আৰু তৃতীয় লিংগৰ তিনিজন ভোটাৰসহ মুঠ ভোটাৰৰ সংখ্যা ২,১,৬৯১৬জন। এই সমষ্টিত ১৫৭জন পুৰুষ আৰু ১৬৭গৰাকীসহ মুঠ ৩২৪জন 'ডি' ভোটাৰ আছে। সেইদৰে সমষ্টিটোত ৮০ বছৰৰ উৰ্দ্ধৰ ২৭৮৪জন

বিধানসভা নিৰ্বাচন ২০২১

ভোটাৰ থকাৰ বিপৰীতে ৯৯৪জন বিশেষভাৱে সক্ষম ভোটাৰ আছে। ৯১ নম্বৰ হোজাই সমষ্টিৰ ১,৩৫,৩৯৪জন পুৰুষ, ১,২৮,৩৮১গৰাকী মহিলা আৰু তৃতীয় লিংগৰ পাঁচজন ভোটাৰসহ মুঠ ভোটাৰৰ সংখ্যা ২,৬৩,৭৮০জন। সমষ্টিত ৬৪৩ পুৰুষ আৰু ১০৮৪গৰাকীসহ মুঠ ১০২৭জন 'ডি' ভোটাৰ আছে। সেইদৰে সমষ্টিটোত ৮০ বছৰৰ উৰ্দ্ধৰ ৫০৮৭জন ভোটাৰ থকাৰ বিপৰীতে ১০৪৭জন বিশেষভাৱে সক্ষম ভোটাৰ আছে। ৯২ নম্বৰ লামডিং সমষ্টিৰ ১,০৭,৪৯৪জন পুৰুষ, ১,০২,১১১গৰাকী মহিলা আৰু তৃতীয় লিংগৰ দুজন ভোটাৰসহ মুঠ ভোটাৰৰ সংখ্যা ২,০৯,৬১১জন। সমষ্টিত ২০১ পুৰুষ আৰু ১৫৭গৰাকী মহিলাসহ মুঠ ৩৫৮জন 'ডি' ভোটাৰ আছে। সেইদৰে সমষ্টিটোত ৮০ বছৰৰ উৰ্দ্ধৰ ৩৫১৬জন ভোটাৰ থকাৰ বিপৰীতে ৫৩৫জন বিশেষভাৱে সক্ষম ভোটাৰ আছে। জিলাৰ তিনি সমষ্টিত ভোটগ্ৰহণৰ বাবে সক্ষম ভোটাৰ আছে। জিলাৰ তিনি সমষ্টিত ভোটগ্ৰহণৰ বাবে অসামৰিক বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হৈছে। এইবাৰ স্বাস্থ্যৰ প্ৰতি বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ১৯৯০গৰাকী স্বাস্থ্যকৰ্মী ভোটগ্ৰহণৰ দিনা নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰাপত্তাৰ বাবে ২০টা অৰ্ধসামৰিক বাহিনীৰ কোম্পানীৰ লগতে এহেজাৰ অসম আৰক্ষীক নিয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছে। হোজাইৰ তিনিটা সমষ্টিত মুঠ ১২৫টা জটিল ভোটকেন্দ্ৰ বুলি চিনাক্ত কৰা হৈছে। ইয়াৰে ৯০ নম্বৰ যমুনামুখ বিধানসভা সমষ্টিত ২৭টা, ৯১ নম্বৰ হোজাই বিধানসভা সমষ্টিত ৬৫টা আৰু ৯২ নম্বৰ লামডিং বিধানসভা সমষ্টিত ৩৩টা জটিল ভোটকেন্দ্ৰ আছে। বিগত সময়ছোৱাৰ নিৰ্বাচনত তিনিটা সমষ্টিৰ অন্তৰ্গত যিসমূহ ভোটকেন্দ্ৰত ৯০ শতাংশৰ ওপৰত ভোটদান হৈছিল আৰু এগৰাকী প্ৰাৰ্থীয়ে সেইসমূহ ভোটকেন্দ্ৰত ৭৫ শতাংশৰ ওপৰত ভোট লাভ কৰিবলৈ সক্ষম হোৱা ভোটকেন্দ্ৰসমূহক নিৰ্বাচন আয়োগে জটিল ভোটকেন্দ্ৰ হিচাপে ঘোষণা কৰাত হোজাই জিলাৰ অন্তৰ্গত তিনিটা সমষ্টিত ১২৫টা জটিল ভোটকেন্দ্ৰ হিচাপে বাছনি কৰে।

# নগাঁৱৰ তিনি সমষ্টিত সাজু ৫,৮২,১৯৬ ভোটাৰ

## ভাগ্য নিৰ্ণয় কৰিব ২৩ প্ৰাৰ্থীৰ ভাগ্য

বিশেষ সংবাদদাতা

**নগাঁও, ৩১ মাৰ্চ ঃ** কাইলৈ অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত নগাঁও জিলাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে ৰহা, নগাঁও সদৰ আৰু বঢ়মপুৰৰ মুঠ ২৩ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব সমষ্টি কেইটাৰ মুঠ ৫,৮২,১৯৬ গৰাকী ভোটাৰে। ইয়াৰ ভিতৰত উল্লেখযোগ্য প্ৰাৰ্থীকেইগৰাকী হ'ল ক্ৰমে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী প্ৰয়াত মুকুট শৰ্মাৰ পুত্ৰ শান্তনু শৰ্মা, প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক সুৰেশ বৰা আৰু একশৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক আচাৰ্য ইলাৰাম দাসৰ পুত্ৰ বিষ্ণু দাস। জিলাখনত কাইলৈ অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৰহা বিধানসভা সমষ্টিত সাতগৰাকী প্ৰাৰ্থী ভোটযুদ্ধত অৱতীৰ্ণ হ'ব। তেওঁলোক ক্ৰমে বিষ্ণু দাস (অগপ), শশীকান্ত দাস (কংগ্ৰেছ), উৎপল বণিয়া (অসম জাতীয় পৰিষদ), ৰুবুল দাস (নিৰ্দলীয়), গুণেশ্বৰ দাস (নিৰ্দলীয়), চিত্ৰলেখা দাস (নিৰ্দলীয়) আৰু মণি দাস (জনতা পাৰ্টি)। সমষ্টিটোৰ মুঠ ২,১৭,৫৮২ গৰাকী ভোটাৰে এই সাতগৰাকী প্ৰাৰ্থীৰ ভাগ্য ই ভি এমৰ বুটাম টিপি নিৰ্ণয় কৰিব। এইবাৰ সমষ্টিটোত ভোটদান কৰিব লগা সকলৰ ভিতৰৰ ১,১১,০৯৫ জন পুৰুষ, ১,০৬,৪৪৮ গৰাকী মহিলাৰ উপৰি তিনিগৰাকী তৃতীয় লিংগৰ ভোটাৰো আছে।

আনহাতে, জিলাখনৰ সন্মানীয় নগাঁও সমষ্টিত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে মুঠ ১০ গৰাকী প্ৰাৰ্থী। তেওঁলোক ক্ৰমে ৰূপক শৰ্মা (বিজেপি), শান্তনু শৰ্মা (কংগ্ৰেছ), অনুপ লস্কৰ (অসম জাতীয় পৰিষদ), আব্দুল আৱাল ভূঞা (লোক জনশক্তি পাৰ্টি), শ্বাহজাহান আলী আহমেদ (ৰাষ্ট্ৰীয় উলেমা কাউঞ্চিল), আশা বেগম (নিৰ্দলীয়), আনোৱাৰ ওৱাহিদ (নিৰ্দলীয়), নৃপেন্দ্ৰ মণ্ডল

বিধানসভা নিৰ্বাচন ২০২১

(নিৰ্দলীয়), জিয়াউৰ ৰহমান (নিৰ্দলীয়) আৰু ইকবাল হুছেইন (নিৰ্দলীয়)। এই ১০ গৰাকী প্ৰাৰ্থীৰ ভাগ্য কাইলৈ নিৰ্ধাৰণ কৰিব সমষ্টিটোৰ ১,৮৭,৪৩৩ গৰাকী ভোটাৰে। এই ভোটাৰসকলৰ ভিতৰত আছে ৯২,৬৩১ জন পুৰুষ, ৯৪,৭৯৫ গৰাকী মহিলা আৰু সাতগৰাকী তৃতীয় লিংগৰ ভোটাৰ। স্মৰ্তব্য যে নগাঁও জিলাৰ আঠটা বিধানসভা সমষ্টিৰ ভিতৰত নগাঁও সদৰ সমষ্টিটোতেই পুৰুষ ভোটাৰতকৈ মহিলা ভোটাৰৰ সংখ্যা অধিক। ইপিনে, জিলাখনৰ বঢ়মপুৰ সমষ্টিত ভোট যুদ্ধত অৱতীৰ্ণ হোৱা ছগৰাকী প্ৰাৰ্থী ক্ৰমে সুৰেশ বৰা (কংগ্ৰেছ), জিতু গোস্বামী (বিজেপি), দিপীকা শইকীয়া কেওট (অসম জাতীয় পৰিষদ), প্ৰবীণ চৌধুৰী (অসম গণ মঞ্চ), সোণাৰাম বৰা (এছইউচিআই) আৰু চামচুদ্দিন আহমেদ (নিৰ্দলীয়)। বঢ়মপুৰ সমষ্টিৰ এই ছয় প্ৰাৰ্থীৰ ভাগ্য কাইলৈ নিৰ্ণয় কৰিব ১,৭৭,১৮১ গৰাকী ভোটাৰে। ইয়াৰ ভিতৰত পুৰুষ ভোটাৰে ৮৯,২৬৯, মহিলা ৮৭,৯০৭ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ পাঁচগৰাকী। স্মৰ্তব্য যে জিলাখনৰ তিনিটা সমষ্টি কাইলৈ দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত ভোটদানৰ বাবে এইবাৰ মুঠ ৮৩০ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে ৰহা সমষ্টিত ৩০৬ টা ভোটগ্ৰহণ কেন্দ্ৰ, নগাঁও সমষ্টিত ২৬৬ টা আৰু বঢ়মপুৰ সমষ্টিত ২৫৮ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰ ভিতৰত ১৩ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰও আছে। নগাঁও জিলা প্ৰশাসনৰ সূত্ৰৰ পৰা জানিব পৰা মতে, জিলাখনত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ বাবে বিভিন্ন প্ৰকাৰৰ মুঠ ৩৫৩ খন বাহন অধিগ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত আছে আল্ট্ৰা বাছ ৫২ খন, ৭০৯ ষ্টাৰ বাছ ১২৬ খন, ট্ৰেভেলাৰ ৪১ খন, উইংগাৰ আঠখন, মেজিক ৮৭ খন আৰু ডাঙৰ বাছ ১০ খন। ৰহা, নগাঁও আৰু বঢ়মপুৰ সমষ্টিত কাইলৈ অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ভোটগ্ৰহণৰ বাবে আজি ৩৩২০ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিৰাপত্তাৰক্ষীসহ সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰলৈ বুলি ৰাওনা হৈছে।

## আমেৰিকাত ঘৰতে সন্তান জন্ম দিব ব্ৰিটিছ ৰাজবোৱাৰী মেগান মৰ্কেলে



**নিউজ ব্যুৰ', কেলিফৰ্ণিয়া, ৩১ মাৰ্চ ঃ** ব্ৰিটিছ ৰাজপৰিয়াল ত্যাগ কৰা ৰাজকুমাৰ হেৰীৰ পত্নী মেগান মৰ্কেলে অচিৰে দ্বিতীয় সন্তান প্ৰসৱ কৰিব। প্ৰকাশিত বাতৰি অনুসৰি মেগানে নিজৰ বাসগৃহতে সন্তান প্ৰসৱৰ সিদ্ধান্ত ল'লে। উল্লেখ্য যে এয়ে প্ৰথমবাৰৰ বাবে আমেৰিকাৰ ভূমিত জন্মলাভ কৰিব ব্ৰিটিছ ৰাজপৰিয়ালৰ সদস্যই। যোৱা মাহত হেৰী আৰু মেগানৰ মুখপাত্ৰই দ্বিতীয় সন্তানৰ মাতৃত্ব অৰ্জনৰ বাবে মেগান সাজু হোৱা বুলি সংবাদ মাধ্যমৰ আগত ৰাজহুৱা কৰিছিল। উল্লেখ্য যে ব্ৰিটিছ ৰাজপৰিয়ালৰ মৰ্যাদা আৰু পদবী ত্যাগ কৰাৰ পাছত হেৰী আৰু মেগানে আমেৰিকাৰ কেলিফৰ্ণিয়াত এবছৰ পূৰ্বে বাসগৃহ ক্ৰয় কৰি বসবাস আৰম্ভ কৰিছিল। এই বাসগৃহতে মেগানে তেওঁৰ দ্বিতীয় সন্তানক জন্ম দিব। স্মৰ্তব্য যে ২০১৮ৰ মে'ত হেৰীয়ে মাৰ্কিন অভিনেত্ৰী মেগানক বিবাহ কৰাইছিল। যোৱা বছৰৰ অন্তিম ভাগত হেৰীয়ে ৰাজপৰিয়াল ত্যাগ কৰি সাধাৰণ নাগৰিকৰ দৰে জীৱন যাপন কৰাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ পাছতে ব্ৰিটেইন ত্যাগ কৰি পত্নীৰ স'তে হেৰীয়ে আমেৰিকাত বসবাস আৰম্ভ কৰিছিল।

## ৰেলত নিশা যাত্ৰীয়ে ম'বাইল-লেপটপ চাৰ্জ কৰিব নোৱাৰিব ঃ সিদ্ধান্ত ৰেল কৰ্তৃপক্ষৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ মাৰ্চ ঃ** হ্ৰস্ব দূৰত্ব আৰু দূৰণিবটীয়া সকলোবোৰ ৰেলতে ম'বাইল আৰু লেপটপ চাৰ্জ কৰাৰ সুবিধা আছে। কিন্তু এতিয়াৰ পৰা নৈশ যাত্ৰাৰ ক্ষেত্ৰত ৰেল যাত্ৰীয়ে নিজৰ ম'বাইল ফোন আৰু লেপটপ চাৰ্জ কৰিব নোৱাৰিব। ৰেলত সংঘটিত হৈ অহা অগ্নিকাণ্ডৰ সমস্যা প্ৰতিৰোধৰ বাবে ৰেল কৰ্তৃপক্ষই এই সিদ্ধান্ত ল'বলৈ বাধ্য হ'ল। সেই অনুসৰি এতিয়াৰে পৰা নিশা ১১ বজাৰ পৰা পুৱা পাঁচ বজালৈকে ৰেলৰ যাত্ৰীসকলে ম'বাইল ফোন আৰু লেপটপ চাৰ্জ কৰিব নোৱাৰিব। এই সময়ছোৱাত ছুইচ ব'ৰ্ডসমূহত বিদ্যুতৰ সংযোগ কৰ্তন কৰা হ'ব।



## 'লাভ জেহাদ' প্ৰতিৰোধ কৰিবলৈ নতুন আইন প্ৰৱৰ্তন কৰিব গুজৰাটে

**নিউজ ব্যুৰ' গান্ধীনগৰ, ৩১ মাৰ্চ ঃ** উত্তৰ প্ৰদেশসহ দেশৰ একাধিক বিজেপি শাসিত ৰাজ্যৰ পাছত 'লাভ জেহাদ' প্ৰতিৰোধ কৰিবলৈ এইবাৰ কঠোৰ শাস্তি বিহাৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে গুজৰাট চৰকাৰে। ধৰ্মান্তৰ বিৰোধী আইনৰ জৰিয়তে 'লাভ জেহাদ'ৰ গোচৰত অপৰাধীক জৰিমনাসহ পাঁচৰ পৰা সাত বছৰ কাৰাদণ্ড বিহাৰ প্ৰস্তাৱ ল'লে গুজৰাটৰ বিজেপি চৰকাৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী বিজয় ৰূপানীয়ে এই কথা প্ৰকাশ কৰি জনোৱা মতে, বিবাহৰ নামত বলপূৰ্বক ধৰ্মান্তকৰণ প্ৰতিৰোধ কৰিবলৈ চলিত বাজেট অধিবেশনতে ৰাজ্যৰ বিধানসভাত এই সন্দৰ্ভত এখন বিধেয়ক দাখিল কৰা হ'ব। 'লাভ জেহাদ' প্ৰতিৰোধৰ বাবে 'গুজৰাট ফ্ৰিডম অৱ ৰিলিজিয়ন এক্ট ২০০৩' সংশোধনৰ এক প্ৰস্তাৱ কালি ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰিছিল।

### আক্ৰান্তৰ শৰীৰত পানীৰ অভাৱ, বমি, সন্ধিৰ বিষ, অংগ দুৰ্বল, হৃদৰোগ, হাওঁফাওঁৰ সংক্ৰমণৰ উপসৰ্গ

## কৰ'নাৰ দ্বিতীয় ঢৌত প্ৰভাৱিত অঞ্চলত তিনিগুণ অধিক সংক্ৰমণ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩১ মাৰ্চ ঃ** ভাৰতত বিগত ছমাহৰ পাছত যোৱা ২৮ মাৰ্চত বিশ্বৰ ভিতৰতে এদিনতে সৰ্বাধিক ৬৮,০২০ জন কৰ'না ৰোগীক চিনাক্ত কৰা হৈছিল। বিগত ১৬৯ দিনৰ পাছত দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা এদিনত সৰ্বাধিক হৈছিল। ইয়াৰ পূৰ্বে ২০২০ৰ ১০ অক্টোবৰত ভাৰতত ৭৪,৪১৮ জন ক'ভিডত সংক্ৰমিত হৈছিল। দেশৰ ১৫খনৰো অধিক জিলাত সম্প্ৰতি কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৱে বিশেষভাৱে প্ৰভাৱ পেলাইছে। এইসমূহ জিলাত নতুন আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পাইছে আৰু স্বাস্থ্য বিশেষজ্ঞৰ প্ৰতিবেদনৰ তথ্য অনুসৰি কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌত প্ৰভাৱিত অঞ্চলসমূহত প্ৰথম ঢৌৰ তুলনাত তিনিগুণ অধিক ৰোগী লাভ কৰা হৈছে। অৰ্থাৎ একেটা অঞ্চলতে প্ৰথম সংক্ৰমণত যিমান লোক আক্ৰান্ত হৈছিল, এইবাৰৰ সংক্ৰমণত তিনিগুণ অধিক লোক কৰ'নাত সংক্ৰমিত হৈছে। কৰ'নাৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি পোৱাৰ প্ৰতি



লক্ষ্য ৰাখি স্বাস্থ্য বিশেষজ্ঞসকলে প্ৰকাশ কৰা মতে, দ্বিতীয় সংক্ৰমণৰ এই ঢৌৱে কেতিয়া চূড়ান্ত সীমাত আৰোহণ কৰিব সেয়া এতিয়াও স্পষ্ট হোৱা নাই। কৰ'না আক্ৰান্তৰ মাজত নতুন উপসৰ্গ ধৰা পৰা বুলিও বিশেষজ্ঞই জানিবলৈ দি কয় যে পূৰ্বে জ্বৰ, চৰ্দি, কাহৰ লক্ষণে দেখা দিয়াটো স্বাভাৱিক আছিল, কিন্তু এতিয়া শৰীৰত পানীৰ অভাৱ ঘটা, বমি হোৱা, সন্ধিৰ বিষ, শৰীৰৰ অংগ দুৰ্বল হোৱা, হৃদৰোগ, হাওঁফাওঁৰ সংক্ৰমণৰ দৰে উপসৰ্গও ক'ভিড আক্ৰান্তৰ মাজত প্ৰত্যক্ষ হৈছে।

## দেশত কৰ'না আক্ৰান্তৰ সংখ্যা সামান্য হ্ৰাস, মৃত্যু বৃদ্ধি ৩৫৪ জনলৈ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩১ মাৰ্চ ঃ** পাঁচ ৰাজ্যৰ নিৰ্বাচন আৰু হোলীৰ মাজতে দেশজুৰি কৰ'নাৰ নতুন সংক্ৰমণে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিলে। অৱশ্যে যোৱা দুদিনত দেশত কৰ'নাৰ সংক্ৰমণ সামান্য হ্ৰাস পাইছে। কিন্তু বিগত ২৪ ঘণ্টাত দেশত বৃদ্ধি পালে কৰ'নাত মৃতকৰ সংখ্যা। আজি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ৫৩,৪৮০ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হৈছিল আৰু ইয়াৰ ফলত ভাৰতত মুঠ ক'ভিড আক্ৰান্তৰ সংখ্যা ১,২১,৪৯,৩৩৫ জনলৈ বৃদ্ধি পালে। বৰ্তমানে দেশত ৫,৫২,৫৬৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত সংক্ৰমিত হোৱাৰ ফলত ৩৫৪ জন লোকৰ মৃত্যু হ'ল। মঙলবাৰে দেশত কৰ'নাত মৃতকৰ সংখ্যা আছিল ২৭১ জন। কৰ'নাৰ সংক্ৰমণ সামান্য হ্ৰাস পালেও মৃতকৰ সংখ্যা বৃদ্ধিয়ে নতুন উদ্বেগ সৃষ্টি কৰিছে। এতিয়ালৈকে ভাৰতত ১,৬২,৪৬৮ জন লোকৰ ক'ভিডত মৃত্যু হৈছে।

## বাইডেনৰ বাবে মূৰৰ বিষত পৰিণত পোহনীয়া কুকুৰ, হোৱাইট হাউছত আৰু এজনক কামুৰিলে 'মেজৰ'-এ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩১ মাৰ্চ ঃ** কুকুৰ প্ৰতিপালন কৰি ভাল পোৱা আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ বাবে সম্প্ৰতি মূৰৰ বিষত পৰিণত হৈছে তেওঁৰ পোহনীয়া কুকুৰ। জাৰ্মান শ্বেফৰ্ড প্ৰজাতিৰ কুকুৰ 'মেজৰ'ক লৈ সমস্যাৰ সন্মুখীন হৈছে মাৰ্কিন ৰাষ্ট্ৰপতি। মেজৰে অলপতে হোৱাইট হাউছৰ আৰু এজন কৰ্মচাৰীক কামুৰিলে। প্ৰকাশিত বাতৰি অনুসৰি নেচনেল পাৰ্ক ছাৰ্ভিচৰ কৰ্মী এজনক যোৱা সোমবাৰে দুপৰীয়া হোৱাইট হাউছৰ বাগিচাত কাম কৰি থকাৰ সময়তে হঠাতে 'মেজৰে' আক্ৰমণ কৰি কামোৰ মাৰিছিল। আহত বিষয়াজনক লগে লগে হোৱাইট হাউছৰ চিকিৎসকে প্ৰয়োজনীয় চিকিৎসা সেৱা আগবঢ়ায়। বাইডেনৰ পত্নী জিল বাইডেনৰ প্ৰেছ সচিব মিচেল লা ৰ'জাই চি এন এনৰ আগত প্ৰকাশ কৰা মতে, মেজৰক অলপতে হোৱাইট হাউছলৈ অনা হৈছিল আৰু কুকুৰটোৱে হোৱাইট হাউছৰ পৰিৱেশৰ স'তে বৰ্তমানলৈকে খাপ খাব পৰা নাই। কিছুদিন পূৰ্বে এই কুকুৰটোৱে হোৱাইট হাউছৰ আন এজন কৰ্মচাৰীক আক্ৰমণ কৰিছিল। উল্লেখ্য যে ২০১৮ত তিনি বছৰীয়া বয়সৰ মেজৰক বাইডেনে প্ৰতিপালনৰ বাবে নিজৰ ঘৰলৈ আনিছিল।

## অতিমাৰীৰ পাছতো দেশৰ জি ডি পি ১২.৫ শতাংশলৈকে পাব পাৰে বৃদ্ধি

**নিউজ ব্যুৰ' নতুন দিল্লী, ৩১ মাৰ্চ ঃ** ক'ভিড অতিমাৰী আৰু তলাবন্ধৰ পাছত বিগত এবছৰত ভাৰতীয় অৰ্থনীতি যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। কিন্তু এনে পৰিস্থিতিৰ মাজতো আশাৰ বতৰা দিলে বিশ্ব বেংকে। বিশ্ব বেংকৰ প্ৰতিবেদনৰ তথ্য অনুসৰি ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) ৭.৫ শতাংশৰ পৰা ১২.৫ শতাংশলৈ বৃদ্ধি পাব পাৰে। বিশ্ব বেংকে প্ৰকাশ কৰা 'ছাউথ এছিয়া



ইক'ন'মিক ফ'কাছ' প্ৰতিবেদনত উল্লেখ কৰা মতে, ক'ভিড অতিমাৰী আৰম্ভ হোৱাৰ পূৰ্বে ভাৰতীয় অৰ্থনীতিত মন্দাৱস্থাই দেখা দিছিল। ২০১৭ত ভাৰতৰ বিকাশৰ হাৰ আছিল ৮.৩ শতাংশ। কিন্তু ২০২০ত ই চাৰি শতাংশলৈ হ্ৰাস পাইছিল। বিশ্ব বেংকৰ মতে, ভাৰতীয় অৰ্থনীতিত এতিয়াও অনিশ্চয়তা বৰ্তি আছে, কিয়নো ক'ভিড অতিমাৰীৰ অন্ত কেতিয়া হ'ব সেয়া কোনেও নাজানে। কিন্তু ইয়াৰ মাজতো ২০২১-২২ বিত্তীয় বৰ্ষত দেশৰ জি ডি পি ৭.৫ শতাংশৰ পৰা ১২.৫ শতাংশলৈ বৃদ্ধি হোৱাৰ যথেষ্ট সম্ভাৱনা আছে বুলি বিশ্ব বেংকে এই প্ৰতিবেদনত উল্লেখ কৰিছে।

## বিহাৰৰ দ্বাদশ উত্তীৰ্ণক মাহে এহেজাৰ টকাকৈ ভাট্টা দিব চৰকাৰে

**নিউজ ব্যুৰ', পাটনা, ৩১ মাৰ্চ ঃ** বিহাৰৰ নীতিশ কুমাৰৰ চৰকাৰে ৰাজ্যখনৰ দ্বাদশ উত্তীৰ্ণ এক লাখ ছাত্ৰ-ছাত্ৰীক প্ৰতি মাহে এহেজাৰ টকাকৈ ভাট্টা প্ৰদানৰ সিদ্ধান্ত ল'লে। পূৰ্বৰ দৰে ২০-২৫ বছৰ বয়সীয়া দ্বাদশ উত্তীৰ্ণ নিবনুৱা যুৱক-যুৱতীক চাকৰিৰ সন্ধানত সহায় কৰাৰ উদ্দেশ্যৰে নীতিশ চৰকাৰে সংস্থাপন ভাট্টা প্ৰদান কৰিব। আঁচনিৰ অধীনত হিতাধাৰীসকলক মাহে এহেজাৰ টকাৰ হিচাপত দুবছৰৰ বাবে ভাট্টা বেংক একাউণ্টত চৰকাৰে জমা দিব। যিসকল নিবনুৱা যুৱক-যুৱতীয়ে দ্বাদশৰ পাছত শিক্ষা জীৱন ত্যাগ কৰিছিল কেৱল তেওঁলোকেহে এই ভাট্টা লাভ কৰিব।



## ইছৰত জাহান সংঘৰ্ষৰ গোচৰত তিনি আৰক্ষীক ৰেহাই চি বি আই আদালতৰ

**নিউজ ব্যুৰ' আহমেদাবাদ, ৩১ মাৰ্চ ঃ** গুজৰাটৰ বহুচৰ্চিত ইছৰত জাহান এনকাউণ্টাৰ গোচৰত চি বি আই আদালতে অপৰাধ নিয়ন্ত্ৰণ বিভাগৰ দুজন প্ৰাক্তন বিষয়া গিৰীশ সিংঘল আৰু তৰুণ বাৰুটসহ বৰ্তমানে কৰ্মৰত উপ-পৰিদৰ্শক অঞ্জু চৌধুৰীক দোষমুক্ত ঘোষণা কৰিলে। আদালতে ৰায় দি কয় যে ইছৰত জাহান লস্কৰ-ই-তৈবাৰ সদস্য আছিল আৰু চোৰাংচোৱাৰ এই প্ৰতিবেদনৰ



তথ্যক নুই কৰিব নোৱাৰি। ইছৰতক সন্ত্ৰাসবাদী বুলি ৰায় দি চি বি আইৰ বিশেষ আদালতে তিনি বিষয়াক এই গোচৰত নিৰ্দোষী আখ্যা দিয়ে। উল্লেখ্য যে ২০০৪ৰ ১৫ জুনত আহমেদাবাদৰ কৌটৰপুৰ ভাটৰৰ্কছৰ ওচৰত আৰক্ষীৰ স'তে ইছৰত জাহান, জাভেদ শ্বেইখ, আমজাদ ৰাম আৰু জিছান জৌহৰৰ এক সংঘৰ্ষৰ সৃষ্টি হৈছিল আৰু এই সংঘৰ্ষত আটাইৰে মৃত্যু হৈছিল। চোৰাংচোৱাৰ প্ৰতিবেদনৰ তথ্য অনুসৰি সংঘৰ্ষত মৃত আটাইকেইজন লস্কৰ-ই-তৈবাৰ স'তে জড়িত আছিল আৰু তেওঁলোকে গুজৰাটৰ তদানীন্তন মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদীক হত্যাৰ পৰিকল্পনা ৰচিছিল। ইছৰতৰ পৰিয়ালৰ লোকে এই সংঘৰ্ষৰ চি বি আইৰ তদন্ত দাবী কৰিছিল আৰু পাছত উচ্চ ন্যায়ালয়ে এই ঘটনাৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী গোট (এছ আই টি) গঠন কৰিছিল। এই গোচৰত কে'বাজনো আৰক্ষী বিষয়াক গ্ৰেপ্তাৰ কৰা হৈছিল। অৱশেষত চি বি আইৰ বিশেষ আদালতে ইছৰতক সন্ত্ৰাসবাদী আখ্যা দি তিনি অভিযুক্ত আৰক্ষীক ৰেহাই দিলে।

## ড্ৰাগছৰ গোচৰত 'বিগ বছ' খ্যাত এজাজক গ্ৰেপ্তাৰ এন চি বিৰ



**নিউজ ব্যুৰ', মুম্বাই, ৩১ মাৰ্চ ঃ বলিউডত নিষিদ্ধ ঘোষিত ড্ৰাগছৰ অবাধ প্ৰচলনৰ সন্দৰ্ভত নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)-ই চলোৱা অনুসন্ধানত এইবাৰ তদন্তকাৰী সংস্থাটোৱে গ্ৰেপ্তাৰ কৰিলে অভিনেতা এজাজ খানক। উল্লেখ্য যে ড্ৰাগছৰ এই গোচৰত এন চি বিয়ে পূৰ্বে এজাজক জেৰা কৰিছিল। যোৱা নিশা ৰাজস্থানৰ পৰা মুম্বাইলৈ উভতি অহা অভিনেতাজনক এন চি বিয়ে গ্ৰেপ্তাৰ কৰে। ২০১৮ তো নয়ী মুম্বাই আৰক্ষীয়ে ড্ৰাগছৰ আন এক গোচৰত এজাজক গ্ৰেপ্তাৰ কৰিছিল। এজাজে 'বিগ বছ-৭'ত প্ৰতিযোগী হিচাপে অংশ লৈছিল।**

## তিৰুপতিত ভক্তই দান দিয়া কেশ গোপনে বিক্ৰী চীন, ম্যানমাৰ-থাইলেণ্ডত



**নিউজ ব্যুৰ', অমৰাৱতী, ৩১ মাৰ্চ ঃ** অন্ধ্ৰ প্ৰদেশৰ প্ৰাক্তন মন্ত্ৰী তথা তেলেগু দেশম পাৰ্টি (টি ডি পি)ৰ জ্যেষ্ঠ নেতা অয়ন্না পত্ৰডুৱে তিৰুপতি মন্দিৰৰ পৰা বিদেশলৈ গোপনে কেশ সৰবৰাহ কৰাৰ চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিলে। টি ডি পি নেতাজনৰ অভিযোগ অনুসৰি এই মন্দিৰত ভক্তই দান দিয়া কেশ গোপনে ম্যানমাৰ, থাইলেণ্ড আৰু চীনলৈ সৰবৰাহ কৰা হৈছে। ৰাজ্যখনৰ শাসকীয় ৱাই এছ আৰ কংগ্ৰেছ দলৰ কে'বাজনো নেতা তিৰুপতিৰ কেশ সৰবৰাহৰ চক্ৰৰ স'তে জড়িত থকা বুলিও পত্ৰডুৱে অভিযোগ কৰিছে। টি ডি পিৰ নেতাজনে মিজোৰাম-ম্যানমাৰ সীমান্তত নিয়োজিত অসম ৰাইফলছৰ জোৱানে দুই কোটি টকা মূল্যৰ মানৱ কেশ জব্দ কৰাৰ প্ৰতিবেদনৰ তথ্য উল্লেখ কৰি কয় যে এই কেশ তিৰুপতিত ভক্তই দান দিয়া কেশ আছিল আৰু ৰাজ্য চৰকাৰে গোপনে এইদৰে ভক্তই দান হিচাপে আগবঢ়োৱা কেশ ম্যানমাৰলৈ প্ৰেৰণ কৰিছিল। 'এই ঘটনাৰ পৰা স্পষ্টভাৱে প্ৰমাণ হয় যে ৱাই এছ আৰু কংগ্ৰেছৰ নেতাই বালি, চিমেণ্ট আৰু সুৰাৰ লগতে মানৱ কেশৰো অবৈধ সৰবৰাহ চলাই আহিছে।' টি ডি পি নেতাজনে এইদৰে অভিযোগ কৰে। অৱশ্যে পত্ৰডুৰ এই অভিযোগ ভিত্তিহীন বুলি দাবী কৰিলে তিৰুমালা তিৰুপতি দেৱস্থানম ন্যাসে।

## তিনি বছৰত পশ্চিমবংগত সাতগুণ ভোট বৃদ্ধি লাভ বিজেপিৰ

**নিউজ ব্যুৰ', কলকাতা, ৩১ মাৰ্চ ঃ** কাইলৈ দ্বিতীয় পৰ্যায়ত পশ্চিমবংগৰ বাঁকুড়া, পূব মেদিনীপুৰ, পশ্চিম মেদিনীপুৰ আৰু দক্ষিণ ২৪ পৰগনা জিলাৰ মুঠ ৩০ টা সমষ্টিত বিধানসভাৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পশ্চিমবংগৰ এইবাৰৰ নিৰ্বাচনত নন্দীগ্ৰাম সমষ্টিয়ে বিশেষ চৰ্চা লাভ কৰিছে। কিয়নো এই সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছ নেত্ৰী মমতা বেনাৰ্জী আৰু বিজেপিৰ শুভেন্দু অধিকাৰী। শাসকীয় তৃণমূল কংগ্ৰেছ আৰু বিৰোধী বিজেপি উভয় শিবিৰে এইবাৰ পশ্চিমবংগত নিজ দলৰ চৰকাৰ গঠন হ'ব বুলি সজোৰে দাবী কৰি আহিছে। অৱশ্যে মমতাক ক্ষমতাচ্যুত কৰি বিজেপিয়ে ৰাজ্যৰ শাসনভাৰ দখল কৰিবলৈ কিমানদূৰ সফল হ'ব তাক লৈ সন্দেহ নথকা নহয়। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল বিগত তিনি বছৰত পশ্চিমবংগত বিজেপিৰ ভোট প্ৰায় সাতগুণ বৃদ্ধি পালে। ২০১৬ৰ বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে ৰাজ্যখনত মাত্ৰ তিনিখন আসন লাভ কৰিছিল। ২০১৯ৰ লোকসভাৰ নিৰ্বাচনত বিজেপিয়ে পশ্চিমবংগত দ্বিতীয় সৰ্বাধিক আসন দখল কৰিবলৈ সফল হৈছিল। ২০১৬ৰ বিধানসভাত বিজেপিয়ে ৭.৩৮ শতাংশ ভোট লাভৰ বিপৰীতে ২০১৯ৰ লোকসভাৰ নিৰ্বাচনত ৪২.৪০



শতাংশ ভোট লাভ কৰিবলৈ সফল হৈছিল। কাইলৈ চাৰি জিলাৰ যি ৩০টা সমষ্টি বিধানসভাৰ ভোটগ্ৰহণ কৰা হ'ব ইয়াৰে এটা সমষ্টিতহে ২০১৬ত বিজেপিৰ প্ৰাৰ্থী দিলীপ ঘোষে জয়লাভ কৰিছিল। তৃণমূল কংগ্ৰেছে লাভ কৰিছিল ২১টা সমষ্টি। কিন্তু এইবাৰৰ নিৰ্বাচনত তৃণমূল কংগ্ৰেছে ৩০ টা সমষ্টিতে বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। লোকসভাৰ নিৰ্বাচনত লাভ কৰা সফলতাৰ পাছত পশ্চিমবংগ দখল কৰিবলৈ বিজেপিয়ে তৎপৰ হৈ উঠিছিল আৰু ইয়াৰে পৰিণতিত এইবাৰৰ বিধানসভাৰ নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণতো তৃণমূল কংগ্ৰেছে গেৰুৱা দলৰ প্ৰাৰ্থীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।

## ভাৰতত মানৱাধিকাৰ উলংঘন, কিন্তু কাশ্মীৰৰ পৰিস্থিতি উন্নত, আমেৰিকাৰ প্ৰতিবেদন



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩১ মাৰ্চ ঃ** ভাৰতত মানৱাধিকাৰ সংক্ৰান্ত বিষয়ত একাধিক উলংঘন কৰা হৈছে বুলি আমেৰিকাৰ বৈদেশিক বিভাগৰ এক প্ৰতিবেদনত দাবী কৰা হ'ল। মঙলবাৰে প্ৰকাশিত মাৰ্কিন বৈদেশিক বিভাগৰ '২০২০ কান্ট্ৰি ৰিপ'ৰ্টছ অন হিউমেন ৰাইটছ প্ৰেক্টিছেছ' প্ৰতিবেদনত উল্লেখ কৰা মতে, ১২টা ক্ষেত্ৰত ভাৰতত মানৱাধিকাৰ উলংঘন কৰা হৈছে। ইয়াৰ ভিতৰত আছে বেআইনী আৰু অযুক্তিকৰ হত্যা, থানাত আৰক্ষীৰ হাতত নৃশংস আৰু অমানুষিক অত্যাচাৰৰ ফলত মৃত্যু, জেলত বিষয়া-কৰ্মীৰ অত্যাচাৰ, চৰকাৰী সংস্থাৰ দ্বাৰা বেআইনী গ্ৰেপ্তাৰ, কাৰাগাৰৰ ভয়াৱহ অৱস্থা ইত্যাদি। অৱশ্যে একেটা প্ৰতিবেদনত উল্লেখ কৰা মতে, জম্মু-কাশ্মীৰৰ বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তনৰ পাছত ৰাজ্যখনৰ পৰিস্থিতি বৰ্তমানলৈকে যথেষ্ট ভালে আছে। মাৰ্কিন প্ৰতিবেদনত দাবী কৰা মতে, ভাৰতত সংবাদপত্ৰৰ স্বাধীনতা বৰ্তমানৰ সময়ত যথেষ্ট খৰ্ব কৰা হৈছে। বেআইনীভাৱে সাংবাদিকক গ্ৰেপ্তাৰৰ লগতে সাংবাদিকৰ বিৰুদ্ধে দেশদ্ৰোহৰ গোচৰ তৰি সংবাদ মাধ্যমৰ স্বাধীনতা হৰণ কৰা বুলিও মাৰ্কিন বৈদেশিক বিভাগৰ এই প্ৰতিবেদনত দাবী কৰা হৈছে।



## তৃণমূল কংগ্ৰেছৰ প্ৰাক্তন বিধায়ক দীনেশ বাজাজৰ বিজেপিত যোগদান

**নিউজ ব্যুৰ', কলকাতা, ৩১ মাৰ্চ ঃ** তৃণমূল কংগ্ৰেছৰ প্ৰাক্তন বিধায়ক দীনেশ বাজাজে আজি আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰে। বুধবাৰে দুপৰীয়া কলকাতাৰ হেষ্টিংছত থকা বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত হাতত দলৰ পতাকা তুলি ল'লে বাজাজে। উল্লেখ্য যে যোৱা পাঁচ মাৰ্চত বাজাজে তৃণমূল কংগ্ৰেছ ত্যাগৰ কথা ঘোষণা কৰিছিল। মঙলবাৰে নিশা দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা আৰু পশ্চিমবংগৰ দায়িত্বপ্ৰাপ্ত নেতা কৈলাস বিজয়বৰ্গীয়ৰ স'তে বৈঠকত অংশ লোৱাৰ পাছত বাজাজে দলটোৰ সদস্যপদ গ্ৰহণৰ কথা চূড়ান্ত হৈছিল।

## অডিঅ' বাৰ্তা বুদ্ধদেৱৰ ঃ গণতন্ত্ৰ ঘূৰাই আনক, বাংলাক ৰক্ষা কৰক

**নিউজ ব্যুৰ', কলকাতা, ৩১ মাৰ্চ ঃ** পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা প্ৰবীণ বামপন্থী নেতা বুদ্ধদেৱ ভট্টাচাৰ্যই এক অডিঅ' বাৰ্তাৰ জৰিয়তে ৰাজ্যবাসীক বিপদৰ পৰা পশ্চিমবংগক ৰক্ষা কৰিবলৈ আহ্বান জনালে। বৰ্ষীয়ান নেতাজনে বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ পূৰ্বে অডিঅ' বাৰ্তাত কয়, 'পশ্চিমবংগক বিপদৰ পৰা ৰক্ষা কৰক। গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ চৰকাৰ গঢ়ি পশ্চিমবংগত নতুন ইতিহাস ৰচনা কৰক। ৰাজ্যত বিধানসভাৰ নিৰ্বাচন আৰম্ভ হৈছে। আমি সকলোৱে বুজিব পাৰিছো যে এই ৰাজ্যৰ ৰাজনীতিত ই এক সন্ধিক্ষণ। বিগত বামমৰ্চাৰ শাসনত আমি শ্ল'গান দিছিলো, কৃষি আমাৰ ভিত্তি, উদ্যোগ আমাৰ ভৱিষ্যৎ। এই চিন্তাধাৰাৰে আমি অগ্ৰসৰ হৈছো। বামমৰ্চা ক্ষমতাৰ পৰা আঁতৰাৰ পাছত তৃণমূলৰ চৰকাৰে ৰাজ্যজুৰি ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। সকলোতে এতিয়া সংকট। আহক গণতন্ত্ৰক পুনৰ প্ৰতিষ্ঠা কৰো আৰু বাংলাক ৰক্ষা কৰো।'



## নন্দীগ্ৰামত জাৰি ১৪৪ ধাৰা



**নিউজ ব্যুৰ', নন্দীগ্ৰাম, ৩১ মাৰ্চ ঃ** কাইলৈ পশ্চিমবংগৰ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ অন্যতম স্পৰ্শকাতৰ সমষ্টি হিচাপে পৰিচিত হোৱা নন্দীগ্ৰামত নিৰ্বাচন আয়োগে মুঠ ৩৫৫ টা ভোটকেন্দ্ৰ স্পৰ্শকাতৰ হিচাপে চিনাক্ত কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বুধবাৰে সন্ধিয়া ৬-৩০ বজাৰ পৰা নন্দীগ্ৰামত প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰাৰ সিদ্ধান্ত ল'লে। আজি সন্ধিয়াৰ পৰা সমষ্টিটোত একেলগে পাঁচজনতকৈ অধিক লোক সমবেত হ'ব নোৱাৰিব। নন্দীগ্ৰামত ২২ টা অৰ্ধসামৰিক বাহিনীৰ কোম্পানীক নিৰাপত্তাৰ দায়িত্বত নিয়োজিত কৰা হৈছে। আনকি হেলিকপ্টাৰৰ জৰিয়তে আকাশ মাৰ্গৰেও নিৰাপত্তা বাহিনীয়ে পৰিস্থিতি নিৰীক্ষণ কৰিছে। নন্দীগ্ৰামৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত আঠজনকৈ নিৰাপত্তাৰক্ষীক নিয়োগ কৰা হৈছে।

## কাৰ্তি চিদাম্বৰমৰ পত্নীৰ ভিডিঅ'ৰে চেন্নাই বিজেপিৰ প্ৰচাৰ, কটাক্ষ কংগ্ৰেছৰ



**নিউজ ব্যুৰ', চেন্নাই, ৩১ মাৰ্চ ঃ** কংগ্ৰেছ সাংসদ কাৰ্তি চিদাম্বৰমৰ পত্নী ডাঃ শ্ৰীনিধি চিদাম্বৰমৰ ভিডিঅ' ফুটেজ টুইট কৰি নিৰ্বাচনৰ প্ৰচাৰ চলোৱাৰ অভিযোগ উত্থাপিত হ'ল বিজেপিৰ বিৰুদ্ধে। তামিলনাডু বিজেপিৰ এই কাণ্ডত দলটোক তুলাধুনা দিলে কংগ্ৰেছে। অনুমতি অবিহনে কংগ্ৰেছ সাংসদৰ পত্নীৰ ভিডিঅ' এইদৰে শ্বেয়াৰ কৰাৰ বাবে টুইটাৰত বিজেপিক কটাক্ষ কৰি কংগ্ৰেছে কয়, 'অনুমতি লৈ কোনো কাম কৰাৰ স্বভাৱ বিজেপিৰ যে নাই সেয়া স্পষ্ট হ'ল। কিন্তু শ্ৰীনিধি কাৰ্তি চিদাম্বৰমৰ ফটো তেওঁৰ অনুমতি অবিহনে বিজেপিয়ে ব্যৱহাৰ কৰিব নোৱাৰে। ইয়াৰ দ্বাৰা প্ৰমাণ হ'ল যে বিজেপিৰ প্ৰচাৰ অভিযান মিথ্যা আৰু অপপ্ৰচাৰৰ বাহিৰে আন একো নহয়।' উল্লেখ্য যে ডাঃ শ্ৰীনিধি হৈছে এগৰাকী বিশিষ্ট ভৰতনাট্যম শিল্পী। বিজেপিয়ে নিৰ্বাচনৰ প্ৰচাৰৰ বাবে পাঁচ মিনিটৰ এক ভিডিঅ' প্ৰস্তুত কৰিছিল আৰু এই ভিডিঅ'ত ২০১০ৰ বিশ্ব তামিল সন্মিলনত নৃত্য পৰিবেশন কৰা ডাঃ শ্ৰীনিধিকো প্ৰদৰ্শন কৰিছিল।

# পানেৰীত ১,৫৩,৪৪০ ভোটাৰে নিৰ্ণয় কৰিব সাত প্ৰাৰ্থীৰ ভাগ্য



**অগ্ৰদূত বাৰ্তা**

**টংলা, ৩১ মাৰ্চ ঃ** ওদালগুৰি জিলাৰ পানেৰী বিধানসভা সমষ্টিত চলিছে নিৰ্বাচনী হিচাপ-নিকাচ। সকলোৰে বাবে মুকলি থকা সমষ্টিটোত এইবেলি সাতগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী ভোটযুদ্ধত অৱতীৰ্ণ হৈছে। প্ৰাৰ্থীসকল হ'ল ক্ৰমে বিজেপিৰ বিশ্বজিৎ দৈমাৰী, বি পি এফৰ কৰুণাকান্ত স্বৰ্গীয়াৰী, এছ ইউ চি আই (চি)ৰ স্বৰ্ণলতা চলিহা, ভি পি আইৰ ভূমিত্ৰা কছাৰী, নিৰ্দলীয়ভাৱে প্ৰাৰ্থিত্ব আগবঢ়াইছে বিশ্বজিৎ মিঞ্জ, বাপন বণিক আৰু গিলবাৰ্ট টপ্প'ই। সমষ্টিটোত ১,৫৩,৪৪০গৰাকী ভোটাৰৰ ভিতৰত পুৰুষ ভোটাৰ ৭৭,৪৮৮ আৰু মহিলা ভোটাৰ হৈছে ৭৫,৯৫২গৰাকী। এগৰাকী তৃতীয় লিংগৰ ভোটাৰ থকা সমষ্টিটোত মুঠ ভোটকেন্দ্ৰ আছে ২২৮টা। মিত্ৰজোঁটৰ বিশ্বজিৎ দৈমাৰী আৰু মহাজোঁটবন্ধনৰ কৰুণাকান্ত স্বৰ্গীয়াৰীৰ মাজতে মূল যুঁজখন তীব্ৰ প্ৰতিদ্বন্দ্বীমূলক হ'ব বুলি ধাৰণা কৰা হৈছে। বিশ্বজিৎ দৈমাৰীৰ হৈ ইতিমধ্যে ষ্টাৰ কেম্পেইনাৰ প্ৰভাৱশালী মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক দিলীপ শইকীয়া, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, দলীয় নেতা-নেত্ৰীয়ে গাঁৱে-ভূঞে, বাগানে, দোকানে-ঘৰে ব্যাপক হাৰত প্ৰচাৰ অভিযান তীব্ৰ কৰি তোলাৰ বিপৰীতে মহাজোঁটৰ প্ৰাৰ্থী কৰুণাকান্ত স্বৰ্গীয়াৰীৰ হৈ ষ্টাৰ কেম্পেইনাৰ হাগ্ৰামা মহিলাৰী, অপূৰ্ব ভট্টাচাৰ্য প্ৰমুখ্যে নেতা-পালিনেতাসকলে মাৰাথন প্ৰচাৰ কৰিছে। বি পি এফৰ দুৰ্গ হিচাপে পৰিগণিত সমষ্টিটো ২০২১ৰ বিধানসভা নিৰ্বাচনত ধৰি ৰাখিবলৈ চেষ্টা কৰিছে যদিও নতুন মুখৰ প্ৰাৰ্থী কৰুণাকান্ত স্বৰ্গীয়াৰীক ৰাইজে কিমানদূৰ গ্ৰহণ কৰে তাৰ ওপৰতে নিৰ্ভৰ কৰিব। আনহাতে, চালানী প্ৰাৰ্থী হিচাপে ৰাইজৰ মাজত চৰ্চিত ৰাজ্যসভাৰ সাংসদ বিশ্বজিৎ দৈমাৰীৰ দৰে শক্তিশালী প্ৰাৰ্থীক নিৰ্বাচনী যুদ্ধত অৱতীৰ্ণ কৰাই বিজেপিয়ে ইউ পি পি এল, অগপ আৰু গণ সুৰক্ষা পাৰ্টিৰ পৰা সঁহাৰি লাভেৰে স্থিতি মজবুত কৰি তুলিছে। ভি পি আইৰ ভূমিত্ৰা কছাৰী, এছ ইউ চি আইৰ স্বৰ্ণলতা চলিহা, নিৰ্দলীয় প্ৰাৰ্থী বিশ্বজিৎ মিঞ্জ, বাপন মিঞ্জ আৰু গিলবাৰ্ট টপ্প'ও নিজৰ নিজৰ সমৰ্থনত গাঁৱে-ভূঞে, চহৰে-নগৰে, বাগানে বাগানে তীব্ৰ প্ৰচাৰ অভিযান চলাইছে, ইটোৱে সিটোক গোৱালগালি পাৰিছে, মুঠতে বাকযুদ্ধ তুংগত কৰি তুলি ভোটাৰ ৰাইজক সচেতন কৰিবলৈ চেষ্টা কৰি আহিছে। নিৰ্দলীয় প্ৰাৰ্থী বাপন বণিকে বিশেষভাৱে হিন্দু বাঙালী ভোট কিমান আদায় কৰি বিজেপিৰ লগতে বি পি এফৰ অংকত খেলিমেলি সৃষ্টি কৰে সেয়া হ'ব গুৰুত্বপূৰ্ণ। সেইদৰে আদিবাসীৰ যথেষ্ট প্ৰভাৱ থকা সমষ্টিটোত বিশ্বজিৎ মিঞ্জ আৰু গিলবাৰ্ট টপ্প'ই আদিবাসী তথা চাহ জনগোষ্ঠীৰ ভোট বিভাজনৰে বিজেপিৰ লগতে বি পি এফৰ নিৰ্বাচনী হিচাপ-নিকাচত আউল লগাব পাৰে বুলি নিৰ্বাচনী সমীকৰণ চলিছে। দ্বিতীয় পৰ্যায়ত কাইলৈ হ'বলগীয়া নিৰ্বাচনত প্ৰশাসন যন্ত্ৰ, নিৰ্বাচনী বিষয়া-কৰ্মচাৰী, স্বাস্থ্যকৰ্মী সম্পূৰ্ণ সষ্টম হৈ পৰিছে আৰু ক'ভিড প্ৰট'কল মানি চলি নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব বুলিও জনায় পানেৰী সমষ্টিৰ দায়িত্ব আৰু কৰ্তব্যৰত বিষয়া জিলা অতিৰিক্ত উপায়ুক্ত অনচুলা বসুমতাৰীয়ে। পানেৰী সমষ্টিত মিত্ৰজোঁট বনাম মহাজোঁটৰ মাজতে ভোট যুদ্ধ হ'ব বুলি চৰ্চা চলিছে যদিও অহা দুই মে'ত গম পোৱা যাব কোনগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য উদয় হ'ব।

# লংকাৰ ওদালীত অগ্নিকাণ্ডত ভস্মীভূত ব্যৱসায়িক প্ৰতিষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**লংকা, ৩১ মাৰ্চ ঃ** হোজাই জিলাৰ ওদালী তিনিআলি বজাৰত যোৱা নিশা ১২ বজাত সংঘটিত অগ্নিকাণ্ডত ১২ খন ব্যৱয়ায়িক প্ৰতিষ্ঠান ভস্মীভূত হয়। ওদালীত তিনিআলি বজাৰৰ চাৰিশাৰীযুক্ত ঘাইপথ আৰু নখুটিলৈ যোৱা পথত অগ্নিকাণ্ড সংঘটিত হয়। পাছত অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত জুই নিৰ্বাপিত কৰে। এখন হোটেলৰ এটা ৰন্ধন গেছ ছিলিণ্ডাৰ বিস্ফোৰণৰ ফলত অগ্নিকাণ্ড সংঘটিত হয়।

# ৰাজ্যত বৃদ্ধি পাইছে ক'ভিড আক্ৰান্তৰ সংখ্যা

## নগাঁৱত ২৪ ঘণ্টাত সাতজন লোক আক্ৰান্ত

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩১ মাৰ্চ ঃ** এফালে নিৰ্বাচনী প্ৰচাৰ সভাত মানুহৰ হিলদল ভঙা ভিৰ আনফালে, নিৰ্বাচনী আয়োগে জাৰি কৰা ক'ভিড নিয়ম অনুসৰি ভোটদাতা ৰাইজে হেণ্ডগ্লোভছ, ছেনিটাইজাৰ, সামাজিক দূৰত্ব বজাই ভোটদানৰ বাবে লোৱা নাভূত-নাশ্ৰুত কাণ্ডৰ মাজতে ৰাজ্যত ভয়াৱহভাৱে বৃদ্ধি পাইছে কৰ'না আক্ৰান্তৰ সংখ্যা। অতি উদ্বেগজনকভাৱে প্ৰতি ঘণ্টাত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বৃদ্ধি পাইছে কৰ'নাত আক্ৰান্তৰ সংখ্যা। পুনৰ ৰাজ্যত ভয়াৱহ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি সৰ্বসাধাৰণ ৰাইজ ঘৰত নিৰাপদে থকাৰ আহ্বান জনোৱাৰ বিপৰীতে কেৱল নিৰ্বাচনত ভোটদান কৰাৰ স্বাৰ্থতে ৰাজ্য চৰকাৰে এই বিষয়ত কোনো ধৰণৰ গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উঠিছে। যোৱা ২০২০ৰ মাৰ্চৰ শেষৰ সপ্তাহত অসমত এজন ব্যক্তিও ক'ভিডত আক্ৰান্ত নৌহওঁতেই ৰাইজক মহামাৰী ক'ভিডৰ সম্পৰ্কে সজাগ কৰা আৰু তলাবন্ধ ঘোষণা কৰা চৰকাৰখনে এতিয়া ৰাজ্যৰ বিভিন্ন জিলাত পাঁচ শতাধিক কৰ'না ৰোগী চিকিৎসাধীন হৈ থকাৰ পাছতো ৰহস্যজনক ভূমিকা গ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। শেহতীয়াকৈ নগাঁও জিলাতো ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। জিলাখনত ইজনৰ পাছত সিজনকৈ লোক ক'ভিডত আক্ৰান্ত হোৱাৰ খবৰে জিলাবাসীক শংকিত কৰি তুলিছে। নগাঁও জিলা স্বাস্থ্য বিভাগৰ এক সূত্ৰই জনোৱা মতে, আজিৰ দিনটোত নগাঁও চহৰত সাতজনকৈ লোক ক'ভিডত আক্ৰান্ত হৈছে। ইয়াৰে তিনিজন লোক চহৰখনৰ তেলিয়াপট্টি অঞ্চলৰ হোৱাৰ বিপৰীতে চাৰিজন লোক হয়বৰগাঁও বজাৰ অঞ্চলৰ। উল্লেখ্য যে বিগত ১৫ দিনৰ ভিতৰত জিলাখনত আন ১০জন লোক ক'ভিড আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। ইয়াকে লৈ জিলাখনত আজিৰ সাতজনকে ধৰি ১৭জন লোক আক্ৰান্ত হৈছে। এই লোকজনক ইতিমধ্যে স্বাস্থ্য বিভাগে নিজ নিজ গৃহতে ক'ভিড প্ৰট'কল মানি চিকিৎসাৰ ব্যৱস্থা কৰিছে। জিলাখনত এই ৰোগ আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। চহৰখনৰ তেলিয়াপট্টি অঞ্চলত পৰহি আন চাৰিজন ক'ভিড আক্ৰান্ত হৈছিল। তদুপৰি এই অঞ্চলটোতে পাঁচদিনমানৰ পূৰ্বে আন দুজন লোকো ক'ভিডত আক্ৰান্ত হৈছে। নিৰ্বাচনী প্ৰচাৰ সভা, বিভিন্ন ৰাজহুৱা উৎসৱ আদিত ক'ভিড প্ৰট'কল নামানি হেজাৰ হেজাৰ লোকে অংশগ্ৰহণ কৰাৰ বাবে জিলাখনত ক'ভিডত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। জিলা স্বাস্থ্য বিভাগে জনোৱা মতে, অহা দুই এপ্ৰিলৰ পৰা ক'ভিড পৰীক্ষাৰ পৰিমাণৰ বৃদ্ধি কৰা হ'ব।

# পুনে ৰাষ্ট্ৰীয় ফিল্ম আৰ্কাইভত সন্মানিত 'লাইফ ইন্ এ পাপেট'



**পাটাছাৰকুছি, ৩১ মাৰ্চ ঃ** পুনে নেচনেল ফিল্ম আৰ্কাইভ অৱ ইণ্ডিয়াত অনুষ্ঠিত পঞ্চম বাৰ্ষিক 'গ্ৰেট মেছেজ ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেলত সন্মানিত হ'ল অসমৰ বিলুপ্তপ্ৰায় লোকশিল্প পুতলা নাচৰ ওপৰত নিৰ্মাণ কৰা অসমীয়া চলচ্চিত্ৰ 'লাইফ ইন্ এ পাপেট'। মহোৎসৱত 'লাইফ ইন্ এ পাপেট'ৰ পৰিচালক ৰাজেন দাসে শ্ৰেষ্ঠ পৰিচালকৰ পুৰস্কাৰ লাভ কৰে। উল্লেখ্য যে পুনেৰ 'নেচনেল ফিল্ম আৰ্কাইভ অৱ ইণ্ডিয়া'ত অনুষ্ঠিত হোৱা এই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত সন্মানিত হোৱা অসমীয়া চলচ্চিত্ৰ 'লাইফ ইন্ এ পাপেট' নিৰ্মাণ কৰা হৈছে অসমৰ বিলুপ্তপ্ৰায় লোকশিল্প পুতলা নাচক ভিত্তি হিচাপে লৈ। পুতলা নাচ শিল্পীৰ কাৰুণ্যভৰা জীৱনঘাঁথা আৰু আধুনিকতাৰ ধামখুমীয়াত হেৰাই যোৱা এই লোকশিল্পক পুনৰুজ্জীৱিত কৰাৰ মানৱীয় বাৰ্তা এই চলচ্চিত্ৰখনৰ জৰিয়তে চিত্ৰাংকন কৰা হৈছে।



*গোৱালপাৰাৰ বৰপথাৰত ধুমুহাত ক্ষতিগ্ৰস্ত বাসগৃহ, বুধবাৰে।*

# জলেশ্বৰ সমষ্টিৰ আঠ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ১,৫৯,৯৩৭গৰাকী ভোটাৰে

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩১ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ত অৰ্থাৎ অহা ছয় এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া গোৱালপাৰা নিৰ্বাচনী জিলাৰ জলেশ্বৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা আঠগৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ১,৫৯,৯৩৭গৰাকী ভোটাৰে। সমষ্টিটোত মুঠ আঠগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে যদিও মূল যুঁজখন কংগ্ৰেছৰ আফতাব উদ্দিন মোল্লা আৰু এ আই ইউ ডি এফৰ ৰেজ্জা মহম্মদ আব্দুল্লা আমিনৰ মাজতে সীমাবদ্ধ থাকিব বুলি ভূ-ৰখা মহলে অনুমান কৰিছে। উল্লেখ্য যে এইবেলি সমষ্টিটোত কংগ্ৰেছৰ আফতাব উদ্দিন মোল্লা, এ আই ইউ ডি এফৰ ৰেজ্জা মহম্মদ, আব্দুল্লা আমিন, বিজেপিৰ মোবাৰক মহম্মদ আবু ওছমান গণি, অসম জাতীয় পৰিষদৰ ৰছিদুল হক, এ আই টি এম চিৰ খুৰ্শীদ মিৰ্জা আশ্বিকুৰ ৰহমান, এছ ইউ ছি আইৰ ওছমান গণি মোল্লা, নিৰ্দলীয় ক্ৰমে আখেৰুজ্জামান মোল্লা আৰু মুজাহাৰুল ইছলামে নিজৰ নিজৰ সপক্ষে প্ৰচাৰ অভিযান চলাইছে। সংখ্যালঘু প্ৰধান জলেশ্বৰ সমষ্টিটোত বিগত ১০ বছৰত ইউ ডি এফৰ দখলত আছিল। ইপিনে, বন্ধুত্বপূৰ্ণ যুঁজত অৱতীৰ্ণ হোৱা সমষ্টিটোত প্ৰথমতে এ আই ইউ ডি এফে ৰফিকুল হুছেইন মণ্ডলক প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল যদিও পাছত সলনি কৰি ৰেজ্জা মহম্মদ আব্দুল্লা আমিনক প্ৰাৰ্থিত্ব দিয়ে। ফলত এ আই ইউ ডি এফৰ প্ৰতি একাংশ ৰাইজ ক্ষুণ্ণ হৈ পৰিছে। অৱশ্যে নতুন মুখ হিচাপে ৰেজ্জা মহম্মদ আব্দুল্লা আমিনেও বিভিন্ন প্ৰকাৰে ভোটাৰ ৰাইজৰ দৃষ্টি আকৰ্ষণৰ বাবে উঠিপৰি লাগিছে। অগন্তুক সময়ত যদি বিশেষ পট পৰিৱৰ্তন নহয়, তেন্তে মূল যুঁজখন উল্লেখিত দুগৰাকী প্ৰাৰ্থীৰ মাজতে সীমাবদ্ধ থাকিব বুলি ভূ-ৰক্ষা মহলৰ মন্তব্যত প্ৰকাশ।

# কাৰ্বি আংলঙত ই ভি এমসহ বিভিন্ন ভোটকেন্দ্ৰলৈ যাত্ৰা প'লিং-প্ৰিজাইডিং বিষয়াৰ

**বিশেষ সংবাদদাতা**

**ডিফু, ৩১ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কাৰ্বি আংলং জিলা প্ৰশাসন প্ৰস্তুত হৈছে। ডিফু নিৰ্বাচন জিলাৰ অধীনস্থ ১৮ নম্বৰ হাওৰাঘাট (জনজাতি) বিধানসভা সমষ্টি আৰু ১৯ নম্বৰ ডিফু (জনজাতি) বিধানসভা সমষ্টিৰ বাবে ৩০ মাৰ্চত জিলাখনৰ ২৪০ কিলোমিটাৰ দূৰত্বৰ দুৰ্গম আৰু ভিতৰুৱা অঞ্চলৰ ভোটকেন্দ্ৰসমূহলৈ ইতিমধ্যে প'লিং বিষয়া আৰু প্ৰিজাইডিং বিষয়াসকলে ই ভি এম আৰু নিৰ্বাচনী সামগ্ৰীসমূহলৈ গন্তব্য স্থানত অৱস্থান কৰিছে। জিলাখনৰ নিৰ্বাচনী বিষয়া জিণ্টু বৰাই উল্লেখ কৰা মতে, আজি প্ৰথম পৰ্যায়ত মুঠ ৪৪টা ভোটকেন্দ্ৰৰ ১৮ নম্বৰ হাওৰাঘাট সমষ্টিত ৩৩টা আৰু ১৯ নম্বৰ ডিফু বিধানসভা সমষ্টিৰ ১১টা ভোটকেন্দ্ৰলৈ প'লিং আৰু প্ৰিজাইডিং বিষয়াসকল পৰ্যাপ্ত নিৰাপত্তাৰক্ষীসহ গন্তব্য স্থান পাইছে আৰু আজি বাকী থকা ৪৫৬টা ভোটকেন্দ্ৰলৈ প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলে বিভিন্ন যানবাহনলৈ যাত্ৰা কৰিছে। সম্পূৰ্ণ ক'ভিড নিয়মৰ মাজত ভোটদান প্ৰক্ৰিয়া সম্পন্ন হ'ব বুলি বিষয়াজনে জনায়। আনহাতে, বোকাজান নিৰ্বাচনী জিলাৰ ১৭ নম্বৰ বোকাজান (জনজাতি) বিধানসভা সমষ্টিৰ বাবেও ৩০ মাৰ্চত প্ৰতিকুল বতৰ সত্ত্বেও দুৰ্গম অঞ্চললৈ ট্ৰাক আৰু বিভিন্ন বাহনেৰে ৬৭টা ভোটকেন্দ্ৰত প'লিং বিষয়া আৰু প্ৰিজাইডিং বিষয়াসকল সুকলমে উপস্থিত হৈছে বুলি মহকুমাধিপতি বিবেক শ্যামে কয়। ২২৮টা ভোটকেন্দ্ৰৰ ভিতৰত ১৭টা মহিলা প'লিং বিষয়াৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱাৰ বিপৰীতে চাৰিটাক আদৰ্শ ভোটকেন্দ্ৰ হিচাপে ধৰা হৈছে।

# বৰপেটাত বিশেষ সাধাৰণ পৰ্যবেক্ষক

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৩১ মাৰ্চ ঃ** বৰপেটা জিলাৰ নিৰ্বাচনৰ প্ৰস্তুতিত গভীৰ সন্তুষ্টি প্ৰকাশ কৰিছে বিশেষ সাধাৰণ পৰ্যবেক্ষক সুদৰ্শন শ্ৰীনিৱাসনে। এইবাৰ প্ৰথমবাৰলৈ নিৰ্বাচন আয়োগে বিশেষ সাধাৰণ পৰ্যবেক্ষক হিচাপে কে'বাখনো জিলাৰ দায়িত্বত নিয়োজিত কৰা অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া শ্ৰীনিৱাসনে আজি বৰপেটা জিলাৰ ভ্ৰমণ কৰি নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। দুপৰীয়া আহি জিলা উপায়ুক্তৰ কাৰ্যালয়ত উপস্থিত হোৱা অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়াজনে তাতেই বিষয়াসকলৰ স'তে এখন বৈঠকতো মিলিত হয়। বৈঠকত জিলা উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাই জিলাখনৰ নিৰ্বাচনী প্ৰস্তুতিৰ অগ্ৰগতিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। আৰক্ষী অধীক্ষক ডাঃ ৰবীন সিং আৰু নিৰ্বাচন বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠকে সুকীয়া সুকীয়া পাৱাৰ পইণ্ট প্ৰেজেণ্টেছনৰ জৰিয়তে এই প্ৰস্তুতিৰ থুলমূল আভাস দাঙি ধৰে। সভাত ইতিমধ্যে বৰপেটা জিলাত নিয়োজিত আটাইকেইগৰাকী সাধাৰণ পৰ্যবেক্ষক আৰু ৰিটাৰ্ণিং বিষয়া উপস্থিত থাকি তেওঁলোকৰ অভিজ্ঞতাৰ বিষয়ে কয়। উল্লেখ্য যে যোৱা ১৮ মাৰ্চৰ পৰাই সাধাৰণ পৰ্য্যবেক্ষক হিচাপে নিয়োজিত চাৰিগৰাকী ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়াই বৰেপটাত বাহৰ পাতি লৈ নিৰ্বাচনী পৰিস্থিতিৰ পৰ্যবেক্ষণ কৰি আছে। তেওঁলোক হ'ল বালাজী দিগম্বৰ মঞ্জুলে, কমললাল চৌহান, অঞ্জনা শৈবালা মাৰ্টিন আৰু বিঘ্নেশ্বৰী ভি। সভাত জিলা উন্নয়ন আয়ুক্ত দিগন্ত দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ছিকাৰীয়া, অতিৰিক্ত উপায়ুক্ত দুলালদেৱ নাথ আৰু সব্যসাচী কাশ্যপ, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা আৰু নিৰ্বাচন বিষয়া শশী কুমাৰ ডেকাও উপস্থিত থাকে।

# মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়ী কৰিবলৈ তৎপৰ চিৰাং জিলা অগপৰ

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৩১ মাৰ্চ ঃ** অহা ছয় এপ্ৰিলত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়যুক্ত কৰোৱাৰ উদ্দেশ্যে চিৰাং জিলা অগপই তৎপৰতা অৱলম্বন কৰিছে। বিশেষকৈ জিলাখনৰ চিদলী (জনজাতি) সংৰক্ষিত সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ অগপৰ নেতৃবৃন্দই ইতিমধ্যে সমষ্টিটোৰ নলবাৰী, আলসিয়া বাজাৰ, মেচবাংগুৰী, গৰুভাষা, থুৰিবাৰী, শাকাতি, বাসুগাঁৱকে আদি কৰি সমষ্টিটোৰ বিভিন্ন ঠাইৰ চুকে-কোণে নিৰ্বাচনী সভা-সমিতিসমূহত অংশগ্ৰহণ কৰি ভোটাৰ ৰাইজৰ মাজত প্ৰচাৰ চলাই আছে। অগপৰ বিশেষকৈ চিৰাং জিলা সমিতিৰ সভাপতি শৈলেন চৌধুৰী, সম্পাদক কৰেন চন্দ্ৰ দাসৰ উপৰি কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য কৰ্ণমোহন ৰায়, পৱিত্ৰ কুমাৰ ৰায়, ৰহেন ৰায় আদি নেতাসকলে প্ৰাৰ্থীগৰাকীক জয়যুক্ত কৰাৰ বাবে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত হৈছে। প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে দীৰ্ঘদিনৰ পৰা আবছুক সেৱা আগবঢ়াই অহাৰ লগতে সমাজত সকলোৰে স'তে সমিল-মিলেৰে চলি অহা, আকৰ্ষীয় ব্যৱহাৰ-পাতিৰ বাবে প্ৰাৰ্থীগৰাকী সমষ্টিটোত বিপুল ভোটত জয়ী হ'ব বুলি চিৰাং জিলা অগপৰ সম্পাদক কৰেন চন্দ্ৰ দাসে কয়। সমষ্টিটোত মূলতঃ হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফ তথা মহাজোঁটৰ প্ৰাৰ্থী চন্দন ব্ৰহ্মৰ স'তে মূল যুঁজখন হ'ব বুলিও তেওঁ দাবী কৰে।

# বৰুৱাপাৰাত ইউ পি পি এলৰ নিৰ্বাচনী সভা

**দোতমা, ৩১ মাৰ্চ ঃ** ৩০ নম্বৰ পূব কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বৰুৱাপাৰাত ইউ পি পি এলৰ এখন নিৰ্বাচনী জনসভা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে ইউ পি পি এলৰ প্ৰাৰ্থী লৰেন্স ইছলাৰী, কে এ চিৰ চেয়াৰমেন হিতেশ্বৰ বৰ্মন, কে এ চিৰ কাৰ্যবাহী সদস্য জীৱেশ ৰায়, কে এ চিৰ সদস্য প্ৰদীপ কুমাৰ ৰায়ৰ লগতে ইউ পি পি এলৰ বিভিন্ন নেতা-কৰ্মীসকল। বি পি এফে যোৱা ১৫ বছৰত কেৱল দুৰ্নীতি আৰু অপশাসন চলোৱাত ৰাইজৰ একো উন্নতি সাধন নহ'ল বুলি মন্তব্য কৰে ইছলাৰীয়ে।

# পাহাৰ-ভৈয়ামত ঘৰে ঘৰে অজাপ প্ৰাৰ্থী ফুকন

## মহানগৰীত প্ৰতিটো দলৰ তুংগত উঠিছে নিৰ্বাচনী প্ৰচাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩১ মাৰ্চ ঃ** ৰাজধানী মহানগৰীৰ চাৰি সমষ্টিকে ধৰি মুঠ ৪০ টা সমষ্টিত অহা ছয় এপ্ৰিলত অনুষ্ঠিত হ'ব লগা তৃতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনত ভোটাৰক আকৃষ্ট কৰাৰ লক্ষ্যৰে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ তুংগত কৰি তুলিছে যদিও ব্যতিক্ৰমী প্ৰচাৰৰ জৰিয়তে স্মাৰ্ট চিটিৰ নগ্ন ছবি পোহৰলৈ আনিছে পূব গুৱাহাটী সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী অদীপ কুমাৰ ফুকনে। আসন্ন নিৰ্বাচনত সমষ্টিটোৰ পৰা প্ৰতিনিধিত্ব কৰা ফুকনে ৰঙীন প্ৰচাৰৰ বিপৰীতে পাহাৰে-ভৈয়ামে পদব্ৰজে ঘৰে ঘৰে গৈ চলোৱা প্ৰচাৰে পোহৰলৈ আনিছে বিগত চৰকাৰসমূহে ঢাক-ঢোল বজোৱা উন্নয়নৰ ফোঁফলা প্ৰতিচ্ছবি। উল্লেখ্য যে ৰাজধানী মহানগৰীৰ অন্যতম মূল সমস্যা হৈছে খোৱাপানী সমস্যা। এই খোৱাপানীৰ নাটনি দূৰ কৰিবলৈ সংশ্লিষ্ট এটা দিন পাহাৰ অঞ্চলত বসবাস কৰা শিক্ষাৰ্থীয়ে বিদ্যালয়লৈ যাব নোৱাৰে বুলি মন্তব্য কৰিছে ফুকনে। তেওঁ কয় যে পূব গুৱাহাটী সমষ্টিত প্ৰায় আঠটাকৈ পাহাৰ আছে আৰু এই পাহাৰসমূহত আজিও এটুপি খোৱাপানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হয় সাধাৰণ জনতাই। মই পাহাৰৰ কে'বাটাও অঞ্চলৰ ৰাইজৰ কাষলৈ গৈছো আৰু তেওঁলোকৰ লগত মত-বিনিময় কৰিছো। শুনি আচৰিত যেন লাগিলে অপ্ৰিয় হ'লে সত্য যে এইখন গুৱাহাটীত এটুপি পানীৰ বাবে এটা দিন বিদ্যালয়লৈ নাযায় শিক্ষাৰ্থী। পাহাৰৰ পৰা বহুত তললৈ আহি ভাৰেৰে কঢ়িয়াই এসপ্তাহলৈ পানী জমা ৰাখে সংশ্লিষ্ট শিক্ষাৰ্থীসকলে। বিশেষকৈ পূব গুৱাহাটী সমষ্টিবাসীয়ে গুৱাহাটী উন্নয়ন দপ্তৰ মন্ত্ৰী পোৱাৰ পাছতো ইয়াতকৈ দুৰ্ভাগ্যজনক কি থাকিব পাৰে বুলি ফুকনে উল্লেখ কৰি সেইবাবে সমষ্টিবাসীয়ে এইবাৰ প্ৰকৃত সমস্যা সমাধানৰ বাবে পৰিৱৰ্তন বিচাৰে বুলি কয়।

উল্লেখ্য যে অনেক সমস্যাৰে জৰ্জৰিত গুৱাহাটী মহানগৰীৰ উন্নয়ন বিভাগৰ দায়িত্বত থকা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই প্ৰতিদ্বন্দ্বিতা কৰা সমষ্টি পূব গুৱাহাটীত আসন্ন নিৰ্বাচনত তুমুল যুঁজ হোৱাৰ সম্ভাৱনা আছে। অন্য তিনি সমষ্টিতকৈ পূব গুৱাহাটী সমষ্টিত আসন্ন নিৰ্বাচনত ভট্টাচাৰ্যৰ সন্মুখত প্ৰবল প্ৰত্যাহ্বান হিচাপে থিয় দিছে অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী অদীপ কুমাৰ ফুকনে। সমান্তৰালভাৱে কংগ্ৰেছৰ প্ৰাৰ্থী অসীমা বৰদলৈ আৰু নিৰ্দলীয় প্ৰাৰ্থী দিৱস ফুকনেও সমষ্টিটোত তুংগত কৰি তুলিছে প্ৰচাৰ অভিযান। উল্লেখ্য যে দীৰ্ঘদিন ধৰি মহানগৰবাসীয়ে খোৱাপানী আৰু ভূমি অধিকাৰক লৈ সংগ্ৰাম কৰি আহিবলগীয়া হৈছে আৰু আসন্ন নিৰ্বাচনত প্ৰতিজন বিৰোধী প্ৰাৰ্থীয়েই এই সমস্য দুটা মূল ইছ্যু হিচাপে লৈ নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। উল্লেখ্য যে ৰাজধানী মহানগৰীৰ অন্যতম পূব গুৱাহাটী সমষ্টিত প্ৰথম অৱস্থাত তিনিকোণীয়া যুঁজ হ'ব বুলি ৰাজনৈতিক বিশ্লেষকসকলে ধাৰণা কৰিছিল যদিও শেহতীয়াকৈ সমষ্টিটো বিজেপি প্ৰাৰ্থী সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু অজাপ প্ৰাৰ্থী অদীপ কুমাৰ ফুকনৰ মাজতে মূল যুঁজ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে সচেতন মহলে। বিশেষকৈ বিগত প্ৰায় ২০ বছৰ ধৰি ভূমি পট্টাৰ পৰা বঞ্চিত হৈ অহা মহানগৰীৰ ৮৫ হেজাৰ পৰিয়ালৰ নেতৃত্ববহনকাৰী সংগঠন ভূমি অধিকাৰ সংগ্ৰাম সমিতিয়ে আসন্ন নিৰ্বাচনত অজাপৰ প্ৰাৰ্থী ফুকন আৰু পশ্চিম গুৱাহাটী সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী কাজি নেকিব আহমেদক মুকলি সমৰ্থন জনোৱা কাৰ্যই বিশেষ ভূমিকা বহন কৰিছে। সমিতিৰ সভাপতি প্ৰবীণজ্যোতি কলিতাই 'দৈনিক অগ্ৰদূত'ৰ আগত এই কথা সদৰী কৰি কয় যে ২০১২ৰ পৰা ২০১৮লৈ মহানগৰীৰ প্ৰায় ২২ হেজাৰ পৰিয়ালে ভূমিপট্টা আবেদন কৰিছিল আৰু এখনো চৰকাৰে পট্টা দিবলৈ সক্ষম নহ'ল। ফলত আসন্ন নিৰ্বাচনত ইয়াৰ প্ৰত্যুত্তৰত এশিকনি দিয়াৰ বাবে সকলো পট্টাহীন পৰিয়ালক এই দুই প্ৰাৰ্থীক ভোট দান কৰি জয়ী কৰোৱালৈ আহ্বান জনোৱা হৈছে বুলি তেওঁ কয়। ইফালে, বিজেপি প্ৰাৰ্থী ভট্টাচাৰ্য আৰু কংগ্ৰেছৰ প্ৰাৰ্থী বৰদলৈয়ে সমষ্টিটোৰ ৱাৰ্ডে ৱাৰ্ডে কাৰ্যালয় স্থাপন কৰি ইখনৰ পাছত সিখন চমকপদ প্ৰচাৰ সভাত অংশ লৈছে যদিও ব্যতিক্ৰমৰূপত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে অজাপ প্ৰাৰ্থী ফুকনে। উল্লেখ্য যে বিগত দিনকেইটাৰ দৰেই আজি অজাপ প্ৰাৰ্থী ফুকনে দুপৰীয়াৰ পৰা নৰকাসুৰ পাহাৰ অঞ্চলৰ ২৫০ পৰিয়ালৰ ঘৰে ঘৰে উপস্থিত হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে ৰাইজৰ সমস্যাসমূহৰ বুজ লয়। মহানগৰীৰ অন্য প্ৰান্তৰ দৰেই উক্ত অঞ্চলৰো প্ৰধান সমস্যা খোৱাপানী বুলি ফুকনে সদৰী কৰি কয়, 'সমষ্টিটোৰ যিটো অঞ্চললৈয়ে গৈছো ৰাইজৰ খোৱাপানীৰ বাবে হাহাকাৰ। দ্বিতীয়তে অধিকাংশ অঞ্চলত বাট-পথৰ অৱস্থা জৰাজীৰ্ণ। পূব গুৱাহাটীত আঠটা পাহাৰ। পাহাৰ অঞ্চলত থকা ৰাইজ খোৱা পানীৰ লগতে বিভিন্ন সমস্যাত জৰ্জৰিত। আজিলৈকে চৰকাৰে মাটি পট্টা নিদিলে, তেওঁলোকৰ ওচৰলৈ নাযায় প্ৰতিনিধি। আজি সকলোৱে কাষত পায় তেওঁলোকৰ দুৰ্দশাসমূহৰ বিষয়ে কৈছে।' সমান্তৰালভাৱে নলা নিৰ্মাণৰ ব্যৱস্থাপনাটো মহানগৰীত চূড়ান্ত পৰ্যায়ত অস্বাস্থ্যকৰ বুলি ফুকনে সদৰী কৰি পুনৰ কয় যে মূল চান্দামাৰী অঞ্চলৰ পৰা ৰেল লাইনৰ কাষৰে ইছলামপুৰ হৈ যিটো নলা গৈছে সেইটো সম্পূৰ্ণ বন্ধ। মহানগৰীত এইধৰণৰ বহু বিষয় আছে। এখন বজাৰৰ অভাৱত হেজাৰ হেজাৰ লোকে পদপথৰ ওপৰত ব্যৱসায় কৰিবলগীয়া হৈছে। ২২ লাখ মানুহ বসতিপ্ৰধান গুৱাহাটীত এটা মাত্ৰ পাৰ্কিং। দৈনিক আঠ-লাখ যান-বাহন অহা-যোৱা কৰে। এইবোৰ বিষয়ত ৰাইজ অসন্তুষ্ট আৰু যোৱা পাঁচ বছৰে চৰকাৰে একো নকৰিলে বুলি ফুকনে উল্লেখ কৰি সমষ্টিবাসীৰ অফুৰন্ত সহাঁৰিত এইবাৰ তেওঁ জয়ী হোৱাটো প্ৰায় নিশ্চিত বুলি সদৰী কৰে।



# ৰূপহীহাটত দল বিৰোধী কাৰ্যকলাপত লিপ্ত হোৱাৰ অভিযোগত পাঁচ নেতাক বহিষ্কাৰ

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ৩১ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত ৰূপহীহাটত দল বিৰোধী কাৰ্যকলাপত লিপ্ত হোৱা বুলি কে'বাজনো নেতাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উঠিছে। মুকলিভাৱে দলীয় প্ৰাৰ্থী নাজিৰ হুছেইনৰ বিৰুদ্ধে অপপ্ৰচাৰত লিপ্ত হৈছিল। দলীয় বিসম্বাদী তীব্ৰ ৰূপ ধাৰণ কৰিছিল। কিন্তু শেহতীয়াকৈ দল বিৰোধী কাৰ্যকলাপত লিপ্ত হোৱা পাঁচজন নেতা-কৰ্মীক বহিষ্কাৰ কৰিবলৈ ৰূপহীহাট মণ্ডল বিজেপিয়ে ঊৰ্ধৰ্তন কৰ্তৃপক্ষলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে। ইতিমধ্যে কলিয়াবৰ জিলা বিজেপিৰ সভাপতি অনিল শইকীয়াই বহিষ্কাৰৰ প্ৰস্তাৱত অনুমোদন জনাইছে। বহিষ্কাৰ কৰা বিজেপি নেতাসকল হৈছে ক্ৰমে ৰূপহী মণ্ডলৰ সম্পাদক ছাহজাহান খান, আলী আজিৰ, ৰাজীৱ সৰকাৰ, জাকিৰ হুছেইন আৰু ৰফিকুল ইছলাম। উল্লেখ্য যে দল বিৰোধী কাৰ্যকলাপত লিপ্ত হোৱা বিজেপিৰ নেতা-কৰ্মীসকল দলটোৰ সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক উপ-সভানেত্ৰী ছালমা জেছমিনৰ সমৰ্থক বুলি ৰূপহীহাটৰ ৰাজনীতিত পৰিচিত। ছালমা জেছমিনে নগাঁও সদৰত দেখুওৱাকৈ বিজেপিৰ প্ৰাৰ্থী ৰূপক শৰ্মাৰ হৈ প্ৰচাৰ চলালেও ৰূপহীহাটৰ প্ৰাৰ্থী নাজিৰ হুছেইনৰ বিৰুদ্ধে মুকলিভাৱে প্ৰচাৰ চলাই কংগ্ৰেছ প্ৰাৰ্থী নুৰুল হুদাক সহায় কৰাৰ গুৰুতৰ অভিযোগ উঠিছিল।

# চাৰি এপ্ৰিলত বস্ত্ৰ নগৰী শুৱালকুছিৰ বালিচৰত অমিত শ্বাহ

## ভাগ ল'ব অন্তিম নিৰ্বাচনী প্ৰচাৰত

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩১ মাৰ্চ ঃ** ৰাজ্যৰ আন সমষ্টিৰ লগতে জালুকবাৰী সমষ্টিতো তৃতীয় তথা অন্তিম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। বিজেপিৰ ষ্টাৰ কেম্পেইনাৰ তথা মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ নিৰ্বাচনী প্ৰচাৰত ব্যস্ত আছে। ফলত নিজৰ সমষ্টি জালুকবাৰীত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অহৰি নাই। যাৰ বাবে সহধৰ্মিণী ৰিণিকি ভূঞা শৰ্মা আৰু বিজেপিৰ কাৰ্যকৰ্তাসকলে দিন-ৰাতি একাকাৰ কৰি মন্ত্ৰীৰ হৈ প্ৰচাৰ কাৰ্য তীব্ৰতৰ কৰি তুলিছে। সেয়েহে ২০১৬ৰ পুনৰাবৃত্তি ঘটাই এইবেলিও জালুকবাৰী সমষ্টিৰ বস্ত্ৰ নগৰী শুৱালকুছিত মাথোঁ এদিনৰ বাবে অৰ্থাৎ চাৰি এপ্ৰিলত মন্ত্ৰীজনে প্ৰচাৰৰ বাবে নিৰ্বাচনী জনসমাবেশৰ আয়োজন কৰিছে। ব্ৰহ্মপুত্ৰ পাৰৰ শুৱালকুছিৰ বালিচৰত অনুষ্ঠিত হ'ব লগা জনসভাত ভাৰতৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিশ্চিত উপস্থিতিৰ উপৰি বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক তথা সাংসদ দিলীপ শইকীয়া, অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাস, অগপৰ সভাপতি অতুল বৰা, ইউ পি পি এলৰ সভাপতি তথা বি টি আৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো আদি উপস্থিত থাকি নেডাৰ আহ্বায়ক তথা জালুকবাৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী ড০ শৰ্মাৰ হৈ নিৰ্বাচনৰ প্ৰচাৰ কৰিব। উল্লেখ্য যে সমষ্টিটোত বিগত ২০১৬ৰ বিধানসভা নিৰ্বাচনতো প্ৰচাৰৰ অন্তিম দিনটোতে মন্ত্ৰীজনৰ হৈ তেতিয়াৰ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহে ৰাইজক উদ্দেশি উদাত্ত ভাষণ দিছিল। কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ আগমনৰ বতৰা লৈ ইতিমধ্যে প্ৰশাসনে ক্ষেত্ৰ অধ্যয়ন কৰিছে। শুৱালকুছিৰ বালিচৰৰ সভাথলীৰ সমীপতে অসম সাহিত্য সভাৰ শুৱালকুছি অধিবেশনৰ বাবে নিৰ্মাণ কৰা তিনিওখন হেলিপেডো পৰ্যবেক্ষণ কৰি প্ৰশাসনে চাফ-চিকুন কৰা পৰিলক্ষিত হৈছে।



# প্ৰথম পৰ্যায়ত মহাজোঁটে ১৯-২০ খন

*তিনি পৃষ্ঠাৰ পৰা* মোগলক আমন্ত্ৰণ কৰা বুলি সৰৱ হৈ আহিছে। মোগলৰ জৰিয়তে এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমলক প্ৰধানকৈ ইংগিত কৰি আহিছে আৰু ইয়াক প্ৰত্যাহ্বান জনাই আজি সাংসদ তথা মহাজোঁটৰ অংশীদাৰ দল আঞ্চলিক গণ মৰ্চাৰ সভাপতি অজিত কুমাৰ ভূঞাই প্ৰশ্ন কৰে এনেদৰে 'আজিৰ গণতান্ত্ৰিক দেশত মোগল ক'ত? এই প্ৰশ্নৰ উত্তৰ আমাক দিয়ক। এইবোৰ প্ৰশ্নৰ অৱতাৰণাৰে বিজেপি আৰু দলটোৰ একাংশ নেতাই ধৰ্মীয় মেৰুকৰণৰ যিমানে চেষ্টা নচলাওক কিয়, সফল হ'ব নোৱাৰে। এইবাৰ আমাৰ মহাজোঁটৰ চৰকাৰ হ'বই। কোনেও এই গতিক বাধা দিব নোৱাৰে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনতে তাৰ স্পষ্ট উমান পোৱা গৈছে। হয়তো সেই বাবেই হিমন্ত বিশ্ব শৰ্মাৰ দৰে নেতা নাৰ্ভাছ হৈছে। হতাশা ঢাকিবলৈ বিভিন্ন অগ্ৰহণীয় কথা কৈ ফুৰিছে।' এই প্ৰসংগতে মন্ত্ৰী ড° শৰ্মাই হতাশাৰ বলি হৈ ভয়-ভাবুকি দেখুৱাবলৈও এৰা নাই বুলি ভূঞাই মন্তব্য কৰে। তেওঁ কয় যে মন্ত্ৰীজনে শেহতীয়াকৈ হাগ্ৰামা মহিলাৰীক এন আই এৰ দ্বাৰা গ্ৰেপ্তাৰ কৰা, কাৰাগাৰত ভৰাই থোৱা আদি ভাবুকি দিছে। এনে ভাবুকিক সকলোৱে একেমুখে গৰিহণা দিয়া উচিত। এন আই এক মন্ত্ৰী ড° শৰ্মাই চলাইছে নেকি বুলিও ভূঞাই প্ৰশ্ন কৰি কয়, 'আমি তেওঁক সতৰ্ক কৰি দিছো। এনে ধৰণৰ ভয়-ভাবুকি নিদিব। এইবোৰ কৰি একো লাভ নাই। প্ৰথম পৰ্যায়ত তেওঁলোকে আজমলৰ নামত ভোটৰ মেৰুকৰণৰ চেষ্টা কৰিও সফল নহ'ল। দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত বিজেপি নিশ্চিহ্ন হৈ যাব। অথচ এই পৰ্যায়ৰ বাবে বিজেপিয়ে প্ৰচাৰত সংখ্যালঘু প্ৰীতি দেখুৱাইছে।' প্ৰসংগক্ৰমে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত মহাজোঁটে কমেও ১৯-২০টা সমষ্টিত জয়লাভ কৰিব বুলি ভূঞাই দাবী কৰে। আঞ্চলিক গণমৰ্চাই বোকাখাতৰ লগতে দিছপুৰ সমষ্টিটো জয়লাভ কৰিব বুলি তেওঁ কয়। দিছপুৰৰ বিধায়ক তথা বিজেপিৰ প্ৰাৰ্থী অতুল বৰাক ভূঞাই অতি সুবিধাবাদী লোক আখ্যা দিয়ে।

# দ্বিতীয় পৰ্যায় বিজেপি মিত্ৰজোঁটৰ অগ্নিপৰীক্ষা

*তিনি পৃষ্ঠাৰ পৰা* বাবেই বিশেষকৈ বিজেপিয়ে প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ সমষ্টিকেইটাতে সৰ্বশক্তিৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। বিজেপিৰ বাবে দ্বিতীয় পৰ্যায়ত বৰাকৰ সমষ্টিকেইটাও অগ্নিপৰীক্ষা সদৃশ হৈ পৰিছে। কিয়নো ২০১৬ৰ নিৰ্বাচনত উপত্যকাটোৰ অধিকাংশ সমষ্টিত বিজেপিয়ে যি দপদপনি অব্যাহত ৰাখিবলৈ সক্ষম হৈছিল সেই ধাৰা এইবাৰো বাহাল থাকিব নে নাই তাক লৈ ব্যাপক চৰ্চা অব্যাহত আছে। কাৰণ এইবাৰ উপত্যকাটোৰ ১৫টা সমষ্টিত বিজেপি অকলে এটা ফালে থকাৰ বিপৰীতে আনটো ফালত আছে কংগ্ৰেছ আৰু এআইইউডিএফ। যোৱাবাৰ কংগ্ৰেছ আৰু এআইইউডিএফৰ ভোটৰ বিভাজনৰ সুযোগ লৈও বিজেপিয়ে উপত্যকাটোত সমষ্টি দখলত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। এইবাৰ কংগ্ৰেছ আৰু এআইইউডিএফ মিত্ৰতাৰে অৱতীৰ্ণ হোৱাত বিজেপিৰ বাবে প্ৰত্যাহ্বান অধিক হৈছে। অৱশ্যে তাৰ মাজতে উপত্যকাটোৰ বেছিভাগ সমষ্টিতে নিৰ্দলীয় প্ৰাৰ্থীৰ সংখ্যাধিক্যই শেষ মুহূৰ্তত ভোটৰ বিভাজন কিদৰে কৰিবলৈ সক্ষম হয় সেয়া লক্ষ্যণীয় হৈছে।

ইপিনে, কাইলৈ নিৰ্বাচনত আটাইতকৈ বয়স্থ প্ৰাৰ্থীজন হ'ল ৮২ বছৰীয়া দুলাল সূত্ৰধৰ। তেওঁ হোজাই সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। আনহাতে আটাইতকৈ কম বয়সীয়া প্ৰাৰ্থীৰ সংখ্যা হ'ল চাৰিগৰাকী। আটাইৰে বয়স ২৫ বছৰ। ইপিনে, কাইলৈ নিৰ্বাচনত সৰ্বাধিক ৩৪ গৰাকী প্ৰাৰ্থী আছে ভাৰতীয় জনতা পাৰ্টিৰ। ইয়াৰ পাছতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থীৰ সংখ্যা হ'ল ২৮ গৰাকী। এই পৰ্যায়ত অসম গণ পৰিষদৰ ছগৰাকী, এআইইউডিএফৰ সাত আৰু অসম জাতীয় পৰিষদ ১৯ গৰাকীৰ প্ৰাৰ্থীৰ ভাগ্যও নিৰ্ণয় হ'ব। দ্বিতীয় পৰ্যায়ত প্ৰাৰ্থী থকা আন কেইটামান দল হ'ল অল ইণ্ডিয়া ফৰৱাৰ্ড ব্লকৰ তিনি, তৃণমূল কংগ্ৰেছৰ পাঁচ, অসম জনমৰ্চাৰ এক, স্বায়ত্তশাসিত ৰাজ্য দাবী সমিতিৰ তিনি, বিপিএফৰ চাৰি, চি পি আইৰ এক, চি পি এমৰ এক, চি পি আই (এম-এল)ৰ তিনি, জনতা দল (ইউ)ৰ আঠ, জনতা পাৰ্টিৰ এক, এন পি পিৰ চাৰি, লোক জনশক্তি পাৰ্টিৰ এক আৰু ৰিপাব্লিকান পাৰ্টি অৱ ইণ্ডিয়াৰ এক। তদুপৰি নিৰ্দলীয়ৰ সংখ্যা হ'ল ১৭৬ গৰাকী। দ্বিতীয় পৰ্যায়ত সৰ্বাধিক ১৯ জন প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতা কৰা সমষ্টিটো হ'ল আলগাপুৰ। আনহাতে, মাত্ৰ দুজন প্ৰাৰ্থী থকা সমষ্টিটো হ'ল ওদালগুৰি।

কাইলৈ ভাগ্য নিৰ্ণয় হ'বলগীয়া উল্লেখযোগ্য প্ৰাৰ্থীৰ ভিতৰত আছে কমলাক্ষ্য দে পুৰকায়স্থ, বিধানসভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ, মন্ত্ৰী পৰিমল শুক্লবৈদ্য, প্ৰাক্তন মন্ত্ৰী ছিদ্দেক আহমেদ, আন এজন প্ৰাক্তন মন্ত্ৰী তথা বৰাকৰ ৰজা গৌতম ৰয়, অসম বিধানসভাৰ প্ৰাক্তন উপাধ্যক্ষ দিলীপ কুমাৰ পাল, মন্ত্ৰী ভবেশ কলিতা, মন্ত্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ছুম ৰংহাং, প্ৰাক্তন মন্ত্ৰী ডাঃ নজৰুল ইছলাম, জয়ন্তমল্ল বৰুৱা আৰু মন্ত্ৰী ৰিহন দৈমাৰী।

# পদুমেই হাতী আৰু হাতীয়েই পদুম ঃ শৰ্মা

*তিনি পৃষ্ঠাৰ পৰা* অগপ প্ৰাৰ্থী আৰু বাগ্‌সা জিলাৰ ছাপাগুৰি আৰু তামুলপুৰত ইউপিপিএলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় ড° শৰ্মাই। বৰপেটা বিধানসভা সমষ্টিৰ অগপ প্ৰাৰ্থী তথা বিধায়ক গুণীন্দ্ৰ নাথ দাসৰ হৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে হেলিকপ্টাৰযোগে বৰপেটা পৌৰসভাৰ খেলপথাৰত উপস্থিত হৈ কে'বা সহস্ৰাধিক ৰাইজক উদ্দেশি তেওঁ কয়, 'পদুমেই হাতী আৰু হাতীয়েই পদুম। সেয়ে বৰপেটা বিধানসভা সমষ্টিত সকলোৱে হাতীৰ ছবিত ভোট দিয়ক।' বিজেপি চৰকাৰ অহাৰ পাছত ৰাজ্যত উন্নয়ন হৈছে বুলি কোৱাৰ লগতে বৰপেটাত বৃহৎ কেঞ্চাৰ হাস্পতাল নিৰ্মাণৰ কাম চলি থকা বুলি উল্লেখ কৰি তেওঁ কয় যে কংগ্ৰেছৰ দিনত কেৱল ধুতি, লুঙী, সূতা, আঁঠুৱা আৰু কম্বলহে দিছিল। কংগ্ৰেছৰ গেৰাণ্টীক কটাক্ষ কৰি কয়, 'টাটা কোম্পানীয়ে গেৰাণ্টী নিদিয়ে। হঠাৎ ভাল বস্তুৰ গেৰাণ্টী নিদিয়ে বুলি উল্লেখ কৰি যিয়ে গেৰাণ্টী থকা বুলি কয় সেই বস্তুৰ আৰু কাম নাই। পৃথিৱীৰ সকলো খাটৰা বস্তু সেইবোৰহে যিবোৰ গেৰাণ্টী দিয়ে। মোৰ ওপৰত থকা ভৰসা আৰু বিশ্বাসৰ বাবেই মানুহে মাস্ক পিন্ধা নাই।' নিৰ্বাচনৰ পাছত তলাবন্ধ হ'ব বুলি মানুহৰ মুখে মুখে চলি অহা প্ৰসংগত তেওঁ কয়, 'নিৰ্বাচনৰ পাছত তলাবন্ধ নহয়। বিহু হ'ব। যোৱাবাৰ বহুতে জুবিনৰ গান শুনিব নোৱাৰিলে। সেয়েহে এইবাৰ বিহু পাতিব। অৱশ্যে নিৰ্বাচনৰ পাছত কংগ্ৰেছৰ ঘৰবোৰতহে তলাবন্ধ হ'ব। আমি বিহু চাম আৰু কংগ্ৰেছৰ ঘৰত তলা ওলমাই থম।' আনহাতে, বন্ধন আৰু মাইক্ৰ' ফাইনেন্সৰ ঋণৰ পৰা মুক্তি, অৰুণোদয় আঁচনিৰ ধন প্ৰতি মাহে তিনি হেজাৰলৈ বৃদ্ধি, সকলো মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তক অৰুণোদয়ত অন্তৰ্ভুক্তি, চৰকাৰৰ প্ৰথম বছৰটোত এক লাখ লোকক চাকৰি, স্বয়ম আঁচনিৰ জৰিয়তে ১০ লাখ নিবনুৱা স্বাৱলম্বী কৰি তোলা, মহিলা আত্মসহায়ক গোটসমূহক প্ৰথম দুটা বছৰত এক লাখ আৰু পাছত তিনিটা বছৰত দুই লাখ টকাৰ আৰ্থিক অনুদান দিয়া হ'ব বুলি তেওঁ উল্লেখ কৰে। অগপৰ প্ৰাৰ্থী গুণীন্দ্ৰ নাথ দাসক হাতীৰ ছবিত ভোট দিবলৈ সকলোকে আহ্বান জনাই তেওঁ ধেমেলীয়া কথাৰে জালুকবাৰী সমষ্টিৰ ভোটগ্ৰহণৰ দিন পাহৰি যাব বুলিও উল্লেখ কৰে। আনহাতে, পূৰ্বৰে পৰা মোগল আৰু সভ্যতাৰ যুঁজৰ কথা কৈ অহা ড° শৰ্মাই আজি সুৰ সলনি কৰি কয়, 'এইবাৰ আমাৰ জাতি দুটা। ধনী আৰু দুখীয়া। ধনীক আমি বিৰোধ নকৰো। কিন্তু দুখীয়াক ধনী কৰিব খোজো। দুখীয়াৰ চকুপানী মচিবলৈ ৰাইজৰ আশীৰ্বাদ কামনা কৰো।' কংগ্ৰেছক ন-বোৱাৰীৰ স'তে তুলনা কৰি ইভিএমত থকা কংগ্ৰেছৰ হাতৰ ছবিখন মৰম কৰি থৈ দিবলৈ কৈ অগপৰ হাতীৰ ছবিৰ বুটামত বৰপেটাৰ ফাকুৱা খেলি বুটামৰ ৰং সলনি কৰি দিবলৈ আহ্বান জনায়।

আনহাতে, সভাত উপস্থিত থকা অগপৰ সভাপতি তথা কৃষিমন্ত্ৰী অতুল বৰাই ৮০ হেজাৰ ভোটত জিকিব বুলি দাবী কৰি কয় যে বিজেপিয়ে প্ৰথম পৰ্যায়ত জিকিছে আৰু দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণতো ভগৱানে কৃপা কৰিলে ভালেই হ'ব। ইপিনে, উজনি অসমত বিজেপিৰ খুব ভাল হ'ব বুলি দাবী কৰি তেওঁ কয় যে উজনি অসমত কংগ্ৰেছ মহাজোঁটৰ একোৱেই নাই বুলি কয়। ২০১৬তকৈ অধিক আসন লাভ কৰি দিছপুৰত মিত্ৰজোঁটৰ চৰকাৰ গঠন কৰিব বুলি কয় বৰাই। অসম বচাওঁ নহয়, কংগ্ৰেছক বচাবৰ বাবেহে ৰাইজৰ মাজত কংগ্ৰেছৰ নেতাসকলে ঘূৰি ফুৰিছিল বুলিও দাবী কৰে অগপৰ সভাপতিজনে।

ইফালে, সৰুক্ষেত্ৰী সমষ্টিৰ অগপৰ প্ৰাৰ্থী তথা জনপ্ৰিয় কণ্ঠশিল্পী কল্পনা পাটোৱাৰীৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলায় মন্ত্ৰী শৰ্মাই। তেওঁ কয়, 'পদুম ফুলত ভোট দিয়া মানে হাতীৰ ছবিত ভোট দিয়া আৰু হাতীৰ ছবিত ভোট দিয়া মানে পদুম ফুলত ভোট দিয়া। অগপ-বিজেপিক ভোট দিয়া মানে সৰ্বানন্দ সোণোৱাল, নৰেন্দ্ৰ মোদী, অমিত শ্বাহক শক্তিশালী কৰা।' সমষ্টিটোৰ সৰ্থেবাৰীত অনুষ্ঠিত প্ৰচাৰ সভাত তেওঁ কয় যে উচ্চতৰ মাধ্যমিকৰ ছাত্ৰীকেই নহয়, স্নাতক, বিশ্ববিদ্যালয়ৰ ছাত্ৰীয়েই বিজেপি চৰকাৰ গঠন হ'লে স্কুটী লাভ কৰিব। একেদৰে, বিজেপি ৰঙৰ মটৰ চাইকেল প্ৰদান কৰা হ'ব ছাত্ৰসকলকো। প্ৰেয়সীক নহয় মাক-ভনীয়েকক উঠাব পাৰিব স্কুটীত। স্কুটী, মটৰ চাইকেলত তেল ভৰাবলৈ নাইবা টিফিনৰ বাবে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ পৰিসংখ্যা চাই এশ টকাকৈ প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। সৰুক্ষেত্ৰী সমষ্টিৰ মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী কল্পনা পাটোৱাৰীক ভোট দিবলৈ আহ্বান জনাই তেওঁ কয় যে এআইইউডিএফৰ আজমল চাহাবে মহিলাসকলে যিমান পাৰে সন্তান জন্ম দিয়াটো বিচাৰে। তেওঁ আমাৰ মহিলাসকলক ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাটো নিবিচাৰে। যদি মোদীৰ অসম লাগে তেন্তে সৰুক্ষেত্ৰীৰ ৰাইজে অগপৰ হাতীৰ ছবিত ভোট দি কল্পনা পাটোৱাৰীক জয়যুক্ত কৰিবলৈ তেওঁ দাবী জনায়। আনহাতে, চাকৰি পোৱাসকলে এতিয়াৰে পৰা পিতৃ-মাতৃৰ নামত ২০ হেজাৰ দৰমহা পালে তিনি হেজাৰ জমা কৰিব লাগিব বুলিও কয় মন্ত্ৰীজনে।

ইপিনে, পৃথক নিৰ্বাচনী সভাত অগপৰ সভাপতি অতুল বৰাই কল্পনা পাটোৱাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই কয় যে পুনৰ অসমত বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰ হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত কংগ্ৰেছ বিপৰ্যস্ত হৈছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনতো কংগ্ৰেছ বিপৰ্যস্ত হ'ব। কংগ্ৰেছ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰত নিয়োজিত দল বুলিও উল্লেখ কৰে। সভাত প্ৰাৰ্থী কল্পনা পাটোৱাৰীৰ লগতে প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদ দাস, বিজেপি নেতা নগেন চৌধুৰী প্ৰমুখ্যে দলীয় নেতাসকল উপস্থিত থাকে।

ইপিনে, ভৱানীপুৰ বিধানসভা সমষ্টিৰ অগপ প্ৰাৰ্থী ড° ৰণজিত ডেকাৰ সমৰ্থনতো ভৱানীপুৰৰ পুঠিমাৰীৰ বিহুতলীত নিৰ্বাচনী প্ৰচাৰ চলায় নেডাৰ আহ্বায়ক ড° শৰ্মাই। কংগ্ৰেছ আৰু বদৰুদ্দিন আজমলৰ বিৰুদ্ধে সৰৱ হৈ পৰা ড° শৰ্মাই কয়, 'আজমলে বিচাৰে মোল্লা, আমি বিচাৰো ডাক্তৰ, ইঞ্জিনিয়াৰ। আজমলে কৈছে চৰকাৰ হ'লে মাদ্ৰাছা খুলিব। আমি কৈছো চৰকাৰ হ'লে মেডিকেল-ইঞ্জিনিয়াৰিং কলেজ খুলিম। এয়াই হৈছে সভ্যতাৰ যুঁজ।' বহুতে তেওঁক মুছলমান বিদ্বেষী বুলি প্ৰশ্ন কৰাৰ কথা উল্লেখ কৰি কয়, 'মই মুছলমান বিদ্বেষী নহয়। মই মুছলমান ছোৱালীবিলাকক ডাক্তৰ, ইঞ্জিনিয়াৰ, শিক্ষিত হোৱাটো বিচাৰো। কিন্তু আজমলে মহিলাসকলক সন্তান জন্ম দিয়া ফেক্টৰী হোৱাটো বিচাৰে। আজমলে ১২ বছৰত ছোৱালী বিয়া হৈ ১৬ বছৰত দুই ডজন সন্তান জন্ম হোৱাটো বিচাৰে। আজমলে ল'ৰাবিলাকক মোল্লা বনাব বিচাৰে। কিন্তু আমি ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাটো বিচাৰো।' আজমলে ওপৰত আল্লা, তলত আজমল থাকে বুলি কোৱা প্ৰসংগত কয় যে আমি ঈশ্বৰ-আল্লা সকলো ওপৰত থাকে।

আনহাতে, কংগ্ৰেছৰ পাঁচটা গেৰাণ্টী সংক্ৰান্তত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে আমি ৰাইজক গেৰাণ্টী নিদিও। বিশ্বাসহে দিও। বৰ্তমান কিমানজন মানুহে মুখত মাস্ক পিন্ধে বুলি প্ৰশ্ন কৰে। ইপিনে, ভৱানীপুৰ সমষ্টি এআইইউডিএফৰ প্ৰাৰ্থী ফণী তালুকদাৰক ব'হাগত কুলি চৰাই অহাৰ দৰে নিৰ্বাচন আহিলেই ভৱানীপুৰত ভৰি দিয়ে বুলি উল্লেখ কৰে। ইপিনে, অসমৰ মানুহে এইবাৰ ভৱানীপুৰত এআইইউডিএফ হৰাটো বিচাৰে বুলি উল্লেখ কৰি তেওঁ ভৱানীপুৰত ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ নামত অভিযান্ত্ৰিক মহাবিদ্যালয়, নাৰ্ছিং কলেজ আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আনহাতে, অগপৰ সভাপতি অতুল বৰায়ো দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই কয় যে এইবেলি উন্নয়নৰ স্বাৰ্থত পৰিৱৰ্তন বিচাৰি অগপৰ প্ৰাৰ্থীক ভোট দিয়ক। ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ ভৱানীপুৰত কংগ্ৰেছ আৰু এআইইউডিএফৰ প্ৰাৰ্থী জয়ী হোৱাটো দুৰ্ভাগ্যজনক বুলিও তেওঁ উল্লেখ কৰে। এই সভাত অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত প্ৰাক্তন বিধায়ক ড° মনোৰঞ্জন দাস, ইউপিপিএলৰ কেন্দ্ৰীয় নেতা কনক চন্দ্ৰ বড়ো আদি উপস্থিত থাকে।

ইফালে, বাগ্‌সা জিলাৰ ছাপাগুৰি বিধানসভা সমষ্টিৰ মিত্ৰজোঁট ইউপিপিএলৰ প্ৰাৰ্থী উৰ্খাও গৌৰা ব্ৰহ্মৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায় ড° শৰ্মাই। জালাহৰ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ ক্ষেত্ৰত অনুষ্ঠিত সভাত ড° শৰ্মাই কয়, 'অসমত বিজেপিৰ নেতৃত্বত চৰকাৰ হ'ব লাগিলে ট্ৰেক্টৰ লাগিব। ট্ৰেক্টৰ অবিহনে বিজেপিৰ চৰকাৰ নহ'ব। বিজেপিৰ চৰকাৰ যদি লাগে ট্ৰেক্টৰত ভোট দিব লাগিব। এতিয়া ট্ৰেক্টৰ মানে পদুম, পদুম মানে ট্ৰেক্টৰ। বিটিচিৰ পৰা হাগ্ৰামা মহিলাৰীৰ নাঙল সংগ্ৰহালয়লৈ যাব আৰু ট্ৰেক্টৰ দিছপুৰলৈ যাব। ফুটবল এটা খেলি ভাল লাগে যদিহে বলটোৰ পাম্প থাকে। কিন্তু হাগ্ৰামাৰ ফুটবলত এতিয়া পাম্প নাই।' সমষ্টিটোৰ বিপিএফৰ প্ৰাৰ্থী হিতেশ বসুমতাৰীৰ কেতিয়াবাই পাম্প শেষ হোৱা বুলি উল্লেখ কৰি কয় যে ইউ জি ব্ৰহ্মাই জয়ী হৈ অসমৰ ডাঙৰ দায়িত্ব পাব। প্ৰমোদ বড়োৰ নেতৃত্বত বিটিচি চৰকাৰ গঠনৰ পাছৰে পৰা সকলো জাতি-জনগোষ্ঠীৰ নিৰাপত্তা সুনিশ্চিত হৈছে বুলিও তেওঁ দাবী কৰে। আনহাতে, ইউপিপিএলৰ প্ৰাৰ্থী ইউ জি ব্ৰহ্মাই হাগ্ৰামা মহিলাৰীৰ ১৭ বছৰীয়া অপশাসনৰ ওৰ পেলাই বিটিচিৰ পৰা চিৰদিনৰ বাবে উগ্ৰপন্থী সমস্যা সমাধান কৰা হৈছে বুলি দাবী কৰে। তদুপৰি তেওঁক চালানী প্ৰাৰ্থী বুলি কৰা সন্দৰ্ভত কয় যে এই প্ৰচাৰ যিমানে চলোৱা হৈছে সিমানে মোৰ ভোট বৃদ্ধি পাইছে। কাৰণ মই অসমৰ মানুহ। বিটিচিৰ মানুহ। আজিৰ এই সভাত মুছলপুৰ জিলা ইউপিপিএলৰ সাধাৰণ সম্পাদক দয়াল শৰণীয়া, কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, ঘনশ্যাম দাস, বড়ো কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী সদস্য ৰমিঅ' পি নাৰ্জাৰী আদি উপস্থিত থাকে।

ইফালে, তামুলপুৰ বিধানসভা সমষ্টিৰ ইউপিপিএলৰ প্ৰাৰ্থী লেহোৰাম বড়োৰ হৈ আজি সমষ্টিটোৰ কুমাৰীকাটা ঢেকিয়াবস্তিত নিৰ্বাচনী প্ৰচাৰ চলায় মন্ত্ৰী ড° শৰ্মাই। এইবাৰ ৰাজ্যত বিজেপি-অগপ-ইউপিপিএল-জিএছপি মিত্ৰজোঁটৰ চৰকাৰ হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে কংগ্ৰেছ-আজমলৰ কোলাত উঠিছে হাগ্ৰামা মহিলাৰী। নিৰ্বাচনৰ পাছত হাগ্ৰামাৰ নাঙল থকা মিউজিয়ামত আজমলৰ তলা ওলমিব। ইউপিপিএলৰ নেতা মুজিব আলি আহমেদৰ সঞ্চালনাত অনুষ্ঠিত সভাত নেডাৰ আহ্বায়কজনে নিৰ্বাচনত জয়ী হ'লে সমষ্টিটোত পাগলাদিয়াৰ নদীৰ ওপৰত পুনৰ এখন দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। বিটিআৰৰ কাৰ্যবাহী সদস্য ৰনেন্দ্ৰ নাৰ্জাৰী, প্ৰাক্তন কাৰ্যবাহী সদস্য দেবেন বড়ো আদি সভাত উপস্থিত থাকে।

# মুছলিম মহিলাৰ ভোটাৰ শ্লিপত আহিল বড়ো জনগোষ্ঠীৰ মহিলাৰ নাম

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৩১ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনলৈ কেইঘণ্টামান বাকী থকা অৱস্থাত দৰং জিলাৰ দলগাঁৱত ভোটাৰ শ্লিপত এগৰাকী মুছলিম মহিলাৰ নামৰ ঠাইত হিন্দু মহিলাৰ নাম সন্নিবিষ্ট হোৱাৰ ঘটনা পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দৰং জিলাৰ দলগাঁও বিধানসভা সমষ্টিৰ নমাটি গাঁৱৰ ৰহিম বাদশ্বাৰ পত্নী হনুফা খাতুনৰ নামৰ ঠাইত ভাৰতীয় নিৰ্বাচন আয়োগে দিয়া ভোটাৰ শ্লিপত নাম আহিছে পদ্ম স্বৰ্গীয়াৰী খাতুন। স্বামী ৰহিম বাদশ্বাৰ নামৰ ঠাইত গোপাল স্বৰ্গীয়াৰীৰ নাম সন্নিবিষ্ট হৈছে। কাইলৈ ভোটদানৰ দিনটোৰ প্ৰাকমুহূৰ্তত মহিলাগৰাকীৰ নামৰ ঠাইত বড়ো জনগোষ্ঠীৰ মহিলাৰ নাম সন্নিবিষ্ট হোৱা এনে আজৱ কাণ্ডত চিন্তাত ভাগি পৰিছে পৰিয়ালটো। নিৰ্বাচন আয়োগৰ এনে আজৱ কাণ্ডৰ বাবে দলগাঁৱতো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি উপায়ান্তৰ হৈ ভুক্তভোগী মহিলাগৰাকীয়ে সংবাদ মাধ্যমৰ কাষ চাপে। এনে বিভ্ৰান্তিকৰ ভোটাৰ শ্লিপ লৈ মহিলাগৰাকীয়ে এতিয়া ভোটদান কৰিব পাৰিব নে নাই তাকে লৈ সৃষ্টি হৈছে অনিশ্চয়তাৰ।

# ৰাজ্যত ব্যাপক হাৰত উলংঘা

*তিনি পৃষ্ঠাৰ পৰা* বিধি উলংঘাৰ অভিযোগ বিভাগে লাভ কৰে। তাৰে ৯০৮ অভিযোগ সত্যতা নিৰূপণ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই অভিযোগসমূহ চি ভিজিল এপৰ জৰিয়তে লাভ কৰা বুলি খাড়ে সদৰী কৰে। ইয়াৰ উপৰি 'বি' ৯ প্ৰপত্ৰৰ যোগেদিও ১,৪২৪টা অভিযোগ লাভ কৰা হৈছে।

ইপিনে, যোৱা ২৬ ফেব্ৰুৱাৰীত আচৰণ বিধি বলৱৎ হোৱাৰ পৰা অসমত প্ৰথমবাৰৰ বাবে জব্দ হৈছে অভিলেখ সংখ্যক নগদ ধন আৰু অন্যান্য সা-সামগ্ৰী। এই সকলোৰে মূল্য হ'ল ১১০.৮৩ কোটি টকা। তেনে সা-সামগ্ৰীৰ ভিতৰত আছে সোণ-ৰূপৰ অলংকাৰ, চোৰাং সামগ্ৰী, নিষিদ্ধ সা-সামগ্ৰী আৰু সুৰা। বিভাগীয় তথ্য অনুসৰি, কালি পৰ্যন্ত জব্দ হোৱা নগদ ধনৰ পৰিমাণ হ'ল ২৪.৫০ কোটি টকা। আনহাতে, অবৈধ সুৰাকে ধৰি জব্দ কৰা অন্যান্য সামগ্ৰীৰ মূল্য হ'ল ৮৬.৩২ কোটি টকা। জব্দ সুৰাৰ মূল্য হ'ল ৩৩.৩৪ কোটি টকা। তেনেদৰে ড্ৰাগছ জব্দ হৈছে ৩৪.২৯ কোটি টকাৰ। ইপিনে, ৩.৬৮ কোটি টকা মূল্যৰ ২,৫৮২.৫ গ্ৰাম সোণ-ৰূপৰ অলংকাৰ জব্দ কৰা হৈছে। ইয়াৰ উপৰি ১৪.৯১ কোটি টকাৰ অবৈধ বিদেশী-চিগাৰেট, জালুক আদি জব্দ কৰা হয়।

প্ৰসংগক্ৰমে বিভাগটোৰ আন এক তথ্য অনুসৰি, ব্যয় বিধি উলংঘনৰ ৫০খন এজাহাৰ পঞ্জীয়ন হৈছে। আবকাৰী আইন ভংগৰ অভিযোগ পঞ্জীয়ন হোৱা এজাহাৰৰ সংখ্যা হ'ল ৫,২৩৪খন।

# জাতীয়তাবাদৰ ঢৌত-ভাহি যাব

*তিনি পৃষ্ঠাৰ পৰা* অংশগ্ৰহণ কৰি ৰাজ্যিক সভাপতি লুৰীণজ্যোতিয়ে কয়, 'এইবেলি সমগ্ৰ ৰাজ্যজুৰি ভোটাৰ ৰাইজে পৰিৱৰ্তন বিচাৰিছে। যাৰ ফলশ্ৰুতিত বিজেপি শংকিত হৈ আবোল-তাবোল বকি প্ৰধানমন্ত্ৰী মোদী, গৃহমন্ত্ৰী অমিত শ্বাহকে আদি কৰি এজনৰ পাছত সিজনকৈ ষ্টাৰ কেম্পেইনাৰ আনি নিৰ্বাচনী প্ৰচাৰ চলাবলগীয়া হৈছে।' সমষ্টিটোৰ সীমান্তৱৰ্তী বৰ্ণিৰ পৰা কলিতাকুছিলৈ উলিওৱা এই পদযাত্ৰাত দলৰ মনোনীত প্ৰাৰ্থী দুলু আহমেদে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুমন হৰিপ্ৰিয়াক কটাক্ষ কৰি কয়, 'হাজোত এইবাৰ পদুম ফুল মৰহি যাব। এই মৰহি যোৱা পদুম ফুলৰ ওপৰেৰে পানী জাহাজ দিছপুৰলৈ যাব। বিগত বিধানসভা নিৰ্বাচনত সামান্য ভোটৰ ব্যৱধানত পৰাজিত হৈছিলো যদিও এইবেলি নিৰ্বাচনী যুঁজৰ মূল প্ৰতিদ্বন্দ্বীৰূপে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীতকৈ ২০ৰ পৰা ২৫ হেজাৰ ভোটৰ ব্যৱধানত বিজয়ী হ'ম।' পদযাত্ৰাত দুলু আহমেদৰ পত্নী ৰ'জি আহমেদ, অজাপৰ নেতা জিতেন্দ্ৰ ভৰালী, ৰমণী মালাকৰ, পুতুলী মহন্ত আদি উপস্থিত থাকে।

# ইনশ্বাল্লাহ অসমত পুনৰ হ'ব

*তিনি পৃষ্ঠাৰ পৰা* কয়, 'ইনশ্বাল্লাহ অসমত এইবাৰ বিজেপিৰ চৰকাৰ হ'ব। বগৰীগুৰীৰ ৰাইজে মোক মাত্ৰ দুহেজাৰ ভোট দিয়ক। যদি ৰাইজে মোক দুহেজাৰ ভোট দিব পাৰে তেন্তে মই বগৰীগুৰি ৰাইজৰ সদায় গোলাম হৈ থাকিম। যদি দুহেজাৰতকৈ এটাও কম ভোট পাওঁ তেন্তে বগৰীগুৰীলৈ আৰু মই জীৱনত কেতিয়াও নাহো। যদি বগৰীগুৰি ৰাইজক নলঝাৰা দলং লাগে তেতিয়া বিজেপিক ভোট দিব লাগিব।' তেওঁ কয় যে সৰভোগৰ নিলাজ মানুহখিনিয়ে চি পি এমক ভোট দিব। দাসে কয়, 'সৰভোগত ৰঞ্জিত দাস মানে শংকৰ দাস। শংকৰ দাস মানে ৰঞ্জিত দাস। সৰভোগৰ উন্নয়নৰ স্বাৰ্থতে শংকৰ দাসক ভোট দিব লাগে।' বিজেপি মিত্ৰজোঁটে অসমত পুনৰ চৰকাৰ গঠনৰ নিশ্চিতি প্ৰদান কৰি ৰাজ্যিক সভাপতিজনে সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী শংকৰে জয়লাভ কৰি বিধায়ক হ'ব পাৰিব বুলি দাবী কৰে ৰাজ্যিক সভাপতি দাসে। সভাত সৰভোগ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী শংকৰ চন্দ্ৰ দাস, গোৰ্ৰধনা মণ্ডল বিজেপিৰ সভাপতি জয়গুৰু ঘোষ, গোৰ্ৰধনা মণ্ডল সংখ্যালঘু মৰ্চাৰ সভাপতি নুৰ আলম খানকে ধৰি বহু নেতা-কৰ্মী আৰু ৰাইজ উপস্থিত থাকে।

# নগাঁও চহৰৰ বিভিন্ন স্থানত

*তিনি পৃষ্ঠাৰ পৰা* আৰু ফটোৰ তলত 'তেনেহ'লে মুছলমানৰ পৰা ভোট ভিক্ষা কিয় ৰূপক শৰ্মাৰ' বুলি উল্লেখ কৰা প'ষ্টাৰসমূহ সংগোপনে লগাই থয়। আন কেতবোৰ প'ষ্টাৰত 'বিজেপিৰ কাৰ্যালয়লৈ নগ'লে আঁচনিৰ সুবিধা নাপাব বুলি ভাবুকি দিয়া ৰূপক শৰ্মাক আমাক নালাগে, নগাঁওবাসী ৰাইজ ওলাই আহিছিল ৰাজপথলৈ, ৰূপক শৰ্মা ক'ত আছিল, মুছলমানৰ ভোট নালাগে, ৰূপক শৰ্মাক আমাক নালাগে' বুলি উল্লেখ থকা প'ষ্টাৰসমূহ চহৰখনৰ এডিপি কলেজৰ ওচৰত, কুঠাৰী ব্ৰাডাৰ্ছৰ ওচৰত, লক্ষীনগৰ চাৰিআলি, শেনছোৱাৰ আকাশ হুণ্ডাইৰ ওচৰত, নতুন বজাৰ, নগাঁও কলেজ চাৰিআলিৰ পেট্ৰ'ল পাম্পৰ ওচৰত, নগাঁও নাট্য মন্দিৰৰ ওচৰত, হৰিজন কল'নীৰ বিদ্যাপীঠৰ ওচৰত আজি পুৱা পৰিলক্ষিত হয়। ইয়াকে লৈ চহৰখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ছ'চিয়েল মিডিয়াত বহু লোকে ইয়াৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিজেপিৰ বিধায়কজনৰ সমৰ্থনত কয়, 'আমি ৰূপকদাক হে চিনি পাওঁ, তেওঁ এজন যোগ্য প্ৰাৰ্থী।' ইফালে ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে নগাঁও সদৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী তথা বিধায়ক ৰূপক শৰ্মাই। তেওঁ কয়, 'এনে কাৰ্যই বিজেপিক লাভান্বিতহে কৰিব। কাৰণ ৰাইজে গম পাইছে এয়া কংগ্ৰেছৰ কাণ্ড। এনেবোৰ কাম কৰি একো লাভ নাই। কংগ্ৰেছৰ এই ৰাজনীতিত নগাঁও সদৰ সমষ্টিৰ ৰাইজে ভোল নাযায়। সদৰ সমষ্টিৰ ৰাইজে ইতিমধ্যে সিদ্ধান্ত লৈছে। সকলো ফালৰ পৰা কংগ্ৰেছ বিফল হৈছে।'

# নিৰ্বাচনী প্ৰচাৰ এৰি বিপিএফ

*তিনি পৃষ্ঠাৰ পৰা* কালিৰ পৰা নোপোৱাত ব্যাপক ৰহস্যৰ সৃষ্টি হয়। আজি তেওঁৰ সন্ধান ওলায় মহানগৰীৰ ছয়মাইলস্থিত বিলাসী হোটেল লিলিৰ এটি কোঠাত। সমষ্টি এৰি গোপনে হোটেলৰ কোঠাত বাহৰ পতা বসুমতাৰীৰ এনে কাণ্ডৰ পাছতে পোহৰলৈ আহে যে তেওঁ সন্ধানহীন হৈ থকাৰ সময়তে বিপিএফ এৰি ইউপিপিএলতো যোগ দিছে। আজি নিশা সেই সন্দৰ্ভত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপস্থিতিত হোটেলখনত আনুষ্ঠানিক ঘোষণাৰো কথা আছিল বুলি সূত্ৰত প্ৰকাশ। সৰভোগত নিৰ্বাচনী প্ৰচাৰ চলাওঁতে আন্ধাৰ হোৱাত মন্ত্ৰী ড° শৰ্মা হেলিকপ্টাৰৰ পৰিৱৰ্তে পথেৰে গুৱাহাটীলৈ উভতিবলৈ বাধ্য হয়। ফলত আজি আনুষ্ঠানিক ঘোষণা নহ'ল।

ইপিনে, বসুমতাৰী নিৰুদ্দেশ হৈ থকা সন্দৰ্ভত তামুলপুৰ জিলা বিপিএফৰ কাৰ্যালয়ত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দলটোৰ নেতা তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য গণেশ কছাৰীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে সমষ্টিটোত বিপিএফৰ উত্থানত শংকিত হৈ বিজেপি আৰু ইউপিপিএলে বসুমতাৰীক 'হাইজেক' কৰি গুৱাহাটীলৈ লৈ গৈছে। কছাৰীয়ে লগতে কয় 'আজি ৰাতিৰ ভিতৰতে ৰংজা খুংগুৱে ইউপিপিএলত যোগ দিব। ৰংজা খুংগুৰ এজন মুৰ্খ আৰু ভয়াতুৰ লোক। তামুলপুৰত বিপিএফৰ জয় নিশ্চিত আছিল। বিজেপি আৰু ইউপিপিএলৰ পৰা অধিক ধনৰ টোপোলা লাভৰ আশাত ৰংজা খুংগুৱে নিৰ্বাচনৰ ৰণৰ পৰা পলায়ন কৰিছে। আমি ৰংজা খুংগুৰক চিনি পোৱাত ভুল কৰিলো। এতিয়াহে বুজি উঠিছো যে তেওঁ প্ৰাৰ্থিত্ব লাভ কৰোতে গভীৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল। কিন্তু তেওঁ পলায়ন কৰিলেও আমি কাইলৈৰ পৰা আমাৰ দলৰ প্ৰতীক নাঙলৰ ছবিত সমষ্টিৰ প্ৰতিজন ভোটাৰক ভোট দিবলৈ আহ্বান জনাম। বিটিচিত প্ৰাৰ্থী নহয়, প্ৰাৰ্টি চাইহে ৰাইজে ভোট দিয়ে। বিপিএফ এইবাৰ মহাজোঁট বন্ধৰ অংশীদাৰ আৰু এই মহাজোঁটে চৰকাৰ গঠন কৰাটো নিশ্চিত। তামুলপুৰ সমষ্টিটোত ৰাইজে বিপিএফৰ প্ৰতীক নাঙলত ভোট দি দলটোক বিজয়ী কৰাৰ পাছত সংবিধানৰ নিয়ম অনুযায়ী পৰৱৰ্তী সময়ত উপনিৰ্বাচন অনুষ্ঠিত হ'লে আমি এজন যোগ্য প্ৰাৰ্থীক সমষ্টিটোৰ পৰা বিজয়ী কৰাম।' ইপিনে, সমষ্টিটোত চৰ্চা হোৱা অনুসৰি ৰংজা খুংগুৰ বসুমতাৰীয়ে প্ৰাৰ্থিত্ব লাভৰ পাছত দলৰ শীৰ্ষ নেতাসকলৰ পৰা প্ৰচাৰৰ ক্ষেত্ৰত সহযোগিতা লাভ কৰা নাছিল। এককভাৱে তেওঁ প্ৰচাৰ চলাইছিল। ইয়াকে লৈ তেওঁ হতাশ হোৱা বুলি ঘনিষ্ঠ মহলকো অৱগত কৰিছিল। বসুমতাৰীৰ শেহতীয়া পদক্ষেপ ৰাজ্যৰ ৰাজনীতিত এক নজিৰবিহীন ঘটনা বুলিও চৰ্চা চলিছে।

# কংগ্ৰেছৰ গেৰাণ্টীত শংকিত বিজেপি

*তিনি পৃষ্ঠাৰ পৰা* সেয়া চৰকাৰ গঠনৰ লগে লগে কংগ্ৰেছে পালন কৰি দেখুৱাব।' নিজৰ ভাষণত গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো আক্ৰমণ কৰে। প্ৰধানমন্ত্ৰীয়ে ২৪ ঘণ্টাই মিছা কথাই কয় বুলি মন্তব্য কৰি কংগ্ৰেছৰ শীৰ্ষ নেতাজনে কয়, 'প্ৰধানমন্ত্ৰী মোদীৰ দৰে আমি মিছলীয়া নহয়। মোদীয়ে সঁচা কথা নকয়। অনবৰতে মিছা কথাৰ মাজেৰে ৰাইজক আভুৱা ভাৰি আহিছে। অসমীয়া ৰাইজক প্ৰবঞ্চনা কৰিছে। মোদীৰ নোটবন্দী আৰু ভুল জিএছটি প্ৰৱৰ্তনৰ সিদ্ধান্তই ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়ীক ৰামটাঙোন শোধালে।' গান্ধীয়ে লগতে কয় যে চৰকাৰৰ এনে হঠকাৰী সিদ্ধান্তৰ ফলত লাভৱান হ'ল দেশৰ একাংশ বছা বছা পুঁজিপতি। তেওঁ কয়, 'মোদীয়ে তেওঁৰ কেইজনমান পুঁজিপতি বন্ধুৰ স্বাৰ্থতে কাম কৰি আছে। দুখীয়া লোকক জিএছটিকে ধৰি বিভিন্ন কৰৰ বোজা জাপি দিছে। কিন্তু পুঁজিপতি বন্ধু কেইজনৰ স্বাৰ্থত হেজাৰ হেজাৰ কোটি টকা বেংকৰ ঋণ ৰেহাই দিছে। এয়াই হৈছে নৰেন্দ্ৰ মোদীৰ দুখীয়া প্ৰীতি।' গান্ধীয়ে লগতে কয় যে মহাজোঁটৰ চৰকাৰ গঠনৰ পাছতে নাগৰিকত্ব সংশোধিত আইন বাতিল কৰা হ'ব। গান্ধীয়ে লগতে কয় যে মহাজোঁটৰ চৰকাৰ হ'লে নাগপুৰ-দিল্লীৰ নিৰ্দেশত নহয়, অসমৰ ভূমিপুত্ৰ মুখ্যমন্ত্ৰী হ'ব। বিগত ৭০ বছৰে কংগ্ৰেছে একো কাম কৰা নাই বুলি বিজেপিয়ে কৰা সমালোচনাৰ প্ৰত্যুত্তৰত গান্ধীয়ে কয়, 'আজি বিজেপিৰ যিসকল নেতাই এই কথা কৈ আছে, তেওঁলোকে কংগ্ৰেছে বনোৱা বিদ্যালয়ত পঢ়িছে আৰু কংগ্ৰেছে বনোৱা মেডিকেলত জন্মগ্ৰহণ কৰিছে। তেওঁলোকৰ কংগ্ৰেছক সমালোচনা কৰাৰ অধিকাৰ নাই।' অসমৰ প্ৰধান সমস্যা হৈছে নিবনুৱা বুলি উল্লেখ কৰি গান্ধীয়ে কয়, 'সংস্থাপন আকাশৰ পৰা সৰি পৰা বস্তু নহয়। ইয়াক যাদুৰ দ্বাৰা আনিব পৰা নাযায়।' বিজেপিয়ে অসমৰ ভাষা-সংস্কৃতিত আক্ৰমণ কৰা বুলি মন্তব্য কৰি গান্ধীয়ে লগতে কয়, 'ইয়াত বিভিন্ন জাতি-ধৰ্মৰ লোক ঠিয় হৈ আছে, কোনেও কাজিয়া কৰা নাই। এয়ে হ'ল অসমৰ সংস্কৃতি। এই সংস্কৃতিৰ ওপৰত, ভাষা, বুৰঞ্জী আৰু ইতিহাসৰ ওপৰত বিজেপি আৰু আৰএছএছে আক্ৰমণ কৰি আছে। বিজেপিয়ে অসমীয়া ভাষাক ধ্বংস কৰিব বিচাৰিছে। অসমত ঘৃণা আৰু হিংসাৰ পৰিৱেশ কোনো কাৰণতে হ'বলৈ দিয়া নহ'ব।'

সভাত উপস্থিত থাকি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই কয়, 'আজি যেন এইখন নিৰ্বাচনী সভা নহয়, নিৰ্বাচনত জয়ী হোৱাৰ পাছত বিজয় উৎসৱহে। মহাজোঁট চৰকাৰৰ আন্তঃগাঁথনি ২৭ মাৰ্চতে নিৰ্মাণ হৈছে। দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত আৰু ভাল হ'ব। এইবাৰ মহাজোঁটে এশ আসন পাব।' দুৰ্নীতি-কেলেংকাৰিৰে বিজেপি নেতা নিশাৰ ভিতৰতে কোটিপতি হোৱা বুলিও বৰাই কয়। আনহাতে, ছত্তিছগড়ৰ মুখ্যমন্ত্ৰী ভূপেশ ৰাঘেলাই কয়, 'বিজেপিয়ে দেশৰ সম্পদ বিক্ৰী কৰি অৰ্থনীতি দুৰ্বল কৰি পেলাইছে।দেশৰ সম্পদ পুঁজিপতিক গতাই দিছে আৰু নিবনুৱাক সংস্থাপন দিয়াত ব্যৰ্থ হৈছে।' মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সমালোচনা কৰি ৰাঘেলে পুনৰ কয়, 'সৰ্বানন্দ সকলোৰে আনন্দ এতিয়া অসাৰ হৈছে। অসমত আনন্দ সকলোৰে হোৱা নাই। অসমত এতিয়া চুপাৰি, বালি, কয়লা ছিণ্ডিকেটৰাজৰ আনন্দ চলিছে।'

ইপিনে, বনগাঁৱত অনুষ্ঠিত সভাত কংগ্ৰেছৰ শীৰ্ষ নেতাজনে ছয়গাঁৱৰ বিধায়ক আহমেদ আৰু বকোৰ বিধায়িকা দাসৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লৈ কয় যে কংগ্ৰেছৰ চৰকাৰ হ'লে নাগৰিকত্ব সংশোধিত আইন বাতিল কৰাৰ লগতে পাঁচটা গেৰাণ্টী পূৰণ কৰা হ'ব। সেইদৰে মহাজোঁটৰ চৰকাৰ হ'লে দক্ষিণ কামৰূপ জিলাখন পুনৰ কাৰ্যকৰী কৰাৰো প্ৰতিশ্ৰুতি দিয়ে গান্ধীয়ে। শীৰ্ষ কংগ্ৰেছ নেতাজনে কয়, 'অসমৰ হৈ মাত মতাৰ বাবেই 'কা' আন্দোলনৰ প্ৰথম ছহিদ ছয়গাঁৱৰ দীপাঞ্জল দাসক আৰএছএছ-বিজেপিয়ে গুলীয়াই হত্যা কৰিলে। বিজেপিয়ে ভাই ভাইৰ মাজতেই সংঘাত লগাই আহিছে। বিজেপিৰ আগমন য'ত ঘটিছে, তাতেই এক মিনিটৰ ভিতৰত ভাই ভাইৰ মাজত সংঘাত হৈছে।' সভাত ছত্তিছগড়ৰ মুখ্যমন্ত্ৰী ৰাঘেলে কয়, 'কৰ'নাই পৃথিৱী কঁপাই তোলাৰ সময়ত আন দেশৰ প্ৰধানমন্ত্ৰীয়ে বৈজ্ঞানিকৰ স'তে পৰিত্ৰাণ সম্পৰ্কত যোগাযোগ কৰিছিল, সেই সময়ত আমাৰ গৰাকীয়ে বিজুলী বাতি 'অফ' কৰি কাঁহী-বাটি বজাবলৈ আহ্বান জনাইছিল।' দেশৰ সম্পদসমূহ বণিয়াৰ হাতত বিক্ৰী কৰি ইয়াতে ক্ষান্ত নাথাকি বিজেপি চৰকাৰে এতিয়া কৃষকৰ ভূমিৰ ওপৰত চকু দিয়া বুলিও ৰাঘেলে কয়। দুয়োখন সভাত কংগ্ৰেছ প্ৰাৰ্থীদ্বয়ৰ লগতে প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিং, নাজিৰাৰ বিধায়ক দেৱব্ৰত শইকীয়া, জ্যেষ্ঠ নেতা ভূপেন বৰা আদিও উপস্থিত থাকে।

# প্ৰাপ্য মজুৰি বিচৰা গৃহৰক্ষী জোৱানৰ

*তিনি পৃষ্ঠাৰ পৰা* সংঘটিত লাঠি চালনাৰ ঘটনাই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছে। ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ আদি বিভিন্ন জিলাৰ পৰা নিৰ্বাচনী দায়িত্ব পালন কৰিবলৈ দৰঙলৈ অহা গৃহৰক্ষী বাহিনীৰ জোৱানৰ ওপৰত এইদৰে আক্ৰমণ কৰাৰ ফলত বহু কেইগৰাকী জোৱান আঘাতপ্ৰাপ্ত হয়। উল্লেখ্য যে প্ৰথম পৰ্যায়ত উজনি অসমত হৈ যোৱা নিৰ্বাচনত নিষ্ঠাৰে কৰ্তব্য সম্পন্ন কৰাৰ পাছতো জোৱানসকলে প্ৰাপ্য ধন নোপোৱা বুলি অভিযোগ উঠিছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কোকৰাঝাৰ, গোৱালপাৰা, ধুবুৰী জিলাৰ পৰা প্ৰায় আঢ়ৈশ গৃহৰক্ষী জোৱানক যোৱা ২৮ মাৰ্চত দৰং আৰু ওদালগুৰি জিলালৈ আনিছিল। আজি জোৱানসকলে পূৰ্বৰ অভিজ্ঞতাৰ বাবে মঙলদৈ আৰক্ষী ছাউনিত সমবেত হৈ প্ৰাপ্য মজুৰি আদায় বিচাৰে। কিন্তু দৰং জিলা আৰক্ষী প্ৰশাসনে গৃহৰক্ষী জোৱানসকলে বিচৰা ধৰণে ধন আদায় দিবলৈ অমান্তি হোৱাৰ লগতে প্ৰতিজনক ছশ টকাকৈ দিবলৈ লোৱাত অসন্তুষ্ট হৈ কৰ্তব্য পালন নকৰাৰ সিদ্ধান্ত লয়। ইপিনে, প্ৰথম পৰ্যায়ত নিৰ্বাচনী দায়িত্ব পালন কৰি অহাৰ পাছত পাবলগীয়া ধন নোপোৱাৰ লগতে যোৱা ২৮ মাৰ্চত দৰং জিলা আহি পোৱাৰ পাছত কৰ্তৃপক্ষই তেওঁলোকৰ খোৱা-লোৱাৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাছিল বুলি অভিযোগ কৰে। তদুপৰি, মানুহ-গৰু নথকা অস্বাস্থ্যকৰ তথা লেতেৰা পৰিৱেশত তেওঁলোকক থাকিবলৈ দিয়া হৈছিল বুলি জোৱানসকলে অভিযোগ কৰে। এনে ক্ষোভৰ মাজতে আজি প্ৰাপ্য মজুৰি কমকৈ আদায় দিয়াত দৰং জিলা আৰক্ষীৰে বাক্যুদ্ধত লিপ্ত হয়। ইয়াতে ক্ষুণ্ণ হৈ দৰং জিলাৰ এগৰাকী উপ-আৰক্ষী অধীক্ষকৰ নিৰ্দেশ মৰ্মে জোৱানসকলৰ ওপৰত লাঠিচালনা কৰিবলৈ মিজো বেটেলিয়নৰ জোৱানক নিৰ্দেশ দিয়ে। মিজো বেটেলিয়নৰ নিৰ্বিচাৰ লাঠিচালনাত বহু জোৱান আহত হয়। আনকি একাংশ মহিলা গৃহৰক্ষী জোৱানকো পুৰুষ জোৱানে প্ৰহাৰ কৰা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে ভুক্তভোগীসকলে। এনে পৰিস্থিতিত চকী-মেজ লণ্ডভণ্ড হৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। খাকী পোছাকধাৰীৰ ওপৰত খাকী পোছাকধাৰী বাহিনীয়ে কৰা লাঠি চালনাৰ এনে ঘটনাই যুদ্ধসদৃশ পৰিৱেশৰ সৃষ্টি কৰে। ইপিনে, নিৰ্বাচনী দায়িত্ব পালন কৰিবলৈ অহা জোৱানসকলে হাতত ধন নথকা বাবে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। পাছত উপায়ান্তৰ হৈ গৃহৰক্ষী জোৱানসকলে ছেদেলি-ভেদেলি হৈ দৰং জিলা আৰক্ষীৰ বিৰুদ্ধে ক্ষোভ উজাৰি গৃহ অভিমুখে ৰাওনা হয়।

# অসমত বিজেপি-অগপৰ স'তে আজমল

*তিনি পৃষ্ঠাৰ পৰা* নেতৃত্বত অসমত বিজেপি চৰকাৰ হোৱাৰ পাছত অসমৰ উন্নয়ন যথেষ্ট হৈছে।' এইদৰেই আজি অসমত একাধিক নিৰ্বাচনী সভাত মন্তব্য কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। আজি কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে বিজনী, হাজো আৰু দিছপুৰৰ মিত্ৰজোঁটৰ বিজেপি প্ৰাৰ্থী ক্ৰমে অজয় কুমাৰ ৰায়, সুমন হৰিপ্ৰিয়া আৰু অতুল বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰতিখন সভাতে বিজেপিৰ উন্নয়ন আৰু আঁচনিৰ খতিয়ান দাঙি ধৰাৰ উপৰি শ্বাহে কংগ্ৰেছ আৰু বদৰুদ্দিন আজমলকো সমালোচনা কৰে।

চিৰাং জিলাৰ বিজনী বিধানসভা সমষ্টিৰ অন্তৰ্গত উলুবাৰীত অনুষ্ঠিত নিৰ্বাচনী সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে কয় যে বিগত বিধানসভা নিবাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি অসমক ইতিমধ্যে উগ্ৰপন্থীমুক্ত কৰা হৈছে। এইবাৰ পুনৰ শাসনলৈ আহিলে অসমত অধিক উদ্যমেৰে উন্নয়নৰ কাম কৰিব বুলি মন্তব্য কৰি শ্বাহে লগত কয়, 'কংগ্ৰেছৰ শাসন থকাৰ সময়ত উগ্ৰপন্থীয়ে অসমৰ মানুহক হত্যা কৰিছিল, কিন্তু তেওঁলোকে কোনো ব্যৱস্থা লোৱা নাছিল। আমি সেয়া কৰিলো বাবেই আজি অসমত শান্তিৰে সকলোৱে বসবাস কৰিবলৈ সক্ষম হৈছে।' কংগ্ৰেছক আক্ৰমণ কৰি শ্বাহে পুনৰ কয়, 'বিদেশী খেদা আন্দোলনত কংগ্ৰেছে অসমীয়া লোকক হত্যা কৰিছিল। আজি বিদেশীৰ ৰক্ষক আজমলৰ বোকোচাত উঠি কংগ্ৰেছে অসমত চৰকাৰ গঠনৰ চেষ্টা কৰিছে যদিও আমি সেয়া হ'বলৈ নিদিওঁ। কালাপাহাৰ আজমলৰ কান্ধত উঠি অহা কংগ্ৰেছে কিদৰে বিদেশীমুক্ত অসম গঢ়িব? কাৰণ আজমলেই বিদেশীৰ ৰক্ষক। নিৰ্বাচনী প্ৰচাৰত আহি ৰাহুল গান্ধীয়ে কৈছে অসমৰ পৰিচয় আজমল। আমি জনাত অসমৰ পৰিচয় শংকৰদেৱ, মাধৱদেৱ, ভূপেন হাজৰিকাহে। কংগ্ৰেছে আজমলৰ লগ লাগি অসমৰ পৰিচয় সলাব বিচাৰিছে। আমি সেয়া হ'বলৈ নিদিওঁ।' অসমক বানমুক্ত অসমৰূপে গঢ় দিয়াৰ বাবে প্ৰধানমন্ত্ৰীয়ে ছেটেলাইটৰ যোগে পৰ্যবেক্ষণ কৰি ব্যৱস্থা হাতত লোৱা বুলিও কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে জানিবলৈ দিয়ে। বিজেপিৰ দিনত অসমত সৰ্বতোপ্ৰকাৰে উন্নয়ন সাধন হোৱা বুলি উল্লেখ কৰি শ্বাহে এইবাৰ দিয়া সকলো প্ৰতিশ্ৰুতি পূৰণ কৰা হ'ব বুলিও মন্তব্য কৰে। কংগ্ৰেছক আক্ৰমণ কৰি শ্বাহে পুনৰ কয়, 'এইবাৰ অসমত বিজেপি-অগপৰ স'তে আজমল নেতৃত্বাধীন কংগ্ৰেছৰ যুঁজ হৈছে। কংগ্ৰেছে আজমলক লৈ অসমৰ কলা-সংস্কৃতি ৰক্ষা কৰিব বিচাৰিছে, কিন্তু নোৱাৰে; আমিহে পাৰিম। অসমক বিগত সময়ত যিদৰে ৰক্ষা কৰিছো, সেইদৰেই ৰক্ষা কৰিম।' তেওঁ বিজনীৰ প্ৰাৰ্থী ৰায়ক বিপুল ভোটত জয়ী কৰোৱাৰ আহ্বান জনায়।

লক্ষ্যণীয়ভাৱে বিজেপিৰ এই বিজয় সংকল্প সমাৰোহত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহ বা অন্যান্য নেতাসকলে মিত্ৰজোঁটৰ অন্যতম অংশীদাৰ ইউপিপিএল দলৰ লগতে কোনো নেতাৰ নাম উচ্চাৰণ কৰাৰ পৰা বিৰত থাকে। আনকি সভাস্থলীত ইউপিপিএলৰ এখন পতাকাও পৰিলক্ষিত নহ'ল। ইউপিপিএলৰ কোনো নেতাই আজিৰ সভাত অংশগ্ৰহণ নকৰিলে। উল্লেখ্য যে বিজনীত ইউপিপিএল দলে বিজেপিৰে বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতা কৰিছে। ইপিনে, শ্বাহৰ ভাষণৰ সময়ত সভাস্থলীৰ গৰিষ্ঠসংখ্যক আসন খালী থকা পৰিলক্ষিত হয়। আনকি ভাষণ চলি থকাৰ সময়তো বহু লোকে সভাস্থলী ত্যাগ কৰা দেখা যায়। উক্ত সভাত মন্ত্ৰী কেশৱ মহন্ত, বিজেপিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য বিমল অছৱাল, বিজেপি নেতা বিনোদ গন্তীয়া, মধ্যপ্ৰদেশ যুৱ মৰ্চাৰ সম্পাদক অশ্বিনী ৰায়, কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মন আদি উপস্থিত থাকে।

### হিন্দু-মুছলমান আমি সকলোৱে এনেকৈয়ে মিলিজুলি থাকিব লাগিব

কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে হাজোৰ বিজেপি প্ৰাৰ্থী হৰিপ্ৰিয়াৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লৈ হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰে। হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত সভাখনত শ্বাহে কয়, 'হিন্দু-মুছলমানৰ সমন্বয়ৰ মিলনভূমি তীৰ্থনগৰী হাজোলৈ আহি মই অভিভূত হৈছো। হিন্দু-মুছলমান আমি এনেকৈয়ে মিলিজুলি থাকিব লাগিব। ভাৰতবৰ্ষত এটাই মাত্ৰ দল আছে, সেয়া হ'ল বিজেপি; যিটো দলে হিন্দু-মুছলমানক সম অধিকাৰ দি আহিছে।' শ্বাহে লগতে কয় যে মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰতো হিন্দু-মুছলমান বুলি কোনো ভেদ ভাব কৰা হোৱা নাই। কংগ্ৰেছ-এআইইউডিএফক কটাক্ষ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে কয়, 'অসমত কংগ্ৰেছ শাসনলৈ আহিলে বদৰুদ্দিন আজমল মুখ্যমন্ত্ৰী হ'ব। কাজিৰঙা আৰু সত্ৰৰ ভূমি বেদখলকাৰীৰ পক্ষ লোৱা আজমলৰ লগ লাগিছে কংগ্ৰেছ।' অসমত আতংকবাদ নিৰ্মূল কৰি এখন সমৃদ্ধিশালী, বিকশিত অসম গঢ়ি তোলাটোৱেই বিজেপিৰ মূল লক্ষ্য বুলিও তেওঁ কয়। ৰাজ্যত পুনৰ বিজেপি চৰকাৰ হ'লে ১০ লাখ নিবনুৱাক কৰ্ম সংস্থাপন দিয়া হ'ব বুলিও তেওঁ ঘোষণা কৰে। হাজোৰ বিজেপি প্ৰাৰ্থী হৰিপ্ৰিয়াক তেওঁ নিজে এইবাৰ দলীয় টিকট প্ৰদান কৰা বুলি উল্লেখ কৰি শ্বাহে প্ৰাৰ্থীগৰাকীক জয়যুক্ত কৰিবলৈ ৰাইজক আহ্বান জনায়। উল্লেখ্য যে সভাত ৰাজ্যিক বিজেপিৰ তত্বাৱধায়ক বৈজয়ন্ত জয় পাণ্ডা, সাংসদ দিলীপ শইকীয়া, কুইন ওজা, মন্ত্ৰী কেশৱ মহন্ত, অগপ নেতা নুৰুল হুছেইন আদি উপস্থিত থাকে।

### কংগ্ৰেছ আহিলে অসম বিদেশীৰ চৰণীয়া পথাৰ হ'ব

'কংগ্ৰেছ দল হ'ল সাম্প্ৰতিক দল। কংগ্ৰেছে বিভাজনৰ ৰাজনীতিৰে অসমত বড়ো-অবড়ো, বাঙালী-অসমীয়া আদিৰ মাজত ভ্ৰাতৃঘাতী সংঘৰ্ষৰ বাবে উচতাই আহিছে। কংগ্ৰেছে মিঞা আজমলৰ লগত মিতিৰালি কৰি যি নিৰ্বাচনী বৈতৰণী পাৰ হ'ব খুজিছে, সেয়া দিবা-স্বপ্নৰ বাদে আন একো নহয়।' দিছপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী অতুল বৰাৰ হৈ চলোৱা প্ৰচাৰত শ্বাহে এই মন্তব্য কৰে। সমষ্টিটোৰ অন্তৰ্গত সোণাপুৰত আয়োজিত সভাখনত বিপুল সংখ্যক লোকৰ সন্মুখত দলীয় প্ৰাৰ্থী বৰাক ভোট দিবলৈ আহ্বান জনাই কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে বিজেপিৰ উন্নয়নৰ কথা দোহাৰে। অসমৰ পৰিচয় বদৰুদ্দিন আজমল হ'ব নোৱাৰে বুলি মন্তব্য কৰি শ্বাহে পুনৰ কয়, ' অসমৰ পৰিচয় মা কামাখ্যা ধাম হ'ব পাৰে, মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱ হ'ব পাৰে, মোগলক হৰুওৱা বীৰ লাচিত হ'ব পাৰে, কাজিৰঙা অভয়াৰণ্য অথবা গঁড় হ'ব পাৰে; কিন্তু আজমল কেতিয়াও হ'ব নোৱাৰে।' কংগ্ৰেছক সমালোচনা কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে কয়, 'কংগ্ৰেছ শাসনলৈ আহিলে অসমত বাংলাদেশীৰ অনুপ্ৰৱেশ বৃদ্ধি হৈ বিদেশীৰ চৰণীয়া পথাৰ হৈ পৰিব। কংগ্ৰেছে কেৱল বিভাজনৰ ৰাজনীতিহে কৰিব জানে, বিকাশৰ ৰাজনীতি নহয়।' আগন্তুক দিনত 'সব কা ছাথ, সব কা বিকাশ অউৰ সব কা বিশ্বাস' নীতি আগত লৈ আত্মনিৰ্ভৰ অসম গঢ়ি তোলাত অগ্ৰাধিকাৰ দিয়া হ'ব বুলি শ্বাহে মন্তব্য কৰে। তেওঁ কয় যে বিজেপি অসমত পুনৰ ক্ষমতালৈ আহিলে দুই লাখ নিবনুৱাক চৰকাৰী চাকৰি আৰু আঠ লাখক বেচৰকাৰী খণ্ডত চাকৰি দিয়া হ'ব বুলি তেওঁ ঘোষণা কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে লগতে ঘোষণা কৰে যে ২০২২ৰ ভিতৰত অসমৰ সকলো সত্ৰ-নামঘৰ বেদখলমুক্ত কৰাৰ লগতে প্ৰত্যেক দুখীয়া পৰিয়াললৈ বিশুদ্ধ পানী যোগান ধৰা হ'ব।' এই সভাত কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী ড° জিতেন্দ্ৰ সিং, প্ৰাক্তন সাংসদ ৰমেন ডেকা, কামৰূপ মহানগৰ জিলা বিজেপিৰ সভাপতি মৃগেন শৰণীয়া, অগপৰ মুখপাত্ৰ তপন দাস আদি উপস্থিত থাকে।

# ভাষা-সংস্কৃতিৰ ৰক্ষণাবেক্ষণ কৰিবলৈ শিকাইছিল বড়োফাই

## দোতমাৰ থুলুংগাফুৰিত উপেন্দ্ৰ নাথ ব্ৰহ্ম ৬৫ সংখ্যক জন্মজয়ন্তী পালন

অগ্ৰদূত বাৰ্তা

**দোতমা, ৩১ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত দোতমাৰ থুলুংগাফুৰিত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জন্মস্থানত ৬৫ সংখ্যক জন্মজয়ন্তী পালন কৰা হয়। পুৱা ন বজাত দোতমাৰ থুলুংগাফুৰিস্থিত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। উক্ত অনুষ্ঠানত উপস্থিত থাকে ২৮ নম্বৰ গোসাঁইগাঁও সমষ্টিৰ ইউপিপিএল দলৰ প্ৰাৰ্থী সোমনাথ নাৰ্জাৰী, ২৯ নম্বৰ পশ্চিম কোকৰাঝাৰ জনজাতি সমষ্টিৰ ইউপিপিএলৰ



প্ৰাৰ্থী মনোৰঞ্জন ব্ৰহ্ম, ৩০ নম্বৰ পূব কোকৰাঝাৰ সমষ্টিৰ ইউপিপিএলৰ প্ৰাৰ্থী লৰেঞ্চ ইছলাৰী আৰু দোতমা ইউএন একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ইউপিপিএল দলৰ বিভিন্ন নেতা-কৰ্মীসকল। উক্ত অনুষ্ঠানত মুখ্য কাৰ্যবাহী সদস্য বড়োৱে কয়, 'আজিৰ দিনটো বিটিআৰবাসী ৰাইজৰ কাৰণে এক উল্লেখযোগ্য দিন। এইটো অঞ্চলৰ লগতে নামনি অসমৰ সকলো মানুহৰ কাৰণে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম এজন আদৰ্শ পুৰুষ। বিভিন্ন জাতি-জনগোষ্ঠীয়ে নিজৰ নিজৰ ভাষা-সংস্কৃতিৰ কেনেদৰে ৰক্ষণাবেক্ষণ কৰিব লাগে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাই আমাক শিকাই গৈছে।' তেওঁ পুনৰ কয়, 'অহিংসা আৰু গণতান্ত্ৰিক পদ্ধতিৰে আন্দোলন কেনেকৈ কৰিব লাগে তাৰ এক অন্যতম উদাহৰণ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম।' অনাগত দিনত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নীতি-আদৰ্শৰে সমাজখনক আগুৱাই লৈ যাব বুলিও বড়োৱে কয়।

# মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোটদানৰ আহ্বান কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৩১ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে আজি কমতাপুৰ স্বায়ত্তশাসিত পৰিষদে বিজেপি, ইউপিপিএল, অগপ আৰু জিএছপিৰ হৈ ভোটদান কৰিবলৈ আহ্বান জনাইছে। কোকৰাঝাৰ জিলাৰ ভোটগাঁৱত অনুষ্ঠিত এক সংবাদমেলত আজি কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ চমুকৈ কেএচিৰ নেতৃবৰ্গই বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনাই বিজেপি মিত্ৰজোঁটে কোচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় সমস্যাসমূহ পৰ্যায়ক্ৰমে সমাধান কৰিবলৈ আগবাঢ়িছে বুলি মন্তব্য কৰে। বছৰ বছৰ ধৰি শাসন কৰাৰ পাছতো কংগ্ৰেছে কোচ ৰাজবংশী জনগোষ্ঠীক মাথোঁ প্ৰতাৰণা কৰিলে বুলি মন্তব্য কৰি কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে বিজেপি মিত্ৰজোঁটৰ হৈ ভোটদান কৰিবলৈ কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰতি আহ্বান জনাইছে। বিজেপি চৰকাৰে ললিপপ নিদিব বুলি আশা ব্যক্ত কৰি কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে চৰকাৰ গঠন হোৱাৰ পাছতে বিজেপিয়ে পুনৰাই জাতীয় সমস্যাসমূহ সমাধানত ব্ৰতী হ'ব বুলি আশা ব্যক্ত কৰিছে। সংবাদমেলত উপস্থিত থকা আক্ৰাছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বৰ্তমানৰ কেএচিৰ পাৰিষদ প্ৰদীপ ৰায়ে বিজেপি, ইউপিপিএল, অগপ আৰু জিএছপিৰ হৈ ভোটদান কৰিবলৈ আহ্বান জনোৱাৰ লগতে ৩০ নম্বৰ কোকৰাঝাৰ পূব বিধানসভা সমষ্টিত ইউপিপিএলৰ প্ৰাৰ্থী লৰেঞ্চ ইছলাৰীক জয়যুক্ত কৰিবলৈ আহ্বান জনাইছে। বৰ্তমানৰ বিধায়িকা তথা মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্মই সমষ্টিবাসীৰ প্ৰতি যি কৰণীয় আছিল সেয়া নকৰিলে বুলি মন্তব্য কৰি কেএচিৰ পাৰিষদ প্ৰদীপ ৰায়ে লৰেঞ্চ ইছলাৰীক এগৰাকী যোগ্য নেতা বুলিও অভিহিত কৰিছে। সংবাদমেলত আক্ৰাছুৰ প্ৰাক্তন সভাপতি তথা কেএচিৰ পাৰিষদ ক্ৰমে কৰ্মেশ্বৰ ৰায়, জীৰেশ ৰায় আদিকে ধৰি কে'বাগৰাকী নেতা উপস্থিত থাকে।

# বিটিআৰত এতিয়া হিংসাৰ দাবানল নাই ঃ মুছাহাৰী

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৩১ মাৰ্চ ঃ** সমাগত বিধানসভাৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত সৰভোগ সমষ্টিৰ মিত্ৰজোঁটৰ সমৰ্থিত ইউপিপিএল প্ৰাৰ্থী শংকৰ চন্দ্ৰ দাসৰ সমৰ্থনত আজি বাগ্‌সাৰ শালবাৰীৰ নিমুৱা খেলপথাৰত এক জনসভা অনুষ্ঠিত হয়। জনসভাত অংশগ্ৰহণ কৰি স্থানীয় মথনগুৰি সমষ্টিৰ এম চি এল এ তথা বি টি আৰৰ সমাজ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য গৌতম দাসে কয়, 'বিগত ২৪ বছৰে চি পি এমে ৰাজত্ব কৰিও সৰভোগৰ কোনো উন্নয়ন কৰিব নোৱাৰিলে। সমষ্টিটোত চি পি এমক ভোট দি আজমলক জিকাব খুজিম নেকি আমি? সৰভোগত উন্নয়ন কৰিব পাৰিব কেৱল বিজেপিয়েহে।' জনসভাত কোকৰাঝাৰৰ কচুগাঁও সমষ্টিৰ এম চি এল এ তথা বি টি আৰৰ আন এগৰাকী কাৰ্যবাহী সদস্য উকিল মুছাহাৰীয়ে বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীক তীব্ৰ ভাষাৰে সমালোচনা কৰি হাগ্ৰামাৰ কাৰ্যকালত হোৱা বহু বিয়াগোম দুৰ্নীতিৰ কথা ৰাইজৰ আগত ভাষণ প্ৰসংগত উল্লেখ কৰে। উকিল মুছাহাৰীয়ে কয়, 'আমাৰ বিটিআৰৰ ৰাইজে এতিয়া অস্ত্ৰধাৰী সংগঠন নিবিচাৰে। বিগত ১৭টা বছৰত অশান্তিৰ পৰিৱেশ আছিল। আজি বি টি আৰত সেইটো নাই। ইয়াৰ ৰাইজে এতিয়া শান্তি বিচাৰে। বি টি আৰত এতিয়া হিংসাৰ দাবানল নাই। ৭৫তকৈ অধিক আসন এইবাৰ। দিছপুৰত চৰকাৰ মিত্ৰজোঁটৰেই হ'ব।' জনসভাখনত উপস্থিত থাকে বৰপেটা জিলা বিজেপিৰ সম্পাদক তথা প্ৰভাৰী বিশ্বজিৎ দাস, সংখ্যালঘু কোষৰ ৰাজ্যিক সম্পাদক গুলজাৰ হুছেইন, সাহজাহান আলী, শালবাৰী জিলা সংখ্যালঘু কোষৰ আব্বাছ আলী, যোগেশ্বৰ বসুমতাৰী, চিলাৰায় বসুমতাৰীকে ধৰি বহু নেতা-কৰ্মী। উল্লেখ্য যে জনসভাৰ সামৰণিৰ পাছতেই নিমুৱা খেলপথাৰৰ পৰা সৰভোগৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীজনৰ হৈ এক সমদল উলিওৱা হয়।




*তামুলপুৰত ভোটদানৰ বাবে ৰাইজক সজাক কৰিবলৈ সমদল, বুধবাৰে।*

# শালবাৰীত বিজেপিৰ ৰেলীক বাধা প্ৰদান কৰি আছুৰ 'বিজেপি গ'বেগ' ধ্বনি

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৩১ মাৰ্চ ঃ** সৰভোগ সমষ্টিৰ অন্তৰ্গত তথা শালবাৰী উজান বাঁহবাৰীত আজি আছু কৰ্মীয়ে বিজেপিৰ এক নিৰ্বাচনী সমদলক বাধা প্ৰদান কৰি বিজেপি গ' বেক ধ্বনিৰে পৰিৱেশ উত্তাল কৰে। ৪০ নম্বৰ সৰভোগ সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী শংকৰ চন্দ্ৰ দাসৰ সমৰ্থনত শালবাৰীৰ নিমুৱাৰ পৰা ই-ৰিক্সাৰে আজি এক বৃহৎ নিৰ্বাচনী ৰেলী উলিওৱা হৈছিল। ৰেলী চলি থকাৰ সময়তে বৃহত্তৰ গাতি আঞ্চলিক ছাত্ৰ সন্থাৰ বহুকেইজন কৰ্মীয়ে মটৰ চাইকেলত আহি উজান বাঁহবাৰীত বিজেপি গ' বেক ধ্বনি দি ই-ৰিক্সা ৰেলী কৰাত বাধা প্ৰদান কৰে। উল্লেখ্য যে সদৌ বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক জুবিন দাসৰ নেতৃত্বত আছু কৰ্মীসকলে বিজেপি মিত্ৰজোঁটৰ সৰভোগৰ প্ৰাৰ্থীগৰাকীৰ ই-ৰিক্সা সমদলক বাধা প্ৰদান কৰি বিজেপি গ' বেক ধ্বনি দিয়ে যদিও পৰৱৰ্তী সময়ত আছু কৰ্মীসকলে সেই স্থান পৰিত্যাগ কৰে।

# কোকৰাঝাৰত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক লজ্জাজনক আখ্যা হাগ্ৰামাৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৩১ মাৰ্চ ঃ** 'বিজেপিত শিক্ষিত মানুহ নাই কাৰণে জাতি-ধৰ্ম বিভাজনক লৈ নিকৃষ্ট ৰাজনীতি কৰিব পাৰে। হিমন্ত বিশ্ব শৰ্মাই শিক্ষিতসকলক লৈ ৰাজনীতি কৰিব নালাগে বুলি কৈছে। যাৰ বাবে বিজেপিত থকা সকলো নেতা শিক্ষিত নহয় বুলি নিজে উদঙাই দিছে। ইয়াৰ ছাৰ্টিফিকেট নিজে দিছে হিমন্তই। ভাৰতবৰ্ষ তথা অসমত বিজেপিয়ে অশিক্ষিত লোকক লৈ ৰাজনীতি কৰা বাবে জাতিৰ নামত ধৰ্মৰ নামত ভাগ ভাগ কৰি আহিছে।' এই মন্তব্য কৰে বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীৰ। আজি কোকৰাঝাৰত মহিলাৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, 'অশিক্ষিত মানুহ থকাৰ বাবেই দলটোত ধৰ্ম-জাতি বিভাজনক লৈ লেতেৰা ৰাজনীতি চলি থাকে।' মহিলাৰীয়ে লগতে মহাজোঁটত বা বিপিএফ দলে শিক্ষিত লোকৰে ৰাজনীতি কৰা বুলি দোহাৰে। আনহাতে, কিছুদিন পূৰ্বে কোকৰাঝাৰত অস্ত্ৰসহ গাড়ী ধৰা পৰা ঘটনাৰ তদন্ত কৰিবলৈ নিয়াক দিয়া হ'ব বুলি মন্ত্ৰী ড° শৰ্মাই কোৱা মন্তব্যৰ সন্দৰ্ভত মহিলাৰীয়ে কয়, 'হিমন্তই ভালকৈ জানে সেইবোৰ কাৰ অস্ত্ৰ। নিয়া, চিবিআইক দিয়ে নে কাক দিয়ে দিয়ক।'

উল্লেখ্য যে কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে কোকৰাঝাৰত উপস্থিত হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ইউপিপিএলৰ প্ৰাৰ্থীৰ প্ৰচাৰাৰ্থে কোকৰাঝাৰত পদাৰ্পণ কৰিবলগীয়া প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক লজ্জাজনক বুলি তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিপিএফৰ সভাপতি মহিলাৰীয়ে। আজি সন্ধিয়া কোকৰাঝাৰ চহৰৰ শান্তিনগৰ প্ৰগতি সংঘত মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই সংবাদ মাধ্যমক মহিলাৰীয়ে কয়, 'দেশৰ প্ৰধানমন্ত্ৰী কিয়, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এশবাৰ আহিলেও একো লাভ নাই। ৰাইজ বিপিএফৰ লগত আছে।' মহিলাৰীয়ে লগতে কয়, 'প্ৰধানমন্ত্ৰী আহিলে বহু কথা ক'ব। কিন্তু ক'লে কি হ'ব? গৃহমন্ত্ৰী অমিত শ্বাহ কোকৰাঝাৰত আহি বড়োলেণ্ডৰ ছহিদসকলক পাঁচলাখ দিয়াৰ কথা আছিল, নিদিলে। বিটিচিত এহেজাৰ কোটি টকা দিয়াৰ কথা আছিল, দিলে ছশ কোটি টকা। বাকী চাৰিশ কোটি টকাই নিদিলে। ওদালগুৰি আৰু কোকৰাঝাৰত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ দৰে বহু প্ৰতিশ্ৰুতি দি আজিও পূৰণ নকৰিলে। তেনে ক্ষেত্ৰত বিটিচিত আহি কি কৰিব?' মহিলাৰীয়ে লগতে কয় যে বিজেপিয়ে এবছুৰ লগত মিত্ৰতা কৰি এনআৰচিৰ নামত হিন্দু বাঙালী আৰু সংখ্যালঘুসকলক হাৰাশাস্তি কৰিছে। বি টি চি অঞ্চলত বসবাস কৰা জাতি-জনগোষ্ঠীৰ মাজত বিজেপিয়ে একতা আৰু শান্তি বিঘ্নিত কৰা বুলি দোহাৰি প্ৰধানমন্ত্ৰীৰ কাইলৈৰ ভ্ৰমণেও বিজেপিয়ে সাম্প্ৰদায়িকতাৰে জাতি-জনগোষ্ঠীৰ মাজত সংঘাত আৰু বিভাজন আনিব বুলি মহিলাৰীয়ে মন্তব্য কৰে। তেওঁ কোকৰাঝাৰ পূবত দলীয় প্ৰাৰ্থী ব্ৰহ্মৰ বিজয় এশ শতাংশ নিশ্চিত বুলি দাবী কৰে। মহিলাৰীয়ে লগতে আগন্তুক চৰকাৰ মহাজোঁটে ৭০ প্লাছ কৰি হ'লেও চৰকাৰ বনোৱাটো খাটাং বুলি কয়। ইপিনে, তামুলপুৰ সমষ্টিৰ বিপিএফৰ প্ৰক্ষেপিত প্ৰাৰ্থী ৰাঞ্জা খুংগুৰ বসুমতাৰীয়ে দলৰ পৰা পদত্যাগ কৰা বুলি প্ৰচাৰিত বাতৰিৰ সন্দৰ্ভত মহিলাৰীয়ে কয়, 'এই সম্পৰ্কে মই এতিয়াও ভালকৈ অৱগত নহয়। কিন্তু কিবা এটা যে হৈছে সেইটো সঁচা। পাছত জানিব পাৰিম কোন ক'লৈ গৈছে।'

# আদিবাসীৰ পাঁচটা যুদ্ধবিৰতি সংগঠনৰ মিত্ৰজোঁটক সমৰ্থন

অগ্ৰদূত বাৰ্তা

**দোতমা, ৩১ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি বিভিন্ন ৰাজনৈতিক দল, সংগঠনৰ লগতে বুদ্ধিজীৱীসকল তৎপৰ হৈ পৰিছে। যুদ্ধবিৰতিত থকা পাঁচটা সংগঠনে মিত্ৰজোঁটক সমৰ্থন আগবঢ়াইছে। আদিবাসী কোব্ৰা মিলিটেণ্ট অৱ অসম (আকমা), আদিবাসী পিপল'ছ আৰ্মি (আপা), অল আদিবাসী নেচনেল লিবাৰেছন আৰ্মি (আনলা), বিৰছা কামাণ্ড' ফ'ৰ্চ (বি চি এফ), সান্তাল টাইগাৰ ফ'ৰ্চ (এছ টি এফ) গোসাঁইগাঁও তেলীপাৰাস্থিত আদিবাসী ৰেলীফ ভৱনত প্ৰাক্তন বি টি চি কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ উপ-সভাপতি লক্ষীৰাম টুডুৰ সভাপতিত্বত পাঁচটাকৈ যুদ্ধবিৰতি সংগঠনৰ নেতৃবৰ্গৰ স'তে চাওতাল জনগোষ্ঠীৰ মনোনীত এম চি এল এ উইলছন হাছদাৰ উপস্থিতিত বৈঠক অনুষ্ঠিত হয়। উক্ত সভাত বিজেপি, এজেপি, জি এছ পি, ইউ পি পি এল মিত্ৰজোঁটক সমৰ্থন কৰে।

# ভাওৰাগুৰীৰ পাটিয়ালপাৰাত শতাধিকৰ ইউপিপিএলত যোগদান

অগ্ৰদূত বাৰ্তা

**দোতমা, ৩১ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ মাজত কেইটামান দিন বাকী। ইতিমধ্যে তুংগত উঠিছে সকলো ৰাজনৈতিক দলৰ নিৰ্বাচনী প্ৰচাৰ। ২৯ নম্বৰ পশ্চিম কোকৰাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত পাটিয়ালপাৰাত ইউপিপিএলৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। উক্ত সভাতে শতাধিক বিপিএফ, জিএছপি আদি দলৰ কৰ্মীয়ে ইউপিপিএলত যোগদান কৰে। উক্ত সভাত বিমল বড়ো, মাণিকলাল নাৰ্জাৰী, পূৰ্ণ ওৱাৰী, বিনয় ইছলাৰী, নভয় বসুমতাৰী, মনোৰঞ্জন কুমাৰ ৰায়, মফিদুল ইছলাম, আবু মতলেৱ ইছলাম আদিৰ লগতে সাধাৰণ ৰাইজ উপস্থিত থাকে। নতুনকৈ যোগদান কৰা সকলক ইউপিপিএল দললৈ আদৰণি জনায় আৰু দলৰ হৈ কাম কৰি ইউপিপিএলৰ প্ৰাৰ্থী মনোৰঞ্জন ব্ৰহ্মক জয়ী কৰাবলৈ আহ্বান জনায় মফিদুল ইছলামে।

# তেজপুৰত পশুধন জাহ গ'ল অগ্নিকাণ্ডত

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩১ মাৰ্চ ঃ** তেজপুৰৰ বিহগুৰি মেকনৰ চুবুৰিত যোৱা নিশা প্ৰায় ৮-৩০ বজাত সংঘটিত শোকাৱহ অগ্নিকাণ্ডৰ ঘটনাই এটা কৃষক পৰিয়ালক সৰ্বস্বান্ত কৰে। উল্লেখ্য যে অঞ্চলটোৰ দুৰ্গেশ্বৰ নাথ নামৰ কৃষকজনৰ গোহালিত দিয়া জাগৰ পৰাই এই অগ্নিকাণ্ড সংঘটিত হয় বুলি আশংকা কৰা হৈছে। বতাহৰ বৰে তৎক্ষণাত বিয়পি পৰা অগ্নিয়ে পৰিয়ালটোৰ বাসগৃহৰ লগতে ভঁৰালৰ ১২০ মোন ধান, চাৰিশ কিলোগ্ৰাম আলু, দুশ কিলোগ্ৰাম সৰিয়হ, কাঠ আৰু গৰু-ছাগলী আৰু পাৰও ভস্মীভূত কৰে। তদুপৰি একাধিক পশুধন অগ্নিদগ্ধ হৈ মৃত্যুৰে যুঁজি আছে। এই অগ্নিকাণ্ড ইমানেই ভয়াৱহ আছিল যে দুজোপা নাৰিকল গছৰ উপৰি তামোল গছ, পাণ আদিও জাহ যায়। পাছত ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ অগ্নি নিৰ্বাপন কৰিবলৈ সক্ষম হ'লেও পৰিয়ালটোৰ ইতিমধ্যে বিস্তৰ ক্ষতিসাধন হয়।

## ৰংজুলিত দৌল উৎসৱৰ মাজতে দুৰ্ঘটনা

# তীব্ৰবেগী বাহনে মহটিয়ালে তিনি যুৱকক ঃ ঘটনাস্থলীতে দুজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ৩১ মাৰ্চ ঃ** দৌল উৎসৱৰ আনন্দ-উল্লাহৰ মাজতে যোৱা নিশা গোৱালপাৰা জিলাৰ ৰংজুলিত সংঘটিত হয় এক শোকাৱহ পথ দুৰ্ঘটনা। ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নিশা ১০-৩০ বজাত তীব্ৰবেগী বাহনৰ খুন্দাত থিতাতে নিহত হয় দুজন যুৱক। আনহাতে, আহত হয় আন এজন যুৱক। তথ্য মতে, তিনিজন যুৱকে নিশা ৰংজুলি দৌল মহোৎসৱ মেলাৰ পৰা খোজকাঢ়ি আহি থাকোতে ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰবেগী বাহনে মহটিয়াই থৈ যায়। ফলত ঘটনাস্থলীতে নিহত হয় ৰংজুলিৰ নিপু হাজৰিকা (৩১) আৰু ৰংজুলি-দোসীমাপাৰা গাঁৱৰ প্ৰণৱজ্যোতি ৰায় (৩২)। আনহাতে, আহত হয় ৰংজুলি বেলপাৰা গাঁৱৰ লোহিত ৰাভা (৩১)। ঘটনাৰ খবৰ পায়ে ৰংজুলি থানাৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত তিনিওকে উদ্ধাৰ কৰি ৰংজুলি চিকিৎসালয়ত ভৰ্তি কৰাই যদিও ইতিমধ্যে দুজনৰ মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰে। আনহাতে, কিছু পৰিমাণে শৰীৰত আঘাত পোৱা যুৱকজন সংকটমুক্ত বুলি ঘোষণা কৰে চিকিৎসকে। ইপিনে, দুৰ্ঘটনা সংঘটিত কৰা বাহনখন পলায়ন কৰে যদিও আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। ইফালে, আৰক্ষীয়ে যুৱক দুজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰে।

# শ্ৰীৰামপুৰত কৰ্তব্যৰত অৱস্থাতে চি আৰ পি এফ জোৱানৰ গুলিবিদ্ধ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ/গোসাঁইগাওঁ, ৩১ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ বাবে নিয়োজিত চি আৰ পি এফৰ এজন জোৱানৰ গুলিবিদ্ধ মৃতদেহ উদ্ধাৰৰ ঘটনাই জোঁকাৰি গৈছে শ্ৰীৰামপুৰক। অসম-বংগ সীমান্তৱৰ্তী গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰ কম্পজিট গেট চৌহদত থকা চি আৰ পি এফৰ অস্থায়ী শিবিৰত আজি পুৱা এজন চি আৰ পি এফ জোৱানে আত্মহত্যা কৰা বুলি কৰ্তৃপক্ষই সদৰী কৰিছে যদিও ইয়াকে লৈ সন্দেহৰ সৃষ্টি হৈছে। শিবিৰস্থিত চি আৰ পি এফৰ বিষয়াই সদৰী কৰা মতে, অস্থায়ী শিবিৰটোৰ চি আৰ পি এফৰ জি-১২৯ এন বি বাহিনীৰ জয়মল খান নামৰ জোৱানজনে শিবিৰত থকা বাংকাৰত পহৰা দি থকা অৱস্থাত পুৱা ৬-৩০ বজাত নিজৰ ছাৰ্ভিচ ৰাইফলৰে ডিঙিত গুলীয়াই ঘটনাস্থলীতে ঢলি পৰে। লগে লগে গুলিৰ শব্দ শুনি সতীৰ্থসকলে এই দৃশ্য প্ৰত্যক্ষ কৰি মুমূৰ্ষু অৱস্থাত কোকৰাঝাৰ অসামৰিক চিকিৎসালয়লৈ লৈ যায়। কিন্তু চিকিৎসকে জোৱানজনক মৃত বুলি ঘোষণা কৰে। ঘটনাৰ খবৰ পায়ে চি আৰ পি এফৰ উচ্চপদস্থ বিষয়াসকলে ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়। পাছত গোসাঁইগাঁও থানা আৰু শ্ৰীৰামপুৰ আৰক্ষী চকীৰ আৰক্ষীয়ে কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত মৃতকৰ ৰাইফল, টুপী আদি উদ্ধাৰ কৰি তদন্তৰ কাম আৰম্ভ কৰিছে। উল্লেখ্য যে হাৰিয়ানাৰ যমুনানগৰৰ বাসিন্দা জয়মল খানে ৪০ দিন ঘৰত ছুটী কটাই যোৱা ২৬ মাৰ্চত শ্ৰীৰামপুৰত কৰ্তব্যত যোগদান কৰে। বিধানসভা নিৰ্বাচনৰ বাবে অতিৰিক্তভাৱে নিৰাপত্তা বাহিনী বিভিন্ন স্থানত নিয়োজিত কৰাৰ সূত্ৰে শ্ৰীৰামপুৰত যোগদান কৰা জোৱানজনৰ আত্মহত্যাৰ ঘটনাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। এই ঘটনাৰ আঁৰত কোনো ৰহস্য লুকাই আছে নে আত্মহত্যা সেয়া উচিত তদন্তহে স্পষ্ট হ'ব বুলি সদৰী কৰিছে আৰক্ষীয়ে। এই ঘটনাই শ্ৰীৰামপুৰ অঞ্চলত শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে।

# টিহুত অসম জাতীয় পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ

## মাখিবোহাত নিৰ্বাচনী কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা

**টিহু, ৩১ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ৰ নিৰ্বাচনলৈ মাজত মাত্ৰ কেইদিনমান বাকী থকা অৱস্থাত টিহুৰ বিভিন্ন অঞ্চলত অসম জাতীয় পৰিষদে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাই আছে। পাটাছাৰকুছি সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী তথা দলটোৰ কাৰ্যকৰী সভাপতি পৰিন্দ্ৰ ডেকাই টিহুৰ পাকা, ৰতনপুৰ, নতুন বনিয়াকুছি, জলখানা, কঠালমূৰা, মাখিবাহা আদি ঠাইত কে'বাখনো নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। কালি সন্ধিয়া টিহুৰ মাখিবাহাত এটি নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা সভাত অজাপৰ প্ৰাৰ্থী পৰিন্দ্ৰ ডেকাই অসমত আঞ্চলিকতাবাদী চৰকাৰ প্ৰতিষ্ঠা কৰি অসমীয় জাতিৰ স্বাভিমান ৰক্ষাৰ আহ্বান জনায়। সভাত প্ৰাক্তন ছাত্ৰনেতা তথা অজাপৰ নেতা ফণী পাঠকে জাতিৰ সংকটপূৰ্ণ মূহূৰ্তত আঞ্চলিকতাবাদ ৰক্ষাৰ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি, টোলগেটৰ মাচুল বৃদ্ধি, নিবনুৱা সমস্যা আদি সমস্যাসমূহ দাঙি ধৰি বিজেপিক কঠোৰ সমালোচনা কৰে। অগপক সমালোচনা কৰি পাঠকে অগপই আঞ্চলিকতাবাদৰ চৰিত্ৰ হেৰুওৱা বুলি অভিযোগ কৰে। সভাত বিভিন্ন দল আৰু ছাত্ৰ সংগঠনৰ অৰ্ধশতাধিক সদস্যই অজাপত যোগদান কৰে। উল্লেখ্য যে অজাপই কালি বিয়লি টিহু অঞ্চলৰ বিভিন্ন স্থানত কে'বাটাও নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

# চিৰাঙত বিটিচিৰ কাৰ্যবাহী সদস্যৰ বিৰুদ্ধে বিপিএফ কৰ্মীক প্ৰহাৰৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৩১ মাৰ্চ ঃ** বিধানসভাৰ নিৰ্বাচনৰ ধামখুমীয়াৰ মাজতে হিংসাত্মক ঘটনা সংঘটিত হ'ল চিৰাং জিলাত। বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য তথা এনডিএফবিৰ প্ৰাক্তন নেতা ৰঞ্জিত বসুমতাৰী (বি আৰ ফেৰেংগা)ৰ বিৰুদ্ধে উত্থাপিত হৈছে এজন বিপিএফ কৰ্মীক প্ৰহাৰৰ অভিযোগ। চিদলী বিধানসভা সমষ্টিৰ বিপিএফ প্ৰাৰ্থী তথা মন্ত্ৰী চন্দন ব্ৰহ্মই এই সন্দৰ্ভত ইতিমধ্যে চিৰাঙৰ উপায়ুক্ত তথা নিৰ্বাচনী বিষয়াক অভিযোগ দাখিল কৰিছে। চিদলী সমষ্টিৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰত বসুমতাৰী আৰু তেওঁৰ নিৰাপত্তাৰক্ষীয়ে সঞ্জয় বৰগয়াৰী নামৰ বিপিএফ কৰ্মীজনক গুৰুতৰভাৱে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে।

বৰগয়াৰীয়ে শান্তিপুৰ আৰক্ষী চকীত দাখিল কৰা এজাহাৰত উল্লেখ কৰিছে যে কাৰ্যবাহী সদস্যজনৰ লগতে তেওঁৰ নিৰাপত্তাৰক্ষীয়ে যুৱকজনক বাটত অকলে পাই বিনাদোষত উপৰ্যুপৰি প্ৰহাৰ কৰে। এই ঘটনাৰ বাবে আজি সমষ্টিটোৰ বিপিএফ কৰ্মীসকল প্ৰতিবাদমুখৰ হৈ পৰে। সমষ্টিটোৰ প্ৰাৰ্থী ব্ৰহ্মৰ নেতৃত্বই বিপিএফ নেতা-কৰ্মীসকলে আজি উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা দি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে বসুমতাৰীক গ্ৰেপ্তাৰৰ দাবী জনায়।

ইপিনে, এনডিএফবিৰ প্ৰাক্তন নেতাজনে নিজে মাৰপিটত জড়িত হোৱাৰ কথা অস্বীকাৰ কৰিছে। ঘটনাৰ সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি বসুমতাৰীয়ে কয়, 'মই নিজৰ পৰিষদীয় সমষ্টিৰ শান্তিপুৰৰে গৈ আছিলো। এনেতে সন্মুখৰ পৰা যুৱকজনে মটৰ চাইকেলত আহি হাতেৰে বেয়া ইংগিত কৰাৰ লগতে মোৰ কনভয়ত মটৰ চাইকেল লগাই দিব ধৰে। তাৰ পাছতে মোৰ নিৰাপত্তাৰক্ষীয়ে যুৱকজনক দুই-এটা চৰ-থাপ্পৰ দিয়ে। পাছত মই গুচি আহো। তেতিয়ালৈ মই নাজানিছিলো যুৱকজন কোন। তাৰ পাছতহে গম পাওঁ যে যুৱকজন ১৯ নম্বৰ বেট্‌চৰ প্ৰাক্তন এনডিএফবি (ৰঞ্জন গোট)ৰ সদস্য। তেওঁ মোক যোৱা পৰিষদীয় নিৰ্বাচনত হত্যাৰ ভাবুকি দিছিল। তাৰ বাবে তেতিয়াই মই তেওঁৰ বিৰুদ্ধে গোচৰ দি থৈছিলো। এই ঘটনাক বিপিএফ দলে ৰাজনৈতিক ৰহণ সানি মোক গুণ্ডা বুলি কৈ আছে, যদিও মই তাত কোনো গুণ্ডাগিৰি কৰা নাই। মই কি ধৰণৰ লোক ৰাইজে জানে।' বিটিচিৰ কাৰ্যবাহী সদস্যজনে যুৱকজনক নিৰাপত্তাৰক্ষীয়ে প্ৰহাৰ কৰাৰ সন্দৰ্ভত কয়, 'মোৰ নিৰাপত্তাত নিয়োজিত নিৰাপত্তাৰক্ষীয়ে মেক নিৰাপত্তা দিবই আৰু মোক কোনোবাই বেয়া ব্যৱহাৰ কৰিলে সেয়া তেওঁলোকৰ দায়িত্ব মোক ৰক্ষা কৰাৰ। এয়াও তেনেধৰণৰ ঘটনাই।'

# টিহুত মনসা পূজা আৰম্ভ

অগ্ৰদূত বাৰ্তা

**টিহু, ৩১ মাৰ্চ ঃ** টিহুৰ ৰণাকুছি-হেলচাপাৰা গাঁৱৰ ছয়কুৰি বছৰীয়া ঐতিহ্যমণ্ডিত মনসা পূজাখনৰ কালি সন্ধিয়া জাগনি কৰাৰ পাছত আজি প্ৰথম পূজা উপলক্ষে নগৰাকী অকুমাৰী ছোৱালীৰে পানীতোলা কাৰ্যসূচী শোভাযাত্ৰাৰে ৰূপায়ণ কৰা হয়। পুৱা গাঁওখনৰ নগৰাকী অকুমাৰী ছোৱালীয়ে ঘট লৈ পুৰোহিতৰ লগতে পুৰুষ-মহিলা সমন্বিতে শংখ, ঘণ্টা, তাল, ঢাক, ঢোল বজাই হেলচাপাৰা ৰাজঘাটৰ পৰা পানী তুলি শোভাযাত্ৰা কৰি মন্দিৰলৈ অনা হয়। ইয়াৰ পাছত মন্দিৰত ঘট স্থাপন কৰি পূজা আৰম্ভ কৰা হয়। দুপৰীয়া বলি উৎসৰ্গৰ পাছত বিয়লি কেশৱ ওজাৰ দ্বাৰা ওজাপালি পৰিৱেশন কৰা হয়। নিশা আৰতি প্ৰদানৰ পাছত নাম-প্ৰসংগ কৰি প্ৰসাদ বিতৰণ কৰা হয়। কাইলৈ পূজা আৰম্ভ হ'ব, দুপৰীয়া বলি উৎসৰ্গৰ পাছত বিয়লি ওজাপালি পৰিৱেশন আৰু নিশা আৰতি প্ৰদানৰ পাছতে নাম-প্ৰসংগ কৰি প্ৰসাদ বিতৰণ কৰা হ'ব। দুই এপ্ৰিলত ভৰপূজা উপলক্ষে ওৰে নিশা ওজাপালিৰ দেৱী বন্দনা চলি থাকিব। তিনি এপ্ৰিলত যথাবিহিত পূজা-অৰ্চনা, বলি-উৎসৰ্গ, ওজাপালিৰ দেৱী বন্দনাৰ পাছত সন্ধিয়া ঘট বিসৰ্জন কৰা হ'ব। নিশা কলবাৰী সত্ৰীয়া কলা কেন্দ্ৰৰ দ্বাৰা বীৰনাম পৰিৱেশনৰ পাছত ৰণাকুছি মনসা পূজাৰ সামৰণি পৰিব।

# টোলগেট বন্ধ কৰাৰ দাবী কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩১ মাৰ্চ ঃ** ৰাজ্যৰ বিভিন্ন স্থানত ৰাষ্ট্ৰীয় ঘাইপথত থকা টোলগেটসমূহ চৰকাৰে অতি খৰতকীয়াকৈ মুকলি কৰাৰ লগতে ৰাজ্যত পুনৰ নতুনকৈ টোলগেট স্থাপনৰ বাবে যোজা চলোৱা তথা অত্যধিক ক'ৰ সংগ্ৰহ কৰাত সৰৱ হৈ পৰিছে কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসম। সংগঠনটোৰ সভাপতি প্ৰশান্ত বৈশ্যই আজি কয় যে চৰকাৰে ইখনৰ পাছত সিখনকৈ টোলগেট স্থাপন কৰি অবৈধভাৱে টোল ক'ৰ সংগ্ৰহ কৰাৰ লগতে ক্ৰমান্বয়ে টোল মাছুল বৃদ্ধি কৰি সাধাৰণ জনতাৰ ওপৰত মাধমাৰ শোধাইছে। চৰকাৰৰ এনে জনবিৰোধী হঠকাৰী সিদ্ধান্তক কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে বিৰোধিতা কৰি যাব বুলি কৃষক শ্ৰমিক নেতা বৈশ্যই উল্লেখ কৰে। লগতে কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰি তেওঁ কয় যে ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নীতি-নিয়মক জলাঞ্জলি দি অগণতান্ত্ৰিকভাৱে নিশাৰ ভিতৰতে ইখনৰ পাছত সিখনকৈ টোলগোট খোলা আৰু প্ৰতিদিনে অবৈধভাৱে টোলগেটৰ মাছুল বৃদ্ধি কৰা কাৰ্য ৰাজ্যবাসীৰ কাৰণে দুখজনক তথা অভিশাপ স্বৰূপ হৈ পৰিছে। টোলগেটসমূহ খোলাৰ ক্ষেত্ৰত চৰকাৰৰ এনে হঠকাৰী সিদ্ধান্তক অসন্তুষ্টি প্ৰকাশ কৰি বৈশ্যই লগতে কয় যে কৰ'না কালত দেশজুৰি হোৱা তলাবন্ধৰ সময়ত সৰ্বস্বান্ত হৈ দিকবিদিক হেৰোৱা জনতাক চৰকাৰে অতিৰিক্ত টোল মাছুল সংগ্ৰহ কৰি হত্যা কৰিব বিচাৰিছে। চৰকাৰে পুনৰ বৃহৎ পৰিমাণৰ টোলগেটৰ মাছুল সংগ্ৰহ আৰম্ভ কৰাত ইতিমধ্যে সৰ্বস্বান্ত হৈ পৰা থলুৱা শাক-পাচলি ব্যৱসায়ী, ক্ষুদ্ৰ ক্ষুদ্ৰ খুচুৰা চাউল-দাইলৰ বেপাৰী, গেলামালৰ দোকানী, অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িওৱা মেজিক-ট্ৰাকৰ লগতে প্ৰয়োজনত সাধাৰণ লোকসকলে যাবলগীয়া হ'লে যান-বাহনত অতিৰিক্ত ভাৰা ভৰিব লগীয়া হৈছে। তেনে অৱস্থাত চৰকাৰে পুনৰ টোল ক'ৰ বৃদ্ধি কৰাৰ সিদ্ধান্ত দুৰ্ভাগ্যজনক আখ্যা দিয়ে বৈশ্যই। চৰকাৰৰ এনে জন বিৰোধী সিদ্ধান্ত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে কোনো কাৰণতে মানি নলয় বুলি উল্লেখ কৰি তেওঁ প্ৰয়োজনত জনতাৰ স্বাৰ্থত টোলগেটৰ বিৰুদ্ধে ৰাজ্যজুৰি গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি চৰকাৰক সকীয়াই দিয়ে। সেয়েহে পূৰ্বতে স্থাপন কৰা টোলগেট আৰু নতুনকৈ স্থাপন কৰা টোলগেটসমূহ সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ কৃষক শ্ৰমিক নেতা বৈশ্যই চৰকাৰক জনাইছে।

# তামুলপুৰত 'শিক্ষাৰ গুণগত মান' শীৰ্ষক আলোচনা

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৩১ মাৰ্চ ঃ** তামুলপুৰ আঞ্চলিক এবছুৰ উদ্যোগত তামুলপুৰ মহকুমাৰ অন্তৰ্গত পদ্ম আনন্দ উচ্চ মাধ্যমিক বিদ্যালয়ত আজি দিনজোৱা কাৰ্যসূচীৰে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৪ সংখ্যক জন্ম দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি, আজি পুৱা পতাকা উত্তোলন কৰে তামুলপুৰ আঞ্চলিক এবছুৰ সভাপতি অজিত বড়োৱে। বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে পদ্ম আনন্দ বজাৰ অঞ্চলৰ সমাজকৰ্মী বৈকুণ্ঠ বসুমতাৰীয়ে। বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি শিক্ষা অভিযান-২০২১ 'শিক্ষাৰ গুণগত মান' শীৰ্ষক আলোচনা সভা অনুষ্ঠিত হয়। সভাত বাগ্‌সা জিলা এবছুৰ উপ-সভাপতি বাসীৰাম ৰামছিয়াৰীয়ে কয়, শিক্ষাৰ মান উন্নত হ'লেহে সমাজত উন্নয়ন হ'ব। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ গুণগত মান উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা উচিত। পদ্ম আনন্দ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বলেন্দ্ৰ ৰাভাই অসমৰ শৈক্ষিক পৰিৱেশ উন্নত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নত ব্ৰতী হ'ব লাগিব বুলি কয়। গুণগত শিক্ষা পাবলৈ ছাত্ৰ-ছাত্ৰীসকলে কষ্ট স্বীকাৰ কৰিব লাগিব। অনুষ্ঠানত সমাজকৰ্মী কালিচৰণ ৰামছিয়াৰীওে বক্তব্য প্ৰদান কৰে। তামুলপুৰ আঞ্চলিক এবছুৰ সভাপতি অজিত বড়োৰ সঞ্চালনাত অনুষ্ঠিত শৈক্ষিক সভাত বাগ্‌সা জিলা এবছুৰ উপ-সভাপতি বাসীৰাম ৰামছিয়াৰী, পদ্ম আনন্দ বজাৰ অঞ্চলৰ সমাজকৰ্মী কালীচৰণ ৰামছিয়াৰী, পদ্ম আনন্দ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বলেন্দ্ৰ ৰাভা, তামুলপুৰ আঞ্চলিক আৰু পদ্ম আনন্দ প্ৰাথমিক এবছুৰ বিষয়ববীয়াসকলে।




# পাখি লগা মন

**নীলিমা বৰা**



**পৰন** 'ক্লাছ ছেভেন'ত পঢ়ে। ল'ৰাটো বৰ জেদী। যি ভাবে তাকে কৰিবলৈ লাগে। ফল ভালেই হওক বা বেয়াই হওক।

সি কল্পনাতে বেছি সময় পাৰ কৰে। তাৰ বিলাসী মনটো অনবৰত সুখৰ কথা চিন্তা কৰি উৰি ফুৰে। সিহঁতৰ অৱস্থা বৰ টনকিয়াল নহয়। পৰনে সিহঁতৰ ঘৰৰ অৱস্থাটো অকণো ভাল নাপায়। সিহঁতৰ উঠি ফুৰিবলৈ মটৰ গাড়ী নাই। থাকিবলৈ অট্টালিকা নাই। তাৰ আলপৈচান ধৰিবলৈ নিগাজীকৈ বন কৰা মানুহ এটাও নাই। স্কুললৈ খোজ কাঢ়ি নহ'লে ৰিক্সাত যাব লাগে। সেইবাবে সি স্কুললৈ যাবলৈ ভাল নাপায়। স্কুলৰ কথা ভাবিলেই খং উঠে।

পৰনৰ শ্ৰেণীৰ ৰিভৰ, অপূৰ্ব, ৰিজনহঁতলৈ ইমান যে খং উঠে! কাৰণ সিহঁত নিজৰ গাড়ীত স্কুললৈ আহে। ধুনীয়া ধুনীয়া টিফিন বক্সত লোভ লগা টিফিনবোৰ আনে। স্কুল পোছাকবোৰো সদায় নতুন নতুন যেন লাগে। বিশেষকৈ ৰিজনৰ ফুটনিটো তাৰ সহ্য নহয়। এইবোৰ চাই আৰু ভাবি থাকোতেই শ্ৰেণীৰ শিক্ষকে পঢ়োৱা কথাবোৰ তাৰ মগজত নোসোমায়। ফলত সি পঢ়া-শুনাত দুৰ্বল হৈ পৰে। পঢ়া-শুনাত ভাল নোহোৱাৰ বাবে শিক্ষকৰো গালি খাব লগা হয়।

পৰনে তাৰ বৰ দেউতাকৰ ল'ৰা বিদুৰ্জৰ কথা ভাবে। বিদুৰ্জৰ সুখেই সুখ। বৰ দেউতাক ডাক্তৰ। চহৰত থাকে। বিদুৰ্জই নিজৰ গাড়ীত স্কুললৈ অহা-যোৱা কৰে। সিহঁত বৰ ধনী মানুহ। গাড়ী আছে। ডাঙৰ অট্টালিকা যেন ঘৰ আছে। ড্ৰাইভাৰ, বন কৰা মানুহ, মালী, ৰান্ধনীয়ে ঘৰ চম্ভালি থাকে। বিদুৰ্জৰ কম্পিউটাৰো আছে। সিও ছেভেনত পঢ়ে। পঢ়াত চোকা। নহ'বনো কিয়? তিনিটাকৈ টিউচন। বিদুৰ্জহঁত আহিলে পৰন ক'ৰবাত সোমাই থাকেগৈ। বৰ মাকজনীয়ে তাক বৰ মৰম কৰে। সিহে নিজকে দুখীয়া বুলি আগলৈ ওলাবলৈ মন নকৰে।

পৰনৰ ভায়েক সুমন কিন্তু তেনে নহয়। সুমন ছিক্সত পঢ়ে। নিজকে কেতিয়াও দুখীয়া বুলি দুখ নকৰে। ঠিকমতে পঢ়া-শুনা কৰে। শ্ৰেণীত সদায় প্ৰথম হৈ প্ৰমোছন পায়। ৰংমনে সকলো সময়তে থাকে। মাক-দেউতাককো কামত সহায় কৰি দিয়ে। পৰনৰ দৰে অকলে অকলে নাথাকে লগৰীয়াও বহুত।

এদিন আবেলি।

পৰনে ঘৰৰ মধুৰিআম জোপাত উঠি মধুৰিআম খাই আছিল। সুমনে মাতি মাতি উত্তৰ নাপাই গছত উঠি গৈ পৰনৰ ওচৰ পালেগৈ।

ক'লে—

—'দাদা, খেলিবলৈ যাওঁ আহা।'

—'ক'ত খেলগৈ?' পৰনৰ খং উঠি গ'ল।

—'কেকুঁৰিটোৰ ওচৰৰ মুকলি পথাৰখনত। বিতোপনহঁতে ৰাতিপুৱাতে কৈ থৈছে।'

—'তোৰ কাম নাই? এই চবৰ লগত যে খেলি ফুৰ।'

—'কিয়?' সুমনে সুধিলে।

—'মই ধনী ল'ৰাৰ লগতহে থাকি ভাল পাওঁ। তয়ো এই দুখীয়াবোৰৰ লগ নল'বি।'

ককায়েকৰ কথা শুনি সুমনে ক'লে—

—'ধনী-দুখীয়া কি কথা অ'? ভাল লগৰীয়া হ'লেই হ'ল।'

—'মই বিদুৰ্জৰ নিচিনাকৈ ধনী হৈ, গপছত থাকিবলৈ বিচাৰো। নহ'লে অকলে থকাই ভাল বুইছ?'

—'তই দুখীয়া মানুহ বেয়া পাৱ?' সুমনে সুধিলে।

—'অ!'

—'তেনেহ'লে তই ধনী হ'ব লাগিব বিদুৰ্জ দাদাৰ দৰে।'

—'ওঁ। মই দেউতাক কৈছো নহয় এইবাৰ মোক এখন চাইকেল আনি দিবই লাগিব। ভাল জোতা আৰু ড্ৰেছো লাগিব।' পৰনে ক'লে।

—'চাইকেল, ভাল পোছাক থাকিলেই মানুহ ধনী নহয়।'

ভায়েকলৈ পৰনে চকু ঘোপা কৰি চালে। তাকে দেখি সুমনে হাঁহি মাৰি ক'লে—

—'ময়ো ধনী হ'বলৈ ভাল পাওঁ। গাড়ীত উঠি ফুৰিবলৈ, ভাল সাজ-পোছাক পিন্ধিবলৈ, ধুনীয়া ঘৰত থাকিবলৈ। কিন্তু মুখেৰে ক'লেই নহ'ব নহয়। শ্ৰেণীত আমাক ছাৰে কয় নহয়— বিদ্যাই উন্নতিৰ জখলা। স্কুলীয়া কালত মনপুতি পঢ়া-শুনা কৰিলে পাছত পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব পাৰি। মই ধনী হ'মেই। বৰ দেউতাৰ দৰে ডাক্তৰ হ'ম। বৰ দেউতাৰ দৰে বিদেশতো পঢ়ি ভাল ডিগ্ৰী লৈ আহিম। চাবি, এদিন মই ধনী মানুহ হৈ ডাঙৰ ঘৰ সাজিম, গাড়ী ল'ম আৰু যে ক'ত কি কৰিম। সেইবাবেই মই পঢ়া-শুনাবোৰ ভালদৰে কৰো। দেউতাই নকয় জানো, ভালকৈ নপঢ়িলে কাৰণেই দেউতা কেৰাণী হ'ল। আৰু ভালকৈ পঢ়িলে কাৰণে বৰ দেউতা ডাক্তৰ হ'ল।'

পৰনে সুমনলৈ চালে।

সুমনে ক'লে—'তই থাক, মই খেলিবলৈ যাওঁ।'— সুমন গছৰ পৰা নামি খেলিবলৈ দৌৰ মাৰিলে।

পৰনে সুমনৰ কথাবোৰ মন দি শুনিলে। সি ভাবিলে ভায়েকে দেখোন সঁচা কথাকে কৈছে। তাৰ মনটো সলনি হৈ পৰিল। নিজকে নিজে ক'লে— 'ভাবি থাকিলেই নহ'ব। ভালকৈ পঢ়িবই লাগিব। যত্ন কৰিলে ৰত্ন পায়। সি পঢ়াত মনপুতি লাগিব। ভাল ৰিজাল্ট কৰি ডাক্তৰ হ'বই। এদিন সি পঢ়ি শুনি ডাঙৰ মানুহ হৈ ৰিভৰহঁতক দেখুৱাই দিব। আজিৰ পৰাই সি পঢ়াত মন দিব।

পৰনৰ মনটো উৎফুল্লিত হৈ পৰিল। জাঁপ মাৰি সি গছৰ পৰা নামি সুমনৰ পিছে পিছে দৌৰ মাৰিলে।

# কবিতা

## চৰাই

চৰাই অ' চৰাই
ৰংচঙীয়া চৰাই,
উলাহতে উৰি ফুৰা
মোক দিয়া ৰঙৰ শৰাই।
আকাশতে উৰি ফুৰা
তুমি পাখি মেলি,
কিয় বাৰু তুমি কৰা
নিতৌ মোক আমনি?
আমি সকলোৱে তোমাৰ নিচিনা
ডেউকা কোবাবলৈ শিকিম
চৰাইৰ দৰেই সাহসিকতাৰে
জীৱনৰ অন্য এক শিতানৰ
পাতনি মেলিম।

**ডৰীণা গোস্বামী**
ষষ্ঠ শ্ৰেণী
শংকৰদেৱ বিদ্যা নিকেতন
(হেঙেৰাবাৰী)

## ৰ'দালি গানৰ সুহুৰি

গুণগুণকৈ গাই যাওঁ
ৰ'দালি গানৰ সুহুৰিৰে
ঠোঁট পখালি উৰি যোৱা চৰাইৰ
পাখিৰঙীয়া বাটেৰে...
উমলি জামলি
আমি কণমানিয়ে
সাঁজো ৰামধেনু
আইতাই চোতাল সাৰা
গীতৰ লহৰ শুনি...
অ' কণমানি আহাচোন আহা
সৰাফুল বুটলি
ভৰাও আমাৰ কুকি
গুণগুণ গুণ
আমি যে অকণি
ভাগৰি নপৰাকৈ মাৰো উকি...।

**তুলিকা দেৱী চৌধুৰী**

# দাসপ্ৰথা



শ্ৰেণীৰ ব্যক্তিগত সম্পত্তি আৰু লাভৰ পৰাই সমাজত দুটা সৃষ্টি হ'ল- ধনীক শ্ৰেণী আৰু দুখীয়া শ্ৰেণী। যাৰ যিমান সম্পত্তি তেওঁ সিমান ধনী। সম্পত্তি বঢ়াবৰ কাৰণে এটা গোষ্ঠীৰ মানুহে আন এটা গোষ্ঠীৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে। যিবিলাকে হাৰিলে তেওঁলোকৰ সকলো সম্পত্তি আনে দখল কৰি ল'লে। পৰাজয় হোৱা মানুহবিলাকক বন্দী কৰিলে আৰু নিজৰ উৎপাদন কাৰ্যত ব্যৱহাৰ কৰিবলৈ ধৰিলে। এইবিলাকেই হ'ল 'দাস'। এই দাসসকল একেবাৰে নিঃকিন নিজৰ বুলি এওঁলোকৰ একোৱেই নৰ'ল। এই দাসবিলাকক যিসকলে কামত খটুৱালে সেইসকল হ'ল- 'মালিক'। এই মালিকসকলে নিজে কাম নকৰি দাসৰ দ্বাৰা খটুৱাই উৎপন্ন দ্ৰব্য বা ফচল নিজে ভোগ কৰিবলৈ ধৰিলে।

ধনী আৰু দুখীয়া, মালিক আৰু দাস- এনেদৰে সমাজ ভাগ হৈ গ'ল। ধনী, মালিক আৰু কাৰিকৰ শ্ৰেণীৰ লোকসকলে দুখীয়া আৰু দাসসকলক ঠগিবলৈ ধৰিলে। সঠিক পাৰিশ্ৰমিক দিয়াতো দূৰৰ কথা, ইয়াৰ উপৰি তেওঁলোকৰ ওপৰত ভীষণ অত্যাচাৰহে কৰিছিল। কেতিয়াবা দুখীয়া আৰু দাসসকলে এই অত্যাচাৰ সহ্য কৰিব নোৱাৰি তেওঁলোকৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। তেতিয়া তেওঁলোকক (দুখীয়া আৰু দাসসকলক) শাসন কৰাৰ কাৰণে সৃষ্টি হ'ল— আইন, চিপাহী, বিচাৰালয় আদি। দাসৰ সন্তান-সন্ততিসকলকো দাস হিচাপেই ৰখা হৈছিল। বৰ পৰিতাপৰ বিষয় পৃথিৱীৰ কোনো কোনো ঠাইত এনেবোৰ কঠোৰ প্ৰচলন আজিও চলিয়ে আছে।

# জীৱ জগতৰ তথ্য



➩ বাঘ, ভালুক, হাতী, সিংহ, জিৰাফ, উট, বান্দৰ, শিয়াল, পহু, জেব্ৰা, ম'হ, গাহৰি, কেংগাৰু আদি কিমান জন্তুৰ নাম বাৰু তোমালোকে জানা? কিন্তু তোমালোকে জানানে নে যে এই বিশ্বত এক নিযুতৰ অধিক জীৱ-জন্তুৰ প্ৰজাতি আছে।

➩ এই জীৱ-জন্তুৰ ভিতৰত আছে ছহেজাৰ প্ৰজাতিৰ সৰীসৃপ, ৭৩ হেজাৰ প্ৰকাৰৰ মকৰা, তিনি হেজাৰ প্ৰকাৰৰ ওকণী জাতীয় কীট। জানিলে আচৰিত হ'বা যে বিশ্বৰ প্ৰতিজন মানুহৰ ভাগত পৰিব পাৰে প্ৰায় ২০০ নিযুত কীট-পতংগ।

➩ বিশ্বত কমেও ৪,৬০০ প্ৰকাৰৰ স্তন্যপায়ী জীৱ-জন্তু আছে। বিশ্বৰ মুঠ জীৱ-জন্তুৰ তুলনাত স্তন্যপায়ী জীৱ-জন্তুৰ গড় পৰিমাণ মাত্ৰ ০.৩ শতাংশ।

➩ আফ্ৰিকাৰ হাতীবোৰ আমাৰ ইয়াৰ হাতীতকৈ আকাৰত ডাঙৰ। বাহিৰলৈ ওলাই থকা দাঁতৰ আকাৰো বিশাল। কিন্তু আফ্ৰিকাৰ হাতীৰ মুখৰ ভিতৰত থকা খাদ্যবস্তু চোবোৱা দাঁতৰ সংখ্যা মাত্ৰ চাৰিটা।

➩ বিশ্বত বৰ্তমান ঘৰচীয়া জীৱ-জন্তুৰ সংখ্যা হ'ল প্ৰায় এক বিলিয়ন। ইয়াৰে প্ৰায় ২০০ নিযুত পোহনীয়া জন্তু আছে ভাৰতত।

# জানি থোৱা ভাল



আইফোনৰ বিষয়ে নিশ্চয় তোমালোকেও জানা। আইফোন হ'ল একপ্ৰকাৰৰ স্মাৰ্টফোন। বৰ্তমান এইবিধ আইফোন সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ পৰিছে। আইফোন নিৰ্মাণ কৰোতা হ'ল আমেৰিকান কোম্পানী এপল্ ইংক। ইয়াৰ মাৰ্কেটিঙো কৰিছে এপল্ ইংকে। ফোন মানেতো তোমালোক সকলোৱে জানা। ইয়াৰ আগত থকা 'আই' শব্দটো আহিছে ইণ্টাৰনেটৰ পৰা। কাৰণ এই ফোন হ'ল ইণ্টাৰনেট আৰু মাল্টিমিডিয়াৰ সংমিশ্ৰণ। বিশ্বৰ প্ৰথমটো আইফোনৰ ডিজাইন প্ৰস্তুত কৰিছিল জ'নাথন আইভে। ২০০৭ৰ ন জানুৱাৰীত প্ৰথমটো আইফোন বজাৰত মুকলি কৰা হৈছিল।

# জুনটিৰ জন্মদিন

**জ্যোৎস্না কলিতা**

জুনটি ৰণজিৎ চৌধুৰীৰ একমাত্ৰ সন্তান। তেওঁ নগৰৰ এজন বিখ্যাত ব্যৱসায়ী বুলি সকলোৱে জানে। বাপেকৰ অগাধ সম্পত্তি থকা বাবে তাই কোনোদিন অহংকাৰ নকৰে। তাই বৰ সহজ-সৰল ছোৱালী। জুনটিৰ একমাত্ৰ বান্ধৱী সান্ত্বনা বৰুৱা। সিহঁত দুয়োজনী পঢ়া-শুনাতো সমানে আগবঢ়া।

সান্ত্বনাৰ মাক-দেউতাক দুয়োজনে গুৱাহাটীৰ এখন বিদ্যালয়ত শিক্ষকতা কৰে। জুনটিৰ দৰে তেওঁলোকৰ একেজনী ছোৱালী। সেইকাৰণে সিহঁতৰ মিলা-প্ৰীতিত মাক-দেউতাক বৰ সুখী আছিল। সান্ত্বনাৰ মাক-দেউতাকে জুনটিক তেওঁলোকৰ ছোৱালীৰ দৰেই মৰম কৰিছিল। জুনটি আৰু সান্ত্বনা এইবাৰ নৰম শ্ৰেণীত পঢ়ি আছে।

জুনটিৰ আজি জন্মদিন। তাইৰ জন্মদিনত বান্ধৱী সান্ত্বনাকো নিমন্ত্ৰণ কৰিছে। সেয়েহে সান্তনাই বান্ধৱীৰ জন্মদিনত কি উপহাৰ দিব মাকৰ লগত আলোচনা কৰি থাকোতে দেউতাকে শুনি সান্তনাক ক'লে যে তেওঁ স্কুল ছুটীৰ পাছত জুনটিৰ কাৰণে উপহাৰ কিনি লৈ আহিব। দেউতাকে উপহাৰ আনিম বুলি কোৱাত সান্ত্বনাই মনতে বৰ আনন্দ পালে। কাৰণ তাইৰ দেউতাকে আনক যি উপহাৰ দিয়ে সেইটো সদায় মানুহৰ কামত লগা বস্তুহে দিয়ে।

সান্ত্বনাই দেউতাক অহালৈ পদূলিমুখলৈ চাই ৰৈ আছে। এনেতে দেউতাকে হাতত এডাল গছপুলি লৈ আহি থকা দেখি তাই ভাবিলে যে দেউতাকে তাইৰ বান্ধৱীৰ কাৰণে জন্মদিনৰ উপহাৰ আনিবলৈ পাহৰি গৈছে। সেয়েহে তাই দেউতাকক সুধিলে, জুনটিৰ জন্মদিনৰ উপহাৰ আনিবলৈ পাহৰি গ'লা নেকি? তেতিয়া দেউতাকে তাইক চন্দন গছৰ পুলিটো দেখুৱাই দি ক'লে, এইটোৱেই জুনটিৰ জন্মদিনৰ উপহাৰ। দেউতাকৰ কথাত তাই আচৰিত হৈ সুধিলে, 'গছৰ পুলি এটাও কোনোবাই জন্মদিনত উপহাৰ দিয়েনে?' তেতিয়া দেউতাকে তাইক ক'লে যে এই গছৰ পুলিটো যদিও সামান্য বুলি ভাবিছা, তথাপি ইয়াৰ মূল্য নিশ্চয় এদিন বহুত মূল্যৱান হৈ যাব। যেতিয়া তুমি ডাঙৰ হ'বা তেতিয়া যদি গছ-গছনিৰ বিষয়ে অধ্যয়ন কৰা তেতিয়া বুজিবা যে এজোপা গছে মানুহক কিমান উপকাৰ কৰিব পাৰে। পৃথিৱীত যদি গছ নাথাকিলে হয়, তেনেহ'লে কিজানি মানুহৰো সৃষ্টি নহ'লহেঁতেন। অৰ্থাৎ গছ থাকিলেহে মানুহ জীয়াই থাকিব পাৰে। ইমানপৰে দেউতাকে কোৱা কথাখিনি তাই মনপুতি শুনি আছিল। সেয়েহে তাই দেউতাকে আনি দিয়া চন্দন গছৰ পুলিটো লৈ জুনটিৰ জন্মদিন খাবলৈ গ'ল।

সান্ত্বনা যেতিয়া জুনটিহঁতৰ ঘৰৰ সন্মুখ পাইছিল তেতিয়া তাই দেখিবলৈ পাইছিল যে সিহঁতৰ ঘৰৰ সন্মুখত বহুতো গাড়ী ৰৈ আছে আৰু সকলো মানুহে হাতত ডাঙৰ ডাঙৰ উপহাৰ লৈ আহিছে। তাই ভয়ে-লাজে কোনোমতে জুনটিৰ কাষ পালে। সান্ত্বনাক দেখা পাই জুনটিয়ে তাইৰ ওচৰলৈ আহি তাইক সকলোৱে লগত চিনাকি কৰি দিলে। সান্ত্বনাৰ বান্ধৱীৰ ব্যৱহাৰত ভালেই লাগিল। অলপ সময় থাকি তাই খোৱা-লোৱা কৰি বান্ধৱীক চন্দন গছৰ পুলিটো উপহাৰ দি তাই ঘৰলৈ আহিল। সান্ত্বনাই জুনটিক মাত লগাই ঘৰলৈ আহি থাকোতে পাছফালৰ পৰা কিবা কোনোবাই দলিয়াই দিয়া যেন লগাত তাই ঘূৰি চোৱাত দেখা পালে যে সেইটো অন্য একো নহয়, তাই দিয়া সেই চন্দন গছৰ পুলিটো। তাইৰ মনটো বেয়া লাগিল। তাই ভাবিলে, এই গছপুলিটো তাইৰ দেউতাকে বহুত মৰমেৰে আনিছিল। কোনোবাই মৰমেৰে দিয়া উপহাৰ এটাৰ তুলনা ধনেৰে তুলনা কৰা নাযায়। তাই গছৰ পুলিটো ঘৰলৈ লৈ আহিল। তাই যেতিয়া ঘৰ পাইছিল, তেতিয়া মাকে তাই অহালৈ বাট চাই পদূলিমুখত ৰৈ আছিল। মাকে জীয়েকৰ হাতত গছৰ পুলিটো দেখা পাই আচৰিত হৈ সোধাত সান্ত্বনাই মাকক সকলো কথা ক'লে। মাকে কথাটো বুজি পাই জীয়েকক ক'লে যে এই পুলিটো আমাৰ বাগিচাতে ৰুই থ'ম।। ই এদিন নিশ্চয় কামত আহিব।

মানুহৰ দিন সদায় একে নাযায়। জোণটিহঁতৰো আজিকালি ঘৰৰ আৰ্থিক অৱস্থা ভাল নহয়। জুনটিৰ দেউতাকৰ এবছৰ মান হ'ল, গাড়ীৰ পৰা পৰি আগ ভৰিখন ভাঙি যোৱাত ব্যৱসায় কৰিব পৰা নাই। বহু চিকিৎসা কৰিও কোনো ভাল কৰিব পৰা নহ'ল। সাচতীয়া যিমান টকা আছিল সকলো চিকিৎসাৰ লগতে খৰচ হ'ল। মাকজনীও মিতব্যয়ী তিৰোতা নহয়। গতিকে জুনটিহঁতৰ ঘৰৰ অৱস্থা আজিকালি একেবাৰে বেয়া।

সান্ত্বনাই জুনটিহঁতৰ ঘৰৰ অৱস্থাৰ কথা গম পাই মনতে বৰ দুখ পালে। তাই ভাবিলে, জুনটিক যদি তাই অলপ সহায় কৰিব পাৰিলেহেঁতেন তেনেহ'লে তাঅ এইবাৰ বি এ পৰীক্ষাটো ভালদৰে দিব পাৰিলেহেঁতেন। জুনটি ভাল ছোৱালী। সান্ত্বনাই মাকক জুনটিহঁতৰ ঘৰৰ অৱস্থা যে আজিকালি একেবাৰে বেয়া হৈছে আৰু জুনটিয়ে এইবাৰ টকাৰ কাৰণে বি এ পৰীক্ষা দিব নোৱাৰে আৰু তাই আজিকালি কলেজলৈকো নাযায় সেই কথাখিনি মাকৰ আগত অৱগত কৰিলে।

জীয়েকৰ মুখৰ পৰা জুনটিহঁতৰ ঘৰৰ খবৰটো পাই মাকৰ মনটো বেয়া লাগিল। মাকে সান্ত্বনাক ক'লে যে তাই আজি জুনটিহঁতৰ ঘৰত গৈ তাইক মই মাতা বুলি কৈ আহিবা। মাকৰ কথা মতে সান্ত্বনাই জুনটিক সিহঁতৰ ঘৰলৈ লৈ আহিল। জুনটিয়ে সান্ত্বনাৰ মাকৰ ওচৰলৈ গৈ কিয় তাইক মতা হৈছে সেই বিষয়ে সোধাত মাকে ক'লে যে তোমাৰ এটা বহুত মূল্যৱান বস্তু আমাৰ লগত আছে আৰু সেই বস্তুটোৰ মূল্য এতিয়া বহুত টকা। তাৰ সম্পূৰ্ণ অধিকাৰ তোমাৰ। জুনটিয়ে মাকৰ একো কথা বুজি নাপায় ভালকৈ কি বস্তুৰ কথা কৈছে বুজাই ক'বলৈ ক'লে। তেতিয়া সান্তনাৰ মাকে তাইৰ জন্মদিনত দিয়া সেই চন্দন গছৰ পুলিটোৰ কথা সকলো বুজাই ক'লে। লগতে ক'লে যে সেই পুলিটো তোমাক আমি উপহাৰ দিছিলো। গতিকে সেইটোৰ সম্পূৰ্ণ অধিকাৰ তোমাৰ। অহা কালি সেই গছডাল কিনিবলৈ মানুহ আহিব। তাৰ মূল্য এক লাখ টকা দিছে। সেই টকাখিনি আমি তোমাক দিম। তুমি ভালদৰে এইবাৰ পঢ়-শুনা কৰি বি এ পাছ কৰি লোৱা। লগতে ঘৰখনতো অলপ আৰ্থিক সহায় কৰিব পাৰিবা। সান্তনাৰ মাকৰ মুখৰ পৰা সকলো কথা শুনি তাই বৰ লাজ পালে। কাৰণ সেইদিনা সেই গছপুলিটো তাইৰ মাকেহে দলিয়াই পেলাই দিছিল। জুনটিৰ সান্ত্বনাৰ মাকৰ প্ৰতি শ্ৰদ্ধা উপজিল আৰু তাইৰ নিজৰ পিতৃ-মাতৃৰ প্ৰতি ঘৃণা উপজিল। তাই সান্ত্বনাক সাবটি ধৰি হুক্হুকাই কান্দি পেলালে। সঁচাকৈয়ে আত্মসন্মানবোধ থাকিলে আমাৰ নৈতিকতা সুন্দৰ হয়; আনক সন্মান কৰিব শিকিলে আমাৰ চৰিত্ৰ শুদ্ধ হয়।





***অন্বয় ভট্টাচাৰ্য,*** *চতুৰ্থ শ্ৰেণী, পাইঅ'নীয়াৰ একাডেমী, পঠিমাৰী।*



***নীলনয়নী ডেকা,*** *চতুৰ্থ শ্ৰেণী, গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ চেকেণ্ডাৰী স্কুল।*






গুৱাহাটী ভ্ৰমণ কালত অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত এ চি এৰ বিষয়ববীয়াৰ স'তে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সম্পাদক জয় শ্বাহ।

### ছটা মণ্ডলৰ পৰা যোগ্যতা অৰ্জন ১২ টা দলৰ

# আজিৰে পৰা অসম প্ৰিমিয়াৰ ক্লাবৰ ফাইনেল ৰাউণ্ডৰ মেচ

**গুৱাহাটী, ৩১ মাৰ্চ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডৰ মেচ কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে দুটা স্থানত অনুষ্ঠিত হ'ব অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডৰ মেচ। তিনিচুকীয়াৰ লগতে ডিব্ৰুগড়তো হ'ব খেল। 50 অভাৰৰ খেল হ'ব ফাইনেল ৰাউণ্ডত। উল্লেখ্য যে তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডলৈ মুঠ বাৰটা দলে যোগ্যতা অৰ্জন কৰিছে। আন্তঃমাণ্ডলিক ৰাউণ্ডৰ মেচৰ পাছত ছটা মণ্ডলৰ চেম্পিয়ন আৰু ৰানাৰ্ছআপ দলে যোগ্যতা অৰ্জন কৰিছে ফাইনেল ৰাউণ্ডলৈ। এতিয়া ফাইনেল ৰাউণ্ডত বাৰটা দলক দুটা গ্ৰুপত ভাগ কৰা হৈছে। ইয়াৰে ছটা দলে খেলিব তিনিচুকীয়াত হ'বলগা মেচত। আনহাতে, ছটা দলে খেলিব ডিব্ৰুগড়ত হ'বলগা মেচত। অহা দহ এপ্ৰিলত হ'ব তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল মেচ। উল্লেখ্য যে তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ চেম্পিয়ন দলে খেলিব ফাইনেল। উল্লেখ্য যে মুঠ 88.50 লাখ প্ৰাইজমানি থকা তৃতীয় অসম প্ৰীমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ তিনিটা পৰ্যায়ত আয়োজন কৰিছে অসম ক্ৰিকেট সন্থাই। প্ৰথমে অনুষ্ঠিত হৈছে জিলা, বিশ্ববিদ্যালয় আৰু ছাব জুনিয়ৰ পৰ্যায়ৰ মেচ। তাৰপাছত দ্বিতীয় স্তৰত মণ্ডলিক পৰ্যায়ত অনুষ্ঠিত হয় খেল। ছটা মণ্ডলৰ পৰা 12 টা দলে এতিয়া খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। উল্লেখ্য যে তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 15 লাখ টকা। ৰানাৰ্ছ আপ দলে পাব 7.5 লাখ টকা। মণ্ডলৰ চেম্পিয়ন দলে 1.5 লাখ টকা লাভ কৰাৰ বিপৰীতে মণ্ডলৰ ৰানাৰ্ছ আপ আৰু জিলাৰ চেম্পিয়নে এক লাখ টকা লাভ কৰিব।

# ছিনিয়ৰ ৰাষ্ট্ৰীয় চাইক্লিংগত নতুন অভিলেখ গঢ়ি সফলতা লাভ অসম কন্যা চয়নিকাৰ

### ছানৰাইজাৰ্ছ হায়দৰাবাদ দলত খেলুৱৈ সাল-সলনি

## মিচেল মাৰ্শ্বৰ স্থানত খেলিব জেছন ৰয়ে

**নতুন দিল্লী, ৩১ মাৰ্চ ঃ** অহা ন এপ্ৰিলৰ পৰা আৰম্ভ হ'ব ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ। উল্লেখ্য যে আই পি এলৰ আৰম্ভণিৰ প্ৰাকক্ষণতে সমস্যাৰ সন্মুখীন হৈছে পূৰ্বৰ চেম্পিয়ন ছানৰাইজাৰ্ছ হায়দৰাবাদ দল। অষ্ট্ৰেলিয়াৰ সুদক্ষ বেটছমেন মিছেল মাৰ্শ্বে আসন্ন ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। এতিয়া ছানৰাইজাৰ্ছ হায়দৰাবাদ দলৰ হৈ খেলিব ইংলণ্ডৰ জেছন ৰয়ে। উল্লেখ্য যে মিচেল মাৰ্শ্বৰ দৰে নিৰ্ভৰযোগ্য বেটছমেনৰ অনুপস্থিতি আই পি এলৰ পূৰ্বৰ চেম্পিয়ন ছানৰাইজাৰ্ছ হায়দৰাবাদ দলৰ বাবে স্বাভাৱিকতে নেতিবাচক। কিন্তু ভাৰতৰ বিৰুদ্ধে সদ্য সমাপ্ত শৃংখলাত ইংলণ্ডৰ হৈ খেলি প্ৰত্যাসিত সফলতা লাভ কৰিছে ইংলণ্ড দলৰ অপেনাৰ জেছন ৰয়ে। সেয়ে আই পি এলতো ছানৰাইজাৰ্ছ হায়দৰাবাদ দলৰ হৈ খেলিব ইংলণ্ডৰ জেছন ৰয় সফল হ'ব বুলি আশা কৰিছে দলৰ মেনেজমেণ্টে।





### প্ৰতিযোগিতাত অসমৰ মহিলাৰ দুটা সোণসহ পাঁচটা পদক অৰ্জন

**গুৱাহাটী, ৩১ মাৰ্চ ঃ** অসমৰ চয়নিকা গগৈয়ে ৰাষ্ট্ৰীয় চাইক্লিং প্ৰতিযোগিতাত নতুন অভিলেখ গঢ়ি গৌৰৱময় সফলতা অৰ্জন কৰিছে। উল্লেখ্য যে হায়দৰাবাদত অনুষ্ঠিত ছিনিয়ৰ ৰাষ্ট্ৰীয় চাইক্লিং প্ৰতিযোগিতাত অসমৰ চয়নিকা গগৈয়ে দুটা সোণসহ মুঠ পাঁচটা পদক লাভ কৰি ৰাজ্যলৈ গৌৰৱময় সফলতা কঢ়িয়াই আনিছে। এয়া ছিনিয়ৰ ৰাষ্ট্ৰীয় চাইক্লিং প্ৰতিযোগিতাত নতুন অভিলেখ। উল্লেখ্য যে প্ৰতিযোগিতাত অসমৰ মহিলা দলে দুটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ পাঁচটা পদক লাভ কৰে। চয়নিকাই দুই কিলোমিটাৰ একক পাৰাচুইট শাখাত সোণ লাভ কৰি ছিনিয়ৰ ৰাষ্ট্ৰীয় চাইক্লিং প্ৰতিযোগিতাত নতুন অভিলেখ গঢ়ে। এই শাখাত ব্ৰঞ্জ লাভ কৰে অসমৰ গংগোত্ৰী বৰদলৈয়ে। ইফালে, দহ কিলো মিটাৰৰ ৰেছতো সোণ আৰু ৰূপ লাভ কৰে অসমৰ চয়নিকা গগৈ আৰু গংগোত্ৰী বৰদলৈয়ে। আনহাতে, মহিলাৰ দলীয় শাখাত অসমে ৰূপ লাভ কৰে। সোণ অৰ্জন কৰে ৰেল'ৱে দলে। তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ পাছতো অসমে ৰেল'ৱেক পৰাস্ত কৰিব নোৱাৰিলে। চয়নিকা গগৈ আৰু গংগোত্ৰী বৰদলৈৰ লগতে মহিলাৰ দলীয় শাখাত অসমৰ হৈ অংশ লয় জয়শ্ৰী গগৈ আৰু বৃষ্টি কংকনা গগৈয়ে।

## টকিঅ' অলিম্পিকত সোণৰ লক্ষ্য মেৰীৰ



**নতুন দিল্লী, ৩১ মাৰ্চ ঃ** আসন্ন টকিঅ' অলিম্পিকত সোণৰ লক্ষ্য মেৰী কমৰ। আজি এই কথা কয় তাৰকা বক্সাৰগৰাকীয়ে। উল্লেখ্য যে শেহতীয়া আইবাৰ বিশ্ব ৰেংকিঙত তৃতীয় স্থানত আছে মেৰীকম। এইবাৰ ৰেংকিঙত ভাৰতৰ মুঠ 12 গৰাকী পুৰুষ-মহিলা বক্সাৰে শীৰ্ষ 10 ত স্থান পাইছে। এয়া ভাৰতীয় বক্সিঙৰ উত্তৰণৰ দিন বুলি কয় ফেডাৰেছনৰ সভাপতি অজয় সিঙে। উল্লেখ্য যে ৰেংকিঙত অসমৰ লাভলিনা বৰগোঁহাই তৃতীয় তথা যমুনা বড়োই পঞ্চম স্থান অৰ্জন কৰিছে। ইফালে, ইতিমধ্যে টকিঅ' অলিম্পিকৰ টিকট লৈছে মেৰীয়ে। এয়া হ'ব কেৰিয়াৰৰ দ্বিতীয়খন অলিম্পিক। উল্লেখ্য যে সমৰ্থকৰ প্ৰত্যাশা পূৰ্ণ কৰি নিজৰ দৃঢ়তা আৰু আত্মবিশ্বাসৰে আইবা বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপত সোণৰ পদক লাভ কৰিছে মণিপুৰৰ বক্সাৰগৰাকীয়ে। বিশ্ব বক্সিঙত মেৰী কমৰ ষষ্ঠটো স্বৰ্ণ লাভৰ গৌৰৱ আছে। আনহাতে, সামগ্ৰিকভাৱে আঠটা পদক লাভ কৰিছে ভাৰত জননীৰ গৌৰৱ কন্যাই। বিশ্ব বক্সিঙত ছটা সোণ তথা আঠটা পদক লাভ কৰা বিশ্বৰ প্ৰথমগৰকী মহিলা বক্সাৰ হিচাপে পৰিগনিত হৈছে মেৰী কম। স্মৰ্তব্য যে 2012ৰ লণ্ডন অলিম্পিকৰ স্বৰ্ণজয়ী আয়াৰলেণ্ডৰ কাটি টেইলৰে পাঁচবাৰ বিশ্ব চেম্পিয়নশ্বিপৰ স্বৰ্ণ পদক লাভ কৰিছে। 2016ৰ ৰিঅ' অলিম্পিকত তেওঁ অবসৰ লয়। এতিয়া মেৰী কমেই বিশ্ব বক্সিঙৰ একছত্ৰী সম্ৰাজ্ঞী। লণ্ডনত মেৰীয়ে ব্ৰঞ্জ লাভ কৰিছিল। কিন্তু ৰিঅ'ত খেলা নাছিল। এইবাৰ পুনৰ লক্ষ্য লৈছে টকিঅ'ত সোণৰ পদক পিন্ধিবলৈ। মেৰী কমে নিজৰ সফলতা সদায়ে দেশবাসীৰ ওচৰত উৎসৰ্গা কৰে। 'মোৰ ঈশ্বৰে কেৱল খেল খেলিবলৈয়ে পঠাইছে। সেয়ে কেতিয়াও মানসিক বা শাৰীৰিক ৰূপত ভাগৰি নপৰো।' মেৰীয়ে কয়।

## ডিব্ৰুগড়ত ৰঙিয়া ক্ৰিকেট সন্থাৰ বিৰুদ্ধে গোলাঘাটৰ নামবৰ ক্লাব

**গুৱাহাটী, ৩১ মাৰ্চ ঃ** ডিব্ৰুগড়ত কাইলৈ অনুষ্ঠিত হ'বলগা তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডৰ প্ৰথম মেচত গোলাঘাটৰ নামবৰ ক্লাবে খেলিব ৰঙিয়া ক্ৰিকেট সন্থাৰ বিৰুদ্ধে। উল্লেখ্য যে তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডলৈ মুঠ বাৰটা দলে যোগ্যতা অৰ্জন কৰিছে। আন্তঃমাণ্ডলিক ৰাউণ্ডৰ মেচৰ পাছত ছটা মণ্ডলৰ চেম্পিয়ন আৰু ৰানাৰ্ছআপ দলে যোগ্যতা অৰ্জন কৰিছে ফাইনেল ৰাউণ্ডলৈ। এতিয়া ফাইনেল ৰাউণ্ডত বাৰটা দলক দুটা গ্ৰুপত ভাগ কৰা হৈছে। ইয়াৰে ছটা দলে খেলিব তিনিচুকীয়াত হ'বলগা মেচত। আনহাতে, ছটা দলে খেলিব ডিব্ৰুগড়ত হ'বলগা মেচত। গোলাঘাটৰ নামবৰ ক্লাব আৰু ৰঙিয়া ক্ৰিকেট সন্থাৰ লগতে ডিব্ৰুগড়ত খেলিব লগা অন্য চাৰিটা দল হ'ল বৰপেটাৰ ত্ৰিৰংগ ক্লাব, শিলচৰৰ ইণ্ডিয়া ক্লাব, তেজপুৰৰ ছুপাৰ টাচ ক্লাব আৰু তিনিচুকীয়াৰ সপ্তৰ্শী। অহা দহ এপ্ৰিলত হ'ব তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল মেচ। উল্লেখ্য যে তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ চেম্পিয়ন দলে খেলিব ফাইনেল। উল্লেখ্য যে মুঠ 88.50 লাখ প্ৰাইজমানি থকা তৃতীয় অসম প্ৰীমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ তিনিটা পৰ্যায়ত আয়োজন কৰিছে অসম ক্ৰিকেট সন্থাই। প্ৰথমে অনুষ্ঠিত হৈছে জিলা, বিশ্ববিদ্যালয় আৰু ছাব জুনিয়ৰ পৰ্যায়ৰ মেচ। তাৰপাছত দ্বিতীয় স্তৰত মণ্ডলিক পৰ্যায়ত অনুষ্ঠিত হয় খেল। ছটা মণ্ডলৰ পৰা 12 টা দলে এতিয়া খেলিব ফাইনেল ৰাউণ্ডৰ মেচ।

## শ্ৰীলংকাৰ বিৰুদ্ধে দ্বিতীয় টেষ্টত ৩৫৪ ৰাণত প্ৰথম ইনিংছ সামৰিলে ৱেষ্টইণ্ডিজে



**এণ্টিগুৱা, ৩১ মাৰ্চ ঃ** ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচত দৃঢ় আৰম্ভণি কৰাৰ পাছত যোগ্য প্ৰত্যুত্তৰ দি আশাৰ আৰম্ভণি কৰিছে সিংহলী বাহিনীয়েও। উল্লেখ্য যে এণ্টিগুৱাত চলি থকা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচত পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত 354 ৰাণ কৰিছে। দলৰ হৈ অপেনাৰ ক্ৰেইগ ব্ৰেথৱেইটে (126] শতক অৰ্জন কৰে। আনহাতে, ক্ৰ'নৱেলে 73 ৰাণৰ গুৰুত্বপূৰ্ণ ইনিংছ খেলে। শ্ৰীলংকাৰ হৈ লকমলে চাৰিটা আৰু চমীৰাই তিনিটা উইকেট লাভ কৰে। ইফালে, শ্ৰীলংকাই প্ৰথম ইনিংছ আৰম্ভ কৰি তিনিটা উইকেট হেৰুৱাই 136 ৰাণ কৰে। দলৰ হৈ থিৰিমানে 55 ৰাণ কৰে। উল্লেখ্য যে উভয় দলৰ প্ৰথমখন টেষ্ট ড্ৰ ৰূপে সমাপ্ত হৈছে। এতিয়া দ্বিতীয় টেষ্টৰ ফলাফলে নিৰ্ণয় কৰিব শৃংখলা কোন দলে দখল কৰে। ইয়াৰপূৰ্বে প্ৰথম টেষ্টত শ্ৰীলংকাই ৱেষ্ট ইণ্ডিজৰ সন্মুখত 375 ৰাণৰ বিজয়লক্ষ্য দিছিল। কিন্তু অন্তিমদিনা ৱেষ্ট ইণ্ডিজে চাৰি উইকেটত 236 ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত 102 ৰাণৰ অগ্ৰগতি লাভ কৰিছিল। টেষ্টখনত পোনতে বেটিং কৰা সিংহলী বাহিনীয়ে 169 ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত কেৰিবিয়ান বাহিনীয়ে 271 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। কিন্তু দ্বিতীয় ইনিংছত শক্তিশালী প্ৰত্যাৱৰ্তন কৰে শ্ৰীলংকাই। সিংহলী বাহিনীয়ে 476 ৰাণ কৰি পৰাজয় ৰক্ষাৰ লগতে দৃঢ় স্থিতিত উপনীত হয়। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো 3-0 ৰ ব্যৱধানত জয় কৰিছিল। আনহাতে, ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটোও 2-1 ত দখল কৰিছিল।

## আজি তিনিচুকীয়াত গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাবৰ বিৰুদ্ধে উত্তৰ নলবাৰী স্প'ৰ্টছ ক্লাব

**গুৱাহাটী, ৩১ মাৰ্চ ঃ** তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডৰ মেচ কাইলৈৰ পৰা আৰম্ভ হ'ব। কাইলৈ তিনিচুকীয়াত হ'বলগা মেচত গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাবে খেলিব উত্তৰ নলবাৰী স্প'ৰ্টছ ক্লাবৰ বিৰুদ্ধে। উল্লেখ্য যে উত্তৰ নলবাৰী স্প'ৰ্টছ ক্লাবে আন্তঃমাণ্ডলিক ৰাউণ্ডৰ মেচৰ নামনি অসম মণ্ডলৰ পৰা যোগ্যতা অৰ্জন কৰিছে ফাইনেল ৰাউণ্ডলৈ। আনহাতে, হেড কোৱাৰ্টাৰ মণ্ডলৰ পৰা ফাইনেল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাবে। অসম ক্ৰিকেট সন্থাই আয়োজন কৰা তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডৰ মেচ দুটা স্থানত অনুষ্ঠিত হ'ব। তিনিচুকীয়াৰ লগতে ডিব্ৰুগড়তো হ'ব খেল। উল্লেখ্য যে তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডলৈ মুঠ বাৰটা দলে যোগ্যতা অৰ্জন কৰিছে। আন্তঃমাণ্ডলিক ৰাউণ্ডৰ মেচৰ পাছত ছটা মণ্ডলৰ চেম্পিয়ন আৰু ৰানাৰ্ছআপ দলে যোগ্যতা অৰ্জন কৰিছে ফাইনেল ৰাউণ্ডলৈ। এতিয়া ফাইনেল ৰাউণ্ডত বাৰটা দলক দুটা গ্ৰুপত ভাগ কৰা হৈছে। ইয়াৰে ছটা দলে খেলিব তিনিচুকীয়াত হ'বলগা মেচত। আনহাতে, ছটা দলে খেলিব ডিব্ৰুগড়ত হ'বলগা মেচত। গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাব আৰু উত্তৰ নলবাৰী স্প'ৰ্টছ ক্লাবৰ লগতে তিনিচুকীয়াত খেলিব উত্তৰ লখিমপুৰৰ ৰংমন ক্লাব, ক্ৰিকেট ক্লাব ডিব্ৰুগড়, কৰিমগঞ্জৰ মাইজধি ক্লাব আৰু নগাঁৱৰ ৰেডিয়েল ক্লাব।

## শ্ৰেয়াছৰ অনুপস্থিতি দিল্লী কেপিটেলছে অনুভৱ কৰিব

**নতুন দিল্লী, ৩১ মাৰ্চ ঃ** শ্ৰেয়াছ আয়াৰৰ অনুপস্থিতিত দিল্লী কেপিটেলছ দলৰ শক্তি হ্ৰাস পাব বুলি ব্যক্ত কৰিছে অষ্ট্ৰেলিয়াৰ ক্ৰিকেটাৰ ব্ৰেড হজে। উল্লেখ্য যে অহা ন এপ্ৰিলৰ পৰা আৰম্ভ হ'ব ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ। কিন্তু আই পি এলৰ আৰম্ভণিৰ প্ৰাকক্ষণতে সমস্যাৰ সন্মুখীন হৈছে দিল্লী দল। কাৰণ দিল্লী দলৰ অধিনায়ক শ্ৰেয়াছ আয়াৰে আসন্ন আই পি এলৰ আৰম্ভণিৰ মেচ খেলি নোৱাৰে। উল্লেখ্য যে চলিত ভাৰত আৰু ইংলণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ পুনেত হোৱা প্ৰথমখন মেচত আঘাত পাইছিল শ্ৰেয়াছে। মেচখনৰ ইংলণ্ডৰ ইনিংছৰ আঠ নম্বৰ অভাৰত বায়াৰষ্টোৰ শ্বট ৰাখিবলৈ গৈ আঘাত পাই শ্ৰেয়াছ আয়াৰে। সেয়ে শৃংখলাৰ বাকী থকা মেচ দুখনত শ্ৰেয়াছে অংশ ল'ব নোৱাৰিলে। ইফালে, আই পি এল খেলাক লৈয়ো অনিশ্চিয়তা হয়। ইফালে, শ্ৰেয়াছৰ অনুপস্থিতিত আসন্ন আই পি এলত দিল্লী কেপিটেল দলক নেতৃত্ব দিব উইকেটৰক্ষক বেটছমেন ঋষভ পণ্টে। অহা ন এপ্ৰিলৰ পৰা আৰম্ভ হ'বলগা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ উদ্বোধনী মেচত মুম্বাই ইণ্ডিনাছ দলে খেলিব ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে। আনহাতে, দিল্লী কেপিটেলছ দলে প্ৰথম মেচ খেলিব অহা দহ এপ্ৰিলত। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগা মেচত দিল্লী কেপিটেলছ দল মুখামুখি হ'ব চেন্নাই ছুপাৰ কিংছৰ।



## আই পি এলৰ চেম্পিয়ন ট্ৰফী হাতত লোৱাৰ সপোন দেখিছে দিল্লীয়ে



### দলৰ নতুন অধিনায়ক ঋষভৰ ওপৰত ভৰসা মেনেজমেণ্টৰ

**নতুন দিল্লী, ৩১ মাৰ্চ ঃ** 'দলৰ অধিনায়ক পদ লাভ কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান। মই এই দায়িত্ব লাভ কৰি যিমান আনন্দিত সিমানেই বদ্ধ পৰিকৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিবলৈ।' এই মন্তব্য উইকেটৰক্ষক বেটছমেন ঋষভ পণ্টৰ। উল্লেখ্য যে আসন্ন আই পি এলত দিল্লী কেপিটেল দলক নেতৃত্ব দিব উইকেটৰক্ষক বেটছমেন ঋষভ পণ্টে। ইতিমধ্যে দলৰ মেনেজমেণ্টে এই কথা সদৰি কৰিছে। স্মৰ্তব্য যে আই পি এলৰ দিল্লী কেপিটেল দলৰ অধিনায়ক সলনি হোৱাটো নিশ্চিত আছিল। কাৰণ দিল্লী দলৰ অধিনায়ক শ্ৰেয়াছ আয়াৰে আসন্ন আই পি এলৰ আৰম্ভণিৰ মেচ খেলি নোৱাৰে। দিল্লী কেপিটেল দলে শ্ৰেয়াছৰ অনুপস্থিতিত তিনিজন খেলুৱৈক দলৰ নেতৃত্ব দিয়াৰ চৰ্চা কৰিছিল। সেই অনুসৰি উইকেটৰক্ষক বেটছমেন ঋষভ পণ্ট, অফস্পীনাৰ ৰবীচন্দ্ৰন অশ্বিন আৰু অষ্ট্ৰেলিয়াৰ ষ্টিভ স্মিথৰ এজনক আসন্ন আই পি এলত দিল্লী কেপিটেল দলৰ নতুন অধিনায়কৰূপে দায়িত্ব দিয়াৰ কথা চলি থকা সময়তে উইকেটৰক্ষক বেটছমেন ঋষভক দায়িত্ব দিয়া হয়। উল্লেখ্য যে চলিত ভাৰত আৰু ইংলণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ পুনেত হোৱা প্ৰথমখন মেচত আঘাত পাইছিল শ্ৰেয়াছে। স্মৰ্তব্য যে অফস্পীনাৰ ৰবীচন্দ্ৰন অশ্বিন আৰু অষ্ট্ৰেলিয়াৰ ষ্টিভ স্মিথে পূৰ্বে কিংছ পঞ্জাৱ আৰু ৰাজস্থান ৰয়েলছক নেতৃত্ব দিছে। ইফালে, ঋষভৰ ওপৰত ভৰষা ৰাখি দিল্লী দলে আই পি এল জয়ৰ সপোন দেখিছে।

# আপোনাৰ ভোটে আপোনাৰ ভৱিষ্যত নিৰ্ণয় কৰিব



তেওঁলোকে মাত্ৰ কয়



তেওঁলোকে আনন্দৰে ভোট দিয়ে

## আপুনি কোনটো শ্ৰেণীত পৰিব?

ভোটদান কেৱল আপোনাৰ অধিকাৰেই নহয়, ই আপোনাৰ কৰ্তব্যও!

## ভীতিহীনভাৱে আপোনাৰ ভোট দিয়ক



© The Common Man: BCCL. Used under license

### ভোটগ্ৰহণ কেন্দ্ৰৰ সা-সুবিধাসমূহ

বিশেষভাৱে সক্ষম আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সা-সুবিধাসমূহ

- ৰেম্প আৰু হুইলচেয়াৰ
- ব্ৰেইলীযুক্ত ই ভি এম
- সাংকেতিক ভাষা
- বিশেষ স্বেচ্ছাসেৱক
- পৰিবহণৰ সুবিধা
- ভোটাৰ সহায়ক বুথ
- সাংকেতিক চিহ্ন
- বিশেষভাৱে সক্ষম আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত প্ৰৱেশৰ সুবিধা
- মাস্ক, ফেচ শ্বিল্ডছ আৰু গ্লৱছ
- সকলো লোকৰ বাবে থাৰ্মেল স্কেনিং
- ছেনিটাইজাৰ, চাবোন আৰু পানী
- সামাজিক দূৰত্ব
- শাৰী পতাৰ পৰিৱৰ্তে টোকেনৰ ব্যৱস্থা
- পোষ্টেল বেলটৰ বিকল্প সুবিধা

davp 52101/13/0020/2021

ভাৰতৰ নিৰ্বাচন আয়োগ
1950 | https://eci.gov.in/ | www.nvsp.in

কোনো ভোটাৰ যাতে বাদ নপৰে

ডাউনলোড